UG ED S4 03
(DSC7)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

শৈক্ষিক ব্যৱস্থাপনা

চতুর্থ ষাণ্মাসিক

বুনিয়াদী পাঠ্যবিষয় - ৭

শিক্ষা

ইন্দিৰা মিৰি শিক্ষা সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমণি গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৱতন ৰয়, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, নেৰিম, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড° ৰীতিমণি বৰদলৈ	ড° বীৰেন্দ্র ডেকা
২,৫	ড° নীলিমা ডেকা	অপৰাজিতা শর্মা
৩	ড° ৰীতিমণি বৰদলৈ	অপৰাজিতা শর্মা
৪,১১	ড° মধুস্মিতা দেৰী	ড° বীৰেন্দ্র ডেকা
৬	ড° মধুস্মিতা দেৰী	ড° ৰঞ্জু মেধি, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়
৭,৮,৯	ড° নীলিমা ডেকা	ড° বীৰেন্দ্র ডেকা
১০	ড° মধুস্মিতা দেৰী,	গীতাঞ্জলী চৌধুৰী
১২	ড° মধুস্মিতা দেৰী	অপৰাজিতা শর্মা
১৩	ড° উৎপল কলিতা	অপৰাজিতা শর্মা
১৪	ড° প্রতুল চন্দ্র কলিতা, আই আই টি, গুৱাহাটী আৰু ড° ৰীতিমণি বৰদলৈ	গীতাঞ্জলী মেধি

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° নীলিমা ডেকা, এল চি বি মহাবিদ্যালয়
ড° ৰঞ্জু মেধি, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়

ISBN 978-93-89123-62-3

ভাষা সম্পাদনা ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ২০২৫

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭; Web : www.kkhsou.in

উপ-মুখ্য কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, **গুৱাহাটী - ৭৮১ ০২২**

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

পাঠ্য বিষয় পৰিচয়

প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ পাঠ্যবিষয়ত আমি ইতিমধ্যে শিক্ষাৰ ধাৰণা আৰু প্ৰয়োজনৰ বিষয়ে. আলোচনা কৰাৰ লগতে শিক্ষা মনোবিজ্ঞানৰ প্ৰয়োজনীয়তাৰ বিষয়ে গম পালো। তৃতীয় ষান্মাসিকৰ পাঠ্যক্ৰমৰ বাবে দুখন পাঠ্যবিষয় ক্ৰমে GED S 03-01 য'ত আমি শিক্ষাৰ সমাজতাত্ত্বিক আধাৰ আৰুপাঠ্যক্ৰম UG ED S 03-02ত ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ কিছু নিৰ্বাচিত বিষয়ৰ বিষয়ে বিষদ্ ভ্ৰবে গম পালো। চতুৰ্থ ষান্মাসিকৰ পাঠ্যবিষয়ৰ বাবে UG ED S 4-01ত আমি দূৰৱৰ্ত্তী শিক্ষা আৰু ইয়াৰ প্ৰয়োগৰ বিভিন্ন দিশৰ বিষয়ে আৰু UG ED S 4-02 ত শৈক্ষিক প্ৰযুক্তিবিদ্যাৰ গুৰুত্বৰ বিষয়ে জানিবলৈ সক্ষম হ'লো। ইয়াৰ উপৰিও চতুৰ্থ ষান্মাসিকত পাঠ্যবিষয় UG ED S 4-03 ত শিক্ষাৰ্থীয়ে শৈক্ষিক দিশত বিভিন্ন ব্যৱস্থাপনাৰ নীতি আৰু ইয়াৰ গুৰুত্বতাৰ বিষয়ে জানিব পাৰিব । এই পাঠ্যক্ৰমখনত মুঠতে 14 টা অধ্যায় যুগুত কৰা হৈছে।

প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ অধ্যায়টিত শৈক্ষিক ব্যৱস্থাপনাৰ অৰ্থ, প্ৰকৃতি আৰু ইয়াৰ গুৰুত্বতা, শৈক্ষিক পৰিচালনাৰ বিভিন্ন অভিগমনসমূহ , ব্যৱস্থাপনাৰ সময়ত ব্যৱহৃত বিভিন্ন নীতিৰ বিষয়ে লগতে অনুষ্ঠান এখনৰ বা শ্ৰেণীকোঠাৰ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰা হৈছে।। পঞ্চম অধ্যায়টিত শৈক্ষিক নেতৃত্বৰ ধাৰণাৰ বিষয়ে বিস্তৃত আলোচনা সামৰি লোৱা হৈছে। ষষ্ঠ অধ্যায়টিৰ দ্বাৰা পাঠ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰা হৈছে। স প্তম অধ্যায়টিত এটা সংগঠনৰ তথা সংগঠন এটিৰ সাংগঠনিক কাৰ্যকলাপৰ উন্নীতকৰণৰ বিষয়ে বৰ্ণনা কৰা হৈছে। অষ্টম অধ্যায়টিত বিবাদৰ ধাৰণা, সংজ্ঞা, বিবাদৰ ভূমিকা, আন্তঃ ব্যক্তিগত বিবাদ আৰু **চাপ** ব্যৱস্থাপনাৰ প্ৰকৃতি আৰু ইয়াৰ ব্যৱস্থাপনাৰ পদ্ধতিসমূহৰ বিষয়ে বৰ্ণনা কৰা হৈছে। নৱম অধ্যায়টিয়ে ব্যৱস্থাপনা প্ৰক্ৰিয়াৰ অৰ্থ, উন্নত পৰিকল্পনাৰ বৈশিষ্ট্য , সংগঠন, নিৰ্দেশাৱলীৰ গুৰুত্ব আৰু নিয়ন্ত্ৰণাৱলীৰ বিষয়ে আলোচনা কৰিছে। দশম আৰু একাদশ অধ্যায়টিৰ দ্বাৰা শৈক্ষিক শাসন ব্যৱস্থা আৰু শৈক্ষিক পৰিদৰ্শনৰ ভূমিকা, ইয়াৰ শ্ৰেণী বিভাজন, প্ৰকাৰ আৰু ইয়াৰ বিভিন্ন ধৰণৰ কাৰ্য্যাৱলী সমূহৰ বিষয়ে আলোকপাত কৰা হৈছে। দ্বাদশ অধ্যায়টিত সহপাঠ্যক্ৰমৰ অৰ্থ, সংজ্ঞা, উদ্দেশ্য আৰু ইয়াৰ পৰিচালনাৰ বিভিন্ন নীতিসমূহ সামৰি লোৱা হৈছে।। ত্ৰয়োদশ অধ্যায়টিত সম্পদ পৰিচালনাৰ নীতিসমূহৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা হৈছে। চতুদৰ্শ অধ্যায়টিত সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ফ-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্ৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **শৈক্ষিক ব্যৱস্থাপনাৰ অর্থ আৰু প্ৰকৃতি** ৫-১৬

শৈক্ষিক ব্যৱস্থাপনাৰ অর্থ, প্ৰকৃতি, গুৰুত্ব, কার্য্যাৱলী আৰু ইয়াৰ পৰিসৰ।

অধ্যায় ২ ঃ **শৈক্ষিক পৰিচালনাৰ বিভিন্ন অভিগমনসমূহ** ১৭-২৭

শৈক্ষিক পৰিচালনাৰ বিভিন্ন অভিগমনসমূহ- সামাজিক চাহিদাৰ অভিগমন, মানৱ শক্তি প্ৰয়োজনৰ অভিগমন, প্ৰত্যাবর্তন হাৰৰ অভিগমন।

অধ্যায় ৩ ঃ **অনুষ্ঠানিক পৰিকল্পনা** ২৮-৩৮

অনুষ্ঠানিক পৰিকল্পনাৰ অর্থ, বৈশিষ্ট্য আৰু ইয়াৰ গুৰুত্ব। উপযুক্ত অনুষ্ঠানিক পৰিকল্পনাৰ পদক্ষেপসমূহ।

অধ্যায় ৪ ঃ **শ্ৰেণীকোঠা ব্যৱস্থাপনা** ৩৯-৫৭

শ্ৰেণীকোঠা ব্যৱস্থাপনাৰ ধাৰণা, উদ্দেশ্য আৰু ইয়াৰ কার্য্যৱলীসমূহ। ব্যৱস্থাপক হিচাপে শিক্ষকৰ ভূমিকা, শিক্ষকৰ গুণাৱলী আৰু কর্তব্যসমূহ। শ্ৰেণীকোঠা ব্যৱস্থাপনা উন্নতকৰণৰ কৌশল আৰু নির্দেশনাসমূহ।

অধ্যায় ৫ ঃ **শৈক্ষিক নেতৃত্ব** ৫৮-৭১

শৈক্ষিক নেতৃত্বৰ ধাৰণা, ভূমিকা আৰু কার্য। শৈক্ষিক নেতৃত্বৰ গুৰুত্ব, শৈক্ষিক নেতৃত্বৰ পৰিমাপন।

অধ্যায় ৬ঃ **পাঠ পৰিকল্পনা** ৭২-৮৭

পাঠ পৰিকল্পনাৰ ধাৰণা, সংজ্ঞা, উদ্দেশ্য আৰু গুৰুত্ব। পাঠ পৰিকল্পনাৰ পূর্ব চর্ত, পৰিকল্পনাৰ অত্যাৱশ্যকীয় গুণ, শ্ৰেণী বিভাগ আৰু পাঠ পৰিকল্পনাৰ চানেকী।

অধ্যায় ৭ ঃ **সংগঠন** ৮৮-১০৬

শৈক্ষিক সংগঠনৰ অর্থ, সংজ্ঞা আৰু কার্য্যৱলীসমূহ। সাংগঠনিক কার্য্যকলাপৰ উন্নীতকৰণ আৰু শক্তিশালীকৰণৰ দায়বদ্ধ উপাদানসমূহ।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ আন্তঃব্যক্তিগত বিবাদৰ ব্যৱস্থাপনা আৰু শৈক্ষিক সংগঠনৰ চাপ

আন্তঃ ব্যক্তিগত বিদাদৰ ভূমিকা, বিবাদ, চাপ ব্যৱস্থাপনা আৰু ইয়াৰ পদ্ধতিসমূহ।

অধ্যায় ৯ ঃ শিক্ষাত ব্যৱস্থাপনা প্রক্রিয়া

ব্যৱস্থাপনা প্রক্রিয়াৰ অর্থ, পৰিকল্পনা, সংগঠন, নির্দেশাৱলী আৰু নিয়ন্ত্রণাৱলী।

অধ্যায় ১০ঃ শৈক্ষিক শাসন ব্যৱস্থা

শৈক্ষিক শাসন ব্যৱস্থাৰ অর্থ , সংজ্ঞা, ব্যৱস্থাৰ স্বৰূপ, শ্রেণী বিভাজন বা প্রকাৰসমূহ , ইয়াৰ প্রয়োজনীয়তা আৰু পৰিসৰ।

অধ্যায় ১১ঃ শৈক্ষিক পৰিদর্শন

পৰিদর্শনৰ অর্থ, সংজ্ঞা, উদ্দেশ্য আৰু বৈশিষ্ট্যসমূহ। ইয়াৰ প্রয়োজনীয়তা, গুৰুত্বতা আৰু বিভিন্ন কামসমূহ।

অধ্যায় ১২ ঃ সহ পাঠ্যক্রম কার্য্যাৱলী

সহপাঠ্যক্রমৰ অর্থ, সংজ্ঞা আৰু উদ্দেশ্য। সহপাঠ্যক্রমৰ কার্যসূচী প্রস্তুতকৰণৰ নীতিসমূহ, ইয়াৰ সুবিধা আৰু অসুবিধাসমূহ।

অধ্যায় ১৩ ঃ পৰিচালনা আৰু সম্পদসমূহ

মানৱ সম্পদৰ ধাৰণা, বৈষয়িক সম্পদৰ ধাৰণা, সম্পদ পৰিচালনাৰ নীতিসমূহ, সম্পদ পৰিচালনাৰ ক্ষেত্রত অংশীদাৰসকলৰ ভূমিকা, শৈক্ষিক অনুষ্ঠানসমূহত সম্পদসমূহৰ একত্রকৰণৰ প্রয়োজন আৰু গুৰুত্বসমূহ, আনুষ্ঠানিক সম্পদসমূহৰ একত্রকৰণৰ ক্ষেত্রত শিক্ষকৰ দায়িত্ব আৰু ভূমিকা।

অধ্যায় ১৪ ঃ সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনা

মানৱ সম্পদ বিকাশৰ সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনা, সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনা সংস্কৃতিৰ প্রয়োজনীয় উপাদানসমূহ, সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনা প্রণালীত প্রক্রিয়া ব্যৱস্থাপনা, সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনাৰ বাবে লাভ কৰা সুফলসমূহ, সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনাৰ উপাদানসমূহ

অধ্যায়-১ ঃ শৈক্ষিক ব্যৱস্থাপনাৰ অর্থ আৰু প্ৰকৃতি (MEANING AND NATURE OF EDUCATIONAL MANAGEMENT)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ শৈক্ষিক ব্যৱস্থাপনাৰ অর্থ

১.৩.১ শৈক্ষিক ব্যৱস্থাপনাৰ প্ৰকৃতি

১.৩.২ শৈক্ষিক ব্যৱস্থাপনাৰ গুৰুত্ব

১.৩.৩ শৈক্ষিক ব্যৱস্থাপনাৰ কামসমূহ

১.৩.৪ শৈক্ষিক ব্যৱস্থাপনাৰ পৰিসৰ

১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৫ অধিক জানিবলৈ

১.৬ অগ্ৰগতিৰ খতিয়ান

১.৭ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- শৈক্ষিক ব্যৱস্থাপনা ধাৰণাটোৰ অর্থ নির্ণয় কৰিব পাৰিব,
- শৈক্ষিক ব্যৱস্থাপনাৰ প্ৰকৃতি আৰু গুৰুত্ব চিনাক্ত কৰিব সমর্থ হ'ব,
- শৈক্ষিক ব্যৱস্থাপনাৰ পৰিসৰ আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

প্ৰত্যেক অনুষ্ঠানৰে কিছুমান উদ্দেশ্য থাকে আৰু সেই উদ্দেশ্যত উপনীত হোৱাৰ বাবে কিছুমান ব্যৱস্থাপনা বা প্ৰস্তুতিৰ প্ৰয়োজন থাকে, তাকেই ব্যৱস্থাপনা বুলি কোৱা হয়। ব্যৱস্থাপনা হ'ল এবিধ কলা যিবিধক কোনো শিক্ষানুষ্ঠান, প্ৰতিষ্ঠান বা ব্যৱসায়িক সংগঠনে নিজস্ব লক্ষ্যত উপনীত হোৱাৰ বাবে সজাই লয়। এটা নির্দিষ্ট সংগঠন বা অনুষ্ঠানৰ ব্যৱস্থাপনাই অনুষ্ঠানটোৰ কাম-কাজৰ লগতে প্ৰয়োজনীয় নিয়ন্ত্ৰণত প্ৰভাৱ পেলায়। ইয়াৰ লগতে সংগঠনটোৰ যুক্তিসংগত

বিচাৰ-বিবেচনা আৰু ফলপ্ৰসুতা নিশ্চিতকৰণ হয়। সেয়েহে ব্যৱস্থাপনাক এবিধ কাৰিকৰী প্ৰক্ৰিয়া বুলি ধৰা হয় যিটো অধিকভাৱে আভ্যন্তৰীণ আৰু নমনীয় প্ৰকৃতিৰ। সংগঠনটো সুন্দৰভাৱে চলাই নিয়াৰ বাবে ব্যৱস্থাপনা প্ৰক্ৰিয়াত গুণগত নেতৃত্ব আৰু সুদক্ষ ব্যৱস্থাপকৰ প্ৰয়োজন হয়। এই অধ্যায়টোত আমি বিশেষভাৱে শৈক্ষিক ব্যৱস্থাপনাৰ বিষয়ে আলোচনা কৰিমহক যিটো আন আন সামাজিক সংগঠনৰ ব্যৱস্থাপনাৰ পৰা পৃথক।

১.৩ শৈক্ষিক ব্যৱস্থাপনাৰ অর্থ (MEANING OF EDUCATIONAL MANAGEMENT)

শৈক্ষিক ব্যৱস্থাপনা চিধাচিধিভাৱে এখন শিক্ষানুষ্ঠানৰ ব্যৱস্থাপনা প্ৰক্ৰিয়াৰ লগত সম্বন্ধিত। শিক্ষানুষ্ঠানবোৰৰ ব্যৱস্থাপনাক সজাই-পৰাই তোলাৰ মূলতে থাকে অনুষ্ঠানখনৰ শিকণ আৰু শিক্ষণ প্ৰক্ৰিয়াৰ ফলপ্ৰসূতা অনাৰ ব্যৱস্থা কৰা। ভাৰতবৰ্ষৰ শিক্ষাৰ ক্ষেত্ৰখনত ব্যৱস্থাপনাৰ ব্যৱস্থা সোমাই পৰে ১৯৭০ চনত।

নির্দেশনাত্মক আচৰণত ব্যৱস্থাপনাক মৌলিক সত্যৰ নীতি হিচাপে ধৰি লোৱা হয়। ইয়াক স্থাপন কৰা হৈছে বা কার্যকৰী কৰা হৈছে নির্দেশনাত্মক পৰিবেশৰ কাৰণ, ফলশ্ৰুতিৰ সম্বন্ধ আৰু কার্যপালিকাৰ ভূমিকাৰ প্ৰভাবৰ ওপৰত। ই সাধাৰণতে এটা ব্যৱস্থাপক কৌশলসমূহৰ প্ৰক্ৰিয়া য'ত কৌশলসমূহৰ সত্যতাক উন্নত পর্যায়লৈ নিয়া হয়। ইয়াক শৈক্ষিক নির্দেশনা প্ৰক্ৰিয়াৰ কর্মৰত প্ৰক্ৰিয়া বুলি ক'ব পৰা যায়।

শৈক্ষিক ব্যৱস্থাপনা সন্দর্ভত বর্তমানলৈ বহুবোৰ সংজ্ঞা প্ৰকাশিত হৈছে। আমি এইখিনিতে দুটা সংজ্ঞা উল্লেখ কৰিলো—

হেনৰী ফয়লৰ মতে, "ব্যৱস্থাপনা হ'ল সংগঠিত কৰিবলৈ, নির্দেশনা দিবলৈ, সু-সমঞ্জয় কৰিবলৈ আৰু নিয়ন্ত্ৰণ কৰিবলৈ লোৱা এক আঁচনিৰ প্ৰয়াস তথা ভবিষ্য। (to manage is to forecast and plan, to organize, to commands, to co-ordinate and to control.— Henry Fayol)"

এফ ডব্লিউ টেইলৰ মতে, "ব্যৱস্থাপনা হ'ল জ্ঞান লাভৰ কলা যিটোক তুমি সুন্দৰ আৰু কম খৰচৰ পথেৰে কৰিবলৈ বিচৰা। (Management is the art of knowing what you want to do in the best and cheapest way.— F. W. Taylor)"

হেনৰী ফয়ল আৰু এফ ডব্লিউ টেইলৰ, দুয়োজন আছিল শৈক্ষিক ব্যৱস্থাপনাৰ আগতীয়া চিন্তাবিদ। তেওঁলোকে আঙুলিয়াই দিছিল যে ব্যৱস্থাপনিক নীতিবোৰ পদ্ধতিগত হোৱা দৰকাৰ যিবোৰক প্ৰকৃততে লোৱা হয় ব্যৱস্থাপনাত উদ্ভৱ হোৱা সমস্যাবোৰ সমাধানৰ বাবে। আকৌ তেওঁলোকৰ মতে এখন শিক্ষানুষ্ঠানত ব্যৱস্থাপনাৰ কামবোৰ ফলপ্ৰসু হ'ব যদি সেইবোৰ গ্ৰহণযোগ্য নীতি বা পন্থাৰ ওপৰত আধাৰিত হয়। এইবোৰৰ উপৰিও প্ৰক্ৰিয়াটোৰ ফলপ্ৰসূতাৰ উন্নতি সাধন কৰিবলৈ ব্যৱস্থাপনাৰ ওপৰত অধিকভাৱে গৱেষণা বা প্ৰশিক্ষণৰ প্ৰয়োজন হয়। সেয়েহে ব্যৱস্থাপনা প্ৰক্ৰিয়াটোৰ বাবে সহযোগিতাবোধ আৰু শিক্ষানুষ্ঠানৰ সদস্যসকলৰ মাজত গভীৰ সম্বন্ধ স্থাপন হ'ব লাগে।

জেমচ্ এল লুন্দিৰ মতে, "ব্যৱস্থাপনা হ'ল মুখ্যভাৱে নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ বাবে পৰিকল্পনা, সমন্বয়, অভিৰোচন আৰু নিয়ন্ত্ৰণ আদিৰ দৰে কৰ্মসমূহৰ মাজেৰে কৰা আনৰ প্ৰচেষ্টা। ব্যৱস্থাপনাই কি কৰে সেয়ে হ'ল ব্যৱস্থাপনা। এইটো হ'ল পৰিকল্পনা, কাৰ্যকৰীকৰণ আৰু নিয়ন্ত্ৰণ কৰি থকা কৰ্ম। (Management is principally the task of planning co-ordinating, motivation and controlling the efforts of others towards a specific objective. Management is what management does. It is a task of planning, executing and controlling.)"

ওপৰত কৰা ব্যাখ্যাৰ পৰা আমি নিশ্চিত হ'লো যে শৈক্ষিক ব্যৱস্থাপনা হ'ল এক দলীয় কৰ্ম বা দলীয় কাৰ্যসূচী আৰু ই পৰিকল্পনা, সংগঠন, নিৰ্দেশনা, কাৰ্যকৰীকৰণ, নিয়ন্ত্ৰণ আৰু মূল্যায়ণ প্ৰক্ৰিয়া আদিৰ দৰে বহুবোৰ ব্যৱস্থাপনিক নীতিৰ দ্বাৰা সমৃদ্ধ। সেই নীতিবোৰ পদ্ধতিগতভাৱে সংগঠিত হোৱা দৰকাৰ। নীতিবোৰ প্ৰয়োজনীয়তা আৰু বৈধতাৰ ওপৰত আধাৰিত হোৱা দৰকাৰ। তেতিয়াহে শৈক্ষিক অনুষ্ঠানসমূহৰ কাৰ্যসমূহৰ ফলপ্ৰসুতা আৰু কৃতকাৰ্যতা সম্ভৱপৰ হৈ উঠিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ শৈক্ষিক ব্যৱস্থাপনা বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ২ঃ শৈক্ষিক ব্যৱস্থাপনা আৰু ব্যৱসায়িক ব্যৱস্থাপনাৰ মাজত থকা ভিন্নতাখিনি আপুনি কিদৰে নিৰ্ণয় কৰিব?

.....

.....

১.৩.১ শৈক্ষিক ব্যৱস্থাপনাৰ প্রকৃতি (Nature of Educational Management)

প্রত্যেকখন অনুষ্ঠান-প্রতিষ্ঠানৰে ব্যৱস্থাপনা প্রক্রিয়াৰ ভিন্নতা দেখিবলৈ পোৱা যায়। প্রত্যেকখন অনুষ্ঠানৰে নিজস্ব আদর্শ আছে আৰু কার্যসূচীবোৰৰ নিজস্ব নির্বাচন থাকে। সংগঠনবোৰৰ ব্যৱস্থাপনা প্রক্রিয়া অৱস্থা অনুসৰি সময়ে সময়ে পৰিবর্তন হৈ থাকে। ইয়াৰ মূলতে হ'ল সামাজিক পৰিবর্তন আৰু বিকাশ সাধন। আমি ব্যৱস্থাপনা প্রক্রিয়াৰ শৈক্ষিক দিশটোৰ প্রকৃতি সম্বন্ধে তলত দিয়াৰ ধৰণে আলোচনা কৰি চাব পাৰো—

- **শৈক্ষিক ক্ষেত্রৰ ব্যৱস্থাপনা হ'ল বহু বিষয়সমৃদ্ধ (Management in Education is multidisci-plinary)** — ব্যৱস্থাপনা প্রক্রিয়াটোক যদিওঁ এটা সুকীয়া বিষয় হিচাপে ধৰা হয় আৰু বিকশিত কৰা হৈছে কিন্তু ই বিভিন্ন বিষয়ৰ পৰা জ্ঞান আৰু ধাৰণা আহৰণ কৰিছে। শৈক্ষিক অনুষ্ঠান এখনত ব্যৱস্থাপনা হ'ল এক সংহত ধাৰণা বা বিভিন্ন দিশ সমৃদ্ধ কর্ম। ই মনোবিজ্ঞান, সমাজবিজ্ঞান, নৃতত্ববিজ্ঞান, অর্থনীতি বিজ্ঞান, পৰিবেশ বিজ্ঞান, পৰিসংখ্যা বিজ্ঞান, স্থানীয় গৱেষণা, ইতিহাস আদিৰ দৰে বিষয়বোৰৰ আদর্শৰে সমৃদ্ধ। সেয়েহে সংগঠনটো ব্যৱস্থাপনাৰ মাধ্যমত চলাই নিয়াটো নতুনত্বৰ ধাৰণাৰ অনুশীলন বুলি ক'ব পৰা যায়।
- **ব্যৱস্থাপনা হ'ল এক গতিশীল প্রক্রিয়া (Management is a dynamic process)** ঃ— ব্যৱস্থাপনাৰ পৰিকল্পনা প্রক্রিয়াটো আধাৰিত হয় নির্দিষ্ট সময় আৰু নির্দিষ্ট অৱস্থাৰ ওপৰত। সমাজৰ পৰিবর্তনৰ ধাৰাটোৱে বা পৰিবেশীয় প্রকৃতিয়ে ব্যৱস্থাপনা প্রক্রিয়াৰ পৰিবর্তন আনে। সেয়েহে ক'ব পৰা যায় যে ব্যৱস্থাপনা প্রক্রিয়াটোৰ প্রকৃতি নমনীয়।
- **ব্যৱস্থাপনা হ'ল সম্বন্ধসূচক, ই চূড়ান্ত নীতিসমূহক বিশ্বাস নকৰে (Management is relative it does not believe in absolute principle)**– ব্যৱস্থাপনাৰ নীতিবোৰ সংগঠনটোৰ প্রয়োজনীয়তালৈ লক্ষ্য ৰাখি প্রয়োগ কৰা উচিত। এখন শিক্ষানুষ্ঠানত প্রয়োজন হোৱা ব্যৱস্থাপনাৰ নীতিবোৰ অন্যধৰণৰ সংগঠনৰ ব্যৱস্থাপনাৰ নীতিৰ লগত নিমিলে। সেই ব্যৱধানতাখিনি উদ্ভৱ হোৱাৰ মূল কাৰণ হ'ল - সময়, সামাজিক, সাংস্কৃতিক উপাদান ইত্যাদি।
- **ব্যৱস্থাপনাক বিজ্ঞান আৰু কলা দুয়োবিধ হিচাপে ধৰা হয়।**

- **ব্যৱস্থাপনা হ'ল এটা সিদ্ধান্ত তৈয়াৰ কৰা প্ৰক্ৰিয়া।**
- **ব্যৱস্থাপনা হ'ল এক সাৰ্বজনীন ধাৰা কিন্তু ইয়াৰ প্ৰয়োগৰ প্ৰক্ৰিয়াটো সংশোধন কৰা হয় অৱস্থাৰ প্ৰয়োজনভেদে।**
- **বিদ্যালয় ব্যৱস্থাপনা আৰু দেশ এখনৰ সামাজিক দৰ্শনৰ মাজত গভীৰ সম্বন্ধ থাকিব লাগিব।**



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ ব্যৱস্থাপনাক এক গতিশীল আৰু বহুবিষয়ক প্ৰক্ৰিয়া হিচাপে ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন নং ৪ঃ তলত দিয়া উক্তিসমূহ সত্য নে অসত্য নিৰ্ণয় কৰক —

(ক) ব্যৱস্থাপনা হ'ল কলাতকৈ অধিকভাৱে বিজ্ঞান। ☐

(খ) ব্যৱস্থাপনা প্ৰক্ৰিয়া প্ৰাকৃতিকভাৱে নমনীয়, কাৰণ সমাজ গতিশীল। ☐

১.৩.২ শৈক্ষিক ব্যৱস্থাপনাৰ গুৰুত্ব (Importance of Educational Management)

এখন শিক্ষানুষ্ঠানত ব্যৱস্থাপনাৰ কৃতকাৰ্যতা নিশ্চিতকৰণ হয় অনুষ্ঠানখনৰ মানৱ সম্পদসমূহ আৰু বৈষয়িক অৱস্থাসমূহৰ কৃতকাৰ্যভাৱে ব্যৱহাৰ হোৱাৰ ওপৰত। এটা সংগঠনৰ কামবোৰ গণতান্ত্ৰিকভাৱে ব্যৱহাৰ হোৱাৰ বাবে ব্যৱস্থাপনাৰ প্ৰয়োজন হয়। এখন শিক্ষানুষ্ঠানত ব্যৱস্থাপনাৰ গুৰুত্বতা অধিক। সুব্যৱস্থাপনা থাকিলে শিক্ষানুষ্ঠানৰ প্ৰত্যেকটো কাৰ্য বা আঁচনি সুন্দৰভাৱে ৰূপায়িত কৰিব পৰা যায়।

- অনুষ্ঠান এখনৰ দাবী পূৰণ কৰিবলৈ আৰু সম্পদসমূহক ফলপ্ৰসুভাৱে ব্যৱহাৰ কৰাৰ বাবে ব্যৱস্থাপনা প্ৰক্ৰিয়াটো অতি গুৰুত্ব পূৰ্ণ।
- শৈক্ষিক সম্পদসমূহৰ বিকাশ সাধন কৰাৰ বাবে আৰু বিদ্যালয়ৰ পৰিবেশৰ মান উন্নত কৰাৰ অৰ্থে ফলপ্ৰসু ব্যৱস্থাপনাৰ গুৰুত্বতা আছে। শৈক্ষিক অনুষ্ঠানৰ শিক্ষাদান আৰু নিৰ্দেশনাত্মক ব্যৱস্থাৰ সকলো দিশৰ অভিনৱত্ব অনাৰ বাবেই ব্যৱস্থাপনাৰ গুৰুত্বতা আছে। সমাজখনৰ পৰিবৰ্তনমুখী প্ৰকৃতিটোৱে আমাৰ সামাজিক গাঁথনি বা আমাৰ সামাজিক ব্যৱস্থাত প্ৰভাৱ পেলায়। শিক্ষানুষ্ঠানবোৰক যিহেতু শক্তিশালী সামাজিক সংগঠন হিচাপে অভিহিত কৰা হয় সেয়েহে

ব্যক্তিসকলৰ প্ৰচেষ্টাক পূৰ্ণতা অনাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহে ভূমিকা গ্ৰহণ কৰিব লাগিব। বিদ্যালয় সংগঠনৰ ফলপ্ৰসূতা আৰু দক্ষতাৰ পৰ্যায় সুনিশ্চিত কৰাৰ লগতে অভিনৱত্বৰ দাবী পূৰণ কৰিবলৈ শিক্ষানুষ্ঠানসমূহৰ ব্যৱস্থাপনা প্ৰক্ৰিয়াটো উপযুক্ত হোৱাটো প্ৰয়োজন।

- এটা সংগঠনৰ সদস্য অথবা কৰ্মচাৰীসকলৰ মাজত সুন্দৰ কৰ্মমুখী সম্পৰ্ক গঢ়ি তোলাৰ বাবে সুদক্ষ ব্যৱস্থাপনাৰ প্ৰয়োজন। সুদক্ষ ব্যৱস্থাপনা থাকিলেহে সংগঠনৰ সদস্যসকলৰ মাজত সহযোগ আৰু পৰস্পৰ বুজাবুজিৰ ভাব গঢ়ি উঠিব। ইয়াৰ মূল কাৰণ হ'ল ব্যৱস্থাপনাই অনুষ্ঠানখনৰ কৰ্মচাৰীসকলক পদ্ধতিগতভাৱে সু-সংগঠিত কৰিব পাৰে।



চিন্তা চৰ্চা কৰক ১.১

আপুনি কিয় শিক্ষানুষ্ঠান এখনৰ বাবে ব্যৱস্থাপনাৰ গুৰুত্বতা থকা বুলি ভাবে?

.....

.....

.....

.....

১.৩.৩ শৈক্ষিক ব্যৱস্থাপনাৰ কামসমূহ (Functions of Educational Management)

আমি ব্যৱস্থাপনাৰ গুৰুত্বতা সম্বন্ধে জ্ঞান লাভ কৰাৰ পিছত শৈক্ষিক প্ৰক্ৰিয়াটোৰ ফলপ্ৰসূতাৰ উন্নতি সাধনৰ অৰ্থে ব্যৱস্থাপনাৰ কামবোৰ বা কৰ্মসূচীসমূহৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিমহক। তলত শৈক্ষিক ব্যৱস্থাপনাৰ কিছুমান কামৰ বিষয়ে আলোচনা আগবঢ়ালো—

- শৈক্ষিক ব্যৱস্থাপনাই সংগঠনটোৰ বৰ্তমানৰ জ্ঞাত ঘটনাবাজিৰ পৰা আলম লৈ ভৱিষ্যত অৱস্থাৰ কথা প্ৰক্ষেপ কৰিব পাৰে। শৈক্ষিক অৱস্থাৰ ভৱিষ্যতৰ কথা প্ৰক্ষেপ কৰিবলৈ হ'লে বৰ্তমান অনুষ্ঠানখনৰ পৰিবেশৰ অৱস্থাৰ বিষয়ে তথ্যসমূহ যুগুতাই ল'ব লাগিব। শিক্ষানুষ্ঠানখনৰ ভৱিষ্যত কাৰ্যপন্থাৰ প্ৰক্ষেপণ সম্ভৱপৰ হৈ উঠিব বিচৰা সমলসমূহৰ সফল ব্যৱহাৰ কৰাৰ ওপৰত।

- সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াটো হ'ল এখন শিক্ষানুষ্ঠানৰ দক্ষতাসম্পন্ন ব্যৱস্থাপনা আৰু প্ৰশাসনৰ কাৰণে গুৰুত্বপূৰ্ণ। আনুমানিক কৰ্ম, প্ৰশাসনৰ কঠোৰ অনুশীলন, অস্থিৰ সিদ্ধান্ত আদিবোৰে শৈক্ষিক অনুষ্ঠানৰ নিয়ন্ত্ৰণ আনিব নোৱাৰে। সুদক্ষ আৰু ফলপ্ৰসু ব্যৱস্থাপনাৰ বাবে সিদ্ধান্ত লোৱাৰ সময়ত তলত উল্লেখ কৰা দিশবোৰ নিশ্চিতভাৱে মানিব লাগিব—
  - সিদ্ধান্তটোৰ লক্ষ্য আৰু উদ্দেশ্য স্পষ্ট হ'ব লাগিব।
  - অনুষ্ঠানখন চলাই নিয়াৰ বাবে কৰ্মৰ ধাৰা সৰল আৰু সহজ হ'ব লাগিব যাতে সকলোবোৰ কৰ্মচাৰীয়ে অনুসৰণ কৰিব পাৰে।
  - এখন অনুষ্ঠান চলাই নিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছত সংগঠনটোৰ লক্ষ্যক শিৰোগত কৰি আঁচনিসমূহৰ পৰিকল্পনা কৰা দৰকাৰ।
- **সংগঠন** হ'ল প্ৰয়োজনীয় মানব প্ৰচেষ্টাৰ সংযোগ আৰু নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ বাবে লোৱা আহিলা। শিক্ষাত সংগঠনৰ ধাৰণাটোৱে বিদ্যালয়ৰ মানব সম্পদ, সমিতিসমূহ, দলসমূহ, বিদ্যালয়ৰ কৰ্মচাৰী, পৰিদৰ্শন বিষয়ববীয়াসকল, গৃহ সংক্ৰান্তৰ আহিলা, আচবাবসমূহ, পুথিভড়াল, পৰীক্ষাগাৰসমূহ, যাদুঘৰসমূহ, কলা বীথিকা, পাঠ্যক্ৰমিক কাৰ্যসূচীসমূহ, সহপাঠ্যক্ৰমিক কাৰ্যসূচীসমূহ, বিকাশৰ অৰ্হতা, সময় তালিকা ইত্যাদিবোৰক সামৰি লয়।
- **নিৰ্দেশনা** হ'ল এটা সংগঠনৰ স্থিৰ হোৱা লক্ষ্যত উপনীত হোৱাৰ বাবে মানব প্ৰচেষ্টাক দিয়া দিগদৰ্শন প্ৰক্ৰিয়া। নিৰ্দেশনা অভিৰোচনৰ লগত গভীৰভাৱে সম্বন্ধিত। সংগঠনটোৱে লক্ষ্যত উপনীত হোৱাৰ বাবে সংগঠনটোৰ লগত জড়িত ব্যক্তিসকলক অভিৰোচিত কৰাৰ বাবে নিৰ্দেশনা দিয়ে। প্ৰকৃতভাৱে নীতিৰ মাজেৰে সিদ্ধান্ত গ্ৰহণ কৰি আঁচনিসমূহ প্ৰকল্পিত কৰিবলৈ সংগঠনটোৱে লক্ষ্য স্থিৰ কৰে আৰু সেইসময়ত ব্যক্তিসকলক সক্ৰিয় কৰি তুলিবলৈ অধিক অভিৰোচনৰ প্ৰয়োজন হয়। সংগঠনৰ সদস্যসকলক অভিৰোচিত কৰিবলৈ অন্তঃগামী আৰু নিম্নগামী যোগাযোগ প্ৰক্ৰিয়া সহায়ক হৈ পৰে।
- **নিয়ন্ত্ৰণ** হ'ল সংগঠনটোৰ কৰ্মৰাজিক নিৰ্দেশনা দিয়াৰ লগতে বিচাৰ কৰা অনুশীলন। ই প্ৰশাসনিক প্ৰক্ৰিয়াৰ পৰিকল্পনাকৰণ আৰু সংগঠনৰ লগত গভীৰভাৱে সম্বন্ধিত। নিয়ন্ত্ৰণ মানে হ'ল সংগঠনটোৰ কৰ্মচাৰীসকলক অনুশাসিত আৰু দায়িত্বপূৰ্ণ কৰিবলৈ প্ৰয়োগ কৰা শক্তি আৰু কৰ্তৃত্বৰ প্ৰয়োগ ব্যৱস্থা। শিক্ষা প্ৰক্ৰিয়াৰ সকলো দিশতে নিয়ন্ত্ৰণৰ প্ৰয়োজন। বিশেষকৈ লক্ষ্য আৰু উদ্দেশ্য, শিক্ষক আৰু শিক্ষাৰ্থী, আৰ্থিক দিশ আৰু ৰাজহুৱা সম্বন্ধ স্থাপনৰ বাবে শিক্ষানুষ্ঠানত নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰয়োজন হয়। শিক্ষানুষ্ঠানৰ সকলোবোৰ কাৰ্যসূচী সঠিকভাৱে চলাই নিয়াৰ বাবে এক দক্ষতাসম্পন্ন সাংগঠনিক দিশ সৃষ্টি কৰিবলৈ নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰয়োজন হয়। সেইবাবেই নিয়ন্ত্ৰণ ব্যৱস্থাৰ গুৰুত্বতা আছে। উদাহৰণস্বৰূপে এখন অনুষ্ঠান বা

প্ৰতিষ্ঠানৰ অর্থনৈতিক দিশটো নিয়ন্ত্ৰিত হয় ফলপ্ৰসু পৰিকল্পনা আৰু বাজেটকৰণ, হিচাপ ৰক্ষণ আৰু হিচাপ পৰীক্ষাকৰণ ব্যৱস্থা আদিৰ প্ৰয়োগৰ ফলত।

- **সমন্বয় সূচনা** হ'ল অনুষ্ঠানখনৰ সাধাৰণ উদ্দেশ্যত উপনীত হোৱাৰ বাবে, ব্যক্তিসকল, আহিলাপাতি আৰু আদর্শ, কর্ম সাধনৰ পদ্ধতি, নীতিসমূহ আদিৰ দৰে শৈক্ষিক উপাদানসমূহৰ মাজত সম্বন্ধ স্থাপন কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ এক প্ৰচেষ্টা। এখন শিক্ষানুষ্ঠানৰ কর্মচাৰীসকলৰ মাজত সমন্বয়ৰ ধাৰণা আৰু দক্ষতাৰ বিকাশৰ বাবে তলত উল্লেখ কৰা নীতি তিনিটাৰ প্ৰয়োজন হয়—
  ১। মানুহবিলাকৰ মাজত সম্বন্ধ স্থাপন,
  ২। কর্ম বা কার্য নির্ধাৰণ আৰু
  ৩। সাংগঠনিক বিকাশৰ বাবে প্ৰয়োজন হোৱা শ্ৰমৰ বিভাজন।
- **মূল্যায়ণ** প্ৰক্ৰিয়াটোওঁ আগত উল্লেখ কৰা দিশবোৰৰ দৰে গুৰুত্বপূর্ণ। মূল্যায়ণ আচলতে সম্পাদিত হোৱা কার্যসমূহৰ ওপৰত ভিত্তি কৰি কৰা হয় আৰু ইয়াক পৰিমাপন কৰা হয় লগতে তুলনা কৰা হয় প্ৰতিষ্ঠিত মূল্যবোধৰ ওপৰত। শিক্ষা কার্যৰ লক্ষ্য-উদ্দেশ্য সাধনৰ কৃতকার্যতা, অকৃতকার্যতা আদি নিৰূপণ কৰা হয় মূল্যায়ণ কার্যৰ মাধ্যমেৰে।
- **প্ৰতিবেদনকৰণ** হ'ল ব্যৱস্থাপনা প্ৰক্ৰিয়াৰ এক গুৰুত্বপূর্ণ দিশ। শিক্ষানুষ্ঠানখনৰ সফলতা-বিফলতাৰ খতিয়ান, বার্ষিক উন্নয়ন বা অগ্ৰগতিৰ হিচাপ আদিৰ প্ৰতিলিপি প্ৰবন্ধকজনে পৰিচালনা সমিতি বা সংবদ্ধ বিশ্ববিদ্যালয় বা পৰিষদলৈ প্ৰতিবেদন আকাৰে প্ৰেৰণ কৰিব লাগে। এনে ব্যৱস্থা হাতত ললেহে শিক্ষানুষ্ঠানখনৰ স্বচ্চতাৰ প্ৰতিফলন হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ ব্যৱস্থাপনা প্ৰক্ৰিয়াৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মানি চলিবলগীয়া দিশ দুটা কি কি?

.....

.....

প্ৰশ্ন নং ৬ঃ বিদ্যালয় ব্যৱস্থাপনাত কিয় লিপিবদ্ধকৰণ আৰু প্ৰতিলিপিকৰণৰ প্ৰয়োজন হয়?

.....

.....

১.৩.৪ শৈক্ষিক ব্যৱস্থাপনাৰ পৰিসৰ (Scope of Educational Management)

শৈক্ষিক ব্যৱস্থাপনাৰ পৰিসৰত শিক্ষানুষ্ঠানৰ সকলো দিশকে সামৰি ল'বলগীয়া হয়। এখন শিক্ষানুষ্ঠানৰ ব্যৱস্থাপনাই সামৰি লোৱা দিশবোৰ হ'ল বস্তুগত আচবাবসমূহৰ ব্যৱস্থাপনা, মানব সম্পদৰ ব্যৱস্থাপনা, প্ৰতিষ্ঠান পৰিকল্পনা আৰু প্ৰশাসন সম্বন্ধৰ বিভিন্ন দিশ, বিদ্যায়তনিক দিশসমূহ আৰু অবিদ্যায়তনিক দিশসমূহ। তলত উল্লেখ কৰা দিশসমূহ এখন বিদ্যালয়ৰ ব্যৱস্থাপনাৰ নিয়ন্ত্ৰণত পৰে বুলি আলোচনা কৰিব পৰা যায়—

- পৰিকল্পনা, সংগঠন, নিৰ্দেশনা, নিয়ন্ত্ৰণ আৰু মূল্যায়ণ আদিবোৰ শৈক্ষিক ব্যৱস্থাপনাৰ মূল দিশ। এই সকলোবোৰ বহুহাৰত এখন শিক্ষানুষ্ঠানৰ লগত জড়িত হৈ পৰে।
- শৈক্ষিক ব্যৱস্থাপনাই মানৱ সম্পদসমূহ, যেনে প্ৰধান শিক্ষক বা অধ্যক্ষ, শিক্ষকসকল, অনা-শিক্ষক কৰ্মচাৰীসকল আৰু সহায়কাৰী কৰ্মচাৰীসকল ইত্যাদিবোৰক পৰিচালনা কৰে।
- শৈক্ষিক ব্যৱস্থাপনাই বৈষয়িক আহিলাসমূহ যেনে গৃহ, সাজসজ্জা বা আচবাবসমূহ, পামসমূহ, বিজ্ঞানাগাৰসমূহ, পুথিভড়াল, যাদুঘৰ, কলা বীথিকা আদিবোৰ সংগঠিত কৰে।
- ই বিদ্যালয়খনৰ বিভিন্ন শ্ৰেণীৰ বাবে পাঠ্যক্ৰম আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীবোৰ প্ৰস্তুত কৰে।
- ই বিদ্যালয়খনৰ কৰ্মসূচী ৰূপায়ণ কৰাৰ বাবে সময় তালিকা প্ৰস্তুত কৰে।
- ই বিদ্যালয়খনৰ অনুশাসন কি ধৰণে নিয়ন্ত্ৰিত হয় তাৰ পৰিকল্পনা কৰে।
- ই বিদ্যালয়খনত প্ৰদৰ্শণী, বিভিন্ন ধৰণৰ সাংস্কৃতিক কাৰ্যক্ৰমসমূহ ৰূপায়ণ কৰাৰ বাবে সংগঠিত কৰে।
- বিদ্যালয়খনৰ ব্যৱস্থাপনা প্ৰক্ৰিয়াটোৱে শিক্ষাৰ্থীসকলৰ স্বাস্থ্য ৰক্ষা সন্দৰ্ভৰ প্ৰয়োজনীয় সকলোবোৰ দিশ সংগঠিত কৰাৰ লগতে শাৰিৰীক শিক্ষাৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰে।
- শৈক্ষিক ব্যৱস্থাপনাই বিদ্যালয়খন যিটো স্থানত অৱস্থিত সেই ঠাইৰ সম্প্ৰদায়সমূহৰ সদস্যসমূহ আৰু বিদ্যালয়খনৰ মাজত সু-সম্বন্ধৰ বিকাশ সাধন কৰিবলৈ মুখ্য ভূমিকা গ্ৰহণ কৰে।
- ই লগতে বিদ্যালয় কৰ্মৰ তদাৰকীকৰণ, শিক্ষাৰ্থীসকলৰ কৰ্মৰাজিৰ মূল্যায়ণ, অৰ্থনীতি আৰু আৰ্থিক অৱস্থাৰ দিশবোৰ সংগঠিত কৰে।
- শৈক্ষিক ব্যৱস্থাপনা প্ৰক্ৰিয়াটোৱে শিক্ষানুষ্ঠানত উদ্ভৱ হোৱা বিভিন্ন সমস্যাৰাজি

আৰু সেই সমস্যাসমূহৰ সমাধানৰ উপায় উদ্ভাৱন কৰাৰ লগতে বিদ্যালয়খনৰ ভৱিষ্যত বিকাশৰ প্ৰতিফলন ঘটাবলৈ পৰিবেশ উন্নত কৰাৰ যত্ন কৰে।



১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শৈক্ষিক ব্যৱস্থাপনা হ'ল সাধাৰণ ব্যৱস্থাপনাৰ এটা শাখা যিয়ে মূলতঃ শিক্ষানুষ্ঠানখনৰ ব্যৱস্থাপনা প্ৰক্ৰিয়াটো সুসংগঠিত কৰে।
- এখন শিক্ষানুষ্ঠানত ব্যৱস্থাপনা প্ৰক্ৰিয়া বা অৱস্থাগত ব্যৱস্থাপনা প্ৰস্তুত কৰা হয় বা সংগঠিত কৰা হয় শিক্ষণ-শিকণ প্ৰক্ৰিয়াৰ ফলপ্ৰসূতা অনাৰ বাবে।
- শৈক্ষিক ব্যৱস্থাপনা প্ৰক্ৰিয়াটো আন আন ব্যৱস্থাপনা প্ৰক্ৰিয়াৰ লগত নিমিলে, যেনে, ব্যৱসায় ব্যৱস্থাপনা, কাৰখানা ব্যৱস্থাপনা আদিৰ লগত, কাৰণ প্ৰত্যেকৰে আদৰ্শ আৰু উদ্দেশ্য বেলেগ ধৰণৰ। শৈক্ষিক ব্যৱস্থাপনা জড়িত হৈ পৰে বৃহৎ সামাজিক স্থাপনৰ লাভালাভৰ সৈতে আনহাতে ব্যৱসায়িক ব্যৱস্থাপনাবোৰ জড়িত হৈ পৰে ব্যক্তিগত লাভালাভৰ বাবে উৎপাদন কাৰ্যৰ লগত।
- শৈক্ষিক ব্যৱস্থাপনা মূলতঃ এবিধ ব্যৱস্থাপনাৰ কৌশলসমূহ য'ত ব্যৱস্থাপনাৰ দক্ষতাই শিক্ষানুষ্ঠানৰ কৰ্মসূচী প্ৰক্ৰিয়াক শক্তিশালী কৰি তুলিব পাৰে।
- এখন শিক্ষানুষ্ঠানত ব্যৱস্থাপনাৰ দক্ষতা অনুষ্ঠানখনৰ বৈষয়িক অৱস্থাসমূহ আৰু মানৱ সম্পদক কৃতকাৰ্যতাৰে ব্যৱহাৰ কৰাৰ ওপৰত নিশ্চিত হয়।
- ব্যৱস্থাপনা প্ৰক্ৰিয়াটোৰ প্ৰকৃতি নমনীয় আৰু গতিশীল হয়।
- ব্যৱস্থাপনাৰ ফলপ্ৰসু ধাৰণা হ'ল সমাজলৈ নতুনত্ব আৰু অভিনৱত্ব অনা।
- ভবিষ্য দৰ্শন, সিদ্ধান্ত সৃষ্টি, পৰিকল্পনা, সংগঠন, নিৰ্দেশনা, নিয়ন্ত্ৰণ, সমন্বয় সাধন, মূল্যায়ণ, নথিভুক্তকৰণ আৰু প্ৰতিবেদনকৰণ আদিবোৰ হ'ল এখন শিক্ষানুষ্ঠানৰ শৈক্ষিক ব্যৱস্থাপনা।
- শৈক্ষিক ব্যৱস্থাপনা প্ৰক্ৰিয়াই শিক্ষানুষ্ঠানখনৰ সকলো দিশ সুচাৰুৰূপে চলাই যোৱাত অৰিহণা যোগায়।



১.৫ অধিক জানিবলৈ

1) Dr. S S Bhatnagar & Dr. P K Gupta. *Educational Management.* Surya Publication, Meerut, 2003

2) L. M. Prasad. *Principle and Practice of Management.* Sultan Chand and Sons

3) Dr. B Deka & M. Kalita. *Saikhik Vyabasthapana.* Ashok Publication, Gauhati-1

১.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক ব্যৱস্থাপনাই সামূহিক কামসমূহ সংগঠিত কৰে আৰু বিদ্যালয়ৰ পৰিবেশৰ ভিতৰত শিকণ-শিক্ষণ অৱস্থাৰ ফলপ্ৰসুতা আনিবলৈ ব্যক্তিসকলক উদ্‌গণি যোগায়। ই বিদ্যালয়ৰ বহুবোৰ ব্যৱস্থাপনা সম্বন্ধীয় নীতি সামৰি লয়, যেনে, পৰিকল্পনা, সংগঠন, নির্দেশনা, কার্যকৰীকৰণ, নিয়ন্ত্ৰণ সম্বন্ধীয় আৰু মূল্যায়ণ ইত্যাদি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক ব্যৱস্থাপনা আদর্শগত নীতিৰ বাবে ব্যৱসায় ব্যৱস্থাপনাতকৈ পৃথক। শৈক্ষিক ব্যৱস্থাপনা অধিক হাৰত সামাজিক মূল্যবোধৰ উপকাৰৰ লগত জড়িত, আনহাতে ব্যৱসায়িক ব্যৱস্থাপনা জড়িত হৈ থাকে উৎপাদনৰ মাধ্যমেৰে ব্যৱসায়ত ব্যক্তিগত লাভৰ বাবে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষাৰ ক্ষেত্ৰৰ ব্যৱস্থাপনা হ'ল বহুবোৰ বিষয়সমৃদ্ধ। কাৰণ ই বিভিন্ন বিষয়ৰ পৰা জ্ঞান আৰু ধাৰণা আয়ত্ব কৰে। এখন শিক্ষানুষ্ঠানত ব্যৱস্থাপনা হ'ল এটা সংহতিগত ধাৰণা বা এক মিশ্ৰ কর্মৰ গোট। ই মনোবিজ্ঞান, সমাজবিজ্ঞান, নৃতত্ববিজ্ঞান, অর্থনীতি বিজ্ঞান, পাৰিপার্শ্ব বিজ্ঞান, পৰিসংখ্যা বিজ্ঞান, কার্যকৰণ গৱেষণা, ইতিহাস আদিৰ দৰে বিষয়বোৰৰ পৰা আদর্শ সামৰি লয় আৰু তেনে কার্যৰ মাধ্যমেৰে সংগঠনটো সুন্দৰভাৱে চলাবলৈ অনুশীলন কৰি নতুন ধাৰণা তৈয়াৰ কৰিবলৈ চেষ্টা কৰে।

ব্যৱস্থাপনাৰ প্ৰকৃতি গতিশীল বুলিওঁ কোৱা হয় কাৰণ ব্যৱস্থাপনাৰ পৰিকল্পনা নির্দিষ্ট সময় আৰু নির্দিষ্ট অৱস্থাৰ ওপৰত আধাৰিত। সমাজৰ পৰিবর্তনশীল প্ৰকৃতি বা পৰিবেশে ব্যৱস্থাপনা প্ৰক্ৰিয়াৰ পৰিবর্তনত নেতৃত্ব দিয়ে। সেয়েহে ব্যৱস্থাপনা প্ৰক্ৰিয়াক নমনীয় প্ৰকৃতিৰ বুলি কোৱা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অসত্য।

(খ) সত্য।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ দক্ষ আৰু ফলপ্ৰসু ব্যৱস্থাপনা এটাৰ কাৰণে কিছুমান দিশ আছে যিবোৰক এটা সংগঠনে সিদ্ধান্ত লোৱাৰ সময়ত কঠোৰভাৱে মানিবলগীয়া হয়, সেইবোৰ হ'লঃ—

(ক) সিদ্ধান্তৰ লক্ষ্য বা উদ্দেশ্য স্বচ্চ হ'বই লাগিব।

(খ) অনুষ্ঠান এখন চলাই নিয়াৰ কর্মৰ গতি সৰল হোৱাটো প্ৰয়োজন আৰু অনুষ্ঠানখনৰ সকলোবোৰ কর্মচাৰীয়ে সহজে বুজি পাব পৰা ধৰণৰ হ'ব লাগিব।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নথিভুক্তকৰণ আৰু **প্ৰতিবেদনকৰণ** হ'ল অনুষ্ঠান এখনৰ প্ৰবন্ধকজনৰ বাবে প্ৰয়োজনীয় কৰ্তব্য। কাৰণ প্ৰবন্ধকজনে অনুষ্ঠানখনত কি কৰি থকা হৈছে তাক অভিভাৱকসকলৰ লগতে প্ৰশাসনিক সমিতিক উত্তৰ দিবলগীয়া হয়। সেইবাবে শিক্ষানুষ্ঠানবোৰৰ সকলোখিনি দিশ নথিভুক্তকৰণ কৰিব লাগে। তেতিয়াহে জড়িত ব্যক্তিবোৰক ইয়াৰ প্ৰতিবেদন দিব পৰা যাব।



১.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ব্যৱস্থাপনা বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ শৈক্ষিক ব্যৱস্থাপনা বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ সিদ্ধান্ত নিৰ্ণয়কাৰী প্ৰক্ৰিয়া বুলিলে কি বুজে?

প্ৰশ্ন ৪ ঃ প্ৰতিলিপিকৰণ বুলিলে কি বুজে?

প্ৰশ্ন ৫ ঃ ব্যৱস্থাপনা বহু বিষয় সমৃদ্ধ বুলি আপুনি কিয় ভাৱে?

খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ এখন শৈক্ষিক অনুষ্ঠান বাবে ব্যৱস্থাপনা প্ৰয়োজনীয় - চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ ব্যৱস্থাপনা হ'ল নমনীয় প্ৰকৃতিৰ, বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ ব্যৱস্থাপনা এক গতিশীল আৰু বহু-বিষয়সমৃদ্ধ প্ৰক্ৰিয়া- বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ শিক্ষা ব্যৱস্থাপনা আনবোৰ ব্যৱস্থাপনাতকৈ কি ধৰণে পৃথক।

গ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শৈক্ষিক ব্যৱস্থাপনা মানে আপুনি কি বুজে? শিক্ষা ব্যৱস্থাপনা আনবোৰ ব্যৱস্থাপনাতকৈ কিধৰণে পৃথক?

প্ৰশ্ন ২ ঃ শৈক্ষিক ব্যৱস্থাপনাৰ নীতিবোৰ কি কি? এখন অনুষ্ঠানৰ কাম-কাজ চলাই নিয়াৰ ক্ষেত্ৰত ব্যৱস্থাপনাৰ গুৰুত্বতাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ শৈক্ষিক অনুষ্ঠান এখনৰ ব্যৱস্থাপনাৰ কামবোৰ কি কি? কোনবোৰ ক্ষেত্ৰক ই সামৰি লয়?

প্ৰশ্ন ৪ ঃ এখন অনুষ্ঠান চলাই নিয়াৰ বাবে শৈক্ষিক ব্যৱস্থাপনাৰ গুৰুত্বতাৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ২ - শৈক্ষিক পৰিচালনাৰ বিভিন্ন অভিগমনসমূহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ শৈক্ষিক পৰিচালনাৰ বিভিন্ন অভিগমনসমূহ
২.৩.১ সামাজিক চাহিদাৰ অভিগমন
২.৩.২ মানৱ শক্তি প্ৰয়োজনৰ অভিগমন
২.৩.৩ প্ৰত্যাবৰ্তন হাৰৰ অভিগমন
২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্ৰগতিৰ খতিয়ান
২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- শৈক্ষিক পৰিচালনাৰ তিনিটা অভিগমন বা আৰ্হি যেনে সামাজিক চাহিদাৰ অভিগমন, মানৱশক্তি প্ৰয়োজন অভিগমন আৰু প্ৰত্যাবৰ্তন হাৰৰ অভিগমন সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।
- প্ৰত্যেক আৰ্হি বা অভিগমনৰ সুবিধাসমূহ আৰু সীমাবদ্ধতাসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

শৈক্ষিক পৰিচালনা প্ৰক্ৰিয়াই এখন শিক্ষানুষ্ঠানৰ বিভিন্ন দিশক সামৰি লয়। ই হৈছে এক পেচাগত প্ৰক্ৰিয়া যিয়ে এখন অনুষ্ঠানৰ শৈক্ষিক উদ্দেশ্যবোৰৰ ফলাফল বা সফলতা নিখুঁতভাৱে চাই আৰু দেশৰ বাবে উপযুক্ত মানৱ সম্পদ বিকাশত সহায় কৰে। শৈক্ষিক পৰিকল্পনা হৈছে শৈক্ষিক পৰিচালনাৰ এক গুৰুত্বপূৰ্ণ কাৰ্য্য আৰু ই এখন সমাজৰ বিকাশত কেন্দ্ৰীভূত হয়। সেইবাবে বাস্তৱ শৈক্ষিক পৰিকল্পনাই বিভিন্ন উপাদানসমূহ যেনে জন্ম মৃত্যুৰ হাৰ, অৰ্থনীতি, সামাজিক আৰু সাংস্কৃতিক মূল্য ব্যৱস্থা আদিৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব লাগে। ইয়াৰ দ্বাৰা অদূৰ ভৱিষ্যতে হ'বলগীয়া পৰিবৰ্তন সমূহৰ বিষয়ে সতৰ্ক হ'ব পাৰিব। সেইবাবে শৈক্ষিক পৰিচালনাত বিভিন্ন অভিগমন আৰু পদ্ধতি গ্ৰহণ কৰিব লাগে যাতে ইয়াৰ জৰিয়তে বাস্তৱ সন্মত ফলাফল পাব পৰা যায়। এই অধ্যায়টোত শৈক্ষিক পৰিচালনাৰ বিভিন্ন

অভিগমন বা আৰ্হি সন্নিবিষ্ট কৰা হৈছে যিবোৰ সাধাৰণতে পৰিকল্পনা কার্য্যকৰীকৰণৰ বাবে উপযোগী। তদুপৰি আমি অভিগমনসমূহৰ সুবিধাসমূহ আৰু সীমাবদ্ধতাসমূহৰ বিষয়েও এই অধ্যায়টিত অধ্যয়ন কৰিম।

২.৩ শৈক্ষিক পৰিচালনাৰ বিভিন্ন অভিগমনসমূহ

শৈক্ষিক পৰিকল্পনাৰ বহুতো অভিগমন আছে। প্রত্যেকটো অভিগমনৰে নিজস্ব বৈশিষ্ট্য আছে। শৈক্ষিক পৰিকল্পনাৰ তিনিটা প্রধান আৰ্হি অভিগমন আছে যিবোৰৰ প্রয়োগিকতা আছে। বিদ্যালয়ৰ শৈক্ষিক পৰিকল্পনাৰ সৈতে সংগতি ৰাখি আমি এই অভিগমনসমূহ বুজিবলৈ চেষ্টা কৰিম। শৈক্ষিক পৰিচালনাৰ প্রধান অভিগমন সমূহ তলত দাঙি ধৰা হ'ল।

২.৩.১ সামাজিক চাহিদাৰ অভিগমনৰ আৰ্হি

শিক্ষা হৈছে সামাজিক পৰিবর্তনৰ আহিলা আৰু সমাজৰ বিকাশৰ বাবে ভাল শৈক্ষিক পৰিকল্পনাৰ প্রয়োজন। সামাজিক চাহিদাৰ অভিগমনৰ বাবে শিক্ষিত সমাজৰ প্রয়োজন। সামাজিক ন্যায়ৰ নীতি অনুসৰি দেশ এখনৰ প্রত্যেক নাগৰিকে বিকাশৰ সমান সুবিধা পাব লাগে। সামাজিক চাহিদাৰ অভিগমনে ইচ্ছুক শিক্ষার্থীৰ নাম ভর্তি আৰু চাহিদা পূৰণৰ বাবে স্কুল, কলেজ আৰু বৃত্তীয় অনুষ্ঠান খোলাৰ ওপৰত গুৰুত্ব দিয়ে। এই অভিগমনৰ মতে শিক্ষা ব্যৱস্থাটো সামাজিক চাহিদা পূৰণৰ আহিলা হোৱা উচিত। সেইবাবে, সামাজিক চাহিদাক অভিগমনক সমাজৰ ব্যক্তিসকলক শিক্ষিত কৰাৰ অভিগমন বোলা হয়। অন্য ভাষাত ক'বলৈ হ'লে, শিক্ষাৰ বিভিন্ন শাখাত অন্তর্ভুক্ত হ'ব বিচৰা সকলে তেওঁলোকৰ সামর্থ্য অনুসৰি সুবিধা পাব লাগে। ভাৰতবর্ষৰ নিচিনা বিভিন্ন জাতিৰ দেশ এখনৰ মানৱ শক্তিৰ প্রয়োজনীয়তাতকৈ শিক্ষাৰ সামাজিক চাহিদা বেছি।

শৈক্ষিক পৰিকল্পনাৰ এক গুৰুত্বপূর্ণ উপাদান হৈছে ব্যক্তিৰ বয়স অনুযায়ী নির্ভৰযোগ্য তথ্য পোৱা আৰু পৰিকল্পনাৰ সময়ছোৱাত স্কুললৈ যোৱা শিক্ষার্থীৰ বিষয়ে প্রাথমিক স্তৰত, সামাজিক চাহিদা অনুসৰি পৰিকল্পনা কৰা হয়। ভাৰতৰ সংবিধানৰ ৪৫ নং অনুচ্ছেদত কোৱা হৈছে যে ১৪ বছৰৰ ভিতৰৰ সকলো শিশুৱে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা পাব, ইয়াৰ বাবে প্রয়োজনীয় নীতি ৰাজ্যই নির্ধাৰণ কৰিব লাগিব। ভাৰতীয় সংবিধানতো ইয়াক শিশুসকলৰ মৌলিক অধিকাৰ হিচাবে অন্তর্ভুক্ত কৰা হ'ব। (ভাৰতৰ সংবিধানত এইটোক শিশুৰ মৌলিক অধিকাৰ বুলি ধৰা হৈছে) মাধ্যমিক স্তৰৰ বাবে এনে ধৰণৰ কোনো সুবিধা সংবিধানত ৰখা হোৱা নাই আৰু সামাজিক চাহিদা অনুযায়ী শিক্ষা প্রদান কৰা হয়।

উচ্চ শিক্ষাৰ ক্ষেত্রত, শিক্ষার্থীসকলে তেওঁলোকৰ নিজস্ব চাহিদা বা পিতৃ-মাতৃৰ পৰামর্শ অনুযায়ী নামভর্তি কৰে। এইক্ষেত্রত আন এটা দিশ হৈছে অনুষ্ঠানসমূহৰ

আসনৰ সংখ্যা। বৃত্তীয় শিক্ষাৰ ক্ষেত্ৰত, নিয়োগৰ সম্ভাৱনীয়তা অনুযায়ী নামভর্তি কৰে। বর্তমান মুক্তিকৰণ, ব্যক্তিকৰণ আৰু গোলকীয়কৰণৰ পৰিপ্রেক্ষিতত, শিক্ষার্থী আৰু অভিভাৱকৰ আকাংক্ষা বৃদ্ধি পাইছে আৰু জনসংখ্যাৰ বিস্ফোৰণেও শিক্ষাৰ চাহিদা বৃদ্ধি কৰিছে। এই অভিগমনৰ সুবিধাসমূহ হৈছে —

- এই অভিগমনৰ প্রধান সুবিধা হৈছে যে শৈক্ষিক সুবিধা সৃষ্টি কৰাৰ বাবে চাহিদাৰ সৃষ্টিত গুৰুত্ব দিয়া আৰু উপযুক্ত প্রার্থীসকলে যাতে সুবিধা গ্রহণ কৰিব পাৰে তাৰ ব্যৱস্থা কৰা।
- এই অভিগমনে ক'ত শিক্ষাৰ সুবিধা লাগে তাৰ প্রয়োজনীয় তথ্য পৰিকল্পনাকাৰীৰ প্রদান কৰে। এই অভিগমন সফল কৰিবলৈ হ'লে সামাজিক চাহিদা আৰু ইয়াক পূৰণৰ বাবে থকা শৈক্ষিক ব্যৱস্থা আন্তঃ সম্পর্কৰ বিষয়ে জানিব লাগিব।
- জনসাধাৰণৰ চাহিদা পূৰণৰ বাবে সামাজিক চাহিদাৰ অভিগমন হৈছে এক উপযুক্ত ৰাজনৈতিক আহিলা। সেইবাবে ইয়াৰ ৰাজনীতিবিদসকলে ব্যৱহাৰ কৰে।
- এই অভিগমনটো সাধাৰণতে উন্নয়নশীল দেশবোৰে ব্যৱহাৰ কৰে য'ত সম্পদৰ অভাৱ আৰু শৈক্ষিক সেৱাৰ য'ত বিস্তৃত কৰা হয়। যি হওক, ই গুণগততকৈ অধিক পৰিমাণগতহে।

এই অভিগমনৰ কিছুমান সীমাবদ্ধতা আছে, সেইবোৰ তলত দাঙি ধৰা হ'ল —

- শিক্ষাৰ চাহিদা আৰু শৈক্ষিক সুবিধাৰ প্রকৃত ধাৰণা পোৱাটো কঠিন। চাহিদা আৰু যোগানৰ অসামঞ্জস্যতাৰ বাবে নিৱনুৱা সমস্যাৰ সৃষ্টি হয়।
- এই অভিগমনে অর্থনৈতিক দিশৰ ৰূপায়ণত গুৰুত্ব নিদিয়া বাবে ই হৈছে দুখীয়া অভিগমন।
- পৰিকল্পনাৰ প্রতিটো স্তৰতে ৰাজনীতিবিদসকলৰ বহল স্বার্থ থকাৰ ফলত ৰাজনীতিৰ হেঁচা এই অভিগমনত আছে।
- সামাজিক চাহিদাৰ অভিগমনে শৈক্ষিক পৰিকল্পনাকাৰীসকলক সমাজৰ চাহিদা পূৰণৰ বাবে পথ, প্রক্রিয়া আৰু পদ্ধতিৰ পৰামর্শ নিদিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ শৈক্ষিক পৰিকল্পনা হৈছে ——— এক গুৰুত্বপূর্ণ কার্য্য। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ২ঃ প্রত্যেক পৰিকল্পানাৰ অভিগমনৰ ——— বৈশিষ্ট্য আছে। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ৩ঃ সামাজিক চাহিদাৰ অভিগমন কাক বোলে?

.....

.....

প্ৰশ্ন ৪ঃ সামাজিক চাহিদাৰ অভিগমনৰ ভিত্তিত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ কোনটো স্তৰৰ পৰিকল্পনা কৰা হয়?

.....

.....

প্ৰশ্ন ৫ঃ সামাজিক চাহিদা অভিগমনৰ সীমাবদ্ধতা সমূহ উল্লেখ কৰক।

.....

.....

২.৩.২ মানৱ শক্তি প্ৰয়োজনৰ অভিগমন বা আৰ্হি

মানৱ শক্তি প্ৰয়োজনৰ অভিগমন এখন দেশৰ শিক্ষা আৰু অৰ্থনৈতিক বিকাশৰ সংযোগৰ ভিত্তিত গঢ়ি উঠে। এই অভিগমনটোৱে অৰ্থনীতিত মানৱ শক্তিৰ প্ৰয়োজনীয়তা ভিত্তিত শৈক্ষিক পৰিকল্পনাক গুৰুত্ব আৰোপ কৰে বাবে ইয়াক মানৱ বিকাশৰ অভিগমনো বোলা হয়। প্ৰত্যেক দেশকেই বিকাশৰ বাবে উপযুক্ত সমৰ্থবান আৰু নিপুণ মানৱ সম্পদৰ প্ৰয়োজন। এই অভিগমন অনুসৰি শৈক্ষিক ব্যৱস্থাই ভৱিষ্যতৰ মানৱ শক্তিৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰিব লাগে।

এইটো সকলোৱে জানে যে এখন দেশৰ বিকাশ আৰু বৃদ্ধি তাৰ মানৱ শক্তিক নিপুণ মানৱ সম্পদলৈ পৰিবৰ্তন কৰাৰ ওপৰত নিৰ্ভৰ কৰে। দেশ এখনৰ প্ৰয়োজনীয়তাৰ ভিত্তিত, শিক্ষা ব্যৱস্থাই বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শী আৰু বিশেষজ্ঞ ব্যক্তিৰ সৃষ্টি কৰিব লাগে যাতে ইয়াৰ দ্বাৰা জাতীয় প্ৰয়োজন পূৰণ কৰিব পৰা যায়। ব্লাগৰ (Blaug) (১৯৬৮) মতে, মানৱশক্তি প্ৰয়োজনৰ অভিগমনৰ ভাৱধাৰা অনুসৰি শৈক্ষিক পৰিকল্পনা অৰ্থনৈতিক আৰু সামাজিক উদ্দেশ্যসমূহৰ ভিত্তিত গঢ়ি উঠিব লাগে। বিভিন্ন সেৱাসমূহ উপযুক্ত বিতৰণৰ ক্ষেত্ৰত, যদি শৈক্ষিক ব্যৱস্থাই উপযুক্ত অৰ্হতা সম্পন্ন ব্যক্তিৰ সৃষ্টি কৰিব পাৰে, তেতিয়া শৈক্ষিক পৰিকল্পনাৰ অৰ্থনৈতিক আৰু সামাজিক উদ্দেশ্যসমূহৰ এক গুৰুত্বপূৰ্ণ অংশ পৰিপূৰ্ণ কৰিব পৰা যায়। ৰাষ্ট্ৰীয় শিক্ষা আয়োগৰ প্ৰতিবেদনত (১৯৬৬) কোৱা হৈছে যে মানৱশক্তি পৰিকল্পনাৰ লক্ষ্য হৈছে প্ৰত্যেকগৰাকী শিক্ষিত ব্যক্তিক কৰ্মসংস্থান দিয়া আৰু প্ৰত্যেক কৰ্মতে উপযুক্ত অৰ্হতাসম্পন্ন ব্যক্তিৰ যোগান ধৰা।

মানৱশক্তি অভিগমনৰ বাবে এক দীৰ্ঘম্যাদী পৰিকল্পনা আৰু বিভিন্ন বৃত্তি, বৃত্তিৰ পৰিবৰ্তন, প্ৰযুক্তিৰ অগ্ৰগতি তথা শিক্ষাৰ মানদণ্ডৰ ক্ষেত্ৰত এক বিশদ অধ্যয়নৰ প্ৰয়োজন। তদুপৰি, এই মানৱশক্তিৰ ভৱিষ্যতৰ বাহিৰে, এইবোৰ কেনেকৈ কৰা হ'ব আৰু শৈক্ষিক পৰিকল্পনা অনুসৰি কেনেকৈ ব্যৱহাৰ কৰা হ'ব যি হৈছে এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। শ্ৰমিক শক্তিৰ বৃত্তীয় গঠনৰ প্ৰকৃত অনুমান কৰা কঠিন আৰু আনুষ্ঠানিক শিক্ষাৰ

স্তৰত ইয়াক উপযুক্ত পৰিমাপণেৰে শৈক্ষিক ব্যৱস্থালৈ ৰূপায়ণ কৰা কঠিন। তদুপৰি প্ৰত্যেক বৃত্তিৰ বাবে কৌশল বা প্ৰশিক্ষণৰ প্ৰয়োজন। ইয়াৰ উপৰিও সমাজত সময়ে সময়ে হোৱা প্ৰযুক্তি, অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ লগে লগে সমাজৰ চাহিদাৰো পৰিবৰ্তন হৈ থাকে।

বৰ্তমান পৃথিৱীত, য'ত অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত শিক্ষাক গুৰুত্বপূৰ্ণ অংশ হিচাপে ধৰা হয়, তেনে ক্ষেত্ৰত এনে পৰিকল্পনাৰ অতি প্ৰয়োজন, যিহেতু সৃষ্টিশীল ভাবধাৰা আৰু উপযুক্ত মানৱ সম্পদে এখন দেশৰ অৰ্থনৈতিক বিকাশৰ হাৰ নিৰ্ধাৰণ কৰে। এখন দেশৰ শৈক্ষিক ব্যৱস্থাই দেশৰ জাতীয় বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে, নতুন ভাবধাৰা আৰু প্ৰযুক্তিৰ কৌশল উদ্ভাৱন কৰে, যিবোৰ এজন ব্যক্তিয়ে শিক্ষা আৰু আনুষ্ঠানিক শিক্ষাৰ প্ৰশিক্ষণৰ পৰা লাভ কৰে। সেইবাবে, প্ৰশিক্ষণ প্ৰাপ্ত, নিপুণ আৰু উপযুক্ত মানৱ শক্তি পৰিপূৰ্ণ কৰিবলৈ প্ৰত্যেক দেশে নিজৰ শিক্ষা ব্যৱস্থাৰ বিকাশ ঘটোৱা উচিত।

মানৱশক্তি প্ৰয়োজন অভিগমনৰ কিছুমান সুবিধা আছে, তলত সেইবোৰ দাঙি ধৰা হ'ল —

- মানৱশক্তি প্ৰয়োজন অভিগমন পৰিকল্পনা শৈক্ষিক ফলাফলৰ বিষমতা আৰু বিৰতিৰ চিনাক্ত কৰণৰ ক্ষেত্ৰত উপযোগী, যাৰ বাবে প্ৰতিকাৰৰ প্ৰয়োজন।
- ই শৈক্ষিক পৰিকল্পাকাৰীসকলক উপযুক্ত পথ প্ৰদৰ্শনেৰে দেশৰ শিক্ষা প্ৰক্ৰিয়া বিকাশৰ ক্ষেত্ৰত সহায় কৰে। সেইবাবে ভৱিষ্যতৰ প্ৰয়োজন অনুসৰি দেশৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ স্তৰৰ শিক্ষা পৰিকল্পনা কৰা হয়।
- মানৱশক্তি প্ৰয়োজন অভিগমনে নিৱনুৱা আৰু অৰ্ধ নিৱনুৱাৰ পৰিসৰ হ্ৰাস কৰে।
- এখন দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত মানৱ শক্তি বিকাশৰ যথেষ্ট অৱিহণা আছে, যদিহে ইয়াক উপযুক্তভাৱে আগবঢ়াই নিয়া হয়।

মানৱশক্তি প্ৰয়োজন অভিগমনৰ কিছুমান সীমাবদ্ধতা আছে, তলত সেই বিষয়ে দাঙি ধৰা হ'ল —

- মানৱশক্তি প্ৰয়োজনত বিভিন্ন অৰ্থনৈতিক, প্ৰযুক্তিক আৰু অন্যান্য দিশ থকা বাবে ইয়াৰ যথাযথ সত্যতা ধৰাটো কঠিন।
- এই অভিগমনে কেৱল মাধ্যমিক, উচ্চ আৰু বৃত্তীয় শিক্ষাৰ ওপৰত প্ৰাধান্য দিয়ে, যিহেতু এইবোৰ কৰ্মৰ সৈতে জড়িত। ই সামাজিক পাৰিপাৰ্শ্বিক শিক্ষাৰ ওপৰত প্ৰাধান্য নিদিয়ে। উদাহৰণস্বৰূপে, সকলোকে প্ৰাথমিক শিক্ষাৰ সুবিধা প্ৰদান কৰা, উপযুক্ত ভাবে সংস্থাপিত নোহোৱা ছোৱালীৰ বাবে শিক্ষা, সাংস্কৃতিক ৰাজনৈতিক আৰু সামাজিক বিকাশ আদিৰ বাবে শিক্ষা ইত্যাদিক জাতীয় বিকাশৰ ক্ষেত্ৰত ল'ব লাগে।

➢ বেছিভাগ মানৱ শক্তি জৰীপ চহৰ অঞ্চলতে সীমাবদ্ধ থকে, য'ত উচ্চস্তৰৰ বৃত্তিসমূহ যেনে আভিযান্ত্রিক, চিকিৎসা, কৃষি ইত্যাদিবোৰক বিবেচনা কৰা হয়। যি হওক, চহৰ বা গাঁও অঞ্চলৰ অর্ধ নিপুণ আৰু অনিপুণ কর্মচাৰীসকলৰ প্রয়োজনীয়তাক প্রাধান্য দিয়া নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ঃ মানৱশক্তি প্রয়োজনৰ অভিগমন কাক বোলে?

.....

.....

প্রশ্ন ৭ঃ মানৱশক্তি প্রয়োজনৰ প্রধান বৈশিষ্ট্যসমূহ লিখক।

.....

.....

প্রশ্ন ৮ঃ মানৱশক্তি প্রয়োজন অভিগমনৰ সুবিধাসমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন ৯ঃ মানৱশক্তি প্রয়োজন অভিগমনৰ সীমাবদ্ধতাবোৰ লিখক।

.....

.....

২.৩.৩ প্রত্যাবর্তন হাৰৰ অভিগমন বা আর্হি ঃ

প্রত্যাবর্তন হাৰৰ অর্থ হৈছে নির্দিষ্ট সময়ত বিনিয়োগৰ লাভ বা লোকচান। এই অভিগমনে শিক্ষাক মানৱ মূলধনৰ বিনিয়োগ হিচাপে গণ্য কৰে আৰু শিক্ষা ব্যৱস্থাৰ অর্থনৈতিক পৰিপ্রেক্ষিতত গুৰুত্ব দিয়ে। আমি জানো যে আর্থ-সামাজিক বিকাশত শিক্ষাৰ গুৰুত্বপূর্ণ ভূমিকা আছে, যাৰ দ্বাৰা ব্যক্তিৰ উৎপাদনৰ সামর্থ্য বৃদ্ধি পায়। সেইবাবে, শিক্ষাৰ ব্যয়ে জাতীয় বিকাশৰ ওপৰত যথাযোগ্য প্রভাৱ বিস্তাৰ কৰে। এই অভিগমন প্রত্যাবর্তনৰ হাৰ বা শিক্ষা ব্যৱস্থাৰ লাভৰ সৈতে জড়িত, যেতিয়া ইয়াক শিক্ষাৰ ব্যয়ৰ সৈতে তুলনা কৰা হয়। ইয়াক শৈক্ষিক পৰিকল্পনাৰ বর্তমান, প্রত্যাবর্তনৰ হাৰৰ পৰিবর্তনৰ অভিগমন হৈছে আনুষ্ঠানিক আৰু ৰাষ্ট্রীয় স্তৰৰ শৈক্ষিক পৰিকল্পনাৰ জনপ্রিয় অভিগমন। এই অভিগমনৰ প্রধান নীতি হৈছে শিক্ষাৰ আয় আৰু ব্যয় এনেদৰে পৰিকল্পনা কৰিব লাগে যাতে ই আনুষ্ঠানিক আৰু

ৰাষ্ট্ৰীয় স্তৰত উচ্চ উৎপাদন আৰু বেছি আয় কৰিব পাৰে। যি হওক, এইটো প্ৰয়োজনীয় যে শিক্ষাক কেনেকৈ আন বিনিয়োগৰ সৈতে তুলনা কৰিব পাৰি বা শিক্ষাৰ সকলো প্ৰকাৰেই সমানেই উৎপাদনমূলক হয়নে? এনেবোৰ প্ৰশ্নৰ বাবে শিক্ষাৰ বিভিন্ন স্তৰত প্ৰত্যাবৰ্তনৰ হাৰৰ বিজ্ঞানসন্মত অধ্যয়ন প্ৰয়োজন, যেতিয়া অৰ্থনৈতিক সম্পদৰ নিৰ্ণয়ক হিচাপে প্ৰত্যাবৰ্তনৰ হাৰক ব্যৱহাৰ কৰা হয়। শিক্ষাক বিনিয়োগ হিচাপে ব্যৱহাৰ কৰাৰ দুটা পথ আছে, সেইবোৰ হৈছে —

- বিভিন্ন শিক্ষানুষ্ঠান সমূহে শিক্ষাৰ প্ৰক্ৰিয়া আৰু প্ৰশিক্ষণ প্ৰদান কৰে, অৰ্থাৎ স্কুল আৰু কলেজসমূহে শিক্ষাৰ্থীৰ উচ্চ-স্তৰৰ ফলাফল লাভত সহায় কৰিব লাগে। এই ফলাফলক শিক্ষাৰ্থীৰ প্ৰশিক্ষণ আৰু শিক্ষা নোহোৱাকৈ তুলনা কৰা হয়। শিক্ষিত আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষাৰ্থীৰ ক্ষেত্ৰত উৎপাদনৰ পাৰ্থক্য থকা দেখা যায়।
- যিবোৰ মানুহ শিক্ষিত তেওঁলোকে অশিক্ষিত ব্যক্তিতকৈ অধিক দৰমহা আৰু আয় আৰ্জিব লাগে। প্ৰত্যোবৰ্তনৰ হাৰ এইটো দিশত ইতিবাচক হ'ব লাগে। এনে ধৰণৰ ইতিবাচক কথা তেতিয়াহে সম্ভৱ হ'ব যে কোনো শিক্ষিত ব্যক্তিয়ে নিৱনুৱা হৈ নাথাকিব। দেশৰ মানৱ শক্তি প্ৰয়োজনীয়তাৰ উপযুক্ত প্ৰশিক্ষণ এই প্ৰক্ৰিয়াৰ মূল দিশ। শিক্ষা আৰু উচ্চ পৰ্য্যায়ৰ আয় ইতিবাচকভাবে জড়িত। সেইবাবে মানুহে অধিক শিক্ষা আহৰণ কৰিব বিচাৰে।

প্ৰত্যাৱৰ্তন হাৰৰ সুবিধাসমূহ হৈছে —

- প্ৰত্যাবৰ্তন হাৰৰ অভিগমনে শিক্ষাৰ অৰ্থ নিৰ্ধাৰণ ক্ষেত্ৰত নীতি নিৰ্ধাৰণকাৰী সকলক সহায় কৰে। তদুপৰি বিত্তীয় সম্পদ নিৰ্ধাৰণৰ ক্ষেত্ৰত ব্যয়ৰ সিদ্ধান্তৰ মূল্যায়ণ কৰে, যিবোৰ পাঠ্যক্ৰমে শিক্ষাৰ্থীক উৎপাদনমূলক নিয়োজনত অন্তৰ্ভুক্ত কৰে।
- এই অভিগমনে শিক্ষাৰ বিভিন্ন স্তৰৰ কাৰ্য্যৰ চাহিদা আৰু বিতৰণৰ বিষমতা নিৰ্ণয় কৰে — যেনে অধিক মানৱশক্তিয়ে নিৱনুৱাৰ সৃষ্টি কৰে, আংশিক নিবনুৱা, অধ্যয়নৰ বিভিন্ন পাঠ্যক্ৰমৰ উপযোগিতা আৰু নিয়োগৰ সৈতে সেইবোৰৰ সম্পৰ্ক ইত্যাদি।
- শেষত, অৰ্থনীতিৰ প্ৰয়োজনীয়তা অনুসৰি শৈক্ষিক ব্যৱস্থা গঢ়ি তোলে।

প্ৰত্যাবৰ্তন হাৰৰ সীমাবদ্ধতাসমূহ হৈছে —

- প্ৰত্যাবৰ্তন হাৰে সদায় শিক্ষিত মানুহক অধিক মূল্যবান হিচাপে গণ্য কৰে; কাৰণ তেওঁলোকৰ উচ্চ স্তৰৰ আয় থাকে আৰু সমাজে তেওঁলোকৰ পৰা অধিক আয়কৰ পায়। কিন্তু সমাজত কিছুমান অশিক্ষিত ব্যক্তি আছে যিসকলে অধিক দৰমহা পায় আৰু সম্প্ৰদায়ৰ অৰ্থনৈতিক আৰু সামাজিক দিশত অৰিহণা

যোগায়। তেওঁলোকে অর্থনৈতিক বিকাশৰ পৰিবেশ সৃষ্টি কৰে, কিন্তু প্রত্যাবর্তনৰ হাৰে ইয়াৰ বিশ্লেষণ নকৰে।

- আয়ৰ পার্থক্য কিছুমান উপাদানৰ ওপৰত নির্ভৰ কৰে— যেনে প্রাকৃতিক সামর্থ্য, অভিৰোচন, সামাজিক পৰিপ্রেক্ষ, লিংগ আৰু কর্মচাৰীৰ বৃত্তি আদি। সেইবাবে আয়ৰ পার্থক্যক শিক্ষাৰ প্রকৃত উপকাৰিতা পৰিমাণত ব্যৱহাৰ কৰিব নোৱাৰি।
- শিক্ষাই কর্মচাৰীক অধিক উৎপাদনশীল কৰি তুলিব নোৱাৰে, কিন্তু প্রতিভাশালী ব্যক্তি চিনাক্ত কৰাত সহায় কৰে। শিক্ষাই অভিৰুচি, জ্ঞান প্রদানত প্রভাৰ পেলায় আৰু নতুন কৌশল উদ্ভাৱনত সহায় কৰে।
- প্রত্যাবর্তনৰ হাৰে শিক্ষিত ব্যক্তিৰ সম্পূর্ণ নিয়োগ বিচাৰে, কিন্তু বহুতো উন্নয়নশীল দেশত, নিৰনুৱা আৰু অর্ধ নিৰনুৱা স্নাতক আৰু স্কুল এৰা সকল হৈছে পুনঃ সংঘটিত ঘটনা। এইটো হৈছে এক গুৰুত্বপূর্ণ সমস্যা আৰু সামাজিক প্রত্যাবর্তনৰ হাৰে এই উপাদানটোক বিবেচনা কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১০ঃ প্রত্যাবর্তন হাৰ কাক বোলে?

.....

.....

প্রশ্ন ১১ঃ প্রত্যাবর্তন হাৰৰ অভিগমনে শিক্ষাক কেনেদৰে লয়?

.....

.....

প্রশ্ন ১২ঃ নীতি নির্ধাৰণকাৰীসকলক প্রত্যাবর্তনৰ হাৰে কিদৰে সহায় কৰে?

.....

.....

প্রশ্ন ১৩ঃ কোনবোৰ ক্ষেত্রত এই অভিগমনটোক সমালোচনা কৰা হৈছে?

.....

.....



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শৈক্ষিক পৰিকল্পনা হৈছে শৈক্ষিক পৰিচলনাৰ এক গুৰুত্বপূর্ণ কার্য্য। শৈক্ষিক পৰিকল্পনাৰ তিনিটা বিভিন্ন অভিগমন বা আৰ্হি আছে আৰু প্রত্যেকটোৰ নিজ ক্ষেত্র, যৌক্তিক

প্রক্রিয়া আৰু পদ্ধতি আছে। এই অভিগমন সমূহ হৈছে সামাজিক চাহিদাৰ অভিগমন, মানৱশক্তি প্রয়োজন অভিগমন আৰু প্রত্যাৱর্তন হাৰ অভিগমন।

- সামাজিক চাহিদা অভিগমন বা আৰ্হিৰ মতে শিক্ষা হৈছে সামাজিক পৰিবর্তনৰ আহিলা আৰু ই সমাজৰ চাহিদা বা ইচ্ছা পূৰণ কৰে। এই অভিগমনে ইচ্ছুক শিক্ষার্থীৰ নামভর্ত্তি আৰু চাহিদা পূৰণৰ বাবে স্কুল, কলেজ আৰু বৃত্তীয় অনুষ্ঠান খোলাৰ ওপৰত গুৰুত্ব দিয়ে। শিক্ষাৰ বাবে সামাজিক চাহিদা দিনে দিনে বৃদ্ধি পাইছে। সামাজিক চাহিদা অভিগমনৰ পৰিকল্পনা গুৰুত্বপূর্ণ উপাদান হৈছে ব্যক্তিৰ বয়স আৰু বছৰৰ তথ্যপোৱা আৰু স্কুলযোৱা শিক্ষার্থীৰ প্রকৃত হিচাপ পোৱা।
- ভাৰতবর্ষৰ নিচিনা দেশত, সামাজিক চাহিদা অভিগমন অনুসৰি প্রাথমিক আৰু মাধ্যমিক শিক্ষা প্রদান কৰা হয়। এই পদ্ধতিৰ প্রধান সুবিধা হৈছে শৈক্ষিক সুবিধাসমূহক গুৰুত্ব প্রদান কৰিব লাগে আৰু জনসাধাৰণৰ শিক্ষাৰ সেৱা বিস্তাৰ কৰিব লাগে। কিন্তু শিক্ষাৰ প্রকৃত চাহিদা নির্ধাৰণ কৰাটো কঠিন আৰু শৈক্ষিক সুবিধা প্রদান কৰাটো অসুবিধা। চাহিদা আৰু বিতৰণৰ অসামঞ্জস্যতাৰ ফলত নিবনুৱা আৰু অর্দ্ধনিবনুৱাৰ সৃষ্টি হয়।
- মানৱ শক্তি প্রয়োজন অভিগমনে অর্থনীতিৰ বাবে মানৱশক্তিৰ প্রয়োজনত প্রাধান্য দিয়ে। এখন দেশৰ বৃদ্ধি আৰু বিকাশ মানৱশক্তিক মানৱসম্পদলৈ ৰূপান্তৰ কৰাৰ ওপৰত নির্ভৰ কৰে, যিটো শিক্ষাৰ দ্বাৰা সম্ভৱ। এখন দেশৰ শিক্ষা ব্যৱস্থা এনেদৰে পৰিকল্পনা কৰিব লাগে যাতে ই জাতীয় প্রয়োজন পূৰণ কৰিবলৈ বিশেষজ্ঞ, বিভিন্ন ক্ষেত্রত ফেৰ মাৰিবলৈ পাকৈত ব্যক্তিৰ সৃষ্টি কৰিব পাৰে। এই অভিগমনৰ বাবে দীর্ঘম্যাদী পৰিকল্পনাৰ প্রয়োজন আৰু বিভিন্ন বৃত্তিৰ বিশদ অধ্যয়নৰ প্রয়োজন।
- বর্তমানৰ অর্থনৈতিক পৃথিৱীত, য'ত অর্থনৈতিক বিকাশৰ বাবে শিক্ষাক গুৰুত্ব দিয়া হয়, তাত এই প্রকাৰৰ পৰিকল্পনা অতি প্রয়োজন। এই প্রকাৰৰ পৰিকল্পনাৰ সুবিধাবোৰ হৈছে — ই শ্রমিক শক্তিৰ ভৱিষ্যতৰ শৈক্ষিক অর্হতা লাভৰ বাবে নির্দেশনা প্রদান কৰে, শৈক্ষিক লাভৰ প্রকাৰৰ চিনাক্তকৰণ আৰু নিৱনুৱাৰ পৰিসৰ হ্রাস কৰে। কিন্তু মানৱশক্তি প্রয়োজনৰ সঠিক মাত্রা নির্ধাৰণ কৰা কঠিন আৰু বেছিভাগ মানৱ শক্তি জৰীপকৰণ চহৰ অঞ্চলতে সীমাবদ্ধ থাকে। চহৰ আৰু গাঁও অঞ্চলতে সীমাবদ্ধ থাকে। চহৰ আৰু গাঁও অঞ্চলৰ অর্ধনিপুণ আৰু অনিপুণ কর্মচাৰীৰ শৈক্ষিক প্রয়োজনীয়তাক গুৰুত্ব দিয়া নহয়।
- প্রত্যাবর্তন হাৰ অভিগমনে শিক্ষাক মানৱ মূলধনৰ বিনিয়োগ হিচাপে বিবেচনা কৰে। শিক্ষাই এখন দেশৰ জনসাধাৰণৰ উৎপাদনৰ ক্ষমতা বৃদ্ধিৰ ক্ষেত্রত আর্থসামাজিক দিশৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা লয়। এই অভিগমনৰ প্রধান নীতি হৈছে শিক্ষাৰ আয় আৰু ব্যয় এনেদৰে পৰিকল্পনা কৰিব লাগে যাতে জাতীয় স্তৰত উচ্চ উৎপাদন বৃদ্ধি পায়। শিক্ষাৰ বাবে অর্থ নির্ধাৰণ কৰাৰ ক্ষেত্রত নীতি নির্ধাৰণকাৰীসকলক প্রত্যাবর্তন হাৰৰ অভিগমনে সহায় কৰে, তাদুপৰি ই বিত্তীয় সম্পদৰ নির্ধাৰণৰ ক্ষেত্রত ব্যয়ৰ সিদ্ধান্তৰ মূল্যায়ন কৰে।



২.৫ অধিক জানিবলৈ

1. Chandra, S.S. & Chakraborty, A.K. (2008). *School Administration, Organisation and Management.* R. Lau Book Depot, Meerut.

2. Sachdeva, M.S. (2000) . *School Organisation, Administration and Management.* Sandan Publication, Ludhiana.



২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিচালনা

২ নং প্রশ্নৰ উত্তৰ ঃ একক

৩ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক চাহিদা অভিগমনৰ অর্থ হৈছে সামাজিক পৰিবর্তন আৰু আকাংক্ষাৰ আহিলা হিচাপে শিক্ষা ব্যৱস্থা বিকাশ কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক শিক্ষা

৫ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাৰ চাহিদা আৰু শৈক্ষিক সুবিধাবোৰৰ প্রকৃত ধাৰণা পোৱাটো কঠিন। এই অভিগমনে অর্থনৈতিক দিশৰ ৰূপায়ণত গুৰুত্ব নিদিয়া বাবে ই হৈছে দুখীয়া অভিগমন। পৰিকল্পনাৰ প্রতিটো স্তৰতে ৰাজনীতিবদসকলৰ বহল স্বার্থ জড়িত থকাৰ বাবে ৰাজনীতিৰ হেঁচা এই অভিগমনত আছে।

৬ নং প্রশ্নৰ উত্তৰ ঃ মানৱ শক্তি প্রয়োজন অভিগমনে এখন দেশৰ শিক্ষা আৰু অর্থনৈতিক বিকাশক প্রাধান্য দিয়ে।

৭ নং প্রশ্নৰ উত্তৰ ঃ মানৱশক্তি প্রয়োজন অভিগমন প্রয়োজনীয়, কাৰণ ই শৈক্ষিক ব্যৱস্থাৰ ফলাফলত গুৰুত্ব দি ভবিষ্যতৰ মানৱশক্তি প্রয়োজন পূৰণ কৰে। এইটো সকলোৱে জানো যে উদ্ভাৱনমূলক ভাৱধাৰা লগতে উপযুক্ত মানৱ সম্পদে দেশৰ অর্থনৈতিক বৃদ্ধিৰ হাৰ নির্ণয় কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ (i) ই শ্রমিকসকলক ভৱিষ্যতলৈ বিকাশৰ বাবে প্রয়োজন হোৱা শিক্ষাগত অর্হতাৰ ক্ষেত্রত শৈক্ষিক পৰিকল্পনাকাৰী সকলক নির্দেশনা প্রদান কৰে।

(ii) পৰিকল্পিতভাৱে মানৱশক্তিৰ ব্যৱহাৰে নিৱনুৰাৰ পৰিসৰ হ্রাস কৰে।

৯ নং প্রশ্নৰ উত্তৰ ঃ মানৱশক্তিৰ প্রয়োজনৰ সঠিক মাত্রা নির্ধাৰণ কৰা কঠিন আৰু বেছিভাগ মানৱশক্তি জৰীপকৰণৰ কাম চহৰ অঞ্চলতে সীমাবদ্ধ থাকে। চহৰ আৰু গাঁও অঞ্চলৰ অর্ধনিপুণ আৰু অনিপুণ কর্মচাৰীৰ শৈক্ষিক প্রয়োজনীয়াতত গুৰুত্ব দিয়া নহয়। অর্থনীতিৰ বাবে বৃত্তীয় প্রয়োজনীয়তা সমাজৰ বাবে প্রয়োজনীয় শিক্ষাৰ সমান

পৰিমাণৰ নহয়।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যাবৰ্তন হাৰৰ অৰ্থ হৈছে এটা বিশেষ সময়ৰ বিনিয়োগৰ লাভ বা লোকচান।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যাবৰ্তন হাৰে শিক্ষাক মানৱ মূলধনৰ বিনিয়োগ হিচাপে গণ্য কৰে। আৰ্থ-সামাজিক বিকাশত শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে, যাৰ দ্বাৰা ব্যক্তিৰ উৎপাদনৰ সামৰ্থ্য বৃদ্ধি পায়। সেইবাবে শিক্ষাৰ ব্যয়ক জাতীয় বিকাশত পেলোৱা প্ৰভাৱৰ দ্বাৰা নিৰ্ধাৰণ কৰিব পাৰি।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যাবৰ্তন হাৰৰ অভিগমনে শিক্ষাৰ অৰ্থ নিৰ্ধাৰণৰ ক্ষেত্ৰত নীতি নিৰ্ধাৰণকাৰীসকলক সহায় কৰে। তদুপৰি ই বিত্তীয় সম্পদ নিৰ্ধাৰণৰ ক্ষেত্ৰত ব্যয়ৰ সিদ্ধান্তৰ মূল্যায়ন কৰে, যিবোৰ পাঠ্যক্ৰমে শিক্ষাৰ্থীক উৎপাদনমূলক নিয়োজনত অন্তৰ্ভুক্ত কৰে।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যাবৰ্তন হাৰৰ অভিগমনক সমালোচনা কৰা হয়, কাৰণ ই সদায় শিক্ষিত মানুহক অধিক মূল্যবান হিচাপে গণ্য কৰে, কাৰণ তেওঁলোকৰ আয় উচ্চ স্তৰৰ আৰু সমাজে তেওঁলোকৰ পৰা অধিক আয়কৰ পায়। কিন্তু সমাজত কিছুমান এনে অশিক্ষিত ব্যক্তি আছে যিসকলে অধিক দৰমহা পায় আৰু সম্প্ৰদায়ৰ অৰ্থনৈতিক আৰু সামাজিক দিশত অৱিহণা যোগায়, তেওঁলোকে অৰ্থনৈতিক বিকাশৰ পৰিৱেশ সৃষ্টি কৰে, কিন্তু প্ৰত্যাবৰ্তন হাৰে ইয়াৰ বিশ্লেষণ নকৰে।



২.৭ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰায় ১৫০টা শব্দৰ উত্তৰ লিখক)

১। শৈক্ষিক পৰিকল্পনাৰ বিভিন্ন অভিগমনসমূহ লিখক।
২। সামাজিক চাহিদা অভিগমনৰ প্ৰধান নীতি কি?
৩। মানৱ শক্তি প্ৰয়োজন অভিগমন কিয় প্ৰয়োজনীয়?
৪। ভাৰতত, প্ৰাথমিক শিক্ষা কোনটো অভিগমনৰ ওপৰত প্ৰতিষ্ঠিত আৰু কিয়?
৫। প্ৰত্যাবৰ্তন হাৰ অভিগমনৰ প্ৰধান বৈশিষ্ট্য কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১। শৈক্ষিক পৰিকল্পনাৰ বিভিন্ন অভিগমনবোৰ চমুকৈ বৰ্ণনা কৰক।
২। মানৱশক্তি প্ৰয়োজন অভিগনক ব্যাখ্যা কৰক।
৩। সামাজিক চাহিদা অভিগমন কাক বোলে? এই অভিগমনৰ সুবিধা আৰু অসুবিধাসমূহ ব্যাখ্যা কৰক।
৪। প্ৰত্যাবৰ্তনৰ হাৰৰ অভিগমন কি? এই অভিগমনে শিক্ষাক কিদৰে গ্ৰহণ কৰে? কি কি দিশত এই অভিগমনটোক সমালোচনা কৰা হয়?

*** ***** ***** ***

অধ্যায়-৩ঃ অনুষ্ঠানিক পৰিকল্পনা (INSTITUTIONAL PLANNING)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ অনুষ্ঠানিক পৰিকল্পনাৰ অর্থ

৩.৩.১ অনুষ্ঠানিক পৰিকল্পনা আৰু ইয়াৰ উদ্দেশ্য

৩.৩.১ অনুষ্ঠানিক পৰিকল্পনাৰ বৈশিষ্ট্য

৩.৩.৩ অনুষ্ঠানিক পৰিকল্পনাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব

৩.৪ উপযুক্ত অনুষ্ঠানিক পৰিকল্পনাৰ পদক্ষেপসমূহ

৩.৫ অনুষ্ঠানিক পৰিকল্পনাৰ পৰিসৰ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি—

- অনুষ্ঠানিক পৰিকল্পনাৰ অর্থ, উদ্দেশ্য আৰু ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিবলৈ সক্ষম হ'ব,
- অনুষ্ঠানিক পৰিকল্পনাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- অনুষ্ঠানিক পৰিকল্পনাৰ বাবে প্রয়োজনীয় দিশসমূহ আৰু ইয়াৰ অন্তর্গত বিষয়বস্তুৰ বিষয়ে জানিব পাৰিব
- অনুষ্ঠানিক পৰিকল্পনাক উপযুক্তভাবে সফল কৰি তুলিবলৈ ল'ৰলগীয়া পদক্ষেপ সমূহৰ বিষয়ে জানিবলৈ সক্ষম হ'ব।

৩.২ পৰিচয়

এখন অনুষ্ঠান সুপৰিকল্পিতভাৱে পৰিচালিত হ'বলৈ উপযুক্ত পৰিকল্পনাৰ দৰকাৰ।প্রত্যেক সংগঠনৰ কার্য্যপন্থাসমূহ উপযুক্তভাৱে পৰিচালিত হ'বলৈ নিজা নিজা লক্ষ্য আৰু উদ্দেশ্য থাকে। তাৰোপৰি এখন অনুষ্ঠানৰ মানৱ সম্পদ তথা বৈষয়িক সম্পদ সমূহৰ উপযুক্ত ব্যৱহাৰ হ'বলৈ কিছুমান ধৰাবন্ধা কার্য্যপন্থা

থকাটো প্ৰয়োজনীয়। এই অধ্যায়টোৰ জৰিয়তে আমি অনুষ্ঠানিক পৰিকল্পনাৰ ধাৰণা, গঠন আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশসমূহৰ বিষয়ে জানিবলৈ সক্ষম হ'ম।

৩.৩ অনুষ্ঠানিক পৰিকল্পনাৰ অৰ্থ- (MEANING OF INSTITUTIONAL PLANNING)

এখন শিক্ষানুষ্ঠানৰ বিভিন্ন কাৰ্য্যৱলীসমূহ উন্নত কৰাৰ বাবে গ্ৰহণ কৰা এক কাৰ্যপন্থা হৈছে অনুষ্ঠানিক পৰিকল্পনা। এনে পৰিকল্পনা সাধাৰণতে শিক্ষাৰ্থীৰ প্ৰয়োজন ভিত্তিক আৰু শিক্ষানুষ্ঠানত উপলব্ধ হোৱা সম্পদৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা হয়। এই পৰিকল্পনা সেই অনুষ্ঠানখনৰ মূৰব্বীয়ে আন আন সহযোগী শিক্ষকৰ সৈতে মিলিত হৈ প্ৰস্তুত কৰে। এই পৰিকল্পনাৰ সহায়ত এখন শিক্ষানুষ্ঠানৰ সবলতা আৰু দুৰ্বলতাৰ দিশসমূহ জনাৰ উপৰিও উপযুক্তভাৱে অনুষ্ঠানখন পৰিচালিত হ'বলৈ প্ৰয়োজন হোৱা বিভিন্ন দিশসমূহৰ বিষয়ে পৰিচালকজন জ্ঞাত হ'ব পাৰে। চমুকৈ ক'ব পাৰি যে অনুষ্ঠানিক পৰিকল্পনা হৈছে এক উপায় স্বৰূপ, যাৰদ্বাৰা অনুষ্ঠানখনৰ সামগ্ৰীক বিকাশ ঘটাব পৰা যায়। এখন অনুষ্ঠানৰ প্ৰয়োজনীয়তাৰ ভিত্তিত পৰিকল্পনা কেতিয়াবা দীঘলীয়া আৰু কেতিয়াবা চমু দৈর্ঘ্যৰ হোৱাকৈ প্ৰস্তুত কৰা হয়।

অনুষ্ঠানিক পৰিকল্পনাই সাধাৰণতে দুটা দিশ আঙুলিয়াই দিয়ে— এটা হৈছে আন্তঃগাঁথনি পৰিকল্পনা আৰু আনটো হৈছে নিৰ্দেশাত্মক পৰিকল্পনা। এখন অনুষ্ঠানৰ বৈষয়িক সম্পদসমূহ পৰিচালনা বা সংগঠন কৰা হৈছে আন্তঃগাঁথনি পৰিকল্পনা। নিৰ্দেশাত্মক পৰিকল্পনা অনুষ্ঠানখনৰ মানৱ সম্পদৰ সংগঠন তথা এই সম্পদসমূহৰ উপযুক্ত প্ৰয়োগৰ লগত জড়িত। চমুকৈ ক'বলৈ হ'লে শিক্ষা ক্ষেত্ৰত নিৰ্দেশাত্মক পৰিকল্পনা হৈছে বৈজ্ঞানিক নীতিসমূহৰ উপযুক্ত প্ৰয়োগকৰণ, সৃষ্টি, নক্সা, প্ৰায়োগিকতা আৰু মূল্যায়নৰ জৰিয়তে নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাত অনুষ্ঠানখনক সহায় কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ শিক্ষাক্ষেত্ৰত অনুষ্ঠানিক পৰিকল্পনা বুলিলে কি বুজে?

.....

.....

৩.৩.১ অনুষ্ঠানিক পৰিকল্পনা আৰু ইয়াৰ উদ্দেশ্যসমূহ (Institutional Planning and its Objectives)

শিক্ষাক্ষেত্ৰত অনুষ্ঠানিক পৰিকল্পনাই অনুষ্ঠানখনৰ উন্নতিৰ বাবে ল'বলগীয়া পদক্ষেপসমূহ গ্ৰহণৰ ক্ষেত্ৰত শিক্ষকসকলক স্বাধীনতা প্ৰদান কৰে। অনুষ্ঠানিক পৰিকল্পনাৰ

কিছুমান উদ্দেশ্য তলত দাঙি ধৰা হ'ল—

- এখন অনুষ্ঠানত থকা বিভিন্ন সম্পদসমূহৰ উপযুক্ত প্ৰয়োগকৰণত অনুষ্ঠানিক পৰিকল্পনাই সহায় কৰে।
- পৰিকল্পনাৰ মুখ্য উদ্দেশ্য হৈছে শিক্ষানুষ্ঠানত উপযুক্ত নিৰ্দেশনা প্ৰদান কৰা।
- এখন অনুষ্ঠান সকলো দিশৰ পৰা উপযুক্তভাবে আগবাঢ়ি যাবলৈ আৱশ্যকীয় পদক্ষেপ গ্ৰহণত শিক্ষকসকলক স্বাধীনতা প্ৰদান কৰা।
- অনুষ্ঠান এখন সুন্দৰভাবে পৰিচালিত হ'বলৈ উপযুক্ত শিক্ষক আৰু অনান্য ব্যক্তি নিৰ্বাচনত পৰিকল্পনাই সহায় কৰে।
- শিক্ষকসকলে আন পৰিকল্পনা সফলভাবে ৰূপায়িত কৰি তোলাত অনুষ্ঠানিক পৰিকল্পনাই সহায় কৰে।
- অনুষ্ঠানিক পৰিকল্পনাই এনে কিছুমান দিশত অধিক গুৰুত্ব দিব লাগে যিবোৰে অনুষ্ঠানখনৰ সম্পদসমূহৰ বিকাশৰ ভৱিষ্যত সম্ভাৱনীয়তা বহন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ অনুষ্ঠানিক পৰিকল্পনাৰ উদ্দেশ্যসমূহ আপুনি কেনেকৈ ব্যাখ্যা কৰিব?

.....

.....

৩.৩.২ অনুষ্ঠানিক পৰিকল্পনাৰ বৈশিষ্ট্যসমূহ (Objectives of Institutional Planning)

অনুষ্ঠানিক পৰিকল্পনাৰ ধাৰণা আৰু উদ্দেশ্যসমূহ জনাৰ পিছত আমি ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জনাতোআৱশ্যক। তলত ইয়াৰ বৈশিষ্ট্য সমূহৰ বিষয়ে দাঙি ধৰা হ'ল-

- স্কুলৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি পৰিকল্পনা প্ৰস্তুত কৰা উচিত।
- প্ৰত্যেক অনুষ্ঠানে নিজস্ব ভাবধাৰাৰ লগত সংগতি ৰাখি পৰিকল্পনা যুগুত কৰে।
- স্কুল আৰু স্থানীয় সম্প্ৰদায়ৰ সম্পদসমূহৰ উপযুক্ত প্ৰয়োগকৰণৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা হয়।
- পৰিকল্পনাৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য থকা উচিত।
- পৰিকল্পনাই শিক্ষানুষ্ঠানৰ সদস্যসকলৰ মাজত সমন্বয় ৰক্ষা কৰিব লাগে।

- পৰিকল্পনাৰ প্ৰতিটো ক্ষেত্ৰতে গণতান্ত্ৰিক পদ্ধতি অৱলম্বন কৰিব লাগে। এখন অনুষ্ঠানৰ সকলো সদস্যই ইয়াক কাৰ্যকৰী কৰি তুলিব বিচৰা বিষয়বোৰৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিব লাগে।
- অনুষ্ঠানিক পৰিকল্পনাই গতানুগতিক সময়সূচীৰ সলনি এক সৃজনশীল পৰিকল্পনাত অংশগ্ৰহণৰ বাবে উৎসাহ প্ৰদান কৰে।
- অনুষ্ঠানিক পৰিকল্পনা প্ৰকৃততে নমনীয় হোৱা দৰকাৰ। পৰিকল্পনাসমূহ সময়ৰ পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই মূল্যায়ণ কৰা দৰকাৰ।
- অনুষ্ঠানিক পৰিকল্পনাৰ প্ৰয়োজনীয়তা, গুৰুত্ব তথা ইয়াৰ অন্তৰ্গত দিশসমূহক উন্নতমানৰ কৰি তুলিবৰ বাবে শিক্ষক অভিভাৱক সম্মিলনৰ আয়োজন কৰা দৰকাৰ।
- পৰিকল্পনাৰ প্ৰয়োগকৰণৰ ক্ষেত্ৰত মৌলিক নীতিসমূহ ,যেনে- উদ্দেশ্য, উন্নীতকৰণ, বৰ্তমানৰ স্থান, সম্পদৰ ব্যৱহাৰ আৰু সময়ৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ অনুষ্ঠানিক পৰিকল্পনাৰ কেইটামান বৈশিষ্ট্য লিখক।

.....

.....

৩.৩.৩ অনুষ্ঠানিক পৰিকল্পনাৰ গুৰুত্ব আৰু প্ৰয়োজনীতা (Need and Importance of Institutional Planing)


এখন অনুষ্ঠানৰ কাৰ্য্যাৱলী সমূহৰ সফলতা আৰু বিফলতা নিৰ্ভৰ কৰে উ পযুক্ত পৰিকল্পনা প্ৰস্তুতকৰণৰ ওপৰত। এখন শিক্ষানুষ্ঠান সামগ্ৰীকভাবে সকলো দিশৰ পৰা সফল হ'বলৈ হ'লে পৰিকল্পনাৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগে।

- এখন অনুষ্ঠান উপযুক্তভাৱে পৰিচালিত হোৱাৰ ক্ষেত্ৰত পৰিকল্পনাই পথ নিৰ্দেশনা প্ৰদান কৰে।
- এখন স্কুলক সফলভাবে আগবঢ়াই নিবলৈ শিক্ষক আৰু অন্যান্য কৰ্মচাৰীসকলক মুক্তভাবে কাম কৰাত অনুষ্ঠানিক পৰিকল্পনাই সহায় কৰে।
- এখন অনুষ্ঠানৰ সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু সাংগঠনিক দিশৰ উন্নতিৰ বাবে অনুষ্ঠানিক পৰিকল্পনাৰ প্ৰয়োজন।
- অনুষ্ঠানিক পৰিকল্পনাই সামগ্ৰীকভাবে অনুষ্ঠানিক পৰিৱেশৰ ওপৰত লক্ষ্য ৰাখি পৰিস্থিতি অনুযায়ী আঁচনি সলনি কৰে।
- অনুষ্ঠান এখনৰ সদস্যসকলৰ মাজত সমন্বয় ৰক্ষাৰ ক্ষেত্ৰত অনুষ্ঠানিকৰ গুৰুত্ব অপৰিহাৰ্য।

উপযুক্ত কার্যব্যৱস্থা গ্ৰহণ বা বিভাগীয় আন্তঃগাথঁনি শক্তিশালী কৰাৰ বাবে অনুষ্ঠানিক পৰিকল্পানাৰ দৰকাৰ। কালক্ৰমত ই একক বিভাগীয় পৰিকল্পনাৰ প্ৰস্তুতিৰ ক্ষেত্ৰত সীমাবদ্ধতা আনি দিয়ে, কাৰণ একক বিভাগীয় পৰিকল্পনাৰ পৰিসৰ অতি সীমিত।

- অনুষ্ঠানিক পৰিকল্পনাই লক্ষ্য উদ্দেশ্য স্থিৰ কৰাত সহায় কৰে। এটা অনুষ্ঠানৰ পৰিকল্পনাৰ দ্বাৰা, স্পষ্ট তথা উপযুক্ত লক্ষ্য উদ্দেশ্য স্থিৰ কৰা হয়।
- এটা সংগঠনৰ পৰিকল্পনা পদ্ধতিয়ে সংগঠনটোৰ ভৱিষ্যত কার্যপন্থা তথা উদ্দেশ্যসমূহৰ সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

অনুষ্ঠানিক পৰিকল্পনাৰ প্ৰয়োজনীয়তা তলৰ নক্সাখনৰ সহায়ত প্ৰকাশ কৰা হ'ল—



উৎস ঃ Prasad, L.M. : ***Principles and Pratice of Management*** Page- 145



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ এখন অনুষ্ঠানৰ বাবে অনুষ্ঠানিক পৰিকল্পনা প্রয়োজনীয় বুলি আপুনি ভাবেনে?

.....

.....

৩.৪ উপযুক্ত অনুষ্ঠানিক পৰিকল্পনাৰ পদক্ষেপসমূহ (STEPS FOR EFFECTIVE INSTITUTIONAL PLANNING)

পৰিকল্পনা হৈছে মানৰ সৃষ্ট। কার্যসূচীবোৰৰ সফল ৰূপায়নৰ বাবে পৰিকল্পনাৰ প্রয়োজন। কোনো কার্য্যসূচী উপযুক্তভাৱে প্রয়োগকৰণৰ বাবে কিছুমান পদক্ষেপ হাতত ল'বলগীয়া হয়। এখন অনুষ্ঠানৰ বাবে পৰিকল্পনা প্রস্তুত কৰাৰ সময়ত তলত উল্লেখ কৰা দিশসমূহ বিবেচনা কৰা দৰকাৰ।

- পৰিকল্পনাৰ বিষয়বস্তুৰ পৰিসৰ নির্ধাৰণ কৰিব লাগে, যাৰ ওপৰত ভিত্তি কৰি পৰিকল্পনা পদ্ধতি আগবাঢ়িব।
- এখন শিক্ষানুষ্ঠানৰ পৰিকল্পনাৰ পৰিসৰ আৰু ইয়াৰ বিষয়বস্তু নির্ধাৰণ কৰাৰ পিছত , পর্যায়ক্রমে সমীক্ষাৰ পর্যায় আগবাঢ়িব লাগে। সমীক্ষাৰ দ্বাৰাহে শিক্ষানুষ্ঠানখনৰ লাগতিয়াল সম্পদ সমূহৰ বিষয়ে জ্ঞাত হ'ব পাৰি।
- প্রস্তুতকৰণ হৈছে সমীক্ষাৰ পিছৰ পর্যায়। এই স্তৰত আঁচনি আৰু পৰিকল্পনা সমূহৰ প্রয়োজনীয়তা আৰু সহজলভ্য সম্পদৰ ভিত্তিত স্থানীয়, জিলা, ৰাজ্যিক আৰু ৰাষ্ট্রীয় পর্যায়ত প্রস্তুত কৰা হয়।
- সকলো পৰিকল্পনাৰ নির্দিষ্ট অনুষ্ঠানখনৰ দীর্ঘম্যাদী উদ্দেশ্যৰ লগত সম্পর্ক থাকিব লাগে। এখন হ্রস্বম্যাদীপৰিকল্পনা তৎকালীন উদ্দেশ্য পূৰণৰ বাবে তৈয়াৰ কৰা হয় যদিও এইবোৰ অনুষ্ঠানখনৰ দীর্ঘম্যাদী পৰিকল্পনাৰ ওপৰত ভিত্তি কৰিহে লোৱা হয়। উদাহৰণ স্বৰূপে আমি ক'ব পাৰো যে শিক্ষানুষ্ঠান এখনৰ মাহিলী গোট পৰীক্ষা বা ছমহীয়া পৰীক্ষাসমূহৰ দ্বাৰা শিক্ষার্থীৰ হ্রস্বম্যাদী মূল্যাংকন কৰা হয়। শিক্ষার্থীৰ গোটেই বছৰটোৰ শৈক্ষিক অগ্রগতি জানিবৰ বাবে কিছুমান মূল্যাকণ ব্যৱস্থা প্রয়োগ কৰা হয়- সেইবোৰ হৈছে দীর্ঘম্যাদী উদ্দেশ্য।
- পৰিকল্পনাৰ দিশ নির্দিষ্ট আৰু কার্য্যৱলীসমূহ স্পষ্ট হোৱা উচিত।

- পৰিকল্পনাৰ সাংগঠনিক কাৰকসমূহ যেনে- মানবীয় আৰু বৈষয়িক সম্পদ, সাংগঠনিক গাঁথনি আৰু আন সাংগাঠনিক পৰিকল্পনাৰ সৈতে সামঞ্জস্য থকা উচিত।
- নমনীয়তা আৰু সৰলীকৰণ হৈছে পৰিকল্পনা প্ৰস্তুতকৰণৰ সময়ত লক্ষ্য ৰাখিবলগীয়া আন দুটা উল্লেখনীয় দিশ।
- এখন অনুষ্ঠানক সময়ৰ সৈতে সফলতাৰে আগবঢ়াই নিবলৈ হ'লে ইয়াৰ ফলাফল আৰু মূল্যাংকন ব্যৱস্থা দুটা উপযুক্ত হ'ব লাগিব। ইয়াৰ জৰিয়তে অনুষ্ঠানখনৰ আশা-আকাংক্ষা আৰু প্ৰয়োজনীয়তাসমূহ জ্ঞাত হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ এখন অনুষ্ঠানৰ সফল পৰিকল্পনা প্ৰস্তুত কৰিবলৈ কোনবোৰ দিশ বিবেচনা কৰিব লাগিব বুলি ভাবে?

.....

.....

৩.৫ অনুষ্ঠানিক পৰিকল্পনাৰ পৰিসৰ (AREAS OF INSTITUTIONAL PLANNING)

শিক্ষানুষ্ঠান এখনৰ কার্যকাৰীতাৰ দিশ অনুষ্ঠানিক পৰিকল্পনাৰ পৰিসৰে নির্দেশ কৰে। এখন অনুষ্ঠানৰ প্ৰত্যেক ক্ষেত্ৰতে পৰিকল্পনা পদ্ধতিৰ প্ৰয়োজন হয় প্ৰকৃত কার্যকাৰীতা আৰু অনুষ্ঠানখনে স্থিৰ কৰা উদ্দেশ্যসমূহত উপনীত হোৱাৰ বাবে। তলত অনুষ্ঠানিক পৰিকল্পনাৰ পৰিসৰ সম্পর্কে দাঙি ধৰা হ'ল- যিবোৰে অনুষ্ঠান পৰিচালনাৰ ক্ষেত্ৰত প্ৰভাব বিস্তাৰ কৰে।

- প্ৰশাসনিক দিশৰ উন্নতিৰ বাবে বা অনুষ্ঠানৰ উপযুক্ত প্ৰশাসনৰ বাবে পৰিকল্পনাৰ দৰকাৰ। পৰিকল্পনাৰ কার্যসূচীসমূহ শিক্ষক সকলৰ আলোচনাৰ দক্ষতা বঢ়োৱাৰ বাবে, নিৰীক্ষণৰ উন্নতকৰণৰ ক্ষেত্ৰত অধ্যক্ষ আৰু শিক্ষকসকলৰ সম্পর্কৰ বাবে গণতান্ত্ৰিক সাংগঠনিক পদ্ধতি আদিৰ প্ৰচলনৰ বাবে প্ৰয়োগ কৰিব লাগে।
- স্কুল আৰু সম্প্ৰদায়ৰ সম্পর্ক স্থাপনৰ ক্ষেত্ৰত অনুষ্ঠানিক পৰিকল্পনাই প্ৰভাৱ পেলায়। সম্প্ৰদায়ৰ সম্পদসমূহ যাতে অনুষ্ঠানখনৰ বিভিন্ন বিষয়ৰ উপযুক্ত শিক্ষাত সহায়ক হয় তাৰ বাবে পৰিকল্পনা উপযুক্তভাবে প্ৰয়োগ কৰিব লাগে। স্কুল আৰু সম্প্ৰদায়ৰ মাজৰ সম্পর্ক উন্নত কৰিবলৈ সম্প্ৰদায়ৰ সদস্যসকলে বক্তৃতাৰ আয়োজন কৰিব লাগে।

সম্প্রদায়ক উন্নত কৰি তুলিবলৈ হ'লে স্কুল আৰু সম্প্রদায়ৰ মাজত এক আন্তৰিকতাপূর্ণ মনোভাব থাকিব লাগিব।

- শিক্ষার্থীৰ পঠনৰ উপযুক্ত অভ্যাস গঠন কৰিবলৈ আৰু তাৰ লগে লগে অনুষ্ঠানৰ শৈক্ষিক কার্য্যাৱলীৰ প্রসাৰ ঘটাবলৈ পৰিকল্পনাৰ প্রয়োজন। পঠনৰ অভ্যাস বঢ়াবলৈ পুথিভঁড়ালৰ ব্যৱহাৰ, আভ্যন্তৰীণ পৰীক্ষাৰ উন্নতকৰণ, অপচয় আৰু অনুন্নয়ণৰ মাত্রা ৰোধ কৰা পিছপৰা শিক্ষার্থীক সহায় কৰা, প্রতিভাশালী ছাত্রৰ, শিক্ষাৰ ব্যৱস্থা কৰা, বুলেটিন ব'র্ড বা আন প্রযুক্তিগত সঁজুলিসমূহৰ প্রয়োগকৰণৰ বাবে অনুষ্ঠানিক পৰিকল্পনাৰ দৰকাৰ।
- সহপাঠ্যক্রমৰ কার্য্যসূচীসমূহ স্কুলত অনুষ্ঠিত কৰিবলৈ হ'লে প্রথমতে ইয়াৰ বিভিন্ন দিশসমূহ নির্ণয় কৰা উচিত। শিক্ষক তথা শিক্ষার্থীয়ে অৱসৰ সময় স্কুলত সফলভাবে প্রয়োগ কৰণৰ বাবে, ছাত্র একতা সভাৰ নতুন কর্মসূচী বাচনিকৰণ, স্কুলৰ কার্যাৱলীত শিক্ষার্থীৰ আগ্রহ বৃদ্ধিকৰণ আৰু শিক্ষার্থীৰ সজ অভ্যাস গঠনৰ বাবে পৰিকল্পনাৰ দৰকাৰ।
- শিক্ষার্থীৰ বিভিন্ন বেয়া অভ্যাস, যেনে,- স্কুলৰ পৰা পলোৱা, চৌর্য্যবৃত্তি আদিবোৰ গুচাবৰ বাবে অনুষ্ঠানিক পৰিকল্পনাৰ দৰকাৰ।
- স্কুলত এক গণতান্ত্রিক পৰিৱেশ গঠন কৰা আৰু বিভিন্ন ধৰণৰ গুণ যেনে- নেতৃত্ব, সহিষ্ণুতা, অনুশাসন, আত্মনিয়ন্ত্রণ আদিবোৰ শিক্ষার্থীৰ মাজত বিকশাই তুলিবৰ বাবে অনুষ্ঠানিক পৰিকল্পনাৰ প্রয়োজন। শিক্ষার্থীসকলক বিভিন্ন কামৰ দায়িত্ব অর্পন কৰা, স্কুলত মৌন সদন সংগঠন কৰা ইত্যাদিবোৰো অনুষ্ঠানিক পৰিকল্পনাৰ সৈতে জড়িত হৈ আছে।



চিন্তা চর্চা কৰক ৩.১

অনুষ্ঠানিক পৰিকল্পনাৰ পৰিসৰত অন্তর্ভুক্ত কৰিব পৰা আন কিছুমান দিশ উল্লেখ কৰক।

.....

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এখন অনুষ্ঠান সূচাৰুৰূপে পৰিচালিত হ'বলৈ পৰিকল্পনাৰ দৰকাৰ।
- শিক্ষার্থীৰ প্রয়োজনীয়তা আৰু সম্পদৰ সহজ লভ্যতালৈ লক্ষ্য কৰি এখন শিক্ষানুষ্ঠানৰ

পৰিকল্পনা প্ৰস্তুত কৰা হয়।

- এখন অনুষ্ঠানৰ মূৰব্বী আৰু আন সদস্যসকলে পৰিকল্পনাৰ দায়িত্ব বহন কৰে।
- পৰিকল্পনাৰ জৰিয়তে এখন শিক্ষানুষ্ঠানৰ পৰিচালকজনে ইয়াৰ সৱলতা দুৰ্বলতা, সা-সুবিধাসমূহ তাৰ লগতে অনুষ্ঠানখন সুচাৰুৰূপে পৰিচালনা হোৱাৰ ক্ষেত্ৰত বাধাস্বৰূপে দেখা দিয়া দিশসমূহ চিনাক্ত কৰিব পাৰে।
- অনুষ্ঠানখন উন্নত হ'বৰ বাবে পৰিকল্পনাৰ প্ৰয়োজন। অনুষ্ঠানখনৰ কাৰ্য্যসূচীৰ প্ৰকৃতি অনুসৰি পৰিকল্পনা হ্ৰস্বম্যাদী বা দীৰ্ঘম্যাদী কৰি তুলিব লাগে।
- এখন পৰিকল্পনা প্ৰস্তুত কৰোতে ইয়াৰ পৰিসৰ নিৰ্ধাৰণ, সমীক্ষাকৰণ, প্ৰস্তুতি, প্ৰয়োগকৰণ আদিবোৰ হৈছে কিছুমান বিশেষ পদক্ষেপ।
- অনুষ্ঠানিক পৰিকল্পনাৰ প্ৰধান উদ্দেশ্য হৈছে অনুষ্ঠানখনৰ সম্পদবোৰৰ উপযুক্ত প্ৰয়োগকৰণ।
- প্ৰশাসনিক দিশ আৰু স্কুল-সম্প্ৰদায়ৰ সম্পৰ্ক উন্নতকৰণ, শৈক্ষিক আৰু সহপাঠ্যক্ৰম কাৰ্য্যসূচীৰ উন্নতকৰণ, বিভিন্ন কেৰোণ আৰু দুৰ্বলতাসমূহ আঁতৰ কৰা, গণতান্ত্ৰিক পৰিৱেশ সৃষ্টি কৰা আদি হৈছে অনুষ্ঠানিক পৰিকল্পনাৰ কিছুমান উদ্দেশ্য।



৩.৭ অধিক জানিবলৈ

1) গোস্বামী, ৰজনীকান্ত, *শিক্ষাদানৰ পদ্ধতি, কৌশল আৰু ভাৰতীয় শিক্ষাৰ নৱ পৰিক্ৰমা*, বনলতা, গুৱাহাটী-১

2) Prasad, L.M.. *Principles and Practics of Managment*. Sultakn Chand and Sons Publiction.'



৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অনুষ্ঠানিক পৰিকল্পনা হৈছে এক কাৰ্য্যপন্থা যাৰ দ্বাৰা শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা আৰু শিক্ষানুষ্ঠানৰ চৌহদত উপলব্ধ হোৱা সম্পদৰ ভিত্তিত প্ৰস্তুত কৰা কাৰ্য্যাৱলী সমূহৰ বিকাশ আৰু উন্নতি সাধন কৰিব পৰা যায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অনুষ্ঠানিক পৰিকল্পনাৰ কিছুমান উদ্দেশ্য তলত দাঙি ধৰা হ'ল—

- পৰিকল্পনাৰ প্ৰধান উদ্দেশ্য হৈছে স্কুলৰ নিৰ্দেশনা সমৃদ্ধ কৰা,
- অনুষ্ঠানিক পৰিকল্পনা এক প্ৰচেষ্টা যাৰ জৰিয়তে এখন অনুষ্ঠানৰ শাৰীৰিক আৰু

বৈষয়িক সম্পদ সমূহৰ উপযোগীকৰণ কৰিব পাৰি।

- পৰিকল্পনাৰ প্ৰধান উদ্দেশ্য হৈছে অনুষ্ঠান এখন সফলভাৱে কাৰ্য্যক্ষম কৰি তুলিবলৈ শিক্ষক সকলক সুবিধা আৰু স্বাধীনতা প্ৰদান কৰা।
- এখন শিক্ষানুষ্ঠানৰ শিক্ষক আৰু আন কৰ্মচাৰী সকলক সুযোগ্য আৰু কাৰ্য্যক্ষম কৰি তোলাত অনুষ্ঠানিক পৰিকল্পনাই সহায় কৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অনুষ্ঠানিক পৰিকল্পনাৰ প্ৰধান বৈশিষ্ট্য সমূহ হ'ল—

- পৰিকল্পনাসমূহৰ প্ৰত্যেক গাঁথনিৰে ভাবধাৰা অনুসৰি নিজস্ব কিছুমান আৰ্হি বা নক্সা আছে।
- স্কুল আৰু সম্প্ৰদায়ৰ সহজলভ্য সম্পদসমূহৰ যথোপযুক্ত ব্যৱহাৰৰ বাবে অনুষ্ঠানিক পৰিকল্পনাৰ প্ৰয়োজন।
- পৰিকল্পনাৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য থকা উচিত।
- স্কুলৰ কৰ্মচাৰীসকলৰ কৰ্মসন্তুষ্টিত অনুষ্ঠানিক পৰিকল্পনাই সমন্বয়ৰক্ষী স্বৰূপে সহায় কৰে।
- অনুষ্ঠানিক পৰিকল্পনা নমনীয় প্ৰকৃতিৰ হোৱা উচিত আৰু পৰিৱেশৰ পৰিৱৰ্তনৰ লগে লগে ইয়াৰ ধাৰাবাহিক মূল্যাংকণ হোৱা উচিত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ স্কুলৰ চৌহদত প্ৰাপ্ত হোৱা সম্পদসমূহৰ যথোপযুক্ত ব্যৱহাৰৰ বাবে অনুষ্ঠানিক পৰিকল্পনাৰ প্ৰয়োজন। শৈক্ষিক কাৰ্য্যাৱলী সমূহৰ প্ৰকৃত অৰ্থত অনুষ্ঠান এখনত ব্যৱহাৰৰ বাবে শিক্ষা ক্ষেত্ৰত পৰিকল্পনাৰ প্ৰয়োজন হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ এটা অঞ্চল নিৰ্বাচন কৰা, সমীক্ষা কৰা, কাৰ্য্যাৱলীসমূহক প্ৰয়োগকৰণৰ বাবে প্ৰস্তুত কৰা, সময়ে সময়ে এইবোৰৰ প্ৰয়োগকৰণ ইত্যাদিবোৰ পৰিকল্পনা এখন প্ৰস্তুত কৰোতে ল'বলগীয়া পদক্ষেপ। পৰিকল্পনা সফলতাৰ বাবে স্থিৰতা, সৰলতা আৰু নমনীয়তা আদিবোৰ হৈছে কিছুমান চৰ্ত।



৩.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পৰিকল্পনা বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ অনুষ্ঠানিক পৰিকল্পনা বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ অনুষ্ঠানিক পৰিকল্পনাৰ আঁৰৰ মূল উদ্দেশ্য কি?

প্ৰশ্ন ৪ ঃ অনুষ্ঠানিক পৰিকল্পনাৰ প্ৰয়োজন কিয়?

প্ৰশ্ন ৫ ঃ পৰিকল্পনা উদ্দেশ্যৰ প্ৰয়োজনীয়তা কি?

খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পৰিকল্পনা নমনীয় হোৱা উচিত- বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ পৰিকল্পনা কৰ্মকেন্দ্ৰিক হোৱা উচিত- বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ অনুষ্ঠানিক পৰিকল্পনাৰ বৈশিষ্ট্য সমূহ কি কি?

প্ৰশ্ন ৪ ঃ অনুষ্ঠানিক পৰিকল্পনাৰ প্ৰয়োজন আৰু গুৰুত্বতাৰ বিষয়ে উল্লেখ কৰক।

গ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ অনুষ্ঠানিক পৰিকল্পনা বুলিলে কি বুজে? এখন শিক্ষানুষ্ঠানৰ বাবে অনুষ্ঠানিক পৰিকল্পনাৰ কিয় প্ৰয়োজন?

প্ৰশ্ন ২ঃ এখন শিক্ষানুষ্ঠানৰ পৰিকল্পনা সফল কৰি তুলিবলৈ আপুনি কেনে পদক্ষেপ হাতত ল'ব?

প্ৰশ্ন ৩ঃ অনুষ্ঠানিক পৰিকল্পনাৰ বৈশিষ্ট্যসমূহ চিনাক্ত কৰক।

প্ৰশ্ন ৪ঃ শিক্ষানুষ্ঠানৰ পৰিকল্পনাৰ বাবে প্ৰয়োজন হোৱা অঞ্চল বা পৰিসৰ চিনাক্তকৰণ কৰক।

****

অধ্যায়-৪ ঃ শ্রেণীকোঠা ব্যৱস্থাপনা (CLASSROOM MANAGEMENT)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ শ্রেণীকোঠা ব্যৱস্থাপনাৰ ধাৰণা
৪.৩.১ বিদ্যালয় ব্যৱস্থাপনা আৰু ইয়াৰ উদ্দেশ্যসমূহ
৪.৩.২ বিদ্যালয়/অনুষ্ঠান ব্যৱস্থাপনাৰ কাম
৪.৪ ব্যৱস্থাপনা বা প্রবন্ধক শিক্ষক
৪.৪.১ শিক্ষকৰ গুণাৱলীসমূহ
৪.৪.২ ব্যৱস্থাপক বা প্রবন্ধক হিচাপে শিক্ষকৰ ভূমিকা
৪.৫ শ্রেণীকোঠা ব্যৱস্থাপনাৰ কৌশলসমূহ
৪.৬ ভাল শ্রেণীকোঠা ব্যৱস্থাপনাৰ পৰামর্শসমূহ
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- শ্রেণীকোঠা ব্যৱস্থাপনাৰ ধাৰণা নির্ণয় কৰিব পাৰিব,
- বিদ্যালয়/শিক্ষানুষ্ঠান ব্যৱস্থাপনাৰ কামসমূহ বর্ণনা কৰিবলৈ সমর্থ হ'ব,
- বিদ্যালয় বা শিক্ষানুষ্ঠানৰ ব্যৱস্থাপক বা প্রবন্ধক হিচাপে শিক্ষকৰ ভূমিকা বিশ্লেষণ কৰিব পাৰিব,
- প্রকৃতভাবে শ্রেণীকোঠা ব্যৱস্থাপনাৰ কাৰণে বিভিন্ন কৌশলৰ বিষয়ে আলোচনা কৰিবলৈ সমর্থ হ'ব আৰু
- সুন্দৰভাবে শ্রেণীকোঠা ব্যৱস্থাপনাৰ পৰামর্শৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

৪.২ পৰিচয়

এই অধ্যায়টোৱে আমাক শ্রেণীকোঠা ব্যৱস্থাপনাৰ কিছুমান মূল ধাৰণাৰ লগত পৰিচয় কৰাই দিলে, লগতে ই সামৰি লৈছে ব্যৱস্থাপনাৰ অর্থ আৰু শিক্ষকৰ ধাৰণা, গুণাৱলী আদি। ইয়াৰ উপৰিও অধ্যায়টোৱে সামৰিলোৱা দিশবোৰ হ'ল ব্যৱস্থাপক বা প্রবন্ধক হিচাপে শিক্ষকৰ ভূমিকা, শ্রেণীকোঠা ব্যৱস্থাপনাৰ ধাৰণা আদি আৰু শ্রেণীকোঠা ব্যৱস্থাপনাৰৰ বাবে বিভিন্ন কৌশলসমূহ আৰু ভাল শ্রেণীকোঠা ব্যৱস্থাপনাৰ পৰামর্শসমূহ ।

শিক্ষা হ'ল ব্যক্তিগত পূর্ণপর্য্যায়লৈ বিকশিত কৰোৱাৰ এটা প্রক্রিয়া। ই ব্যক্তিসকলৰ সুপ্ত প্রতিভা সু-পৰিকল্পিতভাৱে বিকশিত কৰি পূর্ণতা প্রদান কৰে। শিক্ষা প্রক্রিয়াটোৱে তিনিটা মূল দিশক সামৰি লয়। সেইকেইটা হ'ল - শিক্ষক, শিক্ষার্থী আৰু পাঠ্যক্রম বা বিষয়বস্তু। এই প্রক্রিয়াটোত শিক্ষকে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি থাকে। শিক্ষকে শিক্ষার্থীসকল আৰু পাঠ্যক্রমৰ মাজত এক সম্বন্ধ গঢ়ি তোলে। শিক্ষাদানৰ ক্ষেত্রত শিক্ষকে এক বৈশিষ্ট্যপূর্ণ ভূমিকা লৈ শিক্ষার্থীসকলক সম্পূর্ণৰূপে বুজি ল'বলগীয়া হয়। এইক্ষেত্রত শিক্ষকসকলৰ পাঠ্যক্রম বা বিষয়বস্তুৰ ওপৰত গভীৰ জ্ঞানৰ প্রয়োজন হয়। শিক্ষকসকলে এটা চামৰ পৰা আন এটা চামলৈ শিক্ষা সম্প্রসাৰণ কৰি থাকে আৰু শিক্ষার্থীসকলক প্রশিক্ষণ দিয়াৰ মাধ্যমেৰে তেওঁলোকৰ কোমলিয়া মনক গণতান্ত্রিক ভাবধাৰাৰ দ্বাৰা উদ্বুদ্ধ কৰি সুনাগৰিক হিচাপে গঢ় লোৱাত অৰিহণা যোগায়। এই অধ্যায়টোৱে আমাক শ্রেণীকোঠাৰ ব্যৱস্থাপক বা প্রবন্ধক হিচাপে শিক্ষকৰ বহুমূলীয়া ভূমিকাৰ লগত চিনাকি কৰি দিছে আৰু ইয়াৰ লগতে বিভিন্ন কৌশল সম্বন্ধে অবগত কৰিছে।

৪.৩ শ্রেণীকোঠাৰ ধাৰণা (CONCEPT OF CLASSROOM MANAGEMENT)

শিক্ষকে শ্রেণী কোঠাৰ ব্যৱস্থাপনাতে নেতৃত্বদানৰ ভূমিকা গ্রহণ কৰি শিক্ষাদান কার্য্যত মনোযোগ দিবলগীয়া হয়। নেতৃত্বদানৰ ভূমিকা লবলৈ যাওঁতে শিক্ষকগৰাকী শ্রেণীকোঠাৰ ব্যৱস্থাপক বা প্রবন্ধক হিচাপে পৰিগণিত হৈ পৰে। বহু সময়ত আমি দক্ষতা সম্পন্ন ভাল শিক্ষক পাওঁ কিন্তু তেওঁলোকৰ বেছিভাগেই দুর্বল শ্রেণীকোঠা ব্যৱস্থাপক বা প্রবন্ধক। শিক্ষাদান কার্য্যৰ নিশ্চিত লক্ষ্যত উপনীত হ'বলৈ হলে শিক্ষক গৰাকীৰ দুয়োটা চৰিত্রই প্রয়োজন হৈ পৰে। এটা সুন্দৰ শ্রেণীকোঠাত দুয়োটা দিশৰে প্রয়োজনীয়তা থাকে কাৰণে নিয়ন্ত্রিত শ্রেণী কোঠাতহে শিক্ষাদানৰ মাত্রাৰ পৰিমাণ উচ্চ মানলৈ ধাবিত হয়। শ্রেণীকোঠাৰ নিয়ন্ত্রণ আৰু নির্দেশনাৰ কাম শিক্ষকৰ হাততহে থাকে। কর্তৃত্বশীলতাৰ মাধ্যমত নেতৃত্বহন কৰি শ্রেণীকোঠাৰ কাম কাজ সুচাৰুৰূপে চলাই নিবলৈ শিক্ষক দায়বদ্ধ আৰু তেতিয়াহে শিকণ শিক্ষণ প্রক্রিয়া বাস্তৱমুখী হৈ পৰিব।

শিক্ষক সকল শিক্ষার্থীৰ বাবে সুবিধা জনক হ'ব লাগিব। সহৃদয়তাৰ ধাৰণাৰে শিক্ষার্থীসকলে ভুগি থকা সমস্যা ৰাজিক ধৈর্য্য সহকাৰে মনযোগ দি সমাধানৰ দিশলৈ নিয়াবলৈ শিক্ষকসকল আগ্রহী হ'ব লাগিব। শিক্ষক হ'ল শ্রেণীকোঠাৰ প্রথম গৰাকী ব্যক্তি আৰু তেওঁৰ মাধ্যমেৰে শিক্ষার্থীসকলে জ্ঞান আৰু দক্ষতা অর্জন কৰে। শিক্ষকে শিক্ষার্থীসকলৰ সর্বাঙ্গীণ কল্যানসাধনৰ বাবে প্রকৃত মনযোগ প্রদর্শন কৰা উচিত।

'শ্রেণীকোঠা ব্যৱস্থাপনা' বুলি ক'বলৈ হ'লে আমি কব পাৰো যে শ্রেণীকক্ষত থকা সকলোধৰণৰ উপলব্ধ হোৱা সম্পদসমূহ ,যেনে - মানব সম্পদ হিচাপে শিক্ষার্থীসকল, বস্তুগত সম্পদ হিচাপে কৃষ্ণফলি, আচবাব সমূহ, শিক্ষণ আহিলা আৰু সাজ-সৰঞ্জাম সমূহ আৰু সময় তালিকাৰ ব্যৱস্থাপনা ইত্যাদি। মানবসম্পদ ব্যৱস্থাপনাৰ তলত কেইটিমান গুৰুত্বপূর্ণ দিশত সামৰি লব পৰা যায়, যেনে - শিক্ষক আৰু শিক্ষার্থীৰ মাজৰ আন্তঃব্যক্তিগত সম্বন্ধৰ বিকাশ যিটোৰ বাবে দুয়োটা পক্ষৰ ভূমিকা গুৰুত্বপূর্ণ হয়, শ্রেণীকোঠাৰ অনুশাসন ব্যৱস্থা, শিক্ষকৰ দ্বাৰা নির্দেশনাত্মক পদ্ধতি, নিয়মীয়া পৰীক্ষা তথা অভিক্ষা সম্পাদন আৰু শিক্ষার্থীসকলৰ নিজ স্বভাবে কৰা সুন্দৰ মূল্যায়ন ইত্যাদি। শ্রেণীকোঠাৰ শৈক্ষিক পৰিবেশ উন্নত অবস্থালৈ নিবলৈ হ'লে শিক্ষক শিক্ষার্থীৰ মাজত পৰস্পৰ সহযোগিতাই গুৰুত্বপূর্ণ উপদান হিচাপে কাম কৰে।

শিক্ষানুষ্ঠানৰ সময় ব্যৱস্থাপনাই এটি অতি জটিল ভূমিকা গ্রহণ কৰা দেখা যায়। বিশেষকৈ প্রত্যেকটো নির্দেশাত্মক কার্য্যসূচীৰ সময় নির্ধাৰণৰ লগতে জটিলতাহীন আৰু সমস্যামুক্ত এটা শিক্ষাদান প্রক্রিয়াৰ পৰা আনটো শিক্ষাদান প্রক্রিয়া আগুৰাই নিয়াৰ ক্ষেত্রত ব্যৱস্থাপনাৰ ভূমিকা মন কৰিবলগীয়া ধৰণৰ। কঠিনতাৰ আধাৰৰ প্রতি লক্ষ্য ৰাখি শিক্ষকে এটা নির্দেশনা গোটৰ বাবে সময় নির্ধাৰণ কৰে। শিক্ষকে শিক্ষার্থীসকলৰ বৌদ্ধিক পর্য্যায়লৈ মনযোগ দিহে শৈক্ষিক কার্য্যসূচীৰ বাবে সময় নির্ধাৰণ কৰিব লাগে।

শিক্ষানুষ্ঠানৰ বৈষয়িক সম্পদসমূহৰ ব্যৱস্থাপনাও আন দুবিধৰ দৰে গুৰুত্বপূর্ণ উ পাদান । শিক্ষকে সকলোবোৰ শিক্ষার্থীয়ে যাতে সুফল পাবলৈ সক্ষম হয় তালৈ লক্ষ্য ৰাখি বৈষয়িক সম্পদসমূহৰ ব্যৱস্থাপনা কৰি নেতৃত্বদানৰ ভূমিকা লোৱা উচিত। সকলো শিক্ষার্থীয়ে যাতে সুন্দৰভাবে দেখিবলৈ সক্ষম হয় তেনে স্থানত কৃষ্ণফলি বা এল চি ডি পর্দা, উপৰমুখীয়া প্রতিফলন যন্ত্র আদি স্থাপন কৰা উচিত।

৪.৩.১ বিদ্যালয় ব্যবস্থাপনা আৰু ইয়াৰ উদ্দেশ্যসমূহ (School Management and its Objectives)

বিদ্যালয় হ'ল আনুষ্ঠানিক শিক্ষাৰ কেন্দ্র বা অনুষ্ঠান। বিদ্যালয়ৰ কর্ত্তব্য হ'ল শিকাৰুসকলক সাধাৰণ পদ্ধতিৰে শিক্ষাদান দিয়া আৰু তেওঁলোকৰ মনত সামাজিক

আৰু নৈতিক মূল্যবোধৰ আভাস দিয়া। ইয়াৰ কাৰনে বিদ্যালয় এখনৰ ব্যবস্থাপনা প্রক্রিয়া সুন্দৰ আৰু ফলদায়ক হ'ব লাগে যাতে শিক্ষাৰ মূল লক্ষ্যৰ উপলব্ধি কৰিব পৰা যায়। ব্যবস্থাপনা প্রক্রিয়াৰ এইটো এটা গুৰুত্বপূর্ণ দিশ যাতে বিদ্যালয়ত নামভর্ত্তি কৰা সকলোবোৰ শিক্ষার্থীয়ে বিদ্যালয় কর্মসূচী আৰু কাম সমূহৰ পৰা লাভান্বিত হয় তাৰ প্রতি সর্ব্বদা চকুৰখা। বিদ্যালয় ব্যবস্থাপনাৰ মাধ্যমত বৈযয়িক আৰু উপলব্ধ হোৱা মানবীয় সম্পদসমূহৰ ব্যবহাৰ ফলদায়ক ভাবে আঁচনিভূক্ত কৰিব পৰা যায় আৰু সেইবোৰৰ সংগঠনৰ লগতে নিয়ন্ত্রণৰ ব্যবস্থা কৰি বিদ্যালয়খন যাতে স্থাপন কৰিব পাৰি তাৰ প্রতি বিশেষ মনোনিবেশ কৰাটোৱেই হ'ল ব্যৱস্থাপনাৰ প্রধান উদ্দেশ্য।

বিদ্যালয় ব্যবস্থাপনাৰ উদ্দেশ্যসমূহ হ'ল তলত দিয়া ধৰণৰ -

- শিক্ষাৰ বাবে কিছুমান আঁচনি প্রস্তুত কৰিবলৈ শিক্ষার্থীসকলৰ আগ্রহ, আশা, আৰু প্রয়োজনীয়তা প্রতি চকু ৰখা।
- শিক্ষার্থীসকলক মানসিকভাবে, শাৰীৰিকভাবে আৰু সামাজিক ভাবে বিকশিত কৰিব পাৰি যাতে ভৱিষ্যতে তেওঁলোক দেশৰ গুৰুত্বপূর্ণ নাগৰিক হ'ব পাৰে।
- শিক্ষার্থীসকলৰ শিক্ষাৰ ক্ষেত্রত থকা ব্যক্তিগত বৈষম্য চিনাক্ত কৰি সহায় আগবঢ়াবলৈ।
- সুন্দৰ আৰু ফলদায়ক শিক্ষাৰ বাবে উন্নত পর্য্যায়ৰ উপলব্ধ হোৱা মানব আৰু বৈযয়িক সম্পদসমূহৰ ব্যবস্থা কৰিবলৈ।
- শিক্ষকসকলৰ কর্মৰাজিক নিৰিক্ষণৰ মাধ্যমেৰে ব্যৱস্থাপনাই শিক্ষকসকলৰ ব্যক্তিত্ব অনুসৰি কর্ম সম্পাদন কৰাৰ দায়িত্ব দিব পাৰে।
- বিদ্যালয়খন স্থাপিত হোৱাৰ উদ্দেশ্যলৈ লক্ষ্যৰাখি বিদ্যালয়খনৰ গাঁথনি উন্নত পর্য্যায়লৈ নিয়া।
- বিদ্যালয়খনৰ প্রশাসন ব্যবস্থা নিয়ন্ত্রন কৰা আৰু প্রত্যেকগৰাকী শিক্ষার্থীৰে যাতে তথ্যপাতি সমূহ নথিভুক্তকৰণ হয় তালৈ চকু ৰখা।
- বিদ্যালয়ৰ শিক্ষাদান প্রক্রিয়াৰ লগতে আন কর্মৰাজিৰ বাবে সময় তালিকা প্রস্তুত কৰা।

৪.৩.২ বিদ্যালয় বা শিক্ষানুষ্ঠান ব্যবস্থাপনাৰ কাম (Functions of School / Institution Management)

বিদ্যালয়ৰ কামসমূহ বা অনুষ্ঠান ব্যবস্থাপনা বিশেষভাবে প্রতিফলিত হয় ব্যবস্থাপনা বিশেষজ্ঞৰ কর্মৰাজিৰ পৰা। বিদ্যালয় ব্যবস্থাপনাৰ মূল লক্ষ্য হ'ল শিক্ষার্থীসকলক যাতে শিক্ষাদানৰ মাধ্যমত গুণগত মানদণ্ডৰ প্রশিক্ষণ দিব পৰা যায় তাক উপলব্ধি কৰোৱা।

তলত কেইটামান কামৰ বিষয়ে উল্লেখ কৰা হ'ল ঃ

- বিদ্যালয়খনে নিশ্চিত লক্ষ্যত উপনীত হ'ব পৰাৰ বাবে বিকাশৰ কার্য্যসূচীসমূহত সহায় আগবঢ়োৱা। বিদ্যালয় ব্যবস্থাপনাই বহুসংখ্যক পদ্ধতিৰ মাধ্যমেৰে শিক্ষার্থীসকলক প্রশিক্ষণৰ ব্যবস্থা কৰিবলৈ প্রচেষ্টা চলাব আৰু নির্দিষ্ট বা সাধাৰণ ক্ষেত্রততেই হৰ্ত্তক, ই শিক্ষার্থীসকলৰ বাবে প্রয়োজনীয় পৰিবেশ গঢ়ি তুলি উদ্দেশ্য সমূহৰ বিষয়ে উপলব্ধি কৰাব।
- বিদ্যালয় সম্বন্ধৰ কার্য্যসূচীৰ বাবে উদ্দেশ্যসমূহ আৰু নীতিসমূহৰ নিয়মবন্ধন। সকলোবোৰ বিদ্যালয় ৰাষ্ট্রীয়, ৰাজ্যিক আৰু আঞ্চলিক নীতিৰ ওপৰত ভিত্তি কৰি প্রতিষ্ঠিত হ'ব লাগিব। সাধাৰণ ভাবে প্রশমিত নীতি-নিয়মৰ লগতে তেওঁলোকৰ কিছুমান নিজাববীয়া নীতি-নিয়ম থাকিব যিবোৰৰ সহায়ত বিদ্যালয়ে বৌদ্ধিক সুন্দৰতা প্রদর্শন বা আন বহুবোৰ ক্ষেত্রত পাৰদর্শিতা দেখুৰাব পাৰে।
- বিদ্যালয় বা অনুষ্ঠানখনৰ বিকাশৰ কাৰণে বৈষয়িক সম্পদসমূহৰ লগতে মানব সম্পদ সমূহক প্রকৃতভাবে চম্ভাল কৰা। এখন অনুষ্ঠানৰ বিকাশৰ ক্ষেত্রত দুয়োবিধ সম্পদে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ব্যবস্থাপনা কার্য্যসূচীৰ দায়িত্ব হ'ল অনুষ্ঠানখনৰ লাভৰ বাবে বৈষয়িক আৰু মানব সম্পদ সমূহক সুন্দৰভাবে সুসংগঠিত কৰাৰ ব্যবস্থা কৰা।
- ব্যৱস্থাপনামণ্ডলীয়ে নীতি-নিয়মসমূহ নির্দ্ধাৰন কৰাৰ উপৰিও কিছুমান সাংগাঠনিক ধাৰাৰ গাঁথনি তৈয়াৰ কৰা উচিত যিটোৰ দ্বাৰা নীতি-নিয়ম সমূহ সুন্দৰভাবে প্রয়োগ কৰিব পৰা যায়। গণতান্ত্রিক উদ্যমৰ মাধ্যমত এটা সাংগঠনিক গাঁথনিয়ে পাঠ্যক্রম, পৰীক্ষাসমূহ, সময়তালিকা, বিজ্ঞানাগাৰ সম্বন্ধীয় কর্মসমূহ, আন্তঃগাঁথনি ইত্যাদিবোৰৰ প্রয়োগ কার্য্য চলাই নিব পাৰে।

সকলোৰে শেষত নীতি-নিয়মখিনিৰ পৰা বাহিৰ হোৱা ফলশ্রুতিখিনিৰ সুবিধা আৰু অসুবিধাসমূহ প্রণালীগত ভাবে জানিবলৈ শক্তিশালী মূল্যায়নৰ ব্যবস্থা থকা উচিত। এক সুন্দৰ শৈক্ষিক পৰিবেশৰ কাৰণে সমস্যাসমূহৰ প্রাবল্যতা নিম্নমানলৈ নিয়াৰ অর্থে প্রকৃত ভাবে প্রতিকাৰৰ ব্যবস্থাওঁ বাহিৰ কৰা দৰকাৰ।



জানি থোৱা ভাল

- বিদ্যালয় ব্যৱস্থাপনাৰ মাধ্যমত উপলব্ধ হোৱা সম্পদসমূহৰ ব্যৱহাৰ বৈষয়িক আৰু মানবসম্পদসমূহক ফলপ্রসুভাবে পৰিকল্পনা, সংগঠিত আৰু নিয়ন্ত্রিত কৰিব পাৰিলে বিদ্যালয়খন স্থাপন কৰাৰ প্রাথমিক উদ্দেশ্যত উপনীত হ'ব পৰা যাব।
- বিদ্যালয় ব্যৱস্থাপনাৰ মূল লক্ষ্য হ'ল নির্দ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যৰ পর্য্যায়

উপলব্ধি কৰা য'ত বিদ্যালয়খনে শিক্ষার্থীসকলৰ বাবে গুণগত মানদণ্ডৰ প্রশিক্ষণ দিব পাৰে।

- শ্রেণীকোঠা ব্যৱস্থাপনা মানে আমি বুজো শ্রেণী কক্ষত থকা সকলোধৰনৰ উপলব্ধ হোৱা সম্পদসমূহ ,যেনে, - মানবসম্পদ হিচাপে শিক্ষার্থীসকল, বস্তুগত সম্পদ হিচাপে কৃষ্ণফলি, আচবাবসমূহ, শিক্ষণ আহিলাসমূহ আৰু সময় ব্যৱস্থাপনা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শ্রেণীকোঠা ব্যৱস্থাপনা বুলিলে আপুনি কি বুজে ?

.....

.....

প্রশ্ন নং ২ঃ সুন্দৰভাবে শ্রেণীকোঠা ব্যৱস্থাপনাৰ কাৰণে প্রয়োজন হোৱা কিছুমান কৌশলৰ বিষয়ে লিখক।

.....

.....



চিন্তা চর্চা কৰক ৪.১

ওপৰত উল্লেখিত কর্মসূচী শ্রেণীকোঠাৰ সুন্দৰ ব্যৱস্থাপনাৰ পৰামর্শ সমূহৰ বাহিৰে আন কিছুমান পৰামর্শ আগবঢ়াব পাৰিব নেকি?

.....

.....

৪.৪ ব্যৱস্থাপক বা প্রৱন্ধক হিচাপে শিক্ষক (TEACHER AS A MANAGER)

এটা শৈক্ষিক প্রক্রিয়াত শিক্ষকে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। বিশেষকৈ শিক্ষার্থীসকলৰ ব্যক্তিত্ব পূর্ণভাবে বিকশিত কৰাৰ লগতে আচৰন সমূহক সুন্দৰ ৰূপ দিয়াত শিক্ষকৰ ভূমিকা হ'ল তাৎপর্য্যপূর্ণ। শিক্ষক মানে হ'ল এগৰাকী ব্যক্তি যিয়ে শিক্ষাদান কার্য্যত ব্রতী হৈ থাকে বা যিয়ে শিক্ষাদানৰ দ্বাৰা শিক্ষার্থী সকলক সদায় জ্ঞানদান দিয়ে। "Teach" শব্দটোৰ অর্থ হ'ল শিকোৱা

আৰু শব্দটো অনা হৈছে এংলোচেক্সোন (Anglo Saxon) শব্দ "Taecon" ৰ পৰা যিটোৰ অর্থ হ'ল নির্দেশনা দিয়া, প্রশিক্ষন দিয়া আৰু তাৰ প্রতি সজাগতা জন্মোৱা। আন অর্থত ক'বলৈ হ'লে শিক্ষক হ'ল এক অফুৰন্ত জ্ঞানৰ ভড়াল আৰু জ্ঞানসমৃদ্ধ হৈ এটা চামৰ পৰা আন এটা চামলৈ জ্ঞান সম্প্রসাৰণ কৰি থকা ব্যক্তি।

শিক্ষা হ'ল এটা প্রক্রিয়া যাৰ লক্ষ্য হ'ল ব্যক্তিসকলৰ সম্পূর্ণ ব্যক্তিত্বৰ বিকাশ সাধন কৰা। শিক্ষা প্রক্রিয়াটোৰ দ্বাৰা ব্যক্তিসকলে দেশ বা ৰাষ্ট্রৰ উপযুক্ত নাগৰিক হ'বলৈ সক্ষম হয়। নাগৰিক সকলৰ গুণাৱলী সমূহৰ মানদণ্ড উন্নত হয় দেশখনৰ শিক্ষাব্যবস্থাৰ গুণাগুণৰ ওপৰত। শিক্ষাৰ গুণগত মানদণ্ড নির্ভৰ কৰে শিক্ষকৰ গুণাৱলীসমূহৰ ওপৰত। দেশখনৰ সম্পূর্ণ কৃতকার্য্যতা নির্ভৰ কৰে শিক্ষকসকলৰ ওপৰত। সেয়েহে ক'ব পৰা যায় যে দেশ এখনৰ ভাগ্য নির্ণয়ৰ লগতে নিশ্চিত লক্ষ্যত উপনীত কৰোৱাৰ ক্ষেত্রত শিক্ষকসকলে দায়িত্ব বহন কৰিবলগীয়া হয়।

বিভিন্ন শিক্ষাবিদে বিভিন্ন সময়ত 'শিক্ষকৰ' ধাৰণা সম্বন্ধে বিভিন্ন ধৰণে মতামত পোষণ কৰা দেখা যায়। কেইটামান মতামত এইখিনিতে উল্লেখ কৰিলো -

স্বামী বিবেকানন্দৰ মতে 'শিক্ষক সকলৰ ব্যক্তিগত জীৱন অবিহনে কোনো শিক্ষা সম্ভৱপৰ নহয় ' (without the personal life of the teacher, there would be no education)

ভগবান দাসৰ মতে 'শিক্ষা হ'ল সচ আৰু তৃণমূল , সভ্যতা হ'ল ফুল আৰু ফল। যদি কৃষকে চহকৰি ভাল সচ সিছে, সমাজে পূর্ণ পর্য্যায়ৰ গুটি লাভ কৰে আৰু আনন্দিত হয় । যদি সেইটো নকৰি অপনৈত সচ সিছে তেতিয়াহলে খেতিত বেমাৰ আৰু বিষাক্ত ধাৰা প্রবাহিত হৈ মৃত্যু আনিব। আমাৰ কৃষক হ'ল শিক্ষক " (Education is the seed and and root , civilization is the flower and fruit . If the cultivator is discerning and sows good seed, the community will gather wholesome grain and flourish. If not, if he sows unwholesome seed, then poisonous berries and desease and death will be the harvest. Our cultivator is the educator.")

বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ মতে "এটা শৈক্ষিক প্রক্রিয়াৰ কৃতকার্য্যতা বিশেষভাবে নির্ভৰ কৰে শিক্ষকৰ দক্ষতা আৰু চৰিত্রৰ ওপৰত, সেয়েহে বিশ্ববিদ্যালয় সংস্কাৰৰ আঁচনিত প্রধানত বিভিন্ন ধৰণৰ কার্য্যসূচীসমূহ ৰূপায়ন কৰাৰ বাবে অর্হতাসম্পন্ন অপর্য্যাপ্ত কর্মচাৰীৰ প্রয়োজন" (The success of an educational process depends largely on the character and ability of the teacher, that in any plan of a university reform, the main

concern must be for securing and adequate staff with qualifications necessary to discharge multifaceted duties)

ৰাষ্ট্রীয় শিক্ষানীতিৰ মতে "কোনো মানুহ শিক্ষক পর্য্যায়ৰ ওপৰত উঠিব নোৱাৰে" (No people can rise above the level of its teacher.)

আডাভলৰ মতে " এখন সমাজত কেতিয়াওঁ শিক্ষকসকলৰ স্থান আৰু গুৰুত্বতা প্রকল্পিত কৰিব নোৱাৰি। মানুহ হিচাপে তেওঁ অতীতৰ সংস্কৃতি আৰু পৰম্পৰাৰ বিষয়বোৰ মনত সোমোৱাই, ভাঙি দেখুৱাই আৰু প্রতিফলন ঘটোৱাই, নতুন জ্ঞান সৃষ্টি কৰে, অভিনবত্ব বিকশিত কৰে, অতীতক সমালোচনাত্মক ভাবে বিশ্লেষণ কৰে আৰু দেশখনৰ পৰম্পৰা আৰু সংস্কৃতিৰ ধাৰা , অর্থনৈতিক আৰু সামাজিক কৌশল সমূহ , শক্তিশালী কৰি তোলে। তেওঁৰ স্থান হ'ল সুন্দৰ আৰু দ্বিতীয় কোনো নাই।"
(The place and importance of the teachers in a society can never be estimated, As a person he imbibes, interprets and disseminates the relevant items of culture and traditions of the past, creates new knowledge, promotes innovations, critically apprises the past and its traditions and cultures, strengthens social and economic fabrics of the country. His positions is unique and second to none.)

হেনৰী আডামছৰ মতে - 'এজন শিক্ষকে অনন্তকাল প্রভাবান্নিত কৰে, তেওঁৰ প্রভাব ক'ত বন্ধ হৈ যাব তাক ক'বলগীয়া নহয়।' (A teacher affects eternity ; he can never tell where his influence stops.)

ওপৰৰ আলোচনাত উল্লেখ কৰা সংজ্ঞাবোৰৰ পৰা বুজা গ'ল যে এখন শিক্ষানুষ্ঠানৰ প্রাথমিক ছবিটোৱে হ'ল শিক্ষক। শিক্ষাত কৰা সম্পূর্ণ প্রচেষ্টা আৰু তাৰ পৰবর্ত্তী সময়ত সমাজত প্রতিফলিত হোৱা সম্পূর্ণ প্রভাব শিক্ষকৰ ওপৰতে নির্ভৰ কৰে। শিক্ষক হ'ল শিক্ষাদান আৰু শিক্ষা আহৰণ প্রক্রিয়াৰ প্রয়োজনীয় উপাদান। যিকোনো এটা শিক্ষা পদ্ধতিত শিক্ষকৰ প্রভাব অবিহনে , শিক্ষণ কার্য্য অনুষ্ঠিত হ'ব নোৱাৰে, শিকণ কার্য্য সম্ভৱ হ'ব নোৱাৰে আৰু ফলপ্রসুভাবে শিক্ষার্থী সকলৰ ব্যক্তিত্বৰ বিকাশ সম্ভৱ হৈ উঠিব নোৱাৰে। এশাৰী কথাত ক'ব পাৰি যে শৈক্ষিক প্রক্রিয়াত শিক্ষকে অতি জটিল আৰু গুৰুত্বপূর্ণ স্থান দখল কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ শিক্ষকৰ বিষয়ে দুটা সংজ্ঞা লিখক।

.....

.....

প্রশ্ন নং ৪ঃ শিক্ষক শব্দটো সম্বন্ধে আপুনি কি বুজে ?

.....

.....

৪.৪.১ এজন শিক্ষকৰ গুণাৱলীসমূহ (Qualities of a Teacher)

শিক্ষকৰ গুণাৱলীসমূহ এনে ধৰণৰ হব লাগে যাতে শিক্ষার্থীসকলে তেওঁক জ্ঞানৰ পর্য্যায়ৰ মাধ্যমেৰে উপলব্ধি কৰিব পাৰে। শিক্ষার্থী এগৰাকীয়ে শিকণ শিক্ষণ প্রক্রিয়াৰ মাধ্যমত শিক্ষকৰ দ্বাৰা প্রভাবান্বিত হয় তেওঁৰ প্রভাৱশালী গুণাৱলীৰ সমূহৰ গুৰুত্বতাৰ ওপৰত ভিত্তি কৰে। শিক্ষকে তলত উল্লেখ কৰা গুণাৱলী সমূহৰ অধিকাৰী হোৱাটো প্রয়োজনীয়. ঃ

- শিক্ষকৰ গুণাৱলীৰ বিষয়ে আমি আলোচনা কৰিবলৈ যাওঁতে শিক্ষকৰ শাৰীৰিক অবয়বৰ কথাৰ ওপৰত গুৰুত্ব প্রদান কৰিবলগীয়া হয়। শিক্ষকৰ শাৰীৰিক অবস্থাৰ লগতে ব্যক্তিত্ব , মাত কথা, চাক্ষিক দৃষ্টিভংগী আদিৰ দৰে দিশবোৰে যাতে শিক্ষার্থীক আকর্ষিত কৰিব পাৰে তালৈ লক্ষ্য ৰখা উচিত। শিক্ষকৰ কথোপকথনৰ প্রক্রিয়াটো শুৱলা আৰু আনন্দদায়ক হোৱা দৰকাৰ।
- বৌদ্ধিক দিশত শিক্ষক গৰাকী শক্তিশালী হোৱা দৰকাৰ। নতুন জ্ঞানৰ দ্বাৰা সমৃদ্ধ হলেহে শিক্ষকে শিক্ষার্থীৰ জ্ঞান বুদ্ধি হোৱাত অৰিহণা যোগাব পাৰিব। বৌদ্ধিক দিশত শক্তিশালী হৈ শিক্ষাদানৰ দক্ষতা অর্জন কৰিব পাৰিলেহে শিক্ষার্থীসকল অধিকভাবে লাভবান্বিত হ'ব।
- শিক্ষক সকলে শিক্ষানুষ্ঠানৰ সাধাৰণ অনুশাসন বা বিদ্যায়তনিক দিশৰ উদ্ভৱ হোৱা যিকোনো পৰিস্থিত চম্ভালিব পাৰিব লাগিব। শিক্ষকসকলে শিক্ষার্থীসকলৰ মনত উদ্ভৱ হোৱা সকলোধৰণৰ মনোবৈজ্ঞানিক প্রভাব বুজি পাবলৈ চেষ্টা কৰিব লাগিব আৰু সেইবোৰৰ ফলশ্রুতি সুন্দৰ কৰি তোলাত যত্নপৰ হ'ব লাগিব।

শিক্ষার্থীসকলে সন্মুখীন হোৱা সকলোধৰণৰ সমস্যাৰ সমাধান অনাৰ ক্ষেত্রত শিক্ষক সকলে মনযোগ দিব লাগিব।

- শিক্ষকসকল আবেগিক ভাবে শক্তিশালী হোৱা দৰকাৰ। শক্তিশালী আবেগিক অৱস্থাই মানব স্পর্শৰ মাধ্যমত সমস্যাযুক্ত পৰিস্থিতি সমূহ ন্যায় সংগত কৰি তুলিব পাৰে।
- ৰাজনীতি, ক্ষমতা আৰু সমস্যাৰ ক্ষেত্রত শিক্ষক গৰাকীৰ সুন্দৰ আৰু দৃঢ় দৃষ্টিভংগীৰ প্রয়োজনীয়। শিক্ষক গৰাকীৰ প্রকৃত সুন্দৰ হ'লেহে শিক্ষার্থীৰ গ্রহণযোগ্য হৈ পৰে। শিক্ষার্থী সকলক প্রকৃত পথৰ সন্ধান দিব পৰা শিক্ষক গৰাকীহে শিক্ষার্থীৰ আদর্শৰ প্রতীক হৈ পৰা দেখা যায় কাৰণ ই শিক্ষার্থীসকলক সুনাগৰিক হোৱাত অৰিহণা যোগায়।
- সৰলতা আৰু ৰসালতা হ'ল শিক্ষকৰ দুটা গুৰুত্বপূর্ণ গুণ। এই দুটা দিশে অকল শিক্ষার্থীসকলকে আকর্ষিত নকৰে ইয়ৰ দ্বাৰা প্রশাসন আৰু সাধাৰণ জনগনো আকর্ষিত হয়।
- শিক্ষার্থীসকলক বন্ধুত্বভাবাপন্ন ধাৰণাৰে শিক্ষাদানত ব্রতী হোৱাৰ উপৰিও শ্রেণী কোঠাটোত সুন্দৰ পৰিবেশ গঢ়ি তোলাৰ বাবে শিক্ষক গৰাকীয়ে অনুশাসনৰ দিশটো আগভাগ লব লাগিব।
- শিক্ষক গৰাকী কোনো শিক্ষার্থীৰ ক্ষেত্রত পক্ষপাতী হ'ব নালাগে। ইয়াৰ বিপৰীতে সকলো শিক্ষার্থীৰ ক্ষেত্রত মৰমীয়াল হ'ব লাগে আৰু সকলোৰে প্রতি যত্নপৰ হোৱা দৰকাৰ। শিকণ শিক্ষণ পৰিস্থিতিৰ ক্ষেত্রত শিক্ষক গৰাকী 'আর্হি ভূমিকা' হ'বলৈ যত্নপৰ হ'লেহে শিক্ষাদান আৰু আহৰণ প্রক্রিয়া বাস্তবমুখী হৈ পৰিব।

৪.৪.২ ব্যবস্থাপক বা প্রবন্ধক হিচাপে শিক্ষকৰ ভূমিকা (Role of Teacher as a Manager)

সময়ৰ পৰিবর্ত্তনৰ ফলত শিক্ষকৰ পৰম্পৰাগত শিক্ষাদান তথা জ্ঞান দান ধাৰণাৰ পৰিবর্ত্তন ঘটিছে। বর্ত্তমান সমাজৰ শিক্ষাৰ পৰিবেশত শিক্ষকৰ ভূমিকা জটিল আৰু তাৎপর্য্যপূর্ণ হৈ পৰিছে। আধুনিক ধাৰণামতে শিক্ষকৰ ভূমিকা হ'ল বিশ্বায়নৰ দ্বাৰা প্রভাবিত বহু সাংস্কৃতিক দিশত আগবঢ়া সমাজত খাপ খাব পৰাকৈ শিশু সকলক শিক্ষিত কৰি সমাজিকৰণ কৰি তোলে। বর্ত্তমান সময়ত শিক্ষকতা অকল ঘটনা প্রবাহৰ তথ্য সমৃদ্ধ পাঠ্যক্রমৰ বিনিময়তে সীমাবদ্ধ হৈ থকা নাই। শিক্ষকসকলে পৰম্পৰাগতভাবে লোৱা ভূমিকাৰ লগতে নতুন প্রত্যাহ্বানাত্মক ভূমিকালৈ শিক্ষার্থীসকলৰ মনত সামাজিকৰণৰ ধাৰণা উদয় কৰাব লাগিব। ইয়াৰ উপৰিও মূল্যায়ন প্রক্রিয়াৰ দৰে কার্য্য সংগঠিত কৰি

বহুবোৰ ব্যৱস্থাপনা মূলক কার্য্যসূচী শিক্ষকে ৰূপায়ন কৰে। শিক্ষকে শিকণ শিক্ষণ পৰিস্থিতিত উপলব্ধ হোৱা সম্পদসমূহৰ পৰিকল্পনা, সংগঠন, নেতৃত্বদান আৰু নিয়ন্ত্রণ কৰে। প্রবক্তা হিচাপে প্রতিপন্ন হোৱাৰ পৰিবর্ত্তে শিক্ষকে শিকণ শিক্ষণ পৰিস্থিতিত সাম্প্রতিক বিশ্বৰ ব্যৱস্থাপক হিচাপে পৰিগণিত হব লাগে।

যিগৰাকী ব্যক্তিয়ে মানুহ, কার্য্যসূচীসমূহ ,আহিলাপাতি আৰু সময় আদিক চম্ভালে তাকে ব্যৱস্থাপক বোলে। শিক্ষক হ'ল এগৰাকী ব্যৱস্থাপক, কাৰণ তেওঁলোকে শিক্ষার্থী, শিকণ শিক্ষণ পৰিস্থিতি, শ্রেণীকোঠা আদিৰ ব্যৱস্থাপনা কৰে। ব্যৱস্থাপক হিচাপে শিক্ষকে পৰিকল্পনা আৰু কার্য্যক্রমবোৰ সংগঠিত কৰে, উপলব্ধ হোৱা সম্পদ সমূহ বা আচবাব সমূহ নিয়ন্ত্রণ কৰাৰ লগতে মানব সম্পদ সমূহ নিয়ন্ত্রণ কৰে। তদুপৰি, তেওঁৰ সময় ব্যৱস্থাপনাৰো পূর্ণ জ্ঞান থাকিব লাগিব।

ব্যৱস্থাপক হিচাপে এগৰাকী শিক্ষকৰ ভূমিকা হ'ল তলত দিয়া ধৰণৰ ঃ

- শিক্ষার্থীসকলক শ্রেণীকোঠাত অধ্যয়নৰ বাবে অভিৰোচিত কৰিবলৈ যোগাত্মক পৰিবেশ সৃষ্টি কৰে। যেতিয়া তেওঁলোক অধ্যয়নত ব্যস্ত হৈ থাকিব তেতিয়া শ্রেণীকোঠাত অনুশাসনৰ সমস্যা কমি যাব।
- শিক্ষার্থীসকলৰ বয়স আৰু বুদ্ধাংক সম্বন্ধীয় মূল প্রয়োজন সমূহ পুৰণ কৰাৰ ব্যবস্থা কৰা। ইয়াৰ লগতে শিক্ষকে শ্রেণী-কোঠাত যাতে শিক্ষার্থী সকলে শাৰীৰিক, বৌদ্ধিক, আবেগিক, মানসিক, সামাজিক আৰু আর্থিকভাবে সহজ অনুভব কৰিব পাৰে তেনে পৰিবেশৰ সৃষ্টি কৰা।
- শ্রেণীকোঠা ফলদায়ক ভাবে ব্যবস্থাপনা কৰিবলৈ শিক্ষকজনে সদায় শিক্ষার্থীসকলক গ্রহনযোগ্য পর্য্যায়ত নিয়ন্ত্রন কৰা উচিত। অধিক কথোৰতা বা দায়িত্বহীনতাই শ্রেণীকোঠাত অশুভ অবস্থাৰ সৃষ্টি কৰাৰ সম্ভাবনীয়তা থাকে আৰু শিকণ-শিক্ষণ প্রক্রিয়া বাধাগ্রস্থ হৈ পৰিব পাৰে।
- শ্রেণীকোঠাৰ সুন্দৰভাবে ব্যৱস্থাপনা কৰিবপৈ হলে শিক্ষকে অধিকভাবে প্রয়োজন হোৱা দায়িত্ব শিক্ষার্থীসকলক দিয়া দৰকাৰ তেতিয়াহে তেওঁলোক স্বাধীন চেতিয়া শিকাৰু হ'ব পাৰিব।
- শিক্ষকে শিকাৰু সকলৰ পর্য্যায়লৈ লক্ষ্য ৰাখিহে নির্দেশনা দিব লাগে, ইয়াৰ ব্যতিক্রম হলে শ্রেণীকোঠাৰ পৰিস্থিতিত উৎসাহহীনতা আহিব পাৰে।
- সুন্দৰ ব্যৱস্থাপনাৰ কৌশলৰ কাৰণে শিক্ষকে শিক্ষার্থীসকলৰ ক্ষেত্রত বন্ধুত্বপূর্ণ আচৰণ প্রদর্শন কৰিব লাগিব। তেনে কৰিলেহে শিকাৰু সকল ওচৰলৈ আহিব, অনুভূতিৰ ভাগ লব পাৰিব আৰু শিক্ষকৰ লগত মুক্তভাবে ভাবৰ বিনিময় কৰিব পাৰিব।

- শিক্ষকে শিকাৰু সকলৰ লগত নয়াৰ্থক বা বিয়োগাত্মক ধাৰণাৰ উদয় কৰিব নালাগে। বিয়োগাত্মক বিশেষণৰ ফলত পতিক্রিয়ামূলক পৰিস্থিতিৰ সৃষ্টি হব পাৰে আৰু শ্রেণীকোঠাৰ সামগ্রিক পৰিস্থিতি অশুভ হৈ পৰিব পাৰে।
- শিক্ষকে শ্রেণীকোঠাৰ পৰিস্থিতি ব্যবসায়ৰ দৰে কৰা উচিত যাতে শিক্ষার্থীসকলে শিক্ষণ কার্য্যসূচীৰ গুৰুত্বতা উপলব্ধি কৰি তেওঁলোকৰ সন্মুখত থকা বিদ্যায়তনিক কৃতকার্য্যতাৰ সাধাৰণ উদ্দেশ্যত উপনীত হ'ব পাৰে।
- শ্রেণীকোঠাৰ বিভিন্ন পৰিস্থিতিৰ বাবে শিক্ষকে কিছুমান সাধাৰণ নীতি নিয়ম প্রস্তুত কৰিব লগীয়া হয় আৰু সেইবোৰ শ্রেণীকোঠাৰ ভিতৰত প্রচাৰ কৰি দিব লাগে।
- শিক্ষকে শিক্ষার্থীসকলৰ লগত সংস্পর্শলৈ আহোতে আচৰণ বন্ধুত্বপূর্ণ কৰিব লাগে, ইয়াৰ বিপৰীত হলে শত্রুভাবাপন্ন হোৱাৰ সম্ভাৱনা থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ এগৰাকী শিক্ষকৰ দুটা গুণৰ বিষয়ে লিখক।

.....

.....

প্রশ্ন নং ৬ঃ ব্যৱস্থাপক হিচাপে শিক্ষকৰ দুটা ভূমিকাৰ বিষয়ে লিখক।

.....

.....



চিন্তা চর্চা কৰক ৪.২

শিক্ষকে তেওঁৰ শ্রেণীকোঠাটো সুন্দৰ ভাবে ব্যৱস্থাপনা কৰিবলৈ লব লগীয়া ভূমিকাবোৰৰ বিষয়ে ব্যাখ্যা কৰক।

.....

.....

.....

৪.৫ শ্রেণীকোঠা ব্যৱস্থাপনাৰ কৌশলসমূহ (STRATEGIES FOR CLASSROOM MANAGEMENT)

আমি ইতিমধ্যে শ্রেণীকোঠাৰ ধাৰণাসম্বন্ধে আলোচনা কৰিলো। শিক্ষকে শ্রেণীকোঠা ব্যৱস্থাপনাৰ মূল হোতা হিচাপে বহুবোৰ কাম সম্পাদন কৰিবলগীয়া হয়। শিক্ষকজনৰ ওপৰত শ্রেণীকোঠা ব্যৱস্থাপনাৰ সকলোবোৰ কর্ম যেনে - পৰিকল্পনা, সাংগাঠনিক, নিয়ন্ত্রন নির্দেশনাত্মক, সমন্বয়মূলক আৰু যোগা-যোগ সম্বন্ধীয় শ্রেণীকোঠাৰ কর্মৰাজি সমূহ জাপি দিয়া হয়। শ্রেণীকোঠাৰ পৰিস্থিতি সর্ব্বাঙ্গসুন্দৰ কৰি তুলিবলৈ শিক্ষকে বিভিন্ন ধৰণৰ কৌশল অবলম্বন কৰিবলগীয়া হয়। কিছুমান কৌশলৰ বিষয়ে তলত বর্ণনা কৰা হ'ল ঃ-

কর্মৰ তালিকাৰ পৰিকল্পনা ঃ শিক্ষকে শ্রেণীকোঠাত উপস্থাপন কৰিবলৈ বিচৰা কার্য্যসূচীখিনিৰ পৰিকল্পনা কৰি লোৱা উচিত। শিক্ষণ শিকণ প্রক্রিয়াটোক অতি সহজ আৰু গ্রহণযোগ্য কৰি তুলিবলৈ এখন পদ্ধতিগত আঁচনিয়ে দুয়োপক্ষকে সহায় কৰে। শ্রেণীকোঠাৰ কার্য্যসূচীখিনি পৰিকল্পিত নহ'লে শিকাৰু সকল পাঠ আহৰণত মনযোগী তথা আগ্রহী হৈ নপৰে।

শিক্ষকৰ আচৰণ ঃ শিক্ষার্থীসকলৰ চালচলন আৰু ধ্যানধাৰণাত শিক্ষকৰ আচৰণৰ প্রভাব বাৰুকৈয়ে প্রতিফলিত হয়। আনন্দময়হীন শিক্ষক এগৰাকীৰ আগমনে শিক্ষার্থীসকলৰ মনত দুখময় অবস্থাৰ সৃষ্টি কৰে। তেনে ধৰণৰ শিক্ষকে শিক্ষার্থীসকলক অভিৰোচিত কৰিব নোৱাৰে। কিন্তু হাঁহিমুখীয়া উত্তাল মুখৰ দয়ালু শিক্ষক সকলেহে শিক্ষার্থী সকলক উৎসাহিত কৰি তুলিব পাৰে আৰু শ্রেণী কোঠাত সুন্দৰ তথা উপযুক্ত পৰিবেশ সৃষ্টি হোৱাত নেতৃত্ব দিব পাৰে।

শক্তিৰ বিকাশ আৰু শ্রেণীকোঠাৰ আচৰণ ঃ শিক্ষকে শ্রেণীকোঠাৰ কর্মৰাজি বা সদাচাৰ সুন্দৰভাবে গঢ়ি তুলিব পাৰে যিটো অধিকভাবে শিক্ষার্থীসকলৰ ওপৰত নির্ভৰশীল। যদি শিক্ষকে শ্রেণীকোঠাৰ ভিতৰত নৈতিকতাৰ ধাৰণা বিষয়ে বর্ণনা কৰে তেতিয়া হ'লে শিক্ষার্থীসকলৰ কাৰণে সহজেই অনুমেয় হয়, কাৰণ অনুকৰণপ্রিয়তা শিক্ষার্থীসকলৰ এক মূল বৈশিষ্ট্য। সেয়েহে, শিক্ষকে শ্রেণী কোঠাৰ পৰিস্থিতি ভাল আৰু সুন্দৰ কৰি তোলাত নেতৃত্ব প্রদান কৰিব লাগে।

শ্রেণীকোঠাৰ অনুশাসনত শিক্ষকৰ ভূমিকা ঃ শিক্ষকে সদায় শিক্ষার্থী সকলক অনুশাসনৰ পথৰ সুগমতা আনি দিব লাগিব। শ্রেণী কোঠা নিয়ন্ত্রনত তেওঁ কেতিয়াওঁ অতি কঠোৰ আৰু অতি দুর্বল হব নালাগিব। শিক্ষকে যদি কেতিয়াবা কোনো সমস্যা মূলক পৰিস্থিতিৰ সন্মুখীন হয় তেতিয়া প্রথমতে তেওঁ সমস্যাবোৰ বুজি লোৱাৰ চেষ্টা কৰিব লাগিব আৰু তাক এৰাধৰাৰ মাজেৰে সমাধান কৰিব লাগিব।

আন্তঃ ব্যক্তিগত উদ্ভাবন ঃ শিক্ষকে শিক্ষার্থীসকলক সাৱধানতাৰে চলাব লাগিব আৰু কথোৰ আচৰণৰ পৰিবর্তে সভ্য আচৰণ প্রদর্শন কৰিব লাগিব। শিক্ষার্থীসকলৰ মাজত আন্তঃ ব্যক্তিগত সম্বন্ধৰ বিকাশ সাধন কৰিবলৈ হ'লে দলীয় সুসংগঠিত কার্য্যসূচী ৰূপায়ন কৰাৰ ব্যৱস্থা কৰিব লাগিব আৰু কোনো শিক্ষার্থীৰ প্রতি পক্ষপাতমূলক দৃষ্টিভংগী প্রদর্শন কৰিব নোৱাৰিব। শিক্ষার্থী সকলৰ মাজত বন্ধুত্বৰ ধাৰণা উদয় কৰি অস্বাস্থ্যকৰ আৰু শত্রু ভাবাপন্ন মানসিকতা যাতে সৃষ্টি নহয় তালৈ লক্ষ্য কৰিব লাগিব।

শ্রেণীৰ নেতা নির্বাচন ঃ শিক্ষকে শ্রেণীকোঠাৰ নেতা বা মূল শিক্ষার্থী নির্বাচন কৰোতে অতি সাবধানতা অবলম্বন কৰা দৰকাৰ। নেতা গৰাকী যাতে বন্ধুভাবাপন্ন হয় সেই বিষয়ে লক্ষ্য ৰাখিব লাগিব। নেতাগৰাকী নির্বাচন কৰোতে পক্ষপাতমূলক ভাবধাৰা ললে অশুভ পৰিস্থিতিৰ সৃষ্টি হব পাৰে। যিমানখিনি পাৰি গণতান্ত্রিক ধাৰণাৰ মাধ্যমত শিক্ষার্থী গৰাকী নির্বাচন কৰি সহযোগিতা মূলক দৃষ্টিভংগী প্রদর্শন কৰিব লাগে।

৪.৬ সুন্দৰ শ্রেণীকোঠা ব্যৱস্থাপনাৰ কাৰণে পৰামর্শসমূহ (SUGGESTIONS FOR BETTER CLASSROOM MANAGEMENT)

সুন্দৰ শ্রেণীকোঠা ব্যৱস্থাপনাৰ বাবে কিছুমান পৰামর্শ তলত উল্লেখ কৰা হ'ল -

- শ্রেণীকোঠাত শিক্ষার্থীসকলৰ কর্মৰ হাৰ বৃদ্ধি কৰিবলৈ বিদ্যায়তনিক গাঁথনিত পাঠ্যক্রমৰ পৰা নিম্নহাৰৰ বিচ্যুতিকৰণৰ প্রয়োজন।
- শিক্ষকজন অধিকভাবে কর্ম তৎপৰ হব লাগিব আৰু অধিক পাবলৈ তেওঁৰ শিক্ষণ কৌশল আৰু আদব কায়দাবোৰ ভিন্ন ধৰণৰ হ'ব লাগিব।
- শ্রেণীকোঠাত বিভিন্ন ধৰণৰ শিক্ষণ কৌশল সমূহ ব্যৱহাৰ কৰি শিক্ষকে শিক্ষার্থীৰ মাজত উচ্চ পর্য্যায়লৈ অভিৰোচন সৃষ্টি কৰিব পাৰে।
- শ্রেণীকোঠাত বহাৰ ব্যৱস্থাপনা এনে ধৰণেৰে সজাই লব লাগিব যাতে শিক্ষার্থীসকলৰ প্রতিজনকে শিক্ষকে দেখা পায় আৰু শিক্ষার্থী সকলেওঁ শিক্ষকৰ উপস্থাপন প্রক্রিয়া যাতে সহজে দেখিবলৈ পায়।
- সুন্দৰ শ্রেণীকোঠা ব্যৱস্থাপনাত সময় তালিকাৰ কৌশলে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।
- শ্রেণী কোঠাৰ বৈষয়িক সম্পদসমূহ - এনে ধৰণেৰে সজাই লব লাগিব যাতে সেইবোৰে শ্রেণীকোঠাৰ শিকণ শিক্ষণ অৱস্থাক উন্নত পর্য্যায়লৈ লৈ যাব পাৰে।



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা হ'ল ব্যক্তিসকলক বিকশিত কৰা এটি প্রক্রিয়া। এই প্রক্রিয়াৰ মাধ্যমত ব্যক্তিৰ অন্তর্নিহিত বাহিৰ কৰি সম্পূর্ণ প্রতিপালনৰ মাধ্যমত পূর্ণভাবে বিকশিত কৰা হয়। এই প্রক্রিয়াটোৱে তিনিটা দিশক জড়িত কৰি লয় সেইবোৰ হ'ল শিক্ষক , শিক্ষার্থী আৰু পাঠ্যক্রম বা বিষয়বস্তু। এই সম্পূর্ণ প্রক্রিয়াটোত শিক্ষকে গুৰুত্বপূর্ণ স্থান দখল কৰে আৰু শিক্ষার্থী আৰু পাঠ্যক্রমৰ মাজত সোহার্দ্যপূর্ণ সম্বন্ধ গঢ়ি তোলে।
- শিক্ষক শব্দটোৰ অর্থ হ'ল এগৰাকী ব্যক্তি যি গৰাকীৰ কাম হ'ল শিকোৱা বা যিয়ে শিক্ষণৰ দ্বাৰা শিক্ষার্থী সকললৈ জ্ঞান সম্প্রসাৰণ কৰাত ব্যস্ত থাকে। 'Teach' শব্দটোৰ অর্থ হ'ল শিকোৱা আৰু শব্দটো অনা হৈছে এংলো চেক্সান (Anglo Saxon) শব্দ 'taecon' পৰা যিটোৰ অর্থ হ'ল নির্দেশনা দিয়া, প্রশিক্ষণ দিয়া আৰু তাৰ প্রতি সজাগতা জন্মোৱা। আন অর্থত কবলৈ হ'লে শিক্ষক হ'ল যিকোনো বিষয় বা ক্ষেত্রৰ এক অফুৰন্ত জ্ঞানৰ ভড়াল আৰু জ্ঞান সমৃদ্ধ হৈ এটা চামৰ পৰা আন এটা চামলৈ জ্ঞান সম্প্রসাৰণ কৰি থকা ব্যক্তি।
- শিক্ষাৰ ক্ষেত্রত কৰা সকলোবোৰ প্রচেষ্টা আৰু ইয়াৰ পৰা সমাজলৈ আহিব পৰা সকলো ধৰণৰ প্রভাব শিক্ষকৰ ওপৰত নির্ভৰ কৰে। শিক্ষকৰ কেইটামান গুৰুত্বপূর্ণ গুণাৱলী হ'ল শাৰীৰিক অবয়ব , বৌদ্ধিক দক্ষতা, মনোবৈজ্ঞানিক সুস্থতা, আবেগিক গাম্ভীর্যতা আৰু সাধুতা, হাস্যবাদিতা আৰু পক্ষপাতহীনতা।
- আধুনিক ধাৰণামতে শিক্ষকৰ ভূমিকা হ'ল শিক্ষাদান কৰি কেনেকৈনো বহুসংস্কৃতিক আৰু বিশ্বায়ণৰ সমাজত শিক্ষার্থীৰ প্রয়োজনীয়তা আৰু আশা সমূহ পুৰণ কৰি শিক্ষাৰ মাধ্যমেৰে সামাজিকৰণ কৰিব পৰা যায়। বর্ত্তমানৰ শিক্ষকসকলে শিক্ষাদানৰ পৰম্পৰাগত ভূমিকা পালন কৰাৰ লগতে অন্য বহুধৰণৰ ভূমিকা পালন কৰিবলগীয়া হয়। এনে ধৰণৰ ভূমিকাবোৰৰ মাধ্যমেৰে শিক্ষকে শিক্ষার্থীসকলক সামাজিক কর্ত্তব্য আৰু দায়িত্বসমূহৰ বিষয়ে উপলব্ধি কৰাব পাৰে। ইয়াৰ উপৰিও শিক্ষকৰ বিভিন্ন ক্ষেত্রৰ ব্যৱস্থামূলক কাম থাকে। শিক্ষকে শিকণ-শিক্ষণ পৰিস্থিতিৰ বাবে পৰিকল্পনা কৰিব লাগে, সংগঠন কৰিব লাগে, নেতৃত্ব দিব লাগে, উপলব্ধ হোৱা সম্পদ সমূহ নিয়ন্ত্রণ কৰিব লাগে।
- ব্যৱস্থাপক হিচাপে শিক্ষকে শ্রেণী কক্ষত যোগাত্মক পৰিবেশ সৃষ্টি কৰি শিক্ষার্থীসকলে যাতে শ্রেণী কোঠাত সহজ ভাবে কর্মত নিমগ্ন হব পাৰে তেনে ধৰমৰ ভূমিকা পালন কৰিবলগীয়া হয়। শিক্ষকে শিক্ষার্থীৰ বাবে শ্রেণীকক্ষৰ নিয়ন্ত্রণ প্রক্রিয়া গ্রহণযোগ্য পর্য্যায়ৰ কৰি তুলিব লাগে। যাতে তেওঁলোকে প্রয়োজনীয় কামবোৰ সহজে সমাধান কৰিব পাৰে।
- বিদ্যালয় ব্যৱস্থাপনাৰ মাধ্যমত শিক্ষকে উপলব্ধ হোৱা সম্পদসমূহৰ পূর্ণ ব্যৱহাৰ কৰিবলীয়া

হয়, যেনে - বৈষয়িক আৰু মানব সম্পদসমূহৰ ফলপ্রসুভাবে পৰিকল্পনা কৰা, সংগঠন কৰা আৰু নিয়ন্ত্রণ কৰা ইত্যাদি। এইবোৰ সুচাৰুৰূপে সম্পাদনা হ'লেহে বিদ্যালয়খন স্থাপন কৰাৰ প্রাথমিক উদ্দেশ্যত উপনীত হব পৰা যাব।

- শিক্ষকে শ্রেণীকক্ষত গণতান্ত্রিক মূল্যবোধৰ বীজ ৰোপন কৰিব লাগিব। শ্রেণীকোঠাৰ সকলোবোৰ শিক্ষার্থীয়ে যাতে সমর্থিত পদ্ধতিৰে বিকশিত হব পাৰে তাৰ বাবে প্রত্যেকগৰাকী শিক্ষার্থীৰ সমস্যাবোৰ ধৈর্য্য সহকাৰে শুনিব লাগিব।
- শ্রেণীকোঠা ব্যৱস্থাপনাৰ কেইটিমান কৌশল হ'ল - শিক্ষকৰ দ্বাৰা আগতে কর্মৰাজিৰ তালিকাৰ পৰিকল্পনা, সোহার্দপূর্ণ আৰু আবেগিক ভাবে নিয়ন্ত্রিত আচৰণ, শ্রেণীকোঠাৰ অনুশাসন প্রক্রিয়াৰ উন্নতি সাধন, আন্ত ব্যক্তিগত সম্বন্ধ উদ্ভাবন, প্রয়োজনীয় সদাচাৰ আৰু গুণ আহৰণ ইত্যাদি।
- শ্রেণীকোঠাৰ সুন্দৰ ব্যৱস্থাপনাৰ বাবে পৰামর্শসমূহ হ'ল - উচ্চ হাৰত কর্মক জড়িতকৰণ, প্রকৃত বহাৰ ব্যৱস্থাপনাৰ মাধ্যমত যাতে সকলো শিক্ষার্থী শিক্ষাদান আৰু আহৰণ কার্য্যসূচীত অংশ গ্রহণ কৰি উপকৃত হব পাৰে তাৰ ব্যৱস্থাকৰণ, ফলপ্রসু সময় ব্যৱস্থাপনা ইত্যাদি।



৪.৮ অধিক জানিবলৈ

১. Mathur SS. *Teacher and Secondary Education.* Vinod Pustak Mandir Agra — 3 1966

২. Das B.C.. *Teacher Education at a Distance*. Kalyani Pablishes Delhi 2000

৩. Mishra RC. *Classroom Behaviour A PH Publishing Corporation.* New Delhi, 2007.



৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শ্রেণীকোঠা ব্যৱস্থাপনা বুলি আমি জানো শ্রেণীকক্ষৰ উপলব্ধ হোৱা সকলোবোৰ সম্পদৰ ব্যৱস্থাপনা। সেইবোৰ হ'ল মানব সম্পদ হিচাপে শিক্ষার্থী, বৈষয়িক সম্পদ হিচাপে কৃষ্ণফলি, আচবাব, শিক্ষণ আহিলাসমূহ আৰু সময় ব্যবস্থাপনা।

২ নং প্রশ্নৰ উত্তৰ ঃ সুন্দৰ শ্রেণীকোঠা ব্যবস্থাপনাৰ কেইটামান কৌশল হ'ল তলত দিয়া ধৰণৰ -

কর্মৰ তালিকা প্রস্তুতকৰণ ঃ শিক্ষকে শ্রেণীকোঠাত উপস্থাপন কৰিবলৈ বিচৰা

কার্য্যসূচীখিনিৰ পৰিকল্পনা কৰি লোৱা উচিত। শিক্ষণ শিকণ প্রক্রিয়াটোক অতি সহজ আৰু গ্রহণযোগ্য কৰি তুলিবলৈ এখন পদ্ধতিগত আঁচনিয়ে দুয়োপক্ষক সহায় কৰে। শ্রেণীকোঠাৰ কার্য্যসূচীখিনি পৰিকল্পিত নহলে শিকাৰুসকল পাঠ আহৰণত মনযোগী তথা আগ্রহী হৈ নপৰে।

শিক্ষকৰ আচৰণ ঃ শিক্ষার্থীসকলৰ চালচলন আৰু ধ্যান ধাৰনাত শিক্ষকৰ আচৰনৰ প্রভাব বাৰুকৈয়ে প্রতিফলিত হয়। আনন্দময়হীন শিক্ষক এগৰাকীৰ আগমনে শিক্ষার্থীসকলৰ মনত দুখময় অৱস্থাৰ সৃষ্টি কৰে। তেনে ধৰণৰ শিক্ষকে শিক্ষার্থীসকলক অভিৰোচিত কৰিব নোৱাৰে। কিন্তু হাঁহিমুখীয়া উজ্জ্বল মুখৰ দয়ালু শিক্ষকেহে শিক্ষার্থীক উৎসাহী কৰি তুলিব পাৰে আৰু শ্রেণীকোঠাত সুন্দৰ তথা উপযুক্ত পৰিবেশ সৃষ্টি হোৱাত নেতৃত্ব দিব পাৰে।

শক্তিৰ বিকাশ আৰু শ্রেণীকোঠাৰ আচৰণ ঃ শিক্ষকে শ্রেণীকোঠাৰ কর্মৰাজি বা সদাচাৰ সুন্দৰভাবে গঢ়ি তুলিব পাৰে যিটো অধিক ভাবে শিক্ষার্থীসকলৰ ওপৰত নির্ভৰশীল। যদি শিক্ষকে শ্রেণীকোঠাৰ ভিতৰত নৈতিকতাৰ ধাৰণা কর্ষণ কৰে তেতিয়া শিক্ষার্থীসকলে সেইখিনি সহজেই অনুসৰণ কৰিব। সেয়েহে শিক্ষকে শ্রেণীকোঠাৰ পৰিস্থিতি ভাল আৰু সুন্দৰ কৰি তোলাত নেতৃত্ব প্রদান কৰিব লাগে।

৩ নং প্রশ্নৰ উত্তৰ ঃ **স্বামী বিবেকানন্দৰ মতে** - "শিক্ষকসকলৰ ব্যক্তিগত জীৱন অবিহনে কোনো শিক্ষা সম্ভবপৰ নহয়"

ভগবান দাসৰ মতে - "শিক্ষা হ'ল সচ আৰু তৃনমূল, সভ্যতা হ'ল ফুল আৰু ফল। যদি শিক্ষকে সুন্দৰকৈ চাহ কৰি ভাল সচ সিছে, সমাজে পূর্ণপর্য্যায়ৰ গুটি লাভ কৰে আৰু আনন্দিত হয়। যদি সেইটো নকৰি অপৈনত সচ সিছে তেতিয়াহলে খেতিত বেমাৰ আৰু বিষাক্ত ধাৰা প্রবাহিত হৈ মৃত্যু আনিব, আমাৰ কৃষক হ'ল শিক্ষক"।

৪ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষক মানে হ'ল এগৰাকী ব্যক্তি যিয়ে শিক্ষাদান কার্য্যত ব্রতী হৈ থাকে বা যিয়ে শিক্ষাদানৰ দ্বাৰা শিক্ষার্থীসকলক সদায় জ্ঞানদান দি থাকে। Teach শব্দটোৰ অর্থ হ'ল শিকোৱা আৰু শব্দটো অনা হৈছে এংলো-চেক্সান শব্দ Taecon ৰ পৰা যাৰ অর্থ হ'ল নির্দেশনা দিয়া, প্রশিক্ষণ দিয়া আৰু তাৰ প্রতি সজাগতা জন্মোৱা। আন অর্থত ক'বলৈ হ'লে শিক্ষক হ'ল এক অফুৰন্ত জ্ঞানৰ ভড়াল আৰু জ্ঞানসমৃদ্ধ হৈ এটা চামৰ পৰা আন এটা চামলৈ জ্ঞানবোৰ সম্প্রসাৰণ কৰি থকা ব্যক্তি।

৫ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষকৰ দুটা গুণাবলী হ'ল ঃ

- শিক্ষকৰ গুণাবলীৰ বিষয়ে আমি আলোচনা কৰিবলৈ যাওঁতে শিক্ষকৰ শাৰিৰীক অবয়বৰ কথাৰ ওপৰত গুৰুত্ব প্রদান কৰিবলগীয়া হয়। শিক্ষকৰ শাৰিৰীক অবস্থাৰ লগতে ব্যক্তিত্ব, মাতকথা, চাক্ষিক দৃষ্টিভংগী আদিৰ দৰে দিশবোৰ যাতে শিক্ষার্থীসকলক আকর্ষিত কৰিব পাৰি তালৈ লক্ষ্যৰখা উচিত। শিক্ষকৰ কথপোকথনৰ প্রক্রিয়াটো

শুৱলা আৰু আনন্দদায়ক হোৱা দৰকাৰ।

- বৌদ্ধিক দিশত শিক্ষকগৰাকী শক্তিশালী হোৱা উচিত। নতুন জ্ঞানৰ দ্বাৰা সমৃদ্ধ হ'লেহে শিক্ষকে শিক্ষার্থীৰ জ্ঞানবৃদ্ধি হোৱাত অৰিহনা যোগাব পাৰিব। বৌদ্ধিক দিশত শক্তিশালী হৈ শিক্ষাদানৰ দক্ষতা অর্জন কৰিব পাৰিলেহে শিক্ষার্থীসকল অধিকভাবে লাভাৱান্বিত হ'ব।

৬ নং প্রশ্নৰ উত্তৰ ঃ ব্যৱস্থাপক হিচাপে শিক্ষকৰ দুটা ভূমিকা হ'ল -

- শিক্ষার্থীসকলক শ্রেণীকোঠাত অধ্যয়নৰ বাবে অভিৰোচিত কৰিবলৈ যোগাত্মক পৰিবেশ সৃষ্টি কৰা। যেতিয়া তেওঁলোক অধ্যয়নত পূর্ণভাৱে ব্রতী হ'ব তেতিয়া অনুশাসনহীনতাৰ সমস্যা লাহে লাহে শ্রেণীকোঠাত কমি যাব।
- শিক্ষার্থীসকলৰ বয়স আৰু বুদ্ধাংক সম্বন্ধীয় মূল প্রয়োজন সমূহ পুৰণ কৰাৰ ব্যৱস্থা কৰা। ইয়াৰ লগতে শিক্ষকে শ্রেণী কোঠাত যাতে শিক্ষার্থী সকলে শাৰিৰীক, বৌদ্ধিক, আবেগিক, মানসিক, সামাজিক আৰু আর্থিকভাবে সহজ অনুভৱ কৰিব পাৰে তেনে পৰিবেশৰ সৃষ্টি কৰা।



৪.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শ্রেণীকোঠা বুলিলে কি বুজে?
প্রশ্ন ২ ঃ বিদ্যালয়ৰ ব্যৱস্থাপনা বুলিলে কি বুজে?
প্রশ্ন ৩ ঃ শ্রেণীকোঠা ব্যৱস্থাপনা বুলিলে কি বুজে?
প্রশ্ন ৪ ঃ শিক্ষকৰ যিকোনো দুটা গুণৰ বিষয়ে লিখক?
প্রশ্ন ৫ ঃ শিক্ষকৰ বিষয়ে দুটা সংজ্ঞা আগবঢ়াওক।

খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'শিক্ষক' বুলিলে কি বুজে? শ্রেণীকোঠা ব্যৱস্থাপনাৰ ক্ষেত্রত শিক্ষকৰ ভূমিকাৰ বিষয়ে বর্ণনা কৰক।
প্রশ্ন ২ ঃ উৎকৃষ্ট বিদ্যালয়ৰ ব্যৱস্থাপনাৰ বাবে কেনেধৰণৰ কৌশল ল'ব পৰা যায়, বর্ণনা কৰক।
প্রশ্ন ৩ ঃ শিক্ষক হ'ল ব্যৱস্থাপক'- বর্ণনা কৰক।
প্রশ্ন ৪ ঃ আপোনাৰ মতে বিদ্যালয় ব্যৱস্থাপনাত প্রভাৱ পেলাব পৰা কোনবোৰ উপাদান গুৰুত্বপূর্ণ? বর্ণনা কৰক ।

গ) ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শ্রেণীকোঠা ব্যৱস্থাপনা মানে কি ? শ্রেণীকোঠাত সন্মুখীন হোৱা কিছুমান অসুবিধাৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ২ ঃ এগৰাকী উপযুক্ত ব্যৱস্থাপক হিচাপে শিক্ষক এগৰাকীৰ ব্যক্তিত্বত কেনেকুৱা ধৰণৰ উপাদান থকা উচিত ?

প্রশ্ন ৩ ঃ আপোনাৰ বিদ্যালয় ব্যৱস্থাপনাৰ সৈতে আপুনি সন্তুষ্ট নে ? বিদ্যালয় খন সুন্দৰভাবে ব্যৱস্থাপনা কৰাৰ ক্ষেত্রত কি কি কৌশল লব পাৰি পৰামর্শ দিয়ক ।

প্রশ্ন ৪ ঃ বিদ্যালয়ৰ ব্যৱস্থাপক হিচাপে শিক্ষকৰ ভূমিকাৰ বিষয়ে লিখক।

****

অধ্যায়-৫ ঃ শৈক্ষিক নেতৃত্ব (EDUCATIONAL LEADERSHIP)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ শৈক্ষিক নেতৃত্বৰ ধাৰণা

৫.৩.১ শৈক্ষিক নেতৃত্বৰ ভূমিকা আৰু কার্য

৫.৪ শৈক্ষিক নেতৃত্বৰ গুৰুত্ব

৫.৫ শৈক্ষিক নেতৃত্বৰ পৰিমাপন

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতিৰ খতিয়ান

৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- শৈক্ষিক নেতৃত্বৰ ধাৰণা, ইয়াৰ ভূমিকা আৰু কার্যাৱলী ব্যাখ্যা কৰিব পাৰিব।
- শৈক্ষিক নেতৃত্বৰ গুৰুত্ব আলোচনা কৰিব পাৰিব।
- শৈক্ষিক নেতৃত্বৰ বিভিন্ন পদ্ধতিবোৰৰ সৈতে পৰিচিত হ'ব পাৰিব।

৫.২ পৰিচয়

শৈক্ষিক নেতৃত্বৰ দ্বাৰা আমি বুজো যে এখন অনুষ্ঠানত প্রদান কৰা নেতৃত্ব য'ত শৈক্ষিক কার্যাৱলী সংঘটিত হয়। এই সংস্থাসমূহৰ প্রাথমিক লক্ষ্য হৈছে শিক্ষা প্রদান কৰা আৰু শিক্ষার্থীৰ বৃদ্ধি আৰু বিকাশৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰা। প্রত্যেক শৈক্ষিক অনুষ্ঠান কিছুমান বিশেষ লক্ষ্যত উপনীত হ'বলৈ প্রতিষ্ঠা কৰা হয়। শৈক্ষিক অনুষ্ঠানসমূহৰ সাংগাঠনিক দিশটো প্রধানকৈ এনেবোৰ দিশৰ সৈতে জড়িত, যাৰ দ্বাৰা নির্দিষ্ট লক্ষ্যত উপনীত হ'ব পাৰি। এনে অনুষ্ঠানসমূহত নেতৃত্ব প্রদান কার্যটো সিমান সহজ নহয়, কাৰণ

ইয়াত সমগ্র মানৱ আৰু শাৰীৰিক উপাদানবোৰ সহজলভ্যভাৱে সংগঠন কৰি নির্দিষ্ট লক্ষ্যত উপনীত হ'ব লাগে। এই অধ্যানটোত শৈক্ষিক নেতৃত্বৰ ধাৰণা, ইয়াৰ ভূমিকা আৰু কার্যসমূহ, শৈক্ষিক নেতৃত্বৰ গুৰুত্ব আৰু ইয়াৰ পৰিমাপনৰ পদ্ধতিসমূহৰ বিষয়ে ধাৰণা দিয়া হ'ব।

৫.৩ শৈক্ষিক নেতৃত্বদানৰ ধাৰণা

নেতৃত্বদানৰ অর্থ হৈছে এজন ব্যক্তিয়ে বহুতো ব্যক্তিৰ সৈতে সমন্বয় ৰক্ষা কৰি আৰু প্রায়ে সংঘাতত থকা ব্যক্তিসকলক এটা সাধাৰণ উদ্দেশ্যত উপনীত কৰায়। নেতৃত্বত থকা ব্যক্তিয়ে অন্য ব্যক্তিৰ আচৰণ প্রভাৱিত কৰায় আৰু যিকোনো নেতৃত্বদানৰ অতি গুৰুত্বপূর্ণ উপাদান হৈছে নেতৃত্বদানৰ আচৰণ। শৈক্ষিক নেতৃত্বদানৰ অর্থ হৈছে শৈক্ষিক অনুষ্ঠানত নেতৃত্ব প্রদান কৰা। স্কুল হৈছে মূল শিক্ষা অনুষ্ঠান। যদিও প্রত্যেক সমাজত বিভিন্ন ধৰণৰ শিক্ষা সংগঠন নার্চাৰীৰ পৰা উচ্চ পর্যায়লৈ আছে, আমি আমাৰ আলোচনা স্কুল সংগঠনৰ ভিতৰতে সীমাবদ্ধ ৰাখিম।

শৈক্ষিক অনুষ্ঠানসমূহ কিছুমান বিশেষ লক্ষ্য আগত ৰাখি প্রতিষ্ঠা কৰা হয়। এনে অনুষ্ঠানসমূহত প্রধান শিক্ষক বা অধ্যয়গৰাকীয়ে নেতৃত্ব দিয়ে। সি/তাই নাৱৰ অধিনায়ক সদৃশ হয়। প্রধান শিক্ষকগৰাকী স্কুলৰ শিক্ষকৰ দলৰ আৰু স্কুলত কাম কৰা প্রশাসনিক কর্মচাৰীৰ নেতা হয় আৰু পৰিকল্পনা কৰোঁতা, সমন্বয় ৰক্ষা কৰোঁতা আৰু বিভিন্ন কার্যসূচী অনুষ্ঠিত কৰাৰ ক্ষেত্রত মূল চাবিকাঠি। স্কুলৰ আশা কৰা দিশত উপনীত হোৱাত, প্রধান শিক্ষকগৰাকী বিচক্ষণ হ'ব লাগে আৰু স্কুলৰ সকলো সদস্যক প্রভাৱিত কৰাৰ লগতে সমর্থনো পাব লাগে। এইবোৰৰ উপৰিও, স্কুলে কি ধৰণে কার্য কৰিব, কোনবোৰ নীতি হ'ব আৰু কোনবোৰ অনুশীলন কৰা হ'ব ইত্যাদিবোৰ নেতৃত্বৰ ভূমিকাত থকা প্রধান শিক্ষকে নির্ণয় কৰিব। শৈক্ষিক নেতৃত্বদানে পৰিবর্তনকৰণ আৰু নির্দেশনা প্রদানক সামৰি লয়। পৰিবর্তনকৰণ বুলি এইকাৰণে কোৱা হয় যে প্রধান শিক্ষকে পালন কৰা নেতৃত্বই স্কুলৰ সফলতা নির্ণয়ৰ প্রধান আহিলা বিশেষ পাঠ্যক্রম আৰু সহ-পাঠ্যক্রমৰ কার্যসূচীসমূহত শিক্ষার্থীয়ে দেখুওৱা পাৰদর্শিতা। স্কুল প্রশাসনে কৰা পৰিচালনাৰ ভাল কৌশল, বিশেষকৈ প্রধান শিক্ষকে ছাত্র-ছাত্রীক প্রত্যক্ষভাৱে নেতৃত্ব প্রদান কৰি বিদ্যায়তনিক আৰু অবিদ্যায়তনিক দিশৰ উৎকর্ষ সাধনৰ পথ দেখুৱাব পাৰিব।

এনেদৰে শৈক্ষিক নেতৃত্বদানৰ কার্যকৰী ধাৰণা শৈক্ষিক নেতাই ধাৰণ কৰা কৌশলসমূহ আৰু সামর্থবোৰৰ দ্বাৰা জানিব পৰা যায়। শৈক্ষিক নেতৃত্ব হৈছে এক গতিশীল প্রক্রিয়া। শৈক্ষিক নেতাৰ হৈছে দলক শৈক্ষিক লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্রত সমন্বয় আগবঢ়োৱা। নেতাই কর্মৰ সম্পর্ক বিকাশৰ বাবে চেষ্টা কৰিব লাগিব, যিয়ে তেওঁ/তাইক উপযুক্তভাৱে কার্য চলাই নিয়াৰ শক্তি প্রদান কৰিব। নেতাই পৰিকল্পনা কৰি সাধাৰণ লক্ষ্যত উপনীত হ'বলৈ

দলক সাহস আৰু সহযোগ কৰিব লাগিব। শৈক্ষিক নেতৃত্বৰ প্ৰকৃতি সম্পৰ্কে তলত দাঙি ধৰা হ'ল।

- দল এটাত নেতৃত্বই ভূমিকা গ্ৰহণ কৰে, যেনে স্কুল।
- ই কৰ্মৰ সম্পৰ্ক বা দলৰ পাৰস্পৰিক সম্পৰ্কৰ দ্বাৰা প্ৰভাৱিত হয়।
- নেতাগৰাকীয়ে সহযোগিতাৰে কৰি ফল পাবলৈ এটা ধৰণ গঠন কৰি নিৰ্দেশনা দিব লাগে।
- নেতাই সাধাৰণ লক্ষ্যত উপনীত হ'বলৈ উৎসাহ প্ৰদান কৰিব আৰু অনুপ্ৰাণিত কৰিব লাগিব।

৫.৩.১ শৈক্ষিক নেতৃত্বদানৰ কাৰ্য আৰু ভূমিকা

স্কুলৰ পৰিবেশত, প্ৰধান শিক্ষকৰ কাৰ্য আৰু ভূমিকা বহুমাত্ৰিক কাৰণ সি/তাই ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু প্ৰশাসনিক কৰ্মচাৰীসকলৰ সৈতে সম্পৰ্ক ৰাখিব লাগে। প্ৰধান শিক্ষকৰ কাৰ্য আৰু ভূমিকা তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰি—

প্ৰক্ৰিয়াৰ নিৰ্দেশনা প্ৰদান ঃ

স্কুল সংগঠনৰ নেতা হিচাবে, প্ৰধান শিক্ষকৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা হৈছে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কৰ্মচাৰীক পৰামৰ্শ প্ৰদান কৰা। তেওঁ/তাই সমুখত থকা দিশসমূহ দৃশ্যমান হোৱাত সহায় কৰিব লাগে, যিবোৰ তেওঁলোকে পাব লাগে আৰু উৎসাহ তথা অনুপ্ৰাণিত কৰি নিৰ্দিষ্ট পথেৰে আগবঢ়াৰ বাবে পৰামৰ্শ দিব লাগে।

ভাগবতৰাৰ লক্ষ্যক অনুপ্ৰাণিত কৰা ঃ

উপযুক্ত নেতৃত্বই সদায় নেতৃত্বৰ দল গঠন কৰাৰ বাবে চেষ্টা কৰে যিয়ে নৈতিকতা আৰু পাৰদৰ্শিতা দেখুৱাব পাৰে। সাংগাঠনিক লক্ষ্যত কাৰ্যকৰী আৰু দক্ষতাপূৰ্ণ অৱদান আগবঢ়োৱাৰ বাবে শিক্ষকক বিশেষভাৱে অভিৰোচিত কৰিব লাগে। প্ৰধান শিক্ষকে সংগঠন বা অনুষ্ঠানৰ সৈতে জড়িত ব্যক্তিসকলক একত্ৰিত কৰিবলৈ চেষ্টা কৰিব লাগে যাতে শৈক্ষিক উদ্দেশ্যত উপনীত হ'বলৈ তেওঁলোকৰ পৰা পূৰ্ণ সহযোগ পাব পাৰে।

অন্যক কাৰ্য কৰাৰ সক্ষম কৰা ঃ

নেতৃত্ব হৈছে মানুহক ইচ্ছাকৃতভাৱে সংগ্ৰাম কৰিবলৈ প্ৰভাৱিত কৰা আৰু দলৰ লক্ষ্যবোৰত উপনীত হ'বলৈ কৰা উৎসাহিত কৰা এক কলা। ইয়াৰ বাবে কাৰ্য সম্পূৰ্ণ কৰা উপযুক্ত নিৰ্দেশনাৰ প্ৰয়োজন আৰু সেই লক্ষ্যত উপনীত হ'বলৈ মানুহক অভিৰোচিত কৰিব লাগে। ক্ষমতা উপযুক্তভাৱে প্ৰয়োগৰ আৰু দায়িত্বপূৰ্ণভাৱে পালনৰ সমৰ্থতাক

ই অন্তর্ভুক্ত কৰে, মানুহক বুজাৰ সক্ষমতা দিয়ে, কাৰণ প্ৰত্যেক ব্যক্তিৰ বিভিন্ন স্তৰ আৰু অভিৰোচনৰ ক্ষমতা থাকে আৰু কোনো কাৰ্য সম্পূৰ্ণ সামৰ্থ প্ৰয়োগ কৰা সক্ষমতা থাকে।

পথৰ আৰ্হি ঃ

স্কুলৰ সম্প্ৰদায়ৰ বাবে প্ৰধান শিক্ষকগাৰীক আৰ্হি স্বৰূপ হোৱা উচিত। তেওঁ নিজকে উপযুক্ত স্থানত ৰাখিবলৈ হ'লে এগৰাকী গুণবান ব্যক্তিস্বৰূপে নিজকে প্ৰতিষ্ঠিত কৰিব লাগিব। অনুষ্ঠানৰ মুৰব্বীগৰাকী শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অন্য কৰ্মচাৰীসকলৰ প্ৰয়োজনৰ প্ৰতি সংবেদনশীল হ'ব লাগিব। তেওঁ যেতিয়া এটা কাৰ্য হাতত ল'ব, তেতিয়া তাৰ প্ৰথম পদক্ষেপটো হ'ব কাৰ্যৰ উদ্দেশ্য স্থিৰ কৰা। দ্বিতীয়তে, নিৰ্ধাৰিত উদ্দেশ্যত উপনীত হ'বলৈ পৰিকল্পনাৰ কৌশল প্ৰস্তুত কৰিব লাগিব। তৃতীয়তে পৰিকল্পনাৰ প্ৰয়োগ কৰিব লাগিব।

হৃদয়ক উৎসাহ প্ৰদান ঃ

দলৰ উপযুক্ত নেতাই কাৰ্যক্ষমভাৱে কাম সম্পূৰ্ণ কৰাত দলৰ সদস্যসকলক উৎসাহিত কৰে। তেওঁলোকে স্কুলৰ সকলো লোকৰ সৈতে পাৰস্পৰিক যোগাযোগ ৰাখে আৰু শিক্ষাৰ ভাৱধাৰাৰ প্ৰতি আনুগত্য দেখুৱায়। তেওঁলোকে প্ৰকল্পৰ প্ৰতি উৎসাহ দেখুৱায় আৰু তাৰ সম্পূৰ্ণকৰণৰ বাবে অনুপ্ৰাণিত কৰে। নেতাই ব্যক্তিৰ অৰিহনা চিনাক্ত কৰিব লাগে আৰু তেওঁলোকৰ সাংসাধন পালন কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ নেতৃত্বৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং ২ঃ শৈক্ষিক নেতৃত্ব কি?

.....

.....

প্ৰশ্ন নং ৩ঃ_____ হৈছে মৌলিক শৈক্ষিক অনুষ্ঠান।

.....

.....

প্রশ্ন নং ৪ঃ শৈক্ষিক নেতৃত্বৰ প্ৰকৃতি চমুকৈ বৰ্ণনা কৰক।

.....

.....

প্রশ্ন নং ৫ঃ শৈক্ষিক নেতাৰ কাৰ্য লিখক।

.....

.....

৫.৪ শৈক্ষিক নেতৃত্বৰ গুৰুত্ব

শৈক্ষিক নেতৃত্বক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়, কাৰণ বহুতো শিক্ষাৰ্থীৰ ভৱিষ্যৎ তেওঁলোকৰ হাতত থাকে। শৈক্ষিক অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ উপাদানবোৰ হৈছে প্ৰধান শিক্ষক, শিক্ষকসকল আৰু শিক্ষাৰ্থীসকল। এই তিনিওটা গুৰুত্বপূৰ্ণ উপাদানৰ ঐক্যবদ্ধ প্ৰচেষ্টাই অনুষ্ঠানৰ বৃদ্ধিত অৱিহনা যোগায়। ইয়াত প্ৰধান শিক্ষকগৰাকী হৈছে নেতা। এনেবোৰ অনুষ্ঠানৰ সফলতা কাৰ্যক্ষম নেতৃত্বৰ ওপৰত নিৰ্ভৰশীল আৰু এখন অনুষ্ঠান আৰু ইয়াৰ মানুহৰ সামৰ্থৰ সফলতা অনাত নেতৃত্বই ভূমিকা ল'ব লাগে। শৈক্ষিক অনুষ্ঠান এখনৰ বিকাশত কাৰ্যক্ষম নেতৃত্বৰ উপাদানসমূহে কেনেদৰে সহায় কৰিব পাৰে তাক আলোচনা কৰো আহক।

লক্ষ্যসমূহত উপনীত হোৱা ঃ প্ৰত্যেক শিক্ষা অনুষ্ঠানৰ নিজস্ব বিশেষ লক্ষ্য থাকে। শৈক্ষিক নেতৃত্বই ইয়াৰ সদস্যসকলক সচেতন কৰিব লাগে যাতে তেওঁলোকে সমূহীয়া লক্ষ্যত উপনীত হ'বলৈ একত্ৰিত হৈ কাম কৰে। এইক্ষেত্ৰত নেতৃত্বই পৰিকল্পনা কৰিব লাগে যে তেওঁলোকে কি হাচিল কৰিব বিচাৰিছে আৰু যি পোৱা গ'ল সেইবোৰ নিয়মিতভাৱে পৰিমাপন কৰিব লাগে। লক্ষ্যত উপনীত হ'বলৈ একেৰাহে পৰিদৰ্শন কৰি থাকিব লাগে। বুজা-বুজিৰ এটা পৰিবেশ সৃষ্টি কৰাটো শৈক্ষিক নেতৃত্বদানকাৰীৰ কৰ্তব্য আৰু ইয়ে দলৰ সদস্যসকলৰ মাজত সহযোগিতাৰ ভাব গঢ়ি তুলিব। স্কুলৰ নেতৃত্বদানকাৰীয়ে এনে পথেৰে কাম কৰিব লাগে যাতে শিক্ষকসকলে নিজ কৰ্মৰ প্ৰতি ইতিবাচক মনোভাৱ পোষণ কৰিব পাৰে আৰু লক্ষ্যত উপনীত হ'বলৈ প্ৰকৃত উৎসাহ দেখুৱাব পাৰে।

অনুষ্ঠানৰ পাৰদৰ্শিতাৰ উন্নতি ঃ প্ৰত্যেক অনুষ্ঠানৰ যেনে স্কুলৰ, প্ৰত্যেকগৰাকী নেতাই অনুষ্ঠানটো সফলভাৱে আগুৱাই যাবৰ বাবে কিছুমান ভূমিকা/কাৰ্য কৰিবলগীয়া হয়। নেতাসকলে দলৰ কৰ্মীসকলৰ বাবে কৰ্মপন্থা স্থিৰ কৰে আৰু অনুষ্ঠানৰ ভৱিষ্যত কৰ্মপন্থা পালন কৰি আগুৱাই যোৱাত তেওঁলোকক সহায় কৰে। দলৰ নেতৃত্বৰ অবিহনে দলৰ মানুহবোৰৰ মাজত সংঘাত আৰু যুক্তিতৰ্কৰ সৃষ্টি হয়, কাৰণ প্ৰত্যেকজন মানুহে বস্তুবোৰৰ বেলেগ বেলেগ দৃষ্টিৰে চাই আৰু বিভিন্ন ধৰণৰ সমাধানৰ পথ অৱলম্বন কৰে। নেতৃত্বই সকলো একে পথেৰে

আগবাঢ়িবলৈ নির্দেশনা দিয়ে আৰু একেলগে চেষ্টা কৰাৰ সুযোগ দিয়ে।

নীতি আৰু পৰিকল্পনাৰ পৰিকাঠামো গঠন ঃ এইটো বাৰে বাৰে উল্লেখ কৰা হৈছে যে অনুষ্ঠানৰ নিজৰ বিশেষ উদ্দেশ্য থাকে। এনেধৰণেৰে নীতিসমূহ গ্ৰহণ কৰা হয়। নীতিবোৰ সফল প্ৰয়োগৰ বাবে কার্যক্ষম পৰিকল্পনা প্ৰয়োজনীয়। পৰিকল্পনাবোৰ হৈছে পদ্ধতিগত, সংগঠিত আৰু শৈক্ষিক অনুষ্ঠানৰ লগ লগোৱা কার্য। কর্মক্ষম নেতৃত্ব হৈছে নীতিসমূহৰ সফল প্ৰয়োগৰ উপাদান। নেতৃত্বই স্কুল সম্প্ৰদায়ৰ সদস্যসকলক নীতিবোৰৰ সম্বন্ধে সজাগ কৰি দিয়ে আৰু সেই অনুসৰি কার্য কৰাত সহায় কৰে।

পৰিদর্শন আৰু নিয়ন্ত্ৰণ ঃ উপযুক্ত পৰিদর্শন অবিহনে শৈক্ষিক অনুষ্ঠানসমূহ ভালদৰে চলিব নোৱাৰে। স্কুলৰ প্ৰধান শিক্ষকগৰাকীয়ে স্কুলৰ কার্যসমূহ পৰিদর্শন কৰিব লাগে। ইয়াৰ ভিতৰত অন্তর্ভুক্ত দিশবোৰ হ'ল স্কুলৰ কার্যালয়, নির্দেশনাত্মক কার্য, পাঠ্যক্ৰমৰ আদান-প্ৰদান, সহ-পাঠ্যক্ৰমিক কার্যসূচী, কর্মচাৰীৰ বৃত্তিমূলক বিকাশ, স্কুলৰ অর্থনীতি, স্কুলৰ যোগান, শাৰীৰিক আৰু স্বাস্থ্য কার্যসূচী, স্কুল সম্প্ৰদায়ৰ সম্পর্ক আৰু সময়ে সময়ে মূল্যায়ন কার্য। পৰিদর্শকে স্কুলৰ সমস্যা সমাধানৰ পথৰ নির্দেশনা দিয়ে আৰু সকলোতকৈ ডাঙৰ কার্য হৈছে স্কুলৰ সকলোবোৰ শাখাৰ মাজত সমন্বয়ৰ সৃষ্টি কৰে। নির্দেশনাবোৰ আদেশ, নির্দেশ, নীতি, কার্যসূচী, উপদেষ উপদেশমূলক পথ প্ৰদর্শক আৰু প্ৰস্তাৱ আদিৰ আকাৰত থাকে।

সাংগাঠনিক পৰিবেশ ঃ সাংগাঠনিক পৰিবেশ হৈছে অনুষ্ঠানখনৰ সমগ্ৰ বাতাবৰণ। "মনোবৈজ্ঞানিক পৰিবেশ" শব্দটো এক অভিন্ন শব্দ হিচাপে ব্যৱহাৰ কৰা হয়। এটা পর্যায়লৈ শৈক্ষিক নেতৃত্ব হৈছে অনুষ্ঠানখনত বিৰাজ কৰা পৰিবেশৰ বাবে দায়িত্বশীল। উদাহৰণস্বৰূপে— কিছুমান শৈক্ষিক অনুষ্ঠানত শাখাৰ সদস্যসকল এজনে আনজনক সহায় কৰে। তেওঁলোক সমর্থবান আৰু তেওঁলোকৰ আচৰণত আত্মবিশ্বাসৰ ভাব ফুটি উঠে। অন্যহাতে, কিছুমান অনুষ্ঠানত শিক্ষকসকলৰ মাজত অত্যাধিক চিন্তা দেখা যায় যাক আমি সহজে নিৰীক্ষণ কৰিব পাৰোঁ। আকৌ কিন্তু শিক্ষানুষ্ঠানৰ পৰিবেশ বহুত হুলস্থুলীয়া আৰু শৃংখলা নথকা আৰু শিক্ষকেও অৱহেলাৰ মনোভাৱ দেখুৱায়। এনেধৰণৰ বৈশিষ্ট্যবোৰে মনোবৈজ্ঞানিক পৰিবেশত প্ৰভাৱ পেলায়। স্কুলৰ মানদণ্ডৰ উন্নতিৰ ক্ষেত্ৰত সাংগাঠনিক পৰিবেশৰ ভূমিকা গুৰুত্বপূর্ণ। স্কুলৰ প্ৰশাসনত শৈক্ষিক নেতৃত্বৰ ডাঙৰ ভূমিকা আছে। শ্ৰেণীকোঠা স্কুলৰ শিক্ষণ-শিকনৰ কার্যক্ষম কেন্দ্ৰবিন্দু হিচাবে প্ৰতিষ্ঠা কৰিবলৈ, স্কুলে ইয়াৰ পৰিবেশ মুক্ত হিচাবে গঢ়ি তুলিব লাগে, য'ত শিক্ষকসকলে মুক্ত আৰু স্বাধীনভাৱে শিক্ষা প্ৰদান কৰিব পাৰে আৰু এইক্ষেত্ৰত স্কুলৰ প্ৰধান শিক্ষক বা পৰিচালনা সমিতিৰ যাতে হস্তক্ষেপ নেথাকে। এক মুক্ত আৰু উপযুক্ত বাতাবৰণে শিক্ষক আৰু শিক্ষার্থীক স্বাধীনতা প্ৰদান কৰে, যাৰ ফলস্বৰূপে তেওঁলোকে এক ইতিবাচক মনোভাৱ গঠন কৰিব পাৰে আৰু সকলো দিশতে পাৰদর্শিতা দেখুৱাব পাৰে।

শিক্ষাক্ষেত্রত নেতৃত্ব ঃ স্কুল এখনত প্রধান শিক্ষকগৰাকীয়ে প্রশাসনিক আৰু বিদ্যায়তনিক দিশত নেতা। শিক্ষণৰ ক্ষেত্রত এক অনুকূল বাতাবৰণ সৃষ্টি কৰাৰ দায়িত্ব হৈছে শৈক্ষিক নেতৃত্বৰ। শিক্ষণ শিকনৰ কার্যাৱলীসমূহ উপযুক্তভাৱে পৰিকল্পনা কৰি তাক প্রয়োগ কৰিব লাগে। ইয়াত অন্তর্গত দিশবোৰ হৈছে সময় তালিকা প্রস্তুতি, শিক্ষার্থীৰ উপস্থিতিৰ টোকা, পৰম্পৰাগত আৰু আধুনিক শিক্ষণ আহিলাৰ প্রস্তুতি আৰু লগতে আচবাব পত্রৰ সজ্জাকৰণ, পুথিভঁৰাল আৰু প্রয়োগশালাৰ বস্তুসমূহ। অনুষ্ঠানৰ মুৰব্বীয়ে চাব লাগে যাতে শিক্ষকসকলৰ শিক্ষণ শিকন কার্যাৱলীৰ ক্ষেত্রত ইতিবাচক মনোভাৱ থাকে। এনেধৰণৰ পৰিবেশত শিক্ষার্থীয়ে জ্ঞান, কৌশলসমূহ আৰু অত্যাধিক হেঁচাৰ পৰা মুক্ত মনোভাৱ গঢ়াত সহায় কৰে।

অনুশাসন ৰক্ষণাবেক্ষণ ঃ স্কুল অনুশাসনৰ অর্থ হৈছে শিক্ষার্থীৰ ভাল ব্যৱহাৰ, নিয়মানুবর্তিতা আৰু আনুগত্য, কর্তৃত্বৰ প্রতি সন্মান, শৃংখলাবদ্ধতা ভাল পোৱা, স্কুলৰ মূল্যবোধৰ প্রতি সন্মান, স্কুলৰ নীতি-নিয়ম মানি তাৰ সৈতে সমাযোজন। প্রধান শিক্ষকগৰাকী হৈছে সকলোধৰণৰ অনুশাসন আৰু চৰিত্র গঠনৰ উৎস। তেওঁ/সি স্কুলত উপযুক্ত শৃংখলাবদ্ধতা বজাই ৰাখিবলৈ কিছুমান নীতি অৱলম্বন কৰিব লাগে। যদিও এইটো অনুষ্ঠানৰ মুৰব্বীৰ দায়িত্ব, তথাপিও এজন বা দুজন ব্যক্তিয়ে শৃংখলা বজাই ৰখাটো কঠিন। সেইবাবে অনুষ্ঠানৰ মুৰব্বীয়ে পৰিকল্পনা কৰি শৃংখলাবদ্ধতা ৰক্ষা কৰিবলৈ সকলো কর্মচাৰী আৰু ছাত্র-ছাত্রীক সংগঠিত কৰি ল'ব লাগে। ইয়াৰ দ্বাৰা আত্ম অনুশাসন, গঢ়ি উঠে, যিয়ে উপযুক্ত পৰিবেশ গঢ় দিয়া আৰু উশৃংখল কার্যাৱলীৰ পৰা বিৰত ৰখাত সহায় কৰে।

মান নির্ধাৰণ আৰু মূল্যায়ন ঃ প্রত্যেক অনুষ্ঠানে নিজৰ সফলতা আৰু পূর্ব নির্ধাৰিত লক্ষ্যৰ মান নির্ধাৰণ আৰু মূল্যায়ন কৰা উচিত। এনেধৰণৰ দায়িত্বসমূহ শৈক্ষিক অনুষ্ঠানৰ নেতৃত্বই সময়ে সময়ে বহন কৰিব লাগে। ই কেৱল শিক্ষার্থীৰ মান নির্ধাৰণেই নহয়। সফলতা আৰু বিফলতাৰ বাবে গুণগত আৰু পৰিমাণগত মূল্যায়ন, প্রচলিত অনুশীলনৰ সবলতা আৰু দুর্বলতাসমূহ বস্তুবোৰৰ উন্নতি আৰু অধোন্নতিৰ বিচাৰকৰণ, ইত্যাদিবোৰ চাই প্রয়োজন অনুসৰি তাৰ সংশোধন কৰা উচিত। পিতৃ-মাতৃ, সম্প্রদায়ৰ সদস্য আৰু অন্য উচ্চ কর্তৃপক্ষ আদিয়ে সময়ে সময়ে অনুষ্ঠানৰ অগ্রগতি নিৰীক্ষণ কৰিব লাগে।

৫.৫ শৈক্ষিক নেতৃত্বৰ পৰিমাপন

নেতৃত্ব সাধাৰণতে দুটা দিশৰপৰা বিবেচনা কৰা হয়— আনুষ্ঠানিক নেতৃত্ব আৰু অনানুষ্ঠানিক নেতৃত্ব। আনুষ্ঠানিক নেতৃত্ব আৰু হৈছে যিগৰাকী ব্যক্তিক নির্বাচিত বা উর্ধতম কর্তৃপক্ষৰ দ্বাৰা নিয়োগ কৰা হয়, যেনে স্কুলৰ প্রধান শিক্ষক বা স্কুলৰ ব্যৱস্থাপক। নিয়োগ কৰা নেতাগৰাকীয়ে তেওঁৰ/তাইৰ সমর্থ আনৰ আগত প্রদর্শন কৰাৰ কোনো প্রয়োজন নাই।

কিন্তু অনানুষ্ঠানিক নেতৃত্বত নেতাগৰাকীয়ে আনক প্ৰভাৱিত কৰিব পাৰিব লাগে, কাৰণ তেওঁলোকৰ বিশেষ কৌশল থাকিব লাগে, যাৰ দ্বাৰা অন্যৰ ব্যক্তিৰ প্ৰয়োজনীয়তা সম্পদৰ প্ৰয়োজন পূৰাব পাৰি। যিকোনো শিক্ষক বা ছাত্ৰ এগৰাকী আনক প্ৰভাৱিত কৰিব পৰা নেতা হ'ব পাৰে। শৈক্ষিক অনুষ্ঠানত দুয়ো প্ৰকাৰৰ নেতাৰে প্ৰয়োজনীয়তা আছে, যদিও আমি এই অধ্যায়টোত আনুষ্ঠানিক নেতৃত্বৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰিছোঁ।

এতিয়া প্ৰশ্ন হৈছে কোনে নেতা হ'ব লাগে আৰু কিহৰ ভিত্তিত হ'ব লাগে? কিছুমান মানুহে নেতৃত্ব দিবলৈ জন্ম লাভ কৰে নেকি? সাধাৰণ নিৰীক্ষণৰ পৰা দেখা যায় যে প্ৰসিদ্ধ নেতাসকল কিছুমান সংলক্ষণৰ গৰাকী, যিয়ে তেওঁলোকক আনৰপৰা পৃথক কৰি ৰাখে। যদিও এনে মতামত কোনো গৱেষণাৰপৰা পোৱা ফলাফল নহয়, তথাপিও গৱেষণাকাৰীসকলে এইটো ক্ষেত্ৰত একমত যে তেনে নেতাসকল কিছুমান সংলক্ষণৰ অধিকাৰী হয় বা সকলো নেতাই এনেবোৰ গুণ আয়ত্ব কৰে। এইবোৰ তলৰ ১নং তালিকাত দাঙি ধৰা হ'ল।

তালিকা নং১ সফল নেতাৰ বৈশিষ্ট্যসমূহ

সংলক্ষণ/বৈশিষ্ট্যসমূহ	**বিৱৰণ**
চলন	সফলতা অৰ্জনৰ ইচ্ছা, উচ্ছাকাংখা, উচ্চ শক্তি, আগভাগ লোৱা
সাধুতা আৰু একতা	বিশ্বাসযোগ্যতা, নিৰ্ভৰযোগ্যতা মুক্ততা
নেতৃত্বৰ অভিৰোচন	আনৰ ওপৰত অনুশীলনৰ ইচ্ছা, ভাগ বতৰাৰ লক্ষ্য
আত্মবিশ্বাস	নিজ সামৰ্থৰ ওপৰত বিশ্বাস
সংজ্ঞানাত্মক সমৰ্থ	বুদ্ধি, সৰহভাগ তথ্য একলগ কৰি ব্যাখ্যা কৰা সৃষ্টিশীলতা, মৌলিকতা
নমনীয়তা	প্ৰয়োজনীয়তাৰ সমৰ্থক গ্ৰহণ কৰা পৰিবেশৰ প্ৰয়োজনীয়তাক পৰিবৰ্তন
পাৰ্গতালি	দলীয় কাৰ্যসমূহৰ জ্ঞান, প্ৰযুক্তিৰ দিশৰ জ্ঞান

(উৎস- MES 005, মানৱ সম্পদ বিকাশ, IGNOU)

বিভিন্ন পৰীক্ষাৰদ্বাৰা নেতৃত্বৰ গুণাৱলীৰ মান নিৰ্ধাৰণ বিকাশ হৈছে। এনেধৰণৰ পৰীক্ষাসমূহত মানুহবোৰক কিছুমান উক্তি প্ৰদান কৰি নিজকে বৰ্ণনা কৰিবলৈ দিয়া হয়। ইয়াৰে কিছুমান তলত প্ৰদৰ্শন কৰা হ'ল।

প্ৰদৰ্শন ১ ঃ তলৰ পৰীক্ষাটোৰ দ্বাৰা আপোনাৰ নেতৃত্ব ধৰণৰ মান নিৰ্ধাৰণ কৰা হ'ব।

নির্দেশনা ঃ আপোনাৰ প্ৰথম প্ৰতিক্ৰিয়াটোক গোলাকাৰ কৰি দিব। ইয়াত কোনো ভুল বা শুদ্ধ উত্তৰ নেথাকে।

এজন নেতা হিচাবে মই	সদায়	প্ৰায়	মাজে সময়ে	কেতিয়াও নহয়
১। নিজৰ সিদ্ধান্ত নিজে লওঁ	৪	৩	২	১
২। কি কৰিব আনক কওঁ	৪	৩	২	১
৩। অন্যক সিদ্ধান্তৰ উপদেশ দিওঁ	৪	৩	২	১
৪। মোৰ পথেৰে কাৰ্য কৰিবলৈ আনক কওঁ	৪	৩	২	১
৫। অন্য মানুহৰ নিচিনাকৈ অংশগ্ৰহণ	৪	৩	২	১
৬। অন্যক সম্পদ প্ৰদান	৪	৩	২	১
৭। সিদ্ধান্ত লোৱাৰ আগতে অন্যৰ প্ৰতিশ্ৰুতি লোৱা	৪	৩	২	১
৮। নিজ সিদ্ধান্তৰ ওপৰত বিশ্বাস	৪	৩	২	১
৯। বেছি নীতিৰ ক্ষেত্ৰত সঁচা	৪	৩	২	১
১০। অন্যৰ সিদ্ধান্তক সলনি কৰা	৪	৩	২	১
১১। অন্যক পচন্দৰ ক্ষেত্ৰত	৪	৩	২	১
১২। নিজৰ ভাৱধাৰাৰ আদান-প্ৰদান	৪	৩	২	১

মূল কথা ঃ তলৰ প্ৰশ্ন তালিকাৰপৰা সংখ্যাবোৰ যোগ কৰক। উচ্চ সংখ্যাই দেখুৱাব যে আপুনি কেনেধৰণৰ নেতা। আপুনি নেতৃত্বৰ বিভিন্ন ধৰণসমূহ বুজিব লাগিব আৰু বিভিন্ন পৰিবেশত সেইবোৰ কেনেকৈ ব্যৱহাৰ কৰিব তাক ভাবিব।

আপুনি গোলাকাৰ কৰা সকলো সংখ্যাক যোগ কৰি নেতৃত্বৰ ধৰণ গম পাব ঃ

প্ৰশ্ন ১, ২, ৩, ৪ বৈৰতান্ত্ৰিক

প্ৰশ্ন ৩, ৭, ৯, ১১ অংশগ্ৰহণকাৰী

প্ৰশ্ন ৫, ৬, ১০, ১২ প্ৰতিনিধি দল

প্ৰশ্ন ১, ৫, ৪, ১০ পৰিবেশিক

(উৎস- কুমাৰ P.G.R. Educational Leadership, P 29-30)

সংলক্ষণ পৰিমাপন কৰিবলৈ এগৰাকী গৱেষক Ghisell ব্যৱহাৰ কৰা পৰীক্ষাটো "আত্ম বিৱৰণসূচী" বুলি জনা যায়। তাৰ এটা অংশ তলৰ প্ৰদৰ্শন ২ত দাঙি ধৰা হৈছে। এই পৰীক্ষাটোত ব্যক্তিজনক কিছুমান বিশেষণ প্ৰদান কৰি নিজকে বৰ্ণনা কৰিবলৈ দিয়া হয়। উদাহৰণস্বৰূপে, এজন ব্যক্তিয়ে নিজকে পক্ষপাতিত্ব, পুংখানুপুংখ, সহযোগী আৰু আনন্দদায়ক হিচাবে বৰ্ণনা

কৰিব পাৰে। এই পৰীক্ষাৰ ওপৰত ভিত্তি কৰি Ghiselliয়ে তলত উল্লেখ কৰা হ'ল।

পৰিদর্শনৰ সুবিধা	**পৰিপক্কতা**
বুদ্ধি	শ্রেণী মূল্যৰ কর্মৰ সম্বন্ধ
আগভাগ লোৱা	আত্ম প্রকৃতীকৰৰ প্রয়োজন
সিদ্ধান্তহীনতা	অতি উচ্চ আর্থিক পুৰস্কাৰৰ প্রয়োজন
পুৰুষত্ব/নাৰীত্ব	বৃত্তিৰ নিৰাপত্তাৰ প্রয়োজন

প্রদর্শন ২ ঃ "আত্ম বিৱৰণসূচী"ৰ অংশ

এই সূচীৰ উদ্দেশ্য হৈছে আপুনি বিশ্বাস কৰা আৰু আপোনাৰ ভিতৰত থকা সংৰক্ষণৰ এটা ছবি আহৰণ কৰা আৰু আপুনি কেনেকৈ নিজকে বর্ণনা কৰে তাক চোৱা। ইয়াত কোনো শুদ্ধ বা ভুল উত্তৰ নেথাকে, সেইবাবে নিজকে যিমান পাৰে সাধুতাৰে আৰু স্পষ্টভাৱে বর্ণনা কৰক।

তলত শব্দৰ যোৰবোৰ দিয়া হৈছে, যিটোৱে আপোনাক ভালদৰে বর্ণনা কৰিব তাক লিখক।

১।	সমর্থ	—	বিচক্ষণ
২।	বুজা	—	পুংখানুপুংখ
৩।	সহযোগ কৰা	—	উদ্ভাৱন কৰা
৪।	বন্ধুত্ব	—	আনন্দ
৫।	শক্তিশালী	—	উচ্চাকাংখী
৬।	সংৰক্ষণ	—	স্বাধীন
৭।	বিশ্বস্ত	—	নির্ভৰশীল
৮।	নির্ধাৰণ	—	সাহসী
৯।	উদ্যোগ	—	ব্যৱহাৰিক
১০।	খেলসদৃশ	—	সম্পদশালী
১১।	অপ্রভাৱিত	—	সজাগ
১২।	চোকা	—	ইচ্ছাকৃত
১৩।	মৰমীয়াল	—	ফূর্তি
১৪।	কার্যক্ষম	—	স্পষ্টচিন্ত
১৫।	বাস্তৱসম্মত	—	কৌশলী
১৬।	উদ্যমী	—	বুধিয়ক
১৭।	অনুৰক্ত	—	খোলা
১৮।	উন্নতিশীল	—	মিতব্যয়ী
১৯।	একাগ্রতা	—	শান্ত

২০। চিন্তা কৰা — ভাল মনৰ

(উৎস- MES 005, মানৱ সম্পদ বিকাশ, IGNOU)

ঘেইচেলীৰ (Ghiselli)ৰ মতে এই সংলক্ষণসমূহৰ বেছিভাগেই কার্যক্ষম নেতাৰ বৈশিষ্ট্য। নেতৃত্ব গুৰুত্বপূর্ণ সংলক্ষণ হৈছে পৰিদর্শনৰ সমর্থ বা অন্যৰ কামৰ নির্দেশনা দিব পৰা সমর্থ আৰু দলৰ লক্ষ্যত উপনীত হ'বলৈ কৰা কার্যাৱলীৰ সংগঠিত আৰু একত্রিত কৰা। কার্যক্ষম নেতাসকল কম কার্যক্ষম নেতাতকৈ অধিক বুধিয়ক আৰু সিদ্ধান্ত গ্রহণৰ ক্ষমতা থকা লোক। কার্যক্ষম নেতাসকলে অধিক সফলতা অর্জন কৰিব বিচাৰে আৰু তেওঁলোকে নিজৰ লগতে আনৰো প্রতিভা উপযুক্তভাৱে ব্যৱহাৰ কৰিব বিচাৰে।

নেতৃত্বৰ নতুন অভিগমন হৈছে ভাব বিনিময়ৰ অভিগমন। এই অভিগমন যুক্তি দিয়ে যে সফল নেতাৰ নির্ধাৰণ হয় নেতাৰ সংলক্ষণ, দলৰ প্রয়োজন আৰু পৰিবেশৰ দ্বাৰা। এই অভিগমনে পুনৰ কয় যে বিভিন্ন সংলক্ষণ থকা ব্যক্তিসকলে বিভিন্ন সময়ত সফল হ'ব পাৰে। সাধাৰণতে এটা অনুষ্ঠানত, দলৰ সদস্যসকলক নেতাগৰাকীয়ে কার্য নির্ধাৰণ কৰি দিয়ে বা তেওঁলোকৰ নির্দিষ্ট ভূমিকা থাকে। যিসকল নেতাৰ প্রধান উদ্দেশ্য হৈছে দলৰ সদস্যসকলক সন্তুষ্টি প্রদান কৰা আৰু আনন্দ দিয়া, তেনে নেতাসকল সফল হ'ব পাৰে। এই সকলোবোৰ কথা বিবেচনা কৰি আমি ক'ব পাৰোঁ যে এজন কার্যক্ষম নেতা পাবলৈ দলৰ বৈশিষ্ট্য আৰু পৰিবেশৰ সৈতে মিলাব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ লক্ষ্যত উপনীত হোৱা বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৭ঃ সাংগাঠনিক পাৰদর্শিতা কি?

.....

.....

প্রশ্ন নং ৮ঃ সাংগাঠনিক পৰিবেশৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন নং ৯ঃ শৈক্ষিক নেতৃত্বই কিদৰে শিক্ষানীতিৰ নেতৃত্ব প্রদান কৰে ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন নং ১০ঃ এজন সফল নেতাৰ বৈশিষ্ট্যসমূহ কি কি?

.....

.....



চিন্তা চর্চা কৰক ৫.১

আপুনি শৈক্ষিক নেতৃত্ব আৰু ৰাজনীতিৰ নেতৃত্বৰ মাজত কেনেকৈ পার্থক্য উলিয়াব? আপোনাৰ মতামত দাঙি ধৰক।

.....

.....



৫.৬ এই অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি নেতৃত্বৰ বিভিন্ন দিশবোৰ আলোচনা কৰিলোঁ।
- শৈক্ষিক অনুষ্ঠানত নেতৃত্ব প্রদান কৰাকে শৈক্ষিক নেতৃত্ব বোলা হয়।
- স্কুল হৈছে মৌলিক শিক্ষানুষ্ঠান। কিছুমান লক্ষ্যত উপনীত হ'বলৈ শৈক্ষিক অনুষ্ঠান স্থাপন কৰা হয়।
- তেনেধৰণৰ অনুষ্ঠানত প্রধান শিক্ষক বা অধ্যক্ষই নেতৃত্ব প্রদান কৰে। স্কুলৰ কর্মচাৰীসকলৰ ভিতৰত প্রধান শিক্ষকগৰাকী হৈছে কার্যকৰী নেতা।
- শৈক্ষিক নেতৃত্বই বহন কৰা উপযুক্ত কৌশলে শিক্ষার্থীসকলক বিদ্যায়তনিক আৰু অবিদ্যায়তনিক দিশৰ শুদ্ধ পথৰ সন্ধান দিয়ে।
- স্কুলৰ পৰিবেশত, প্রধান শিক্ষকৰ ভূমিকা আৰু কার্য বহুমাত্রিক।
- নেতা হিচাবে তেওঁ/সি শিক্ষক, ছাত্র-ছাত্রী আৰু কর্মচাৰীসকলক নির্দেশনা দিব লাগে, দল গঠনৰ বাবে অভিৰোচিত কৰিব লাগে আৰু সাংগাঠনিক লক্ষ্য অনুভৱ কৰিবলৈ কার্যক্ষম অৱিহনা যোগাব লাগে, শিক্ষার্থীৰ প্রয়োজনৰ প্রতি সজাগ হ'ব লাগে, শিক্ষক আৰু সম্প্রদায়ৰ অন্য সদস্যসকলক উপযুক্তভাৱে কাম কৰাৰ বাবে উৎসাহিত কৰিব লাগে।
- যিকোনো শিক্ষানুষ্ঠানৰ সফলতাৰ প্রধান চাবি-কাঠি হৈছে উপযুক্ত নেতৃত্ব।
- শৈক্ষিক নেতৃত্বই স্কুল সংগঠনৰ সদস্যসকলক নির্দিষ্ট অনুষ্ঠানৰ বিশেষ লক্ষ্যৰ প্রতি সজাগ কৰিব লাগে আৰু বুজাপৰা তথা সহযোগিতাৰ পৰিবেশ সৃষ্টি কৰিব লাগে।
- আনুষ্ঠানিক পাৰদর্শিতাৰ উন্নতি কৰিবলৈ নেতৃত্বই ভৱিষ্যতৰ সম্ভাৱনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে আৰু পৰিকল্পনা আৰু নীতিসমূহ সফল প্রয়োগ কৰিবলৈ চেষ্টা কৰিব লাগে।
- শিক্ষণৰ বাবে অনুকূল পৰিবেশ সৃষ্টি কৰি উপযুক্ত পৰিবেশ সৃষ্টি কৰিবলৈ পৰিদর্শন

আৰু নিয়ন্ত্রণৰ প্রয়োজন।

- অধ্যায়টিৰ শেষত এগৰাকী সফল নেতাৰ বৈশিষ্ট্যসমূহ আৰু নেতাৰ সংলক্ষণ তথা বৈশিষ্ট্যসমূহ পৰিমাপ কৰাৰ পদ্ধতিসমূহ আলোচনা কৰা হৈছে।



৫.৭অধিক জানিবলৈ

১) Mathur SS .*Teacher and Secondary Education.* Vinod Pustak Mandir Agra —3 1966

২) Das B.C.. *Teacher Education at a Distance*. Kalyani Pablishes Delhi 2000

৩) Mishra RC. *Classroom Behaviour A PH Publishing Corporation.* New Delhi, 2007.



৫.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ নেতৃত্ব হৈছে এজন ব্যক্তিৰ সমন্বয় আৰু অন্যক প্রভাৱিত কৰি একে লক্ষ্যত উপনীত হ'ব পৰা সমর্থ।

২নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক অনুষ্ঠানত প্রদান কৰা নেতৃত্বই হৈছে শৈক্ষিক নেতৃত্ব।

৩নং প্রশ্নৰ উত্তৰ ঃ স্কুল

৪নং প্রশ্নৰ উত্তৰ ঃ নেতৃত্বই দল এটাৰ ভূমিকা লয়। শৈক্ষিক নেতৃত্বৰ ক্ষেত্রত, দলৰ আদান-প্রদানে নেতৃত্বক প্রভাৱিত কৰে। নেতাগৰাকীয়ে ধৰণ গঠন কৰে আৰু সহযোগিতাৰে কাম কৰাৰ বাবে নির্দেশনা দিয়ে। একে ধৰণৰ লক্ষ্যত উপনীত হ'বলৈ উৎসাহ যোগায় আৰু অনুপ্রাণিত কৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক নেতাৰ কার্যসমূহ হৈছে— প্রক্রিয়াৰ বাবে নির্দেশনা দিয়া বা শিক্ষক, শিক্ষার্থী আৰু কর্মচাৰীৰ বাবে নির্দেশনা প্রদান কৰা, সদস্যসকলক অভিৰোচিত কৰি সাংগাঠনিক লক্ষ্যত উপনীত কৰোৱা, বিভিন্ন গুণৰ সমাহাৰ লৈ নেতাগৰাকী নিজে উদাহৰণস্বৰূপ হোৱা, স্কুল সম্প্রদায়ৰ সদস্যসকলৰ প্রয়োজনৰ প্রতি সজাগ হোৱা আৰু তেওঁলোকক কার্য কৰাৰ বাবে উৎসাহ যোগোৱা আৰু অনুপ্রাণিত কৰা।

৬নং প্রশ্নৰ উত্তৰ ঃ প্রত্যেক শিক্ষানুষ্ঠানৰ নিজস্ব লক্ষ্য আছে। এনেবোৰ লক্ষ্যত উপনীত হ'বলৈ শৈক্ষিক অনুষ্ঠানৰ সদস্যসকলে এক গোট হৈ কাম কৰে।

৭নং প্রশ্নৰ উত্তৰ ঃ শিক্ষানুষ্ঠানৰ ক্ষেত্রত, অনুষ্ঠানৰ পাৰদর্শিতা যথেষ্ট গুৰুত্বপূর্ণ, কাৰণ

উপযুক্ত প্রদর্শনে অনুষ্ঠানৰ সৌষ্ঠৱ আৰু স্থান উচ্চ পর্যায়লৈ নিয়ে। তাৰোপৰি ই অভিভাৱক আৰু সম্প্রদায়ৰ অন্য সদস্যক আকর্ষিত কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ সংগঠনৰ পৰিবেশৰ অর্থ হৈছে অনুষ্ঠানখনৰ বাতাবৰণ। উপযুক্ত পৰিবেশে সংগঠন বা অনুষ্ঠানৰ সদস্যসকলৰ কর্মক্ষমতা বৃদ্ধি কৰি তোলে।

৯নং প্রশ্নৰ উত্তৰ ঃ অনুষ্ঠানৰ বিদ্যায়তনিক দিশৰ সৈতে শিক্ষা নীতিৰ নেতৃত্ব জড়িত হৈ থাকে। শৈক্ষিক নেতৃত্বই অনুষ্ঠানখনৰ বিদ্যায়তনিক দিশৰ কার্য সম্পর্কে উপযুক্ত পৰিকল্পনা প্রস্তুত কৰিব লাগে, যাতে শিক্ষার্থীসকলে প্রয়োজনীয় জ্ঞান, কৌশল, মনোভাৱ আদি অসুবিধা নোহোৱাকৈ আহৰণ কৰিব পাৰে।

১০নং প্রশ্নৰ উত্তৰঃ এগৰাকী সকল নেতাৰ বৈশিষ্ট্যসমূহ হৈছে— সাধুতা আৰু একতা, নেতৃত্বৰ অভিৰোচন, আত্মবিশ্বাস, সংজ্ঞানাত্মক সমর্থ, সৃজনশীলতা, নমনীয়তা আৰু পার্গতালি।



৫.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন১ঃ শৈক্ষিক নেতৃত্ব কাক বোলে?

প্রশ্ন২ঃ শৈক্ষিক নেতৃত্বৰ কার্য আৰু ভূমিকা বর্ণনা কৰক।

(খ) দীঘল প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন১ঃ অনুষ্ঠানৰ কার্যক্ষমতা বৃদ্ধিৰ ক্ষেত্রত প্রধান শিক্ষকৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক। শিক্ষার্থীয়ে এইক্ষেত্রত কিবা ভূমিকা ল'ব পাৰে নেকি?

প্রশ্ন২ঃ শৈক্ষিক নেতৃত্বৰ গুৰুত্ব বিশদভাৱে বর্ণনা কৰক।

প্রশ্ন৩ঃ নেতৃত্বৰ গুণাৱলী পৰিমাপ কৰাটো সম্ভৱনে? এনে গুণাৱলী পৰিমাপনৰ ক্ষেত্রত আপুনি জড়িত হৈ থকা দুটা পদ্ধতি দেখুৱাওক।

****

অধ্যায় -৬ ঃ পাঠ পৰিকল্পনা (LESSON PLANING)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ পাঠ পৰিকল্পনাৰ ধাৰণা

৬.৩.১ পাঠ পৰিকল্পনাৰ সংজ্ঞা

৬.৩.২ পাঠ পৰিকল্পনাৰ উদ্দেশ্য

৬.৩.৩ পাঠ পৰিকল্পনাৰ গুৰুত্ব

৬.৪ পাঠ পৰিকল্পনাৰ পূৰ্বচর্ত

৬.৫ উত্তম পাঠ পৰিকল্পনাৰ অত্যাৱশ্যকীয় গুণ

৬.৬ পাঠৰ শ্রেণীবিভাগ

৬.৭ পাঠ পৰিকল্পনাৰ চানেকী

৬.৭.১ হাৰ্বাটি য়ান চানেকীৰ পাঁচটা স্তৰ

৬.৭.২ গ্লোভাৰৰ চানেকী

৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৯ অধিক জানিবলৈ

৬.১০ অগ্রগতিৰ খতিয়ান

৬.১১ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পাঠ পৰিকল্পনাৰ সংজ্ঞা আৰু অর্থসমূহ চিনাক্ত কৰিব পাৰিব।
- পাঠ পৰিকল্পনাৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰিব পাৰিব।
- পাঠ পৰিকল্পনাৰ তাৎপর্য বা গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- উত্তম পাঠ পৰিকল্পনাৰ বাবে দৰকাৰী বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব।
- সফল পাঠ পৰিকল্পনা প্রস্তুত কৰাৰ বাবে স্তৰসমূহৰ শ্রেণীবিভাগ কৰিবলৈ সমর্থ হ'ব।

৬. ২ পৰিচয়

এই অধ্যায়টোৱে আমাক পাঠ পৰিকল্পনাৰ কিছুমান মূল ধাৰণাৰ বিষয়ে পৰিচয় কৰাই দিব।

এই অধ্যায়টোৱে পাঠ পৰিকল্পনাৰ অর্থ আৰু সংজ্ঞা পাঠ পৰিকল্পনাৰ গুৰুত্ব, উত্তম পাঠ পৰিকল্পনাৰ পূর্ব-চর্ত, উত্তম পাঠ পৰিকল্পনাৰ দৰকাৰী গুণ, সফল পাঠ পৰিকল্পনাৰ বাবে দৰকাৰী স্তৰসমূহ আৰু পাঠৰ শ্রেণীবিভাগসমূহক সাঙুৰি লৈছে। আৰম্ভণি হিচাপে, আমি প্রথমে পাঠ পৰিকল্পনাৰ ধাৰণা আৰু অর্থ সম্পর্কে আগবাঢ়িব লাগিব। শৈক্ষিক প্রক্রিয়াত পদ্ধতি, শিক্ষণ-শিকণ, পাঠ পৰিকল্পনা ইত্যাদি ধাৰণাবোৰ পাঠ পৰিকল্পনা শিক্ষণ-শিকণৰ এক অতি দৰকাৰী অংশ আৰু শিক্ষণ-শিকণ হ'ল শিক্ষাৰ এক আৱশ্যকীয় অংশ। আমি সকলোৱে জানো যে শিক্ষাৰ মুখ্য লক্ষ্য হ'ল— শিশুসকলৰ মাজত আৱশ্যকীয় আচৰণৰ বিকাশ সাধন কৰা। লক্ষ্যৰ দ্বাৰাহে আচৰণ নির্ধাৰিত হয়। শিক্ষাৰ লক্ষ্য নির্ধাৰিত হোৱাৰ পিছত আটাইতকৈ দৰকাৰী কথা হ'ল বিষয়বস্তু স্থিৰ কৰা আৰু যাৰ জৰিয়তে শিক্ষাৰ লক্ষ্য অনুমান কৰিব পৰা যাব। তদুপৰি পাঠসমূহ কেনেকৈ ছাত্র-ছাত্রীসকলৰ আগত উপস্থাপন কৰিব তাক জনা যায়। পাঠদানক পূর্বকল্পিত নক্সা বুলি কোৱা হয়। যিটো শিক্ষক এজনে ছাত্র-ছাত্রীসকলক পঢ়াবলৈ যোৱাৰ আগতে প্রস্তুত কৰিব লাগে। শিক্ষকজনে কোনো এটা বিষয়বস্তু ছাত্র-ছাত্রীক পঢ়াবলৈ যোৱাৰ আগতে পৰিকল্পিতভাৱে প্রস্তুত কৰি ল'ব লাগে যাতে তেওঁ ভালকৈ শ্রেণীকোঠাত শিক্ষাদান কৰিব পাৰে। যেতিয়া শৈক্ষিক কার্যাৱলী পৰিকল্পিতভাৱে সুসংগঠন কৰি লোৱা হয় তেতিয়া ছাত্র-ছাত্রীসকল আটাইতকৈ বেছি লাভৱান হয়। শিক্ষণীয় পৰিস্থিতিসমূহ শিক্ষকজনে এনেকুৱাকৈ গঢ়ি তুলিব লাগে যাতে ছাত্র-ছাত্রীসকলে কাম কৰাৰ বাবে বা চিন্তা কৰাৰ বাবে বা জনাৰ বাবে অভিৰোচিত হ'ব পাৰে।

৬.৩ পাঠ পৰিকল্পনাৰ ধাৰণা (CONCEPT OF LESSON PLANNING)

শৈক্ষিক প্রক্রিয়াত, শিকণ হ'ল শিক্ষাৰ এটা দৰকাৰী অংশ আৰু উত্তম শিকণৰ বাবে পাঠ পৰিকল্পনা হ'ল এটা দৰকাৰী নির্ধাৰিত উপাদান। পাঠ পৰিকল্পনাৰ এটাৰ মূল অর্থ হ'ল প্রকৃততে এক কার্যৰ পৰিকল্পনা বা পাঠ এটাৰ নক্সা। শিকণ প্রক্রিয়াৰ এটা মূল লক্ষ্য হ'ল ছাত্র-ছাত্রীসকলক মনৰ ভিতৰত থকা সকলো সম্ভাৱনীয়তা সক্রিয়ভাৱে অংশগ্রহণ কৰোৱা। সেইকাৰণে উত্তম শিকণ অতি সতর্কভাৱে পৰিকল্পনা কৰি প্রস্তুত কৰিব লাগে যাতে শিক্ষকসকলে ছাত্র-ছাত্রীসকলক সহজে শিকাব পাৰে। পাঠ পৰিকল্পনা হৈছে উত্তম শিকণৰ মূল চাবিকাঠি। শিক্ষকজনে পাঠ পৰিকল্পনাৰ আকাৰত পাঠৰ সকলো উপাদান সন্নিৱিষ্ট কৰিব লাগে। পাঠ পৰিকল্পনা সতর্কভাৱে কৰা এক কার্যৰ পৰিকল্পনাৰ বাহিৰে একো নহয়। শিক্ষক বা শিক্ষয়িত্রীয়ে শ্রেণীকোঠাত সোমোৱাৰ পৰা আৰম্ভ কৰি পাঠদান শেষ কৰালৈকে গোটেই সময়খিনি শিক্ষার্থীসকলক কি শিকাব, কি কি শিক্ষণ সঁজুলিৰ ব্যৱস্থা কৰিব, শিক্ষার্থীসকলক কেনেকৈ অভিৰোচিত কৰিব, কি কি কৌশল ব্যৱহাৰ কৰিব ইত্যাদিৰ বিষয়ে আগতীয়াকৈ আঁচনি প্রস্তুত কৰিব লাগে। সেয়েহে পাঠ পৰিকল্পনাৰ অর্থ হ'ল নির্দিষ্ট সময়ৰ ভিতৰত শিকাবলগীয়া নির্দিষ্ট বিষয়সমূহ সম্পূর্ণ কৰিব লাগে। যিটো প্রত্যেক অনুষ্ঠানতে বেলেগে বেলেগ হয়। প্রত্যেক বিদ্যালয়তে শ্রেণী পিৰিয়ডৰ (Period) সময় ৩০-৫০ মিনিটৰ ভিতৰত হয়। পাঠ পৰিকল্পনাত শিক্ষক এজনে তলত দিয়া উপাদানসমূহ বর্ণনা কৰাৰ ওপৰত গুৰুত্ব দিয়ে। যেনে— সাধাৰণ লক্ষ্য, বিশেষলক্ষ্য, ছাত্র-ছাত্রীৰ পূর্বজ্ঞান, শিকণৰ উপযুক্ত কৌশল, শিকণ কৌশল, শিক্ষণীয় সঁজুলি, ছাত্র-

ছাত্ৰীৰ নতুন জ্ঞান আৰু অন্য বিষয়ৰ মাজত সহঃসম্বন্ধ স্থাপন কৰা ইত্যাদি।

৬.৩.১ পাঠ পৰিকল্পনাৰ সংজ্ঞাসমূহ (Definitions of Lesson Planning)

পাঠ পৰিকল্পনাৰ ধাৰণা স্পষ্ট কৰিবলৈ হ'লে আমি বিভিন্ন সময়ত বিভিন্ন শিক্ষাবিদে দিয়া সংজ্ঞাসমূহ ভালকৈ চাব লাগিব। তলত ইয়াৰ ধাৰণা স্পষ্ট কৰিবলৈ সংজ্ঞা কেইটামান উল্লেখ কৰা হ'ল—

Laster. B. Sandsৰ ভাষাত— "পাঠ পৰিকল্পনা হ'ল প্ৰকৃততে এক কাৰ্যৰ পৰিকল্পনাহে। পাঠ পৰিকল্পনা সেয়েহে শিক্ষকজনৰ কৰ্মৰ দৰ্শন। তেওঁৰ দৰ্শনৰ প্ৰতি জ্ঞান, ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বোধগম্যতা, তেওঁ শিকিবলগীয়া বিষয়বস্তুৰ জ্ঞান, তেওঁ কি পদ্ধতিত পঢ়ালে ছাত্ৰ-ছাত্ৰীয়ে বেছি লাভৱান হ'ব ইত্যাদি বিষয়বোৰ সাঙুৰি লয়।"

Bagleyৰ মতে— "যিয়েই নহওক সামৰ্থ্য আৰু অভিজ্ঞতা থকা শিক্ষক হ'লেও তেওঁ পূৰ্ব প্ৰাথমিক প্ৰস্তুতি নাথাকিলে তেওঁ কেতিয়াও একো কৰিব নোৱাৰে।"

J. K. Davisৰ মতে— "পাঠ এটা প্ৰস্তুতি নকৰাকৈ শিক্ষক এজনে উন্নতি আশা কৰাটো সাংঘাতিক কথা। সেয়েহে পাঠটো আগতে প্ৰস্তুত কৰি লোৱাটো উচিত।"

R. L. Stevensonৰ মতে— "সদায় আগতীয়াকৈ পাঠটো পৰিকল্পনা কৰি ল'ব লাগে। কিন্তু ইয়াক গোলাম কৰিব নালাগে।"

ওপৰৰ সংজ্ঞাসমূহৰ পৰা ইয়াকে স্পষ্ট হ'ল যে উত্তম শিক্ষণ প্ৰক্ৰিয়াত পাঠ পৰিকল্পনাই এক সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। এই পাঠ পৰিকল্পনাই শিক্ষক এজনক শিকণৰ লক্ষ্যত উপনীত হ'বলৈ সহায় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ পাঠ পৰিকল্পনা মানে কি?

.....

.....

প্ৰশ্ন নং ২ঃ পাঠ পৰিকল্পনাৰ দুটা সংজ্ঞা দিয়ক।

.....

.....



চিন্তা চর্চা কৰক ৬.১

এটা পাঠৰ নক্সা আপুনি কিদৰে তৈয়াৰ কৰিব। আপোনাৰ মতামত দিয়ক।

.....

.....

৬.৩.২ পাঠ পৰিকল্পনাৰ লক্ষ্য বা উদ্দেশ্য (Objectives of Lesson Planning)

পাঠ পৰিকল্পনাৰ মূল উদ্দেশ্যসমূহ হ'ল—

- উত্তম পাঠ এটা প্ৰস্তুত কৰিব লাগে যাতে উত্তম শিকণ দিব পাৰি।
- নিৰ্দিষ্ট বিষয়ৰ পৰা বিচ্যুত হৈ অহাটো ৰোধ কৰিব লাগে যাতে এক উপযুক্ত শৃংখলাবদ্ধ শিকণ সম্ভৱ হয়।
- পাঠ পৰিকল্পনাৰ জৰিয়তে শিক্ষক এজনে শ্ৰেণীৰ বাবে কাৰ্য আৰু প্ৰয়োজনীয় সামগ্ৰীৰ উপযুক্ততা নিশ্চিত কৰে।
- পাঠ পৰিকল্পনাৰ দ্বাৰা অপৰিকল্পিত পাঠ্যক্ৰমসমূহ নজৰ দিয়াত সহায়ক হয়।
- শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা আৰু আশা-আকাংক্ষাৰ প্ৰতি নজৰ দি শিক্ষকসকলে পাঠ প্ৰস্তুত কৰিব লাগে যাতে সফল শিকণ সম্ভৱ হয়।

৬.৩.৩ পাঠ পৰিকল্পনাৰ তাৎপৰ্য্য বা গুৰুত্ব (Significance or Importance of Lesson Planning)

পাঠ পৰিকল্পনাৰ দ্বাৰাই শিক্ষকক শিক্ষণীয় বিষয়বস্তুৰ পৰা ফালৰি কাটি যোৱাত বাধা দিয়ে আৰু তাৰ ফলত শিক্ষক এজন সফল শিকণত উপনীত হ'ব পাৰে। শিকণত পাঠ পৰিকল্পনাৰ গুৰুত্ব সম্পৰ্কে তলত কিছুমান দৃষ্টান্ত উল্লেখ কৰা হ'ল—

- পাঠ পৰিকল্পনাৰ জৰিয়তে শিক্ষক এজনে শিকণীয় উদ্দেশ্য পূৰ কৰিব পাৰে।
- পাঠ পৰিকল্পনাই শিক্ষণীয় বিষয়বস্তুক শিকাওঁতে শৃংখলাবদ্ধ আৰু সুসংগঠিতভাৱে শিকোৱাত শিক্ষকক সহায় কৰে।
- পাঠ পৰিকল্পনাই শ্ৰেণীকোঠাত বক্তৃতা দি থাকোঁতে নতুন শিক্ষকসকলক অসহায়

আৰু বিৰক্তিকৰ পৰিস্থিতি দূৰ কৰাত সহায় কৰে।

- পাঠ পৰিকল্পনাই পুৰণি পাঠৰ লগত নতুন পাঠৰ উপযুক্ত সংযোগ সাধন নিশ্চিত কৰে।
- পাঠ পৰিকল্পনাই শিক্ষার্থীসকলক শ্রেণীকক্ষৰ ভিতৰে-বাহিৰে আহৰণ কৰা অভিজ্ঞতাসমূহৰ ৰেকর্ড ৰখাৰ ক্ষেত্রত সহায় কৰাৰ লগতে নিজস্ব শিক্ষাদান সম্পূর্ণ হোৱা-নোহোৱা সম্পর্কে যথেষ্ট হোৱাত সহায় কৰে।
- পাঠ পৰিকল্পনাই শিক্ষকসকলক বিষয়বস্তু অনাৱশ্যকীয় পুনৰাবৃত্তিৰ পৰা বিৰত ৰখাত সহায় কৰে।
- পাঠ পৰিকল্পনাৰ সহায়ত শিক্ষকজনে দৰকাৰী প্রশ্ন আৰু উদাহৰণসমূহ প্রস্তুত কৰিব পাৰে।
- পাঠ পৰিকল্পনাই শিক্ষক এজনক শ্রেণী নিয়ন্ত্রণৰ ব্যক্তিগত বৈষম্য, অভিৰোচন ইত্যাদিৰ ওপৰত ভিত্তি কৰি শিকণ প্রক্রিয়া পৰিকল্পনা কৰিবৰ সুবিধা দিয়ে।
- পাঠ পৰিকল্পনাই শৈক্ষিক লক্ষ্যত উপনীত হ'বলৈ যাওঁতে কি কি শিক্ষা সঁজুলি ব্যৱহাৰ কৰি শিক্ষার্থীক অভিজ্ঞতা প্রদান কৰিব লাগিব, সেই সম্পর্কে আগতীয়াকৈ প্রস্তুত কৰিব পাৰে।

৬.৪ পাঠ পৰিকল্পনাৰ পূৰ্ব চর্ত (PRE-REQUISITES TO LESSON PLANNING)

পাঠ পৰিকল্পনা প্রস্তুত কৰিবলৈ হ'লে তলত দিয়া চর্তসমূহ দৰকাৰী। সেইবোৰ হ'ল—

- পাঠ পৰিকল্পনা কৰাৰ সময়ত শিক্ষকজনৰ বিষয়বস্তুৰ ওপৰত গভীৰ জ্ঞান থাকিব লাগিব।
- বিষয়বস্তুৰ ওপৰত শিক্ষকজনৰ দক্ষতা থকাৰ উপৰি তেওঁৰ শিকণৰ নীতি আৰু কৌশলৰ প্রতিও সম্পূর্ণ জ্ঞান থাকিব লাগিব। শ্রেণীকোঠাত বক্তৃতা দিয়া সময়ত কোনটো কৌশল বা সজুলি ব্যৱহাৰ কৰিব তাক ভালদৰে জনা উচিত।
- পাঠ পৰিকল্পনাৰ পূৰ্বে শিশু মনোবিজ্ঞান সম্পর্কেও শিক্ষকজনৰ সম্পূর্ণ জ্ঞান থাকিব লাগিব। শিক্ষার্থীৰ ব্যক্তিগত বৈষম্যৰ প্রতিও মনোযোগ দিব লাগিব।
- পাঠ পৰিকল্পনাৰ পূৰ্বে শিক্ষকসকলে শৈক্ষিক উদ্দেশ সম্পর্কে ধাৰণা কৰি ল'ব লাগিব।
- পাঠ পৰিকল্পনা প্রস্তুত কৰাৰ পূৰ্বে শিক্ষকজনৰ শিক্ষার্থীৰ ওপৰত পূৰ্বজ্ঞান আৰু অভিজ্ঞতা থাকিব লাগিব।
- শিক্ষার্থীসকলৰ পূৰ্বজ্ঞানৰ লগত নতুন জ্ঞান সংযোজিত কৰা উচিত।
- পাঠ পৰিকল্পনা কৰাৰ সময়ত এটা ডাঙৰ পাঠৰ বিষয়বস্তুক সৰু সৰু গোটত ভাগ কৰি পাঠৰ বস্তুসমূহ সহজ কৰাৰ প্রয়াস কৰিব লাগে।
- শিক্ষক এজনে পাঠ পৰিকল্পনা কৰোঁতে এইটো কথা মন কৰিব লাগে যাতে তেওঁ যেতিয়াই দৰকাৰ হয় তেতিয়াই পৰিৱর্তন কৰিব পাৰে।
- পাঠ পৰিকল্পনা কৰাৰ সময়ত আগতীয়াকৈ এইটো কথা মন কৰিব লাগে যাতে নির্ধাৰিত সময়ৰ ভিতৰত পাঠটো শেষ কৰিব পাৰি।

৬.৫ উত্তম পাঠ পৰিকল্পনাৰ দৰকাৰী গুণসমূহ (ESSENTIALS OF A GOOD LESSON PLAN)

শ্রেণীকোঠাত ফলপ্রসূ শিকণ সম্ভৱ কৰিবলৈ হ'লে এটা উত্তম পাঠ পৰিকল্পনাৰ দৰকাৰ। এনেকুৱা পাঠ পৰিকল্পনাৰ জৰিয়তেহে শিকণৰ উদ্দেশ্য অনুধাৱন কৰিব পাৰি। সেয়েহে এটা উত্তম পাঠ পৰিকল্পনাত তলত উল্লেখ কৰা দিশসমূহৰ প্রতি নজৰ ৰাখিব লাগে—

- পাঠ পৰিকল্পনা প্রস্তুত কৰোঁতে সদায় লিখিত আকাৰত কৰিব লাগে যাতে শিক্ষকজনে সকলো স্তৰতে শৃংখলাবদ্ধভাৱে শিক্ষণীয় বিষয়বস্তু আঁচনিৰ অন্তর্ভুক্ত কৰিব পাৰে।
- কোনো এটা উত্তম পাঠ পৰিকল্পনা কৰোঁতে সদায় শিকাবলগীয়া পাঠটোৰ সাধাৰণ উদ্দেশ্য (General objectives) বিশেষ উদ্দেশ্য (Special Objectives) সমূহ লিপিবদ্ধ কৰিব লাগে।
- এটা উত্তম পাঠ পৰিকল্পনা কৰোঁতে শিকাব লগা পাঠটোৰ ওপৰত শিক্ষার্থীৰ কিবা পূর্বজ্ঞান জড়িত হৈ থাকিলে তাৰ বিষয়ে কেনেকৈ আভাস পাব পাৰি সেই বিষয়ে স্পষ্টকৈ পৰিকল্পনাত উল্লেখ থাকিব লাগে।
- পাঠ পৰিকল্পনাক বিভিন্ন পর্যায়ত ভগোৱা উচিত আৰু শিক্ষণীয় বিষয়বস্তুসমূহ স্পষ্ট আৰু সুনির্দিষ্টভাৱে উল্লেখ কৰা উচিত।
- বিষয়বস্তুসমূহ সতর্কতাৰে সংগঠন কৰাৰ পিছত তাৰ স্বৰূপ আৰু কার্যাৱলী শ্রেণীকোঠাত সতর্কতাৰে উল্লেখ কৰা উচিত।
- উত্তম পাঠ পৰিকল্পনা কৰোঁতে পাঠদানৰ সময়ত ব্যৱহাৰ কৰিব লগা শিক্ষণীয় আহিলা আৰু সঁজুলিসমূহৰ এখন তালিকা স্পষ্টভাৱে উল্লেখ কৰা উচিত।
- এটা উত্তম পাঠ পৰিকল্পনা কৰোঁতে শিক্ষার্থীসকলৰ পাঠৰ অনুশীলণৰ বাবে কেনেকুৱা গৃহকর্ম দিয়া হ'ব সেই বিষয়েও স্পষ্টকৈ উল্লেখ কৰা উচিত।
- পাঠ পৰিকল্পনা প্রস্তুত কৰোঁতে ছাত্র-ছাত্রীৰ বয়সৰ স্তৰ আৰু নির্ধাৰিত সময়ৰ পৰিমাণো স্পষ্টকৈ উল্লেখ থাকিব লাগে।
- বিভিন্ন ধৰণৰ অনুশীলনী ছাত্র-ছাত্রীক কৰিবলৈ দি আৰু মূল্যায়ন পদ্ধতিৰ দ্বাৰা নির্ণয় কৰিব পৰা কথাটো স্পষ্টভাৱে উল্লেখ কৰিব লাগে।
- সর্বশেষত এটা উত্তম পাঠ পৰিকল্পনা কৰিবলৈ হ'লে, তাত উপযুক্ত সমালোচনাৰ ব্যৱস্থা থাকিব লাগিব যাতে শিক্ষকজনৰ সহকর্মীসকলে তেওঁৰ পাঠ প্রদর্শন কৰোঁতে দেখা পোৱা সবল আৰু দুর্বল দিশসমূহ লিখি যাব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ পাঠ পৰিকল্পনাৰ এটা গুৰুত্ব বা তাৎপর্য্য লিখক ।

.....

.....

প্রশ্ন নং ৪ঃ পাঠ পৰিকল্পনাৰ অত্যাৱশ্যকীয় গুণসমূহ কি কি ?

.....

.....



চিন্তা চর্চা কৰক ৬.২

এনে দুটা দিশ উল্লেখ কৰা যিয়ে উত্তম পাঠ পৰিকল্পনাতো সহায় কৰিব আৰু তাৰ জৰিয়তে সফল শিকণো সম্ভৱ হ'ব।

.....

.....

৬.৬ পাঠৰ শ্রেণীবিভাগ (CLASSIFICATION OF LESSONS)

শৈক্ষিক আৰু মনোবৈজ্ঞানিক গৱেষণাৰ পৰা পোৱা গৈছে যে সকলো পাঠেই তিনিটা সজ্ঞান দিশত প্রতিষ্ঠিত, যেনে— জ্ঞানমূলক, ক্রিয়ামূলক আৰু অনুভূতিমূলক। এই তিনিওটা দিশৰ ওপৰত ভিত্তি কৰিয়েই আমি পাঠ পৰিকল্পনাক তিনিটা প্রকাৰত ভাগ কৰিব পাৰো। যেনে— জ্ঞানমূলক পাঠ, কৌশল পাঠ, প্রশংসা পাঠ।

- **জ্ঞানমূলক পাঠ (Knowledge Lesson)**

  যিবোৰ বিষয়ৰ পাঠদান কৰোতে জ্ঞানমূলক দিশৰ ওপৰত সর্বাধিক গুৰুত্ব আৰোপ কৰা হয়, সেইবোৰক জ্ঞানমূলক পাঠ বুলি কোৱা হয়। অন্য অর্থত এনে পাঠে শিক্ষণীয় বিষয়বস্তুটো

উপস্থাপন কৰাত সমস্ত গুৰুত্ব আৰোপ কৰে, যেনে— বুৰঞ্জী, বিজ্ঞান, ভূগোল আদি বিষয়বস্তুবোৰ এনে জ্ঞানমূলক পাঠৰ ভিতৰত পৰে।

- **প্ৰশংসাৰ পাঠ (Appreciation Lesson)**

  এনেবোৰ পাঠে শিক্ষার্থীৰ মানসিক কার্যকলাপৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়ে। শিক্ষার্থীৰ সৌন্দর্য্যাত্মক অনুভূতি বিকশিতকৰণেই ইয়াৰ মূল উদ্দেশ্য। উদাহৰণ স্বৰূপে, সংগীত কলা ইত্যাদি বিষয়বোৰৰ কথা উল্লেখ কৰিব পাৰি।

- **কৌশল পাঠ (Skill Lesson)**

  এই পাঠটোত শিক্ষার্থীৰ মানসিক কার্যকলাপৰ ক্রিয়াত্মক দিশটো সক্রিয় হৈ থাকে। কৌশলমূলক পাঠত শিক্ষার্থীয়ে এটা নির্দিষ্ট কৌশল আহৰণৰ বাবে নির্দিষ্ট ধৰণৰ কার্য সম্পাদন কৰিব লাগে। উদাহৰণ স্বৰূপে চিত্রাংকন, হস্তশিল্প, নক্সা তৈয়াৰ কৰা আদি বিষয়বোৰ এনে কৌশল পাঠৰ অন্তর্ভুক্ত।

৬.৭ পাঠ পৰিকল্পনাৰ চানেকী (APPROACHES TO LESSON PLANNING)

পাঠ পৰিকল্পনা এটা প্রস্তুত কৰিবলৈ হ'লে, আমি কেনেধৰণে আৰম্ভণিৰ পৰা সমাপ্তিলৈকে পাঠ পৰিকল্পনা কৰিব লাগে এই সম্পর্কে বিভিন্ন সময়ত বিভিন্ন শিক্ষাবিদে বিভিন্ন পর্যায়ৰ কথা উল্লেখ কৰি আহিছে। তাৰ ভিতৰত হার্বাটিয়ান পাঁচটা স্তৰৰ পদ্ধতি, ডিউই আৰু কিলপেট্রিক্‌ছ পদ্ধতি, মৰিছনৰ গোট পদ্ধতি, আমেৰিকাৰ পদ্ধতি, ব্রিটিছ পদ্ধতি আৰু ভাৰতীয় পদ্ধতি ইত্যাদি। এই আটাইবোৰৰ ভিতৰত হার্বাটিয়ান পাঁচটা স্তৰৰ পদ্ধতিটোহে পাঠ পৰিকল্পনাৰ আৰ্হি হিচাপে ব্যৱহাৰ কৰা হ'ব। তলত হার্বাটিয়ান স্তৰৰ বিষয়ে উল্লেখ কৰা হ'ল—

৬.৭.১ হার্বাটিয়ান পাঁচটা স্তৰৰ চানেকী বা পদ্ধতি (The Herbartian Five Steps Approach)

পাঠ পৰিকল্পনাৰ অনুসৰণ কৰিবলগীয়া আটাইতকৈ জনপ্রিয় পদ্ধতিটো হ'ল 'হার্বাটিয়ান' পদ্ধতি। হার্বাচিয়ান পদ্ধতি বা পাঁচটা স্তৰৰ পদ্ধতিৰ উদ্ভাৱক হ'ল জে এফ হার্বার্ট (J. F. Herbart, 1770-1841) বর্তমান সময়ত এই পদ্ধতিটোৱেই আটাইতকৈ জনপ্রিয়। প্রথমতে চাৰিটা স্তৰৰ কথা হার্বার্টে উল্লেখ কৰিছিল। যেনে— স্পষ্টতা, অনুষংগ, প্রণালী, পদ্ধতি। কিন্তু তেওঁৰ অনুগামীসকলে সংশোধন কৰি এইকেইটাৰ নাম দিছিল— প্রস্তুতি (Preparation), উপস্থাপন (Presentation), বিমূর্ত (Abstract) আৰু প্রয়োগ (Applications)। এইটো পৰৱর্তী সময়ত সংশোধন কৰি পাঁচটা স্তৰলৈ পৰিৱর্তন কৰিছে। সেইকেইটা হ'ল— প্রস্তুতি,

উপস্থাপন, সংযোগ আৰু তুলনা, সাধাৰণীকৰণ আৰু প্ৰয়োগ।

- **প্ৰস্তুতি (Preparation)**

এইটো আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰাথমিক পৰ্যায়, য'ত শিক্ষকে শিক্ষাৰ্থীক শিক্ষা আহৰণৰ পূৰ্বে নতুন পাঠ আহৰণৰ বাবে মানসিকভাৱে প্ৰস্তুত কৰি ল'ব লাগে। গতিকে পাঠ পৰিকল্পনা প্ৰস্তুত কৰাৰ কথাটো সম্পূৰ্ণকৈ নিৰ্ভৰ কৰে শিক্ষকে ছাত্ৰ-ছাত্ৰীক ভালদৰে বুজি লোৱা কথাটোৰ ওপৰত। অন্য অৰ্থত উত্তম প্ৰস্তুতি আৰম্ভ কৰিবলৈ হ'লে প্ৰথমেই আমি ছাত্ৰ-ছাত্ৰীৰ বোধগম্যতাৰ ওপৰত সবিশেষ জ্ঞান থাকিব লাগিব। উত্তম শিকোৱা কাৰ্যৰ দুটা মুখ্য বৈশিষ্ট্য হ'ল ছাত্ৰসকলৰ জ্ঞানৰ পৰিধি কিমান আৰু জ্ঞান আহৰণৰ বাবে কি ধৰণে আগ্ৰহী এই দিশ দুটা শিক্ষকে পাঠ প্ৰস্তুত কৰোঁতে মনত ৰাখিব লাগে। শিক্ষকৰ ওপৰত প্ৰস্তুতিৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ভূমিকাও অতি দৰকাৰী। প্ৰস্তুতি স্তৰত তলত উল্লেখ কৰা দিশকেইটাৰ কথা মন কৰিব লাগিবঃ

- এই স্তৰত কৌতূহলতা সৃষ্টি কৰা উচিত,
- প্ৰস্তুতি স্তৰত নতুন জ্ঞান প্ৰদান কৰা অনুচিত, আৰু
- যিমান সম্ভৱ কম সময় ব্যয় কৰিব লাগে আৰু চমু কৰিব লাগে।

- **উপস্থাপন (Presentation)**

পাঠ পৰিকল্পনাৰ দ্বিতীয় স্তৰটো হ'ল উপস্থাপন। ইয়াত শিক্ষকে পাঠ ঘোষণা আৰু তাৰ লক্ষ্য স্পষ্টকৈ ছাত্ৰ-ছাত্ৰীক জনাই দিয়াৰ পিছত শিক্ষকে তেতিয়া নানা কৌশলেৰে শিক্ষাৰ্থীৰ মন শিক্ষা গ্ৰহণৰ বাবে সাজু কৰি ল'বলৈ সক্ষম হোৱা বুলি ভাবিব তেতিয়াই তেওঁ নতুন পাঠ ঘোষণা কৰিব। আৰু তাৰ পিছত পাঠ পৰিকল্পনাৰ বাবে সাজু কৰি থৈ দিয়া পাঠৰ বিভিন্ন অংশ পৰিপাটিকৈ শ্ৰেণীকক্ষত বুজাই দিব। আৱশ্যকমতে এই স্তৰত শিক্ষকৰ সকলো প্ৰকাৰৰ শিক্ষণীয় সঁজুলি শিক্ষাৰ্থীক মনোগ্ৰাহী হোৱাকৈ ব্যৱহাৰ কৰিব লাগে। এইটো স্তৰতেই শিক্ষকে পাঠটো ছাত্ৰ-ছাত্ৰীক ব্যাখ্যা কৰি দিব, প্ৰশ্ন সুধিব, নিৰ্দেশনা দিব ইত্যাদি। প্ৰস্তুতি স্তৰৰ নিচিনাকৈ এই স্তৰটোৰেও নিম্নলিখিত দিশসমূহ সামৰি লয়।

(ক) নিৰ্বাচন আৰু বিভাজন নীতি (Principle of Selection and Division)

বিষয়বস্তুৰ উপাদান বা সামগ্ৰীসমূহ খুব সতৰ্কতাৰে নিৰ্বাচন কৰিব লাগে আৰু বিভিন্ন ভাগত ভাগ কৰি ল'ব লাগে। সৰল ভাষাত মুক্তভাৱে প্ৰকাশ কৰিব লাগে আৰু ছাত্ৰ-ছাত্ৰীয়ে কিমান দূৰ আয়ত্ত কৰিব পাৰিছে তাক জানিবলৈ চেষ্টা কৰিব লাগে।

(খ) অনুক্ৰমৰ নীতি (Principle of Successive Sequence)

পাঠ এটা প্ৰস্তুত কৰাৰ সময়ত পাঠৰ বিভিন্ন ভাগ সু-সম্পৰ্কিত আৰু উপযুক্ত

ক্ৰমত সজোৱা উচিত আৰু শিক্ষকজনে এইটো কথা মনত ৰখা উচিত যাতে শিক্ষার্থীৰ আগত উপস্থাপন কৰাৰ আগতে শিক্ষকজনৰ বিষয়টোৰ জ্ঞান স্পষ্ট হোৱা উচিত।

(গ) নিৰিষ্টকৰণ আৰু সংহতিৰ নীতি (Principle of Absorption and Integration)

যদিও পাঠবিলাক বিভিন্ন ভাগ আৰু অংশত ভাগ কৰা হয় তথাপিও কিন্তু শেষত পাঠৰ অংশবিলাক সংমিশ্রণ কৰি সম্পূর্ণ পাঠৰ জ্ঞান শিক্ষার্থীক দান কৰিব লাগে।

(ঘ) স্থিৰ আৰু সংশোধন নীতি (Principle of Revision and Fixation)

গোটসমূহ মাজে-সময়ে শিক্ষকে সংশোধন কৰিব পাৰে যাতে শিক্ষার্থীসকলে আহৰণ কৰা নতুন জ্ঞানসমূহ মনত স্থিৰ হৈ ৰয়।

- **সংযোগ আৰু তুলনা (Association and Comparison)**

ছাত্র-ছাত্রীসকলে নতুন জ্ঞান আহৰণ কৰা প্রক্রিয়াটো হ'ল আটাইতকৈ জটিল স্তৰ। নতুন জ্ঞানসমূহ এনেদৰে উপস্থাপন কৰিব লাগে যাতে পূর্ব জ্ঞানৰ লগত সংযোগ স্থাপন কৰিব পাৰে। শিক্ষার্থীসকলক নতুন বিষয় শিকোৱাৰ পিছত পূর্বৰ বিষয়ৰ লগত এই জ্ঞানৰ তুলনা কৰিবলৈ কোৱা হয়। ইয়াৰ দ্বাৰাই পুৰণি আৰু নতুনৰ মাজত সম্পর্ক গঢ়ি উঠে। এই স্তৰটো আগমনাত্মক পাঠবিলাকৰ ক্ষেত্রত বেছি গুৰুত্বপূর্ণ, যেনে— ব্যাকৰণ, গণিতৰ সূত্র ইত্যাদি।

- **সাধাৰণীকৰণ (Generalization)**

এই স্তৰত শিক্ষকে শিক্ষার্থীক পাঠদান কৰি পাঠৰ বিষয়বস্তু সম্পর্কে কোনো এক সিদ্ধান্তত উপনীত হয়। ছাত্র-ছাত্রীসকলৰ মনত সংগঠিত পুৰণি ধাৰণা আৰু জ্ঞানৰ লগত নতুন ধাৰণা আৰু জ্ঞানৰ সমাহাৰ ঘটোৱা হয় আৰু জ্ঞানৰ সাধাৰণীকৰণৰ দিশলৈ আগবঢ়াই নিয়া হয়। শিক্ষকে এই স্তৰত শিক্ষার্থীক বিষয়বস্তুটো ভালকৈ বুজি নিজে প্রকাশ কৰিবলৈ সমর্থ কৰায়। ৰাইবার্নৰ মতে— "ছাত্র-ছাত্রীসকল নিজে সিদ্ধান্তত উপনীত হ'বলৈ দিয়াৰ পৰিৱর্তে যদি শিক্ষকে নিজে কিছুমান আগতে প্রস্তুত কৰা সিদ্ধান্ত দি দিয়ে, তাক বেয়া শিক্ষণ বুলি কোৱা হয়।"

- **প্রয়োগ (Application)**

পাঠ পৰিকল্পনাৰ অন্তিম স্তৰটো হ'ল প্রয়োগ। এই স্তৰত পাঠটোৰ পৰা শিকা নতুন জ্ঞান বাস্তৱ পৰিৱেশত ছাত্র-ছাত্রীসকলক প্রয়োগ কৰিবলৈ দিব লাগে। নতুনকৈ

আহৰণ কৰা জ্ঞানসমূহ নতুন পৰিৱেশত প্ৰয়োগ কৰিলেহে তেওঁলোকৰ শিকা কথাবোৰ ভালদৰে মনত থাকিব আৰু শিকা কাৰ্য ফলপ্ৰসূ হ'ব।

প্ৰয়োগ স্তৰৰ প্ৰকাৰসমূহ তলত উল্লেখ কৰা হ'ল—

(i) সমস্যা সমাধান

(ii) ৰচনা লিখন

(iii) মানচিত্ৰ, আৰ্হি অংকন, লেখ প্ৰস্তুতকৰণ ইত্যাদি।

- **সাৰাংশ স্মৰণ (Recapitulation)**

  সাৰাংশ স্মৰণৰ প্ৰকৃততে অৰ্থ হ'ল জ্ঞান আহৰণ কৰা বিষয়সমূহৰ পূৰ্ণ বিচাৰ আৰু পুনৰাবৃত্তি কৰাকে নিৰ্দেশ কৰে। প্ৰত্যেকটো পাঠ শেষ হোৱাৰ পিছত মুখ্য দিশসমূহ পুনৰাবৃত্তিৰ জৰিয়তে ব্যাখ্যা কৰি দিয়া হয়।

হাৰ্বাটিয়ান স্তৰৰ সুবিধাসমূহ হ'ল—

- ইয়াৰ জৰিয়তে অনাৱশ্যকীয় পুনৰাবৃত্তি বন্ধ হয় আৰু শিক্ষকক পাঠৰ বিষয়বস্তু প্ৰণালীবদ্ধভাৱে প্ৰদান কৰাত সহায় কৰে।
- ইয়ে শিকণ কাৰ্যৰ আগমনাত্মক আৰু নিগমনাত্মক পদ্ধতি প্ৰয়োগ কৰে। ই শিক্ষণ প্ৰক্ৰিয়াৰ বিশ্লেষণৰ ওপৰত প্ৰতিষ্ঠিত।
- এই পদ্ধতিত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণীয় বিষয়বস্তুৰ লগত সংলগ্ন পূৰ্ব জ্ঞানৰ আভাস লৈ নতুন জ্ঞান প্ৰদান কৰাৰ ক্ষেত্ৰত সহায় কৰে। ইয়াৰ ফলত তেওঁলোকৰ আত্মবিশ্বাস তথা আত্মোপলব্ধি সবল কৰি তোলে আৰু দৰকাৰী শিক্ষণীয় বিষয়বস্তুৰ গঠন (framework) যোগান ধৰে।

পাঁচটা স্তৰ পদ্ধতিৰ অসুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

- এই পদ্ধতিটো কেৱল মাত্ৰ জ্ঞানমূলক পাঠৰ বাবেহে উপযোগী, কৌশলগত আৰু প্ৰশংসামূলক পাঠৰ বাবে উপযোগী নহয়।
- এই পদ্ধতিয়ে শিক্ষা আহৰণতকৈ (learning) শিক্ষাদান (teaching) প্ৰক্ৰিয়াৰ ওপৰতহে সৰ্বাধিক গুৰুত্ব আৰোপ কৰে।
- এই পদ্ধতিটো সম্পূৰ্ণ অনমনীয়, পৰিৱৰ্তনশীল পৰিস্থিতিৰ লগত প্ৰযোজ্য নহয়।
- উপস্থাপন কৰাৰ বেলিকা, ছাত্ৰ-ছাত্ৰীৰ কাৰ্যক্ষেত্ৰত কোনো সক্ৰিয় ভূমিকাই নাথাকে হাৰ্বাটিয়ান পদ্ধতিত। শিক্ষাৰ্থীক নিষ্ক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ বাধ্য কৰায়।
- সংযোগ আৰু তুলনা স্তৰটো হাৰ্বাৰ্টৰ উপস্থাপন স্তৰটোৰ পৰা দৃষ্টিগোচৰ হয়।
- উক্ত পদ্ধতিৰে শিক্ষাদান কৰিলে শিক্ষকৰ পাঠদান স্বাধীনতা হ্ৰাস পায় আৰু সকলোবোৰ পাঠ একে ঠাঁচতে শিকোৱা হয়।

৬.৭.২ গ্লোভাৰৰ পদ্ধতি বা দৃষ্টিভংগী (Glover's Approach)

সেয়েহে হার্বাটিয়ান পদ্ধতিৰ অসুবিধাসমূহ দূৰ কৰিবলৈ, A. H. T. Glover-এ তেওঁৰ গ্ৰন্থ 'New Teaching for a New Age'-ত স্তৰসমূহক চাৰিটা ভাগত ভাগ কৰিছে ঃ-

(ক) প্ৰশ্ন সোধা (Questioning)

(খ) আলোচনা (Discussion)

(গ) অনুসন্ধান (Investigation)

(ঘ) শিক্ষার্থীৰ কার্য্য (Pupil-Activity)

- **প্ৰশ্ন সোধা (Questioning)**

কিছুমান কৌশলগত প্ৰশ্নৰ সহায়ত শিক্ষকে পাঠৰ আৰম্ভণি কৰে। শিকা প্ৰক্ৰিয়াত জড়িত কৰিবলৈ শিক্ষকে শিক্ষার্থীক প্ৰশ্ন সুধিবলৈ উৎসাহিত কৰিব লাগে।

- **আলোচনা (Discussion)**

বিভিন্ন ধৰণৰ প্ৰশ্ন সোধাৰ পিছত আলোচনা কার্য সফল কৰিবলৈ শিক্ষকে ছাত্ৰসকলক একোটা সৰু সৰু গোটত ভাগ কৰাৰ দৰকাৰ আৰু আলোচনাৰ জৰিয়তে অপ্ৰাসংগিক বিষয়সমূহ বাদ দি মূলদিশবিলাক আলোচনা কৰিব লাগে। শিক্ষার্থীসকলক সর্বশেষত নিজৰ মতামত প্ৰকাশ কৰাৰ বাবে সম্পূর্ণ স্বাধীনতা দিব লাগে।

- **অনুসন্ধান (Investigation)**

আলোচনাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে দল কিছুমানত ভাগ হৈ অনুসন্ধান ব্যক্তিগত দলতো কৰিব পাৰে। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক আৱশ্যকমতে তথ্য যোগান ধৰিব পাৰে।

- **শিক্ষার্থীৰ কার্য্য (Pupil-activity)**

পূর্ব আঁচনিৰ শেষ স্তৰ হ'ল শিক্ষার্থীৰ কার্য্য। এই স্তৰটোৱে মৌখিক, লিখিত দৃশ্যমান বা ছাত্ৰ-ছাত্ৰীৰ মূর্ত কার্যবিলাককে সামৰি লয়। গ্লোভাৰৰ মতে, এই স্তৰক আকৌ চাৰিটা ভাগত ভগাব পাৰি— নিষ্ক্ৰিয়, সক্ৰিয়, সৃষ্টিমূলক আৰু সংগঠনমূলক। নিষ্ক্ৰিয় কার্যৰ স্তৰত পর্যবেক্ষণ, বিশ্লেষণ, শুনা ইত্যাদি কার্য্য। আনহাতে সক্ৰিয় কার্যৰ ভিতৰত— হাতেৰে কৰা কাম, ছবি আঁকা, উল গোঁঠা ইত্যাদি। সৃষ্টিমূলক বা কলাসুলভ কার্যৰ ভিতৰত সংগীত, নৃত্য, গীত, অভিনয় ইত্যাদি। আকৌ সংগঠনমূলক কার্যই ব্যক্তিগত বা দলগত সংগঠনক সামৰি লয়।

গ্লোভাৰৰ পদ্ধতিৰ এটা মুখ্য সুবিধা হ'ল যে শিক্ষণ-শিকণ প্ৰক্ৰিয়াত শিক্ষক-শিক্ষাৰ্থী উভয়েই সক্ৰিয় অংশগ্ৰহণ কৰিব লাগে, যিটো হাৰ্বাটিয়ান পদ্ধতিত কিন্তু শিক্ষাৰ্থীসকল নিষ্ক্ৰিয় হৈ থাকিলেও একো কথা নাছিল। কিন্তু গ্লোভাৰৰ (Glover) পদ্ধতিত এটা আটাইতকৈ গুৰুত্বপূৰ্ণ অসুবিধা হ'ল— ইয়াত সৰু ল'ৰা-ছোৱালীবোৰে সীমিত জ্ঞানেৰে শিক্ষণ-শিকণ প্ৰক্ৰিয়াত সমানে অংশগ্ৰহণ কৰিব নোৱাৰে।



জানি থোৱা ভাল

- শৈক্ষিক আৰু মনোবৈজ্ঞানিক গৱেষণাৰ পৰা পোৱা গৈছে যে সকলো পাঠ তিনিটা সজ্ঞান দিশৰ ওপৰত প্ৰতিষ্ঠিত, যেনে— জ্ঞানমূলক, ক্ৰিয়ামূলক আৰু অনুভূতিমূলক।
- এই তিনিওটা দিশৰ ওপৰত ভিত্তি কৰি আমি পাঠ পৰিকল্পনা তিনিটা ভাগত ভগাব পাৰো— জ্ঞানমূলক পাঠ, কৌশল পাঠ আৰু প্ৰশংসাৰ পাঠ।
- পাঠ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ হ'লে বিভিন্ন শিক্ষাবিদে বিভিন্ন দিশৰ পৰা শিক্ষানীতি আৰু মূল ধাৰণাৰ ওপৰত গুৰুত্ব দিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ সজ্ঞানতাৰ কোনবোৰ দিশৰ ওপৰত ভিত্তি কৰি পাঠবোৰ ভগোৱা হয় ?

.....

.....

প্ৰশ্ন নং ৬ ঃ হাৰ্বাটিয়ান পাঁচটা দিশৰ পাঁচটা স্তৰ কি কি ?

.....

.....



৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

শৈক্ষিক প্ৰক্ৰিয়াবিলাকত, পদ্ধতি, শিক্ষণ, শিকণ, পাঠ পৰিকল্পনা ইত্যাদি সংমিশ্ৰিত ধাৰণা। পাঠ পৰিকল্পনাই শিক্ষণ-শিকণত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু শিক্ষণ-শিকণ হ'ল শিক্ষাৰ এটা অত্যাৱশ্যকীয় অংশ। শিক্ষাৰ উদ্দেশ্যই হ'ল শিশুসকলৰ মাজত আৱশ্যকীয় আচৰণসমূহৰ বিকাশ সাধন কৰা। লক্ষ্য বা উদ্দেশ্যইহে সদায় আচৰণ নিৰ্দেশ দিয়ে। লক্ষ্য নিৰ্ধাৰণ হোৱাৰ পিছত বিষয়বস্তুসমূহ স্থিৰ কৰা হয় যিটো উপায়েৰে লক্ষ্য নিৰ্ধাৰণ কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত বক্তৃতা প্ৰদান কৰিবলৈ যোৱাৰ আগমুহূৰ্তত শিক্ষকজনে পাঠটোৰ পৰিকল্পনা কৰি লোৱা উচিত আৰু সেয়েহে পাঠ পৰিকল্পনাক নক্সা বুলিও কোৱা হয়।

শৈক্ষিক প্ৰক্ৰিয়াত শিকণ হ'ল শিক্ষাৰে এক দৰকাৰী অংশ আৰু উত্তম শিকণৰ বাবে পাঠ পৰিকল্পনা হ'ল অত্যাৱশ্যকীয় চৰ্ত। পাঠ পৰিকল্পনাৰ মূল ধাৰণা হ'ল এক কাৰ্যৰ পৰিকল্পনা বা পাঠৰ নক্সা। শিকণৰ মূল উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সম্ভাৱনীয়তা অনুসাৰে কাৰ্যক্ষেত্ৰত অংশগ্ৰহণ কৰিবলৈ দিব লাগে। বিভিন্ন শিক্ষাবিদে বিভিন্ন সময়ত দিয়া বিভিন্ন সংজ্ঞাবিলাকৰ পৰা এইটো স্পষ্ট হয় যে উত্তম শিকণত পাঠ পৰিকল্পনাই এক সক্ৰিয় ভূমিকা গ্ৰহণ কৰে।

পাঠ পৰিকল্পনাৰ গুৰুত্ব সম্পৰ্কত ক'ব পাৰি যে পাঠ পৰিকল্পনাই শিক্ষনীয় বিষয়বস্তুক পদ্ধতিগত, শৃংখলাবদ্ধ আৰু মিতব্যয়ী কৰি তোলে। উত্তম পাঠ পৰিকল্পনা প্ৰস্তুত কৰোঁতে এজন শিক্ষকে যি বিষয়ৰ পাঠ পৰিকল্পনা কৰিব সেই বিষয়ৰ ওপৰত গভীৰ জ্ঞান থকা বাঞ্ছনীয়। শ্ৰেণীকোঠাত শিক্ষকে পাঠদান কৰোঁতে তেওঁ পাঠৰ লগত সংগতি থকা সঁজুলি প্ৰয়োগ কৰা উচিত। তদুপৰি শিক্ষকে শিশু মনস্তত্ত্বৰ জ্ঞান সম্পৰ্কে বুজ ল'ব লাগিব আৰু ব্যক্তি বিভিন্নতাৰ ওপৰত গুৰুত্ব দি পাঠ প্ৰদান কৰিব লাগিব।

শৈক্ষিক আৰু মনোবৈজ্ঞানিক গৱেষণাসমূহৰ পৰা পোৱা গৈছে যে সকলোবোৰ পাঠ তিনিটা সজ্ঞান দিশত প্ৰতিষ্ঠিত। যেনে— জ্ঞানমূলক পাঠ, কৌশল পাঠ আৰু প্ৰশংসাৰ পাঠ। শিক্ষাৰ্থীক শিকাবলগীয়া বিষয়বস্তুৰ পৰিকল্পনা কৰোঁতে বিভিন্ন সময়ত বিভিন্ন শিক্ষাবিদে বিভিন্ন পৰ্যায়ৰ কথা উল্লেখ কৰি আহিছে। এই সন্দৰ্ভত বিভিন্ন ধৰণৰ পদ্ধতি উল্লেখযোগ্য, যেনে— হাৰ্বাটিয়ান পাঁচটা স্তৰৰ পদ্ধতি, ডিউ আৰু কিলপেট্ৰিক্‌ছ পদ্ধতি, মৰিছনৰ গোট পদ্ধতি, আমেৰিকাৰ পদ্ধতি, ব্ৰিটিছ পদ্ধতি আৰু ভাৰতীয় পদ্ধতি ইত্যাদি। পাঠ পৰিকল্পনাত এই পদ্ধতিসমূহৰ বিশেষ গুৰুত্ব আছে।



৬.৯ অধিক জানিবলৈ

১) ডেকা, ডঃ বীৰেন্দ্ৰ, *স্নাতক মহলাৰ শিক্ষা প্ৰযুক্তি বিদ্যা আৰু শিক্ষণ প্ৰণালী*, অসম বুক ডিপো, পাণবজাৰ, গুৱাহাটী-১



৬.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ পৰিকল্পনাৰ এটাৰ মূল অৰ্থ হ'ল প্ৰকৃততে এক কাৰ্যৰ পৰিকল্পনা কৰা বা পাঠ এটাৰ নক্সা তৈয়াৰ কৰা। পাঠ পৰিকল্পনা হৈছে উত্তম শিকণৰ মূল চাবিকাঠি। শিক্ষকজনে পাঠ পৰিকল্পনাৰ আকাৰত পাঠৰ সকলো উপাদান সন্নিৱিষ্ট কৰিব লাগে। পাঠ পৰিকল্পনা সতৰ্কভাৱে কৰা এক কাৰ্য্যৰ পৰিকল্পনাৰ বাহিৰে একো নহয়। শিক্ষক বা শিক্ষয়িত্ৰীয়ে শ্ৰেণীকোঠাত সোমোৱাৰ পৰা আৰম্ভ কৰি পাঠদান শেষ কৰালৈকে গোটেই সময়খিনি শিক্ষাৰ্থীসকলক কি শিকাব, কি কি শিক্ষণ সঁজুলিৰ ব্যৱস্থা কৰিব, শিক্ষাৰ্থীসকলক কেনেকৈ অভিৰোচিত কৰিব, কি কি কৌশল ব্যৱহাৰ কৰিব ইত্যাদিৰ বিষয়ে আগতীয়াকৈ আঁচনি প্ৰস্তুত কৰিব লাগে। সেয়েহে পাঠ পৰিকল্পনাৰ অৰ্থ হ'ল নিৰ্দিষ্ট সময়ৰ ভিতৰত শিকাবলগীয়া নিৰ্দিষ্ট বিষয়সমূহ সম্পূৰ্ণ কৰিব লাগে। যিটো প্ৰত্যেক অনুষ্ঠানতে বেলেগে বেলেগ হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ পৰিকল্পনাৰ দুটা সংজ্ঞা হ'ল ঃ-

Laster. B. Sandsৰ ভাষাত— "পাঠ পৰিকল্পনা হ'ল প্ৰকৃততে এক কাৰ্যৰ পৰিকল্পনাহে। পাঠ পৰিকল্পনা সেয়েহে শিক্ষকজনৰ কৰ্মৰ দৰ্শন। তেওঁৰ দৰ্শনৰ প্ৰতি জ্ঞান, ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বোধগম্যতা, তেওঁ শিকিবলগীয়া বিষয়বস্তুৰ জ্ঞান, তেওঁ কি পদ্ধতিত পঢ়ালে ছাত্ৰ-ছাত্ৰীয়ে বেছি লাভৱান হ'ব ইত্যাদি বিষয়বোৰ সাঙুৰি লয়।"

Bagleyৰ মতে— "যিয়েই নহওক সামৰ্থ্য আৰু অভিজ্ঞতা থকা শিক্ষক হ'লেও তেওঁৰ কেতিয়াও পূৰ্ব প্ৰাথমিক প্ৰস্তুতি নাথাকিলে তেওঁ একো কৰিব নোৱাৰে।"

৩নং প্ৰশ্নৰ উত্তৰ ঃ

- পাঠ পৰিকল্পনাৰ জৰিয়তে শিক্ষক এজনে শিকণীয় উদ্দেশ্য পূৰ কৰিব পাৰে।
- পাঠ পৰিকল্পনাই শিক্ষনীয় বিষয়বস্তুক শিকাওঁতে শৃংখলাবদ্ধ আৰু সুসংগঠিতভাৱে শিকোৱাত শিক্ষকক সহায় কৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ

- পাঠ পৰিকল্পনা কৰাৰ সময়ত শিক্ষকজনৰ বিষয়বস্তুৰ ওপৰত গভীৰ জ্ঞান থাকিব লাগিব।
- পাঠ পৰিকল্পনা প্ৰস্তুত কৰোঁতে সদায় লিখিত আকাৰত কৰিব লাগে যাতে শিক্ষকজনে সকলো স্তৰতে শৃংখলাবদ্ধভাৱে শিক্ষনীয় বিষয়বস্তু আঁচনিৰ অন্তৰ্ভুক্ত কৰিব পাৰে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ সকলোবোৰ পাঠ তিনিটা সজ্ঞান দিশত প্ৰতিষ্ঠিত, যেনে— জ্ঞানমূলক পাঠ, কৌশল পাঠ আৰু প্ৰশংসাৰ পাঠ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ হাৰ্বাটিয়ান পাঁচটা স্তৰৰ নাম কেইটা হ'ল— প্ৰস্তুতি, উপস্থাপন, সংযোগ আৰু তুলনা, সাধাৰণীকৰণ আৰু প্ৰয়োগ।



৬.১১ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন১ঃ পাঠ পৰিকল্পনাৰ কিছুমান গুৰুত্ব উল্লেখ কৰক।

প্ৰশ্ন২ঃ পাঠ পৰিকল্পনাৰ কিছুমান অত্যাৱশ্যকীয় গুণ লিখক।

প্ৰশ্ন৩ঃ হাৰ্বাটিয়ান পাঁচটা স্তৰৰ সুবিধা আৰু অসুবিধাসমূহ কি কি?

প্ৰশ্ন৪ঃ সজ্ঞানতাৰ কোনবোৰ দিশৰ ওপৰত ভিত্তি কৰি পাঠবোৰ ভগোৱা হয় সংজ্ঞা লিখক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন১ঃ হাৰ্বাটিয়ান পাঁচটা স্তৰৰ উপস্থাপনসমূহৰ লগত জড়িত নীতিসমূহ কি কি?

প্ৰশ্ন২ঃ হাৰ্বাটিয়ান দিশৰ বাহিৰেও পাঠ পৰিকল্পনাৰ অন্যান্য কিছুমান পদ্ধতি লিখক।

****

অধ্যায় - ৭ ঃ সংগঠন (ORGANISATION)

অধ্যায় গাঁথনি

৭ .১ উদ্দেশ্য
৭ .২ পৰিচয়
৭ .৩ সংগঠনৰ অর্থ আৰু সংজ্ঞা
৭.৩.১ শৈক্ষিক সংগঠন
৭ .৪ শৈক্ষিক সংগঠনৰ কার্যাৱলীসমূহ
৭ .৫ সাংগঠনিক কার্যকলাপৰ উন্নীতকৰণ
৭.৫.১ সাংগঠনিক পৰিবেশৰ ধাৰণা
৭.৫.২ সাংগঠনিক ক্ষমতাৰ উন্নীতকৰণ বা শক্তিশালী কৰণৰ দায়বদ্ধ উপাদান সমূহ
৭ .৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭ .৭ অধিক জানিবলৈ
৭ .৮ অগ্রগতিৰ খতিয়ান
৭ .৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনিঃ

- সংগঠনৰ সংজ্ঞা আৰু অর্থৰ বিষয়ে জানিব পাৰিব
- শৈক্ষিক সংগঠনৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- শৈক্ষিক সংগঠনৰ কার্য্যাৱলীসমূহৰ ওপৰত আলোচনা কৰিব পাৰিব
- শৈক্ষিক সংগঠনৰ পৰিবেশৰ ধাৰণা আৰু সাংগঠনিক যথার্থতা উন্নীতকৰণৰ বাবে দায়বদ্ধ উপাদানসমূহ চিনাক্ত কৰিব পাৰিব।

৭.২ পৰিচয়

মানুহ সামাজিক জীৱ। মানুহে সদায় দলবদ্ধ হৈ সমাজত বাস কৰিবলৈ ভাল পায়। আদিম অৱস্থাত দলবদ্ধ মানুহৰ কার্য্যাৱলীসমূহ বৰ সহজ সৰল আছিল। তেওঁলোকে কৰা কার্য্যসমূহৰ ভিতৰত খাদ্য আহৰণ কৰা, জন্তু চিকাৰ, নিজক বিপদমুক্ত কৰি ৰাখিবলৈ অন্য ঠাইলৈ প্রবজন কৰা আদিয়েই প্রধান আছিল।

সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে দলবোৰৰ কার্য্যসমুহবো দ্রুত পৰিবৰ্ত্তন ঘটিবলৈ ধৰা পৰিলক্ষিত হয়। বিভিন্ন কার্য্যৰ লক্ষ্যত উপনীত হবৰ বাবে দলৰ সদস্যবোৰৰ মাজত সহযোগিতাৰ প্রয়োজনীয়তা আহি পৰিল। বাঞ্ছিত লক্ষ্য পূৰণৰ বাবে তেওঁলোকৰ মাজত কিছুমান পদ্ধতিৰ প্রচলন হ'ল। দলবোৰৰ সদস্যসকলৰ মাজত সহযোগিতা আনিবৰ বাবে যি পদ্ধতিৰ প্রচলন হ'ল সেয়া সংগঠন বুলি জনা গ'ল। এই অধ্যায়ত সংগঠনৰ অর্থ, শৈক্ষিক সংগঠনৰ ধাৰণা আৰু ইয়াৰ কার্য্যাৱলী আদি আলোচনা কৰা হ'ব, লগতে সাংগঠনিক গঠনৰ যথার্থত অনাৰ বাবে সম্ভাব্য ফলপ্রসু উপায়সমূহৰ বিষয়ে স্পষ্ট ধাৰণা দিয়া হব।

৭.৩ সংগঠনৰ অর্থ আৰু সংজ্ঞাসমূহ

সাধাৰণ অর্থত, 'সংগঠন' শব্দটো অনুষ্ঠান এটাৰ প্রসংগত ব্যৱহাৰ হয়। এই অনুষ্ঠানটো এটা শৈক্ষিক অনুষ্ঠান বা এটা বাণিজ্যিক গোট নাইবা এটা ব্যক্তিগত গোট বা চৰকাৰৰ এটা বিভাগো হব পাৰে। পৰিচালনাৰ দিশৰ পৰা সৃষ্টি হোৱা দলবোৰ নির্দ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যত উপনীত হবৰ বাবে কিছুমান শৃংখলাৰ আনুষ্ঠানিক গঠন থাকে আৰু সেইবোৰ গঠন দলৰ সদস্য সকলৰ মাজত ভাগ কৰা থাকে। এইটো এটা গঠন প্রক্রিয়া যিয়ে কামসমূহ যথার্থভাবে কৰাত সহায় কৰে। সংগঠনক মানুহৰ শৰীৰৰ লগত তুলনা কৰিব পাৰি। মানুহৰ শৰীৰটোত বিভিন্ন অংগ-প্রত্যংগ যেনে হাত, ভৰি, চকু, কাণ, নাক, আঙুলি, মুখ ইত্যাদি থাকে। প্রতিটো অংগই নিজস্বভাবে নিজৰ কার্যবোৰ সম্পাদন কৰি থাকে যদিও এটা সময়ত দেখা যায় ইটো অংগই সিটো অংগৰ পৰিপূৰক হিচাপে কাম কৰিব নোৱাৰে। এই নীতি সংগঠনৰ ক্ষেত্রতো প্রয়োগ কৰিব পাৰি। মানুহৰ শৰীৰৰ দৰে সংগঠন এটাত বিভিন্ন অংশ নাইবা বিভাগ থাকে। প্রতিটো বিভাগে সুকীয়াকৈ কার্য্য সম্পাদন কৰে যদিও এটা বিভাগ আনটো বিভাগৰ পৰিপূৰক হব নোৱাৰে। ১৯৬৬ চনত শিক্ষাবিদ ক্রোইং (Crowing)এ কৈছিল যে, "সংগঠন হল দলসমূহৰ মাজত থকা আন্তঃক্রিয়াসমূহৰ এক স্থিৰ পদ্ধতি যাৰ এক সমূহীয়া পৰিচয় থাকে (নাম আৰু স্থানৰ ক্ষেত্রত), যিয়ে মনোযোগৰ অনুসন্ধান কৰে, প্রদত্ত কার্য্য সম্পন্ন কৰে, আৰু কর্তৃপক্ষৰ এটা পদ্ধতিৰ মাজেদি সমন্বয় সাধন কৰে।" ("An organisation can be defined as a stable patterns of interactions among conditions or groups, having a collective identify (e.g. a name and a location), pursuing interests and accomplishing given task and coordinated through a system of authority.")

আন এজন শিক্ষাবিদ লুইছ এল্ এলেনৰ (Luis Al Allen) মতে, "সংগঠনৰ দ্বাৰা কার্য্যবোৰ উলিয়াই লৈ দলবদ্ধ ভাবে সেই কার্য্যবোৰ সম্পন্ন কৰা হয় আৰু সমর্থবান মানুহৰ বা কর্ত্তৃপক্ষৰ মাজত দায়িত্ববোৰ অর্পন কৰা হয় যাতে সকলোৱে সম্বন্ধৰ মাজেদি একেলগে কাম কৰি কার্য্যৰ

উদ্দেশ্যবোৰ সফল কৰি তুলি লব পাৰে।" ("That process of identifying and grouping the work to be performed, defining and delegating responsibility and authority and establishing relationships for the purpose of enabling people to work most effectively together in accomplishing the objective.")

ওপৰৰ সংগঠনৰ সংজ্ঞাসমূহ বিশ্লেষণ কৰিলে তলত দিয়া বৈশিষ্ট্যবোৰ পোৱা যায় -

- সংগঠন এটা হ'ল মানুহৰ দ্বাৰা গঠিত এটা দলৰ সমুহীয়া পৰিচয়।
- দলসমূহৰ মাজত এটা সুস্থিৰ পদ্ধতি থাকে।
- দলটোত থকা প্ৰত্যেক সদস্যৰ দ্বাৰা কৰিবলগীয়া কার্যসমূহ চিনাক্ত কৰে।
- সংগঠনে উদ্দেশ্যসমূহ সফল কৰাত এক সমন্বয় চেষ্টা কৰে।
- সংগঠন এটাক সামাজিক সহযোগিতাৰ গোষ্ঠী বুলি আখ্যা দিব পৰা যায়, কাৰণ ইয়াৰ দ্বাৰা উদ্দেশ্য বা লক্ষ্যসমূহ সফল কৰাৰ বাবে প্ৰত্যেক ব্যক্তিৰ চেষ্টাক বৰ্দ্ধিত ৰূপত অংকিত কৰা হয়।

৭.৩.১ শৈক্ষিক সংগঠন

এখন সমাজত বিভিন্ন ধৰণৰ সংগঠন পোৱা যায়। ছাত্ৰ এজনৰ শিক্ষা অৰ্জনৰ বাবে শৈক্ষিক সংগঠনটো বেছি দৰকাৰী। শৈক্ষিক সংগঠন বুলিলে আমি বিদ্যালয়খনকে বুজোঁ য'ত শৈক্ষিক কার্যাৱলীসমূহ পৰিচালিত হয়। সেয়েহে, শৈক্ষিক সংগঠন মানে কি - তাৰ ওপৰত এটা প্ৰশ্ন আমাৰ মনত উদয় হয়।

যিবোৰ সংগঠনে ছাত্ৰ-ছাত্ৰীৰ উন্নতি আৰু বিকাশৰ বাবে এটা যথাযোগ্য পৰিবেশৰ সৃষ্টি কৰে, সেইবোৰ সংগঠনক শৈক্ষিক সংগঠন বোলা হয়। সেয়েহে, বিদ্যালয়ৰ সাংগাঠনিক দিশটোৱে বিশেষ উদ্দেশ্যত উপনীত হোৱাৰ বাবে কিছুমান ব্যৱস্থাৰ লগত সম্পর্ক ৰাখে। সংগঠনে সকলো শাৰীৰিক আৰু মানবীয় উপাদান সমূহক সামৰি লয় যিবোৰে সঠিক ভাবে গঠনমূলক প্ৰক্ৰিয়াৰে উদ্দেশ্য বা লক্ষ্যত উপনীত হোৱাত সহায় কৰে। সচাঁ অর্থত, সংগঠন হ'ল এক মানব শক্তি আৰু মানবীয় উৎস। সংগঠনৰ কৌশলৰ দ্বাৰা শৈক্ষিক কার্যাৱলীসমূহ চলি থাকে আৰু উন্নীত হয়। ব্যক্তিসকল হ'ল এনে সংগঠনৰ মূল একক।

প্ৰত্যেক সমাজতে প্ৰাক্ প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিস্থানলৈকে বিভিন্ন প্ৰকাৰৰ শৈক্ষিক সংগঠন থাকে। বিশেষ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে এই সংগঠনবোৰৰ প্ৰতিস্থা হয়। সংগঠনবোৰে ছাত্ৰৰ জ্ঞানৰ বিকাশ ঘটোৱাৰ

দায়িত্ব লয়, সিহঁতৰ মাজত কিছুমান মানবীয় গুণ আৰু কৌশলৰ উন্নতিৰ বিকাশৰ বাবে চেষ্টা কৰে। তাৰে কিছুমানে মানুহক চাকৰিৰ অৰ্হতাৰ বাবেও শিক্ষা প্ৰদান কৰে। অন্য কিছুমান সংগঠনে শিক্ষাত গৱেষণা চলাই নিবৰ বাবেও কিছুমান সংগঠন প্ৰতিস্থা হয়। এই লক্ষ্যবোৰত উপনীত হ'বলৈ সকলো সংগঠনে এটা জটিল গাঁথনিৰ উন্নীত কৰাই লব পাৰে।

এইবাৰ অন্য এটা উদাহৰণ লোৱা যাওঁক। আমি সকলোৱে জানো যে, শিক্ষাৰ মুখ্য উদ্দেশ্য সমূহৰ ভিতৰত অন্যতম উদ্দেশ্য হ'ল শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰৰ উন্নতি সাধন কৰা। এই উদ্দেশ্য সফল কৰিবলৈ বিদ্যালয়সমূহে বিভিন্ন সহ-পাঠ্যক্ৰমৰ (co-curricular) কাৰ্যাৱলী, সামাজিক কাৰ্যাৱলী আদি প্ৰস্তুত কৰিব লাগিব এনে কাৰ্য্যৱলী সমূহৰ যোগেদি বিদ্যালয়সমূহে ছাত্ৰ-ছাত্ৰীৰ মাজত নৈতিক ভাবৰ সৃষ্টি কৰিব পাৰিব যদিহে বিদ্যালয়সমূহত আদৰ্শগত আৰু নীতিশাস্ত্ৰ যুক্ত পৰিবেশ আনি দিব পৰা যায়। এইধৰণৰ পৰিবেশৰ সৃষ্টি কৰিবলৈ হ'লে অৱশ্যে বিদ্যালয়সমূহে যোগ্য, নীতিবান শিক্ষকক নিযুক্তি দিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰৰ দিশ সবল কৰিবলৈ হ'লে বিদ্যালয়সমূহৰ শিক্ষকসকল, প্ৰধান শিক্ষক বা অধ্যক্ষ, শিক্ষাদানত জড়িত ব্যক্তিসকল আৰু তদাৰককাৰী কৰ্তৃপক্ষ আদি লোকসকলে একেলগে কাম কৰিব লাগিব।

ওপৰৰ আলোচনাৰ পৰা এইটো গম পোৱা গ'ল যে, শৈক্ষিক সংগঠনৰ মূল লক্ষ্য সদায় শিক্ষাৰ লগত জড়িত হোৱা উচিত। এই সংগঠনে শিক্ষা প্ৰতিস্থান সমূহক এটা সীমাৰ ভিতৰত ৰাখি সামাজিক অনুস্থানৰূপে গঢ় দিব পাৰে। শৈক্ষিক সংগঠনে শিক্ষা প্ৰতিস্থানত জড়িত ছাত্ৰ-ছাত্ৰী, শিক্ষক বা অন্য সদস্য সকলৰ বাবে কাৰ্য্যসূচী আৰু কাৰ্য্যাৱলীসমূহ প্ৰস্তুত কৰি নিৰ্ধাৰণ কৰে। সংগঠনে এই কাৰ্য্যাৱলী আৰু কাৰ্য্যসূচী সমুহ ব্যক্তি সকলৰ মাজত শৃংখলাবদ্ধ ভাবে অৰ্পন কৰিলেই নহ'ব, লগতে সংগঠনটো সুচাৰুৰূপে চলিবলৈ বিভিন্ন উপাদানৰ মাজত সহযোগিতাৰে ভাব আনি দিব লাগিব। যিটো শৈক্ষিক সংগঠনৰ দায়িত্ব বুলি গণ্য কৰা হয়।



জানি থোৱা ভাল

ইংৰাজী ১৯৩২ চনত উইলার্ড ৱালেৰ (Willard Waller) প্ৰথমবাৰৰ বাবে তেওঁৰ প্ৰস্তুত পুথিখনত 'The Sociology of Teaching' ত শৈক্ষিক সংগঠনৰ বিষয়ে পদ্ধতিগত ভাবে বিশ্লেষণ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সংগঠন বুলিলে কি বুজে ?

.....

.....

প্রশ্ন নং ২ ঃ শৈক্ষিক সংগঠন বুলিলে কি বুজে ?

.....

.....

৭.৪ শৈক্ষিক সংগঠনৰ কার্যাৱলীসমূহ

শৈক্ষিক সংগঠনৰ অর্থ বুজাৰ পিছত আমি এতিয়া এই সংগঠনৰ প্রয়োজনীয় কার্যাৱলী সমূহ আলোচনা কৰাটো সমীচীন হব। শৈক্ষিক সংগঠনবোৰে শিক্ষাক্ষেত্রৰ বিভিন্ন কার্য্যৰ সৈতে জড়িত হৈ থাকে। ইয়াৰ মুখ্য কার্যবোৰ তলত আলোচনা কৰা হ'ল ঃ -

পৰিকল্পনা আৰু নীতি নির্ধাৰণ কৰা (Framing policies and planning) ঃ

বিশেষ উদ্দেশ্যত উপনীত হবলৈ শৈক্ষিক সংগঠনবোৰে কিছুমান নীতি নির্ধাৰণ কৰে। শিক্ষানুষ্ঠানৰ বিভিন্ন পর্য্যায়ত পৰিকল্পনা কৰাত সংগঠনে সহায় কৰে। পৰিকল্পনা হ'ল কামৰ একধৰণৰ প্রণালীবদ্ধ, সাংগঠনিক আৰু স্পষ্ট গঠন প্রণালী। শৈক্ষিক সংগঠনৰ দ্বাৰা শিক্ষানুষ্ঠানৰ বিভিন্ন স্তৰত বিভিন্ন সিদ্ধান্ত লোৱা হয়, বহু সিদ্ধান্ত আকৌ শ্রেণীকোঠাতো লোৱা হয়। গতিকে, পৰিকল্পনাসমূহৰ বাবে নীতি নির্ধাৰণ কৰাটো অতি প্রয়োজনীয়। সেয়েহে, শিক্ষকসকলে নীতিসমূহ প্রয়োগ কৰাৰ আগতে পৰিকল্পনাবোৰ ভালদৰে বুজি ল'ব লাগে। শিক্ষা প্রতিস্থানত পৰিকল্পনাবোৰ শিক্ষাবর্ষৰ আৰম্ভণি মাহত, সপ্তাহত নাইবা প্রতিদিনে ল'ব পাৰে। পৰিকল্পনাবোৰ এখন তালিকাতে অর্ন্তভুক্ত কৰি লব লাগে। পৰিকল্পনাই কোনবোৰ কামৰ বাবে কিমান দিন লাগিব তাক নির্দ্ধাৰণ কৰে। সমস্যাবোৰ সমাধান কৰোঁতে বা সিদ্ধান্ত গ্রহণ কৰোতে পৰিকল্পনাই সহায় কৰে। কোনটো কাম আগত কৰা উচিত তাকো পৰিকল্পনা জৰিয়তেহে জানিব পাৰি। শিক্ষকে পৰিকল্পনাৰ বাবে লোৱা কার্যাৱলী কিছুমান তলত দিয়া হ'ল —

- বিষয় বস্তুৰ কোনখিনি, কেনেদৰে শিকাব তাৰ ওপৰত পৰিকল্পনা কৰা।
- পাঠ আঁচনি প্রস্তুত কৰা।

- গোটেই বছৰ বা ষান্মাষিক (Semester) বর্ষৰ বাবে সহ পাঠ্যক্রমৰ কার্যসমূহ প্রস্তুত কৰা।
- পাঠ, বিষয়, পাঠগোট আদিৰ গুৰুত্ব অনুযায়ী ভাগ কৰি লোৱা।

ব্যক্তিক নিযুক্ত কৰা আৰু কামৰ ভাগ কৰি দিয়া (Recruitment of personnel and division of work) ঃ-

শৈক্ষিক সংগঠনৰ আন এটা কাম হ'ল শিক্ষক আৰু কর্মচাৰীক নিযুক্ত প্রদান কৰি তেওঁলোকৰ মাজ যোগ্যতানুসাৰি কার্যসমূহ ভাগ কৰি দিয়া। অৱশ্যে এইক্ষেত্রত লক্ষ্য ৰাখিব লাগিব যাতে তেওঁলোকক প্রদান কৰা কোনো কাম তালিকাৰ পৰা বাদ পৰি নাযায়। শিক্ষক সকলৰ মাজত কাম কৰাৰ বাবে এটা অনুকূল পৰিবেশ সৃষ্টি কৰাটোও শৈক্ষিক সংগঠনৰ মূখ্য কার্য্য কিয়নো তেওঁলোকৰ সহযোগিতাৰ দ্বাৰা সম্পাদিত কার্য্যৰ ফলত ছাত্র-ছাত্রীসকলে শিক্ষাৰ লক্ষ্যৰ বিষয়ে উপলব্ধি কৰিব পাৰিব।

আদেশমূলক সা-সুবিধা (Instructional provision) ঃ-

ছাত্র-ছাত্রীবোৰৰ মাজত আদেশমূলক সা-সুবিধা যোগান ধৰাটো প্রতিখন বিদ্যালয়ৰে প্রধান কার্য্য। গতিকে বিদ্যালয় সমূহৰ কর্ত্তৃপক্ষই আদেশৰ সৈতে জড়িত থকা সকলোবোৰ সুবিধা বিদ্যালয়ত ৰাখিব লাগে। পাঠ্যপুথি গঠন, সময়সূচী প্রস্তুতকৰণ, ছাত্র-ছাত্রীৰ উপস্থিতিৰ তালিকা, ন-পুৰণি বিভিন্ন শিক্ষণীয় আৰ্হি সংগ্রহ কৰি ৰখা ইত্যাদিবোৰ এই সুবিধাবোৰৰ অর্ন্তভুক্ত। পৰম্পৰাগত আহিলা বুলিলে চক বা খৰিমাটি, ডাষ্টাৰ, ব্লেকবোর্ড আদিক বুজোঁ। কম্পিউটাৰ, প্রজেক্টৰ, টেলিভিছন, ভিডিঅ' কেমেৰা, অডিঅ' চিষ্টেম আদিক আধুনিক আহিলা হিচাপে শিক্ষা প্রদানত ব্যৱহৃত হয়।

নিয়মানুবর্ত্তিতা বজাই ৰখা (Maintenance of discipline) ঃ-

শিক্ষা প্রতিস্থানত নিয়মানুবর্ত্তিতা বা শৃংখলতা বজাই ৰখাটো উচিত। নিঃসন্দেহে ক'ব পাৰি যে, শিক্ষানুষ্ঠানৰ মূৰব্বীজনৰ দ্বাৰাহে শিক্ষানুষ্ঠানত নিয়মানুবর্ত্তিতা বজাই ৰখাটো সম্ভবপৰ হয়। এজন বা দুজন ব্যক্তিৰ দ্বাৰা এই শৃংখলতা বজাই ৰাখিব নোৱাৰি যদিও শৈক্ষিক সংগঠনটোত জড়িত হৈ থকা প্রত্যেক ব্যক্তিৰ চেষ্টাৰ মাজেদি নিয়মানুবর্ত্তিতা প্রতিষ্ঠানটোত বাহাল ৰাখিব পৰা যায়। শিক্ষানুষ্ঠানৰ মূৰব্বীজনে তেওঁৰ সহকর্মী শিক্ষকসকলক আৰু ছাত্র-ছাত্রী সকলক জড়িত কৰাই পৰিকল্পনা প্রস্তুত কৰিব লাগে যাৰ যোগেদি শিক্ষা প্রতিষ্ঠানত নিয়মানুবর্ত্তিতা বা শৃংখলতা ৰক্ষা কৰিব পৰা যায়। এনেকৈয়ে ছাত্র-ছাত্রীসকলে নিজে সুশৃংখল হৈ প্রতিষ্ঠানটোত এক সু-স্বাস্থ্যকৰ পৰিবেশৰ সৃষ্টি কৰিব আৰু লগতে বিশৃংখল যিকোনো কামকে নিয়ন্ত্রণ কৰিব।

মূল্য নিৰূপণ কৰা আৰু মূল্যায়ন কৰা (Assessment and evaluation) ঃ-

প্ৰত্যেক সংগঠনৰে নিজাকৈ মূল্য নিৰূপণ কৰা হয়। সেয়ে, সময়ে সময়ে মূলধনৰ হিচাপ লোৱা হয়। শিক্ষা প্ৰতিষ্ঠান সমূহত অকল ছাত্ৰ-ছাত্ৰীৰে মূল্য নিৰূপণ কৰাই নহয়, সিহঁতৰ উত্তীৰ্ণ, অনুতীৰ্ণ আদিৰো মূল্য নিৰ্ধাৰণ কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ উন্নতি বা অবনতিৰো বিচাৰৰ মাজেদি মূল্যায়ন কৰা হয়। প্ৰচলিত পৰীক্ষাৰ মাধ্যমেদি তেওঁলোকক মূল্যায়ন কৰা হয়। কেতিয়াবা প্ৰচলিত ব্যৱস্থাৰ সুবিধা বা অসুবিধাবোৰ মূল্যায়ন কৰি প্ৰয়োজন সাপেক্ষে সেইবোৰৰ সংস্কাৰ কৰিও লোৱা হয়। সময়ে সময়ে অভিভাৱক সকলে বা উচ্চ পৰ্য্যায়ৰ কৰ্ত্তৃপক্ষই শিক্ষানুষ্ঠানৰ পৰা উন্নতিৰ খতিয়ানো বিচাৰে।

নথিপত্ৰ বা তথ্যৰ হিচাপ ৰক্ষা কৰা (Maintenance of records) ঃ-

বিদ্যালয় সংগঠনৰ আন এটা দৰকাৰী কাম হ'ল প্ৰণালীবদ্ধভাবে বিদ্যালয় সমূহত প্ৰাসংগিক তথ্যপাতি বা নথিপত্ৰ সমূহ ৰক্ষা কৰা। যিকোনো সংগঠনেই সুচাৰুৰূপে আৰু কৃতকাৰ্যতাৰ মাজেৰে চলিবলৈ হলে নথিপত্ৰ সংৰক্ষণ কৰাটো নিতান্তই আৱশ্যকীয়। বিদ্যালয় এখনৰ তথ্য বা নথিপত্ৰ বুলিলে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশৰ উন্নতিৰ হিচাপ, তেওঁলোকৰ সমস্যা সমূহ, নাম ভৰ্তিকৰণ প্ৰক্ৰিয়া বা বাতিলকৰণ, পৰীক্ষাৰ ফলাফল, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ উপস্থিত দিনৰ হিচাপ, অন্য চৰকাৰী কাগজ পত্ৰৰ খতিয়ান আদিক বুজায়। এই নথিপত্ৰ সংৰক্ষণে বিদ্যালয়খনত যোগ্য শাসন ব্যৱস্থা চলোৱাত সহায় কৰে। তথ্য সংৰক্ষণৰ পৰা বিদ্যালয় সমুহে সময়ে সময়ে ছাত্ৰ-ছাত্ৰীসকলৰ বৃত্তান্ত (Report) তৈয়াৰ কৰি অভিভাৱক সকলক প্ৰেৰণ কৰিব পাৰে যাতে অভিভাৱক সকলে তেওঁলোকৰ লৰা-ছোৱালীৰ শৈক্ষিক উন্নতিৰ পৰ্যালোচনা কৰিব পাৰে আৰু অভিভাৱক সকলেও প্ৰয়োজন সাপেক্ষে শিক্ষক সকলৰ পৰা কোনোক্ষেত্ৰত সহযোগিতাও বিচাৰিব পাৰে।

পৰিদৰ্শন আৰু নিয়ন্ত্ৰণ কৰা (Supervision and control) ঃ-

বিদ্যালয়ৰ শাসক কৰ্ত্তৃপক্ষই শৈক্ষিক সংগঠনৰ কোনো কোনো ক্ষেত্ৰত, যেনে, - নিয়ম-নীতি প্ৰস্তুত কৰা, আৰ্থিক সুবিধা ব্যৱহাৰ কৰা আদিৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব লগা হয়। প্ৰধান শিক্ষক বা অধ্যক্ষজনে বিদ্যালয়ৰ সকলো কামৰ ওপৰতে পৰিদৰ্শন কৰিব লগা হয়। প্ৰতিগৰাকী শিক্ষকৰ কাৰ্যসমূহ নিৰীক্ষণ কৰিব লাগে। তেওঁ বিদ্যালয়ৰ সকলো সমস্যা সমাধানত নিৰ্দেশ দিব লাগে। বিদ্যালয়ৰ লক্ষণীয় বিভিন্ন বিভাগৰ মাজত সৌহাৰ্দপূৰ্ণ মনোভাৱৰ সৃষ্টি কৰিব লাগে। উপদেশ, আদেশ নিয়ম-নীতি, প্ৰস্তাব কাৰ্যসূচী আদিৰ যোগেদি তেওঁ বিভিন্ন বিভাগক নিৰ্দ্দেশ দি পৰিচালনা কৰিব লাগে। গতিকে, পৰিদৰ্শন হ'ল একধৰণৰ কাৰ্য যিয়েই শৈক্ষিক কাৰ্যসূচী উন্নতিৰ বাবে প্ৰতিটো স্তৰতে বিৰাজমান হৈ থাকে। অধ্যয়নৰ কাৰ্যসূচীসমূহ প্ৰস্তুত কৰা, আদেশমূলক পদ্ধতি গ্ৰহণ কৰা আদি সকলোবোৰ কামে পৰিদৰ্শকৰ পৰিদৰ্শনৰ ভিতৰত পৰে।

সহ পাঠ্যক্রমৰ কার্যাৱলীৰ সুবিধা প্রদান (Provision of co-curricular activities) ঃ-

বিদ্যালয় সংগঠনত থকা প্রতিজন সদস্যই ছাত্র-ছাত্রী সকলৰ সকলোবোৰ কার্য্য পৰিচালনা কৰিব লাগে। অভিজ্ঞতাৰ দিশৰ পৰা, ছাত্র-ছাত্রীসকল একেবাৰে অপৈণত। সেয়ে, তেওঁলোকৰ প্রতিটো কামতে শিক্ষক বা অধ্যক্ষৰ সহায় সহযোগিতা, উপদেশ, সাহস, একাগ্রতা আদিৰ প্রয়োজন। প্রয়োজনীয়তাৰ প্রতি লক্ষ্য ৰাখি প্রতিখন বিদ্যালয়ে নিজস্ব পৰামর্শ বিভাগ (Guidance Cell) ৰখাটো নিতান্তই আৱশ্যক। এই বিভাগটোত শিক্ষক সদস্যৰ উপৰিও বৃত্তিধাৰী ব্যক্তি যোগ্যতাপূর্ণ ব্যক্তিক নিয়োগ কৰা উচিত যাতে তেওঁলোকে ছাত্র-ছাত্রীসকলক শিক্ষা সম্বন্ধীয় আৰু বৃত্তিমুখী দিশত দিহা পৰামর্শ আগবঢ়াব পাৰে।

শৈক্ষিক সংগঠনৰ দ্বাৰা ওপৰোক্ত কার্যসমূহ সম্পাদন কৰাৰ উপৰিও তলত দিয়া অন্যান্য কার্যসমূহ কৰিব লাগে। সেইবোৰ হ'ল —

- বিদ্যালয় সমূহত এটা উপযুক্ত গ্রন্থাগাৰ নির্মাণ কৰি তাক যথাযথ ভাবে ব্যৱহাৰ কৰা।
- বস্তুগত সা-সৰঞ্জাম, যেনে ঃ - কোঠালি, আচবাব, সংগ্রহালয়, পৰীক্ষাগাৰ সমূহ যোগান ধৰা।
- বিভিন্ন শ্রেণীৰ বাবে পাঠ্যক্রম প্রস্তুত কৰা।
- সময়সূচী প্রস্তুত কৰা।
- মধ্যাহ্ন ভোজন, ইউনির্ফম, পাঠ্যপুথি আদি বিভিন্ন সহায়কাৰী সেৱাৰ যোগান ধৰা।
- গৃহ, বিদ্যালয় আৰু সম্প্রদায়ৰ কামৰ মাজত সমন্বয় ৰক্ষা কৰা।
- ছাত্র-ছাত্রীৰ উন্নতিৰ মূল্যায়ন কৰা।
- মূলধন যোগোৱা আৰু আয় ব্যয়ৰ বার্ষিক হিচাপ কৰা।
- বিভাগীয় কর্ত্তৃপক্ষৰ সৈতে সহযোগ কৰা যাতে উচ্চ পর্য্যায়ৰ শিক্ষা বিভাগে দিয়া আদেশসমূহ প্রয়োগ কৰা হয়।

চমুকৈ কব পাৰি যে, বিদ্যালয়ৰ শৈক্ষিক সংগঠনে ছাত্র-ছাত্রীৰ শিক্ষা সম্বন্ধীয় সকলোবোৰ কার্যাৱলীকে সামৰি লয়।



জানি থোৱা ভাল

'পৰীক্ষা কৰা' (Inspection) শব্দটো কেতিয়াবা 'পৰিদর্শন কৰা' (Supervision) শব্দৰ সলনি ব্যৱহাৰ হয়। ভাৰতত ইংৰাজী ১৮৫৪ চনত উড্‌ছ দেছপাট্‌চ (Wood's despatch)ৰ পৰামর্শানুযায়ী বিদ্যালয় পৰীক্ষা কৰা (School inspection) প্রথা প্রচলিত হয়। তাৰ বাবে বিদ্যালয় পৰিদর্শক (Inspector of Schools) হিচাপে কিছুমান ব্যক্তিক মকৰল কৰা হয় যিসকলে বিদ্যালয়সমূহ পৰীক্ষা কৰে। পৰিদর্শকজনে চৰকাৰৰ পৰা সাহার্য্য হিচাপে

পোৱা টকাবোৰ বিদ্যালয়খনে যথার্থ ভাবে ব্যৱহাৰ কৰিছে নে নাই তাক পৰীক্ষা কৰে। তেওঁৰ আন এটা কাম হ'ল যে ব্যক্তিগত ভাবে পৰিচালিত বিদ্যালয় সমূহ কিছুমান দিশৰ ওপৰত ভিত্তি কৰি চিনাক্তকৰণ কৰা। 'পৰীক্ষা কৰা' ধাৰণাটো এতিয়া পৰিবর্তন হৈছে আৰু তাৰ ঠাইত 'পৰিদর্শন কৰা' শব্দটো প্রয়োগ কৰা হৈছে কিয়নো ইয়াৰ যোগেদি প্রতিষ্ঠানটোৰ ব্যৱসায়িক বৃদ্ধি (Professional Growth)ক উন্নীত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শৈক্ষিক সংগঠনৰ মুখ্য কার্য্যাৱলী সমূহৰ তালিকা প্রস্তুত কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ চমুকৈ লিখক ঃ

ক) বিদ্যালয়ৰ তথ্য-পাতি বা নথি পত্র।

.....

.....

খ) পৰিচালনা সেৱা।

.....

.....

৪.৫ সাংগঠনিক কার্যকলাপৰ উন্নীতকৰণ

শৈক্ষিক সংগঠনবোৰ শিক্ষাকেন্দ্রিক হয় । এইবোৰ সংগঠনে শৈক্ষিক বাতাবৰণৰ সৃষ্টি কৰে য'ত শিক্ষক আৰু শিকাৰু সকলৰ মাজত পাৰস্পৰিক কার্য-কলাপ সাধিত হয়। দুয়োপক্ষই এই পৰিবেশত একেলগে নিজৰ নিজৰ পৰিসীমাৰ ভিতৰত থাকি শিক্ষাৰ উদ্দেশ্য বা লক্ষ্যসমুহ পূৰণ কৰাত ব্রতী হয়। যিকোনো শৈক্ষিক সংগঠনৰ মূল উপাদান হ'ল - প্রধান শিক্ষক বা অধ্যক্ষ, শিক্ষকসকল আৰু ছাত্র-ছাত্রীসকল। প্রতিস্থানটোৰ উন্নতিৰ হকে এই তিনিও বিধ উপাদানে একেলগে চেষ্টা কৰে।

বিদ্যালয় এখনৰ যোগ্যতা সদায় সংগঠনৰ ওপৰত নির্ভৰশীল হয়। আনহাতে, সংগঠনটোৰ কার্য্যকলাপ সুচাৰুৰূপে পালন কৰিবলৈ প্রতিটো উপাদানেই প্রতিটো উপাদানৰ লগত জড়িত হৈ আছে। সাংগঠনিক কার্য্যকলাপ সমূহৰ ফলাফল অৱশ্যে সাংগঠনিক পৰিবেশৰ ওপৰতো নির্ভৰশীল হোৱা দেখা যায়। তেন্তে সাধাৰণতে প্রশ্ন হয়, এই সাংগঠনিক পৰিবেশনো কি?

৭.৫.১ সাংগঠনিক পৰিবেশৰ ধাৰণা

সংগঠনৰ পৰিবেশ বা বাতাবৰণকে সাংগঠনিক পৰিবেশ বুলি জনা যায়। আমি জানো যে, লক্ষ্য বা নির্দ্ধাৰণ, মানুহৰ সংমিশ্রণ ভেদে প্রত্যেকটো সংগঠনৰ সুকীয়া সুকীয়া অস্তিত্ব আছে। প্রত্যেক সংগঠনৰে একোটা নিজস্ব বৈশিষ্ট্য আছে যিটোৱে সংগঠনটোৰ পৰিবেশ সৃষ্টিত অৰিহণা যোগায়। পৰিবেশৰ এই বিশেষ ধর্মটোক সংগঠনটোৰ ব্যক্তিগত ভাব বা স্বতন্ত্র (Individuality) বুলি জনা যায়। এই ব্যক্তিগত ভাবটোক সংগঠনটোৰ বাতাবৰণ (atmosphere) বুলিও কব পৰা যায়। সংগঠনৰ পৰিবেশক নিৰীক্ষণ কৰিলেই বুজা যায় যে সংগঠনটোৱে কেনেধৰণে কাম কৰি আছে বা বিভিন্ন সংগঠনৰ বিভিন্নতাৰ কাৰণসমুহ কি কি হব পাৰে। এটা উদাহৰণ দিলে স্পষ্টকৈ বুজা যাব।

সংগঠন এটাক প্রত্যক্ষ কৰোঁতে গম পোৱা গ'ল যে, সেই সংগঠনটোৰ শিক্ষকসকল সহজ সৰল আৰু সদ্ভাৱপূর্ণ মনোভাবেৰে নিজস্ব কামসমূহ সম্পাদন কৰি আছে। তেওঁলোকক যথেষ্ট কর্মদক্ষ দেখা গৈছিল। তেওঁলোকৰ আচৰণত সাহসিকতা প্রকাশ পাইছিল। কিন্তু আন এটা সংগঠন লক্ষ্য কৰোঁতে আমি দেখিবলৈ পাইছিলোঁ যে, সেই সংগঠনৰ শিক্ষকসকলক যথেষ্ট উদ্‌গ্রীব হৈ আছিল, তেওঁলোকৰ কথা আৰু কার্য প্রক্রিয়াত উদ্‌গ্নিতা প্রকাশ পাইছিল। আকৌ, কিছুমান বিদ্যালয়, মহাবিদ্যালয় আদিত শৃংখলা, নিয়মানুবর্ত্তিতা, বেমেজালি আদি দেখা পোৱা যায়। তেনে অনুষ্ঠানৰ শিক্ষকসকলৰ কার্যত অনীহা আৰু উদাসীন মনোভাব পৰিলক্ষিত হয়। তেওঁলোকে প্রতিষ্ঠানটোৰ পৰিবেশ উন্নতিৰ বাবে কোনো ধাৰণাৰ চেষ্টা নকৰে। আকৌ, কিছুমান প্রতিষ্ঠানৰ মূৰব্বীজনে সকলো বিষয়ৰ ওপৰত কর্ত্তৃত্ব বাহাল ৰাখে আৰু আনৰ সৈতে সম্পর্ক ৰক্ষাৰ ক্ষেত্রত কিছু নিয়ম-নীতি মানি চলে। আনহাতে, কিছুমান শিক্ষানুষ্ঠানত প্রধান শিক্ষকজনে অন্য শিক্ষক সকলৰ লগত কোনো ধৰণৰ নিয়ম-নীতিৰ মাজেদি কথা-বার্ত্তা নাপাতে যদিও সংগঠনত থকা তেওঁৰ ভুমিকাৰ প্রয়োজনীয়তাখিনি কেতিয়াও কমাই নিদিয়ে। এনেধৰণৰ মনোবৈজ্ঞানিক পৰিবেশৰ বাবেও বিভিন্ন শৈক্ষিক সংগঠনৰ পৰিবেশত বিভিন্ন পার্থক্য আহি পৰা দেখা যায়।

ক্রীছ্ আৰগ্যৰিচ (Chris Argyris)এ পোন প্রথমবাৰৰ বাবে সাংগঠনিক পৰিবেশৰ উপাদান সমূহক প্রণালীবদ্ধ ভাবে বর্ণনা কৰিবলৈ চেষ্টা কৰিছিল যেতিয়া তেওঁ বেংক এটাৰ সাংগঠনিক প্রক্রিয়াৰ বিষয়েও অধ্যয়ন কৰিছিল। অৱশ্যে তেওঁ সাংগঠনিক পৰিবেশৰ বাবে 'ব্যক্তিত্ব' শব্দটো ব্যৱহাৰ কৰিছিল কিন্তু আন সমালোচক সকলে এই ব্যক্তিত্ব শব্দটোৰ দ্বাৰা সংগঠনৰ সদস্যসকলৰ মাজত থকা আচৰণ আৰু অনুভবৰ সাধাৰণ ধাৰা (general flow of behaviour and feeling)কহে বুজাইছিল। গৱেষক সকলৰ অবদানৰ

ফলত বর্ত্তমান যুগত 'সাংগঠনিক পৰিবেশ' শব্দটোৰ যথার্থতা আহিছে। এনেকৈয়ে, 'মনোবৈজ্ঞানিক পৰিবেশ'ক সাংগঠনিক পৰিবেশৰ বাবেও ব্যৱহাৰ কৰিব পৰা যায়। গতিকে কব পাৰি যে, সাংগঠনিক পৰিবেশটো পৰিবেশ আৰু সাংগঠনিক দলৰ সদস্য সমূহৰ মাজত হোৱা আন্তঃক্রিয়াৰ ফলত সৃষ্টি হৈছে।

৭.৫.২ সাংগঠনিক ক্ষমতাৰ উন্নীতকৰণ বা শক্তিশালী কৰাৰ বাবে দায়বদ্ধ উপাদান সমূহ

দেখা যায় যে, শৈক্ষিক সংগঠন আৰু ছাত্র-ছাত্রী সকলৰ প্রতি যদি শিক্ষানুষ্ঠানৰ মূৰব্বীজনৰ দ্বায়বদ্ধতা (Commitment) থাকে, তেতিয়াহে এটা ফলপ্রসূ শৈক্ষিক সংগঠনৰ জন্ম হয়। সাংগঠনিক কার্য্যকলাপ বহুতো দিশত সিঁচৰিত হৈ আছে। সাংগঠনিক কার্য্যকলাপ বুলিলে শিক্ষানুষ্ঠানটোৰ লক্ষ্যত উপনীত হোৱা, আভ্যন্তৰীণ বিষয়সমূহ ৰক্ষা কৰা আৰু পৰিবেশৰ সৈতে সামঞ্জস্য ৰখা আদিক বুজায়। সংগঠনটো ফলপ্রসূ আৰু স্থিৰ হৈ কাম কাজ চলাবলৈ হ'লে এই তিনিটা বৈশিষ্ট্য সমানেই প্রয়োজনীয় হৈ পৰে। সাংগঠনিক ক্ষমতা প্রয়োগ কৰা দিশবোৰ হ'ল - শাসন সম্বন্ধীয় কার্য্যকলাপ চোৱা, নেতৃত্বৰ আচৰণৰ প্রতি সজাগ হোৱা, নৈতিক-সাংস্কৃতিক আৰু পৰিবেশৰ উন্নতীকৰণ, অভিভাবক সকলক জড়িত কৰা, সাম্প্রদায়িক সমর্থন আগবঢ়োৱা, শিক্ষকৰ যোগ্যতা, আনুগত্য, বাধ্যতা, সন্তুষ্টি আদি বৃদ্ধি কৰা, ছাত্র-ছাত্রীৰ শৈক্ষিক যোগ্যতাৰ প্রতি লক্ষ্য ৰখা আদি। এতিয়া, সাংগঠনিক ক্ষমতা উন্নীতকৰণত বা শক্তিশালীকৰণত অবদান যোগোৱা কিছুমান উপাদানৰ বিষয়ে তলত আলোচনা কৰিমহঁক -

লক্ষ্যৰ স্পষ্টতা (Clarity of Goals)

সকলোবোৰ সংগঠনৰে নিজস্ব কিছুমান লক্ষ্য থাকে। লক্ষ্যবোৰ নির্ধাৰণ কৰোতে মন কৰিব লাগে যে লক্ষ্যবোৰ সদায় বাস্তৱধর্মী, স্পর্শনীয় (tangible) আৰু স্পষ্ট ভাবে বর্ণনা কৰা উচিত। সংগঠনৰ সকলোবোৰ সদস্যই লক্ষ্যসমূহৰ প্রতি সজাগ হৈ থাকিব লাগে যাতে তেওঁলোকে একত্র ভাবে কৰা কার্যৰ দ্বাৰা লক্ষ্যত উপনীত হব পাৰে। এই প্রসংগত কব পাৰি যে, বিদ্যালয় সমূহে লক্ষ্যত উপনীত হবৰ বাবে পৰিকল্পনা কৰা উচিত আৰু মাজে সময়ে পৰিকল্পনাবোৰ বাস্তবায়িত হৈছে নে নাই সেয়া লক্ষ্য কৰা উচিত। অবিৰত পৰিদর্শনে লক্ষ্যসমূহ উপনীত হোৱাত সহায় কৰে। শৈক্ষক সংগঠনৰ সদস্য সকলে যাতে সহযোগিতাৰে কাম কৰি যাব পাৰে তাৰ বাবে এক বুজাবুজিৰ পৰিবেশৰো নিতান্তই আৱশ্যক, বিদ্যালয় পৰিচালনা সমিতি আৰু অধ্যক্ষই এনে পৰিবেশৰ সৃষ্টি কৰিব লাগে য'ত শিক্ষকসকলে যোগাত্মক দৃষ্টিভংগীৰে তেওঁলোকৰ কামত মনোনিবেশ কৰাৰ সুযোগ পায় আৰু লক্ষ্য সম্পূর্ণ কৰাৰ বাবে তেওঁলোক সজাগ হৈ থাকে।

মুক্ত পৰিবেশ (Open Climate)

বিদ্যালয়ৰ মানদণ্ড ৰক্ষা কৰাৰ ক্ষেত্ৰত সাংগঠনিক পৰিবেশৰ অবদানক নুই কৰিব নোৱাৰি। শিক্ষা প্ৰদান আৰু শিক্ষা গ্ৰহণৰ কেন্দ্ৰ হিচাপে শ্ৰেণী কোঠাক ব্যৱহাৰ কৰিব বিচাৰিলে তাত সদায়েই মুক্ত পৰিবেশৰ প্ৰয়োজন হয় য'ত শিক্ষকজনে মুক্ত ভাবে নিজস্ব ভাবে নিজৰ শিক্ষা প্ৰদান কৰিব পাৰিব পাৰে, য'ত বিদ্যালয়ৰ মূৰব্বীজন বা পৰিচালনা সমিতিৰ দ্বাৰা শিক্ষকজন বাধাপ্ৰাপ্ত নহয়। শিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলৰ লগত বন্ধুত্বপূৰ্ণ মনোভাবেৰে শিক্ষা প্ৰদান কৰিলেহে তেওঁৰ কাৰ্যৰ প্ৰতি আগ্ৰহ জন্মিব, অধিক কাম কৰাৰ প্ৰতি আসক্তি বাঢ়িব। আনহাতে, মুক্ত পৰিবেশ আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উন্নতিৰ মাজত এক এৰাব নোৱাৰা সম্বন্ধ আছে। অনুকূল আৰু মুক্ত পৰিবেশে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ভাব প্ৰকাশ কৰাত স্বাধীনতা দিয়ে যাৰ ফলত তেওঁলোকে সকলো কাৰ্যকে যোগাত্মক দৃষ্টিভংগীৰ মাজেদি সম্পন্ন কৰে। অবশেষত সকলো দিশতে তেওঁলোকৰ দক্ষতা প্ৰতিফলিত হোৱা পৰিলক্ষিত হয়।

প্ৰধান শিক্ষকৰ ভূমিকা (Role of Headmaster)

শৈক্ষিক শাসন ব্যৱস্থাত বিদ্যালয়ৰ প্ৰধান শিক্ষক বা অধ্যক্ষজনৰ ভূমিকা অপৰিসীম। তেওঁক বিদ্যালয়ৰ নেতা হিচাপে গণ্য কৰা হয় কাৰণ তেওঁ সকলো শাসন আৰু শিক্ষা সম্বন্ধীয় কাৰ্য্যসমূহ তদাৰক কৰে। ধুনীয়া এটা অট্টালিকাই বিদ্যালয়ৰ গৌৰব তথা সুনাম আনিব পাৰে যদিহে তাত যোগ্য, কৰ্মদক্ষ, সুনিপুন অধ্যক্ষ বা প্ৰধান শিক্ষক থাকে। উচ্চতৰ শিক্ষা আয়োগ (Secondary Education Commission)ৰ মতে, "তেওঁৰ ওপৰত সমগ্ৰ বিদ্যালয়ৰ কাৰ্য্যবোৰ নিৰ্ভৰ কৰে। বিদ্যালয়ৰ সুনাম আৰু সমাজত থকা তেওঁৰ স্থানে তেওঁৰ সহকৰ্মী, ছাত্ৰ-ছাত্ৰী আৰু সৰ্বসাধাৰণ ৰাইজৰ মাজত প্ৰভাব বিস্তাৰ কৰিব পাৰে।" (On him the proper working of the school ultimately depends. The reputation of the school and the position he holds in the society depends in a large measure on the influence he exercises over his colleagues, his pupils and the general public.)

তেওঁ সহকৰ্মী শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত গতিশীল নেতৃত্ব বহন কৰিব লাগে। যোগ্যতাৰে তেওঁৰ স্থান ধৰি ৰাখিবলৈ হলে প্ৰধান শিক্ষকজন বহু গুণৰ অধিকাৰী হব লাগিব। এজন ব্যক্তিয়ে একেসময়তে শিক্ষিত ব্যক্তি (educator) আৰু শাসকো (administrator) হ'ব পাৰে। শাসক হিচাপে, তেওঁৰ ওপৰত বিদ্যালয়ৰ শাসনৰ যোগ্যতা আৰু ন্যায়পৰায়ণতা (Integrity) নিৰ্ভৰ কৰে আনহাতে, শিক্ষিত ব্যক্তি হিচাপে বিদ্যালয়ত শৈক্ষিক পৰিবেশ গঢ়ি তোলাতো তেওঁৰ দায়িত্ব। একেসময়তে তেওঁ বিদ্যালয়ত জড়িত হৈ থকা জনগনৰ মাজত সুস্থ আৰু ঐক্যবদ্ধ মনোভাব গঢ়ি তুলিব লাগে। শৈক্ষিক সংগঠনৰ ক্ষমতা সুদৃঢ় বা শক্তিশালী কৰি তুলিবৰ বাবে তেওঁ তলত আগবঢ়োৱা

দিশবোৰলৈ মন কৰিব লাগে -

- বিদ্যালয়ৰ কার্যসমূহ পৰিকল্পিত আৰু সাংগঠনিক কৰা।
- শিক্ষা প্রদানত জড়িত হৈ থকা ব্যক্তি আৰু শিক্ষা প্রদানত জড়িত হৈ নথকা ব্যক্তিসকলৰ মাজত কাম কাজ সমূহৰ দায়িত্ব ভাগ কৰা।
- অভিভাবক, সম্প্রদায় আৰু চৰকাৰৰ সৈতে সুন্দৰ সম্বন্ধ স্থাপন কৰা।
- সামাজিক কার্য্যাৱলী প্রস্তুত কৰা।
- আৱশ্যকীয় উপাদানসমূহ সংগ্রহ কৰা।
- সহজলভ্য উপাদান সমূহৰ গতিশীলতা বিদ্যালয় উন্নতিৰ অন্য এক দিশ।
- আধুনিক প্রযুক্তি আৰু কাৰিকৰী বিদ্যাৰ সৈতে নিজে জড়িত হৈ জ্ঞান অর্জন কৰা।
- সমাজত বিদ্যালয় এখনৰ সূ-ভবিষ্যতৰ বিষয়ে অৱগত কৰোৱা।
- শিক্ষক, ছাত্র-ছাত্রী বা সমাজৰ আৱশ্যকতাৰ প্রতি সহানুভুতিশীল হোৱা।

শিক্ষকৰ ভূমিকা (Role of Teacher)

শিক্ষা পদ্ধতিত থকা এক গুৰুত্বপূর্ণ উপাদান হ'ল শিক্ষক সকল। শিক্ষকসকলক 'বিদ্যালয়ৰ আত্মা' বুলিও কব পৰা যায়। শিক্ষকজন ছাত্র-ছাত্রীৰ বন্ধু, নির্দেশক, পৰামর্শদাতা আৰু প্রেৰণাদায়ক ব্যক্তি। শিক্ষকজনে তেওঁৰ পাঠদান কার্য সদায় অভিৰোচনৰ মাজেদি আগবাঢ়ি যাব লাগে, কিয়নো এই কৌশলে ছাত্র-ছাত্রীক পাঠ গ্রহণৰ প্রতি আসক্তি জন্মায়। মাধ্যমিক শিক্ষা আয়োগ (১৯৫২-৫৩) উল্লেখ কৰিছে যে, "আমি পতিয়ন গৈছোঁ যে শিক্ষক সকল হ'ল শিক্ষাৰ পুনৰ গঠনৰ মুখ্য উপাদান" (We are convinced that the most important factor in the contemplated educational reconstruction is the teacher)। ইংৰাজী ১৯৮৬ চনৰ শিক্ষাৰ জাতীয় নীতি (National Policy on Education)এ কৈছে যে, "শিক্ষাৰ কোনো পদ্ধতিয়েই শিক্ষক সকলতকৈ ওপৰত হব নোৱাৰে (No system of education can rise higher than its teacher.)

কার্যকৰী সংগঠনৰ দ্বাৰা বিদ্যালয় পৰিচালনা হবলৈ হলে শিক্ষকজনে বিভিন্ন কার্য্য যোগ্যতাৰে সমাপন কৰিব লাগিব। তেওঁৰ যোগ্যতাবোৰ হ'ল -

প্রগতিশীল নেতা (Dynamic leader)

শ্রেণীকোঠাত ছাত্র-ছাত্রীৰ দলৰ মাজত তেওঁ এজন গতিশীল নেতাৰ ভূমিকা লব লাগিব।

শিক্ষা প্রদান কৰোতে তেওঁ ছাত্র-ছাত্রীসকলক অভিপ্রায় কৌশলৰ মাজেদি আগবাঢ়িব লাগিব। বিভিন্ন বিষয়ত তেওঁলোকক পৰিচালনা কৰাৰ দায়িত্ব লব লাগিব।

কার্যনির্বাহক ৰূপে শিক্ষক (Teacher as a Manager)

বিদ্যালয়ৰ কার্যনির্বাহক হিচাপে শিক্ষকজনে পাঠ্যপুথি প্রস্তুত আৰু পৰিকল্পনা, সময়সূচী তৈয়াৰ, শিক্ষণীয় সঁজুলি আৰু সহ পাঠ্যক্রমৰ কার্যাৱলীসমূহ প্রস্তুত আৰু গ্রন্থাগাৰৰ কাম আদি কৰিব পাৰে। তেওঁ সুলভ প্রাপ্ত উপাদানবোৰ চম্ভালিব পাৰে আৰু পৰিকল্পনা অনুযায়ী কার্য্যবোৰ গঠন কৰি লব পাৰে। তেওঁ বিদ্যালয়ত শৃংখলা বজাই ৰখাৰ উপৰিও দৈনিক শিক্ষণীয় কার্যাৱলী সমূহৰ তথ্য ৰাখিব লাগে। ছাত্র-ছাত্রীৰ শৈক্ষিক ফলাফল তেওঁ মূল্যায়ন কৰাৰ লগতে তেওঁলোকৰ সবল আৰু দুর্বল দিশবোৰ আঙুলিয়াই দিয়ে।

সুযোগ প্রদান কৰোঁতা (Facilitator)

শ্রেণীকোঠাত শিক্ষকজনে এজন সহায়কাৰী বা সুযোগ প্রদানকাৰী ব্যক্তিহিচাপে কাম কৰিব লাগে। অৱশ্যে, তেওঁ ছাত্র-ছাত্রীসকলৰ মাজত সহজলভ্যতাৰে শিক্ষণীয় কার্যসমুহ সমাপন কৰিব নালাগে। ছাত্র-ছাত্রীসকলে যাতে সঠিক পথেদি আগবাঢ়ি গৈ তেওঁলোকৰ কার্যসমুহ কৰিব পাৰে তাৰ প্রতিহে তেওঁ গুৰুত্ব দিব লাগে। প্রয়োজন সাপেক্ষে, শিক্ষকজনে কার্য্য সমাপন কৰোঁতে ছাত্র-ছাত্রী সকলক পৰিচালনা আৰু সহায়ও কৰিব পাৰে। শিক্ষকজনে ছাত্র-ছাত্রীৰ সামর্থ্য আৰু মনোযোগ অনুযায়ী বিষয়বস্তু নির্বাচন কৰিব লাগে।

সূচনাকাৰী (Initiator)

এজন সূচনাকাৰী হিচাপে শিক্ষকজনে বিদ্যালয় সংক্রান্ত আৰু পাঠ্যক্রম সন্নিবিষ্ট বিভিন্ন কার্যাৱলী চলাই নিয়াত আগভাগ লব পাৰে বা ছাত্র-ছাত্রীসকলক সেইধৰণৰ কার্যবোৰ চলাই নিয়াত সহায় কৰিব পাৰে। শিক্ষা প্রদানত শিক্ষকজনে নতুন পদ্ধতি অবলম্বন কৰিব পাৰে আৰু বিভিন্ন কার্য্যৰ মাজেৰে শিক্ষা প্রদান কৰিব পাৰে। এনেদৰে, শিক্ষকজনে ছাত্র-ছাত্রীসকলক নিজস্ব পন্থাৰে জ্ঞান আহৰণ কৰাত ছাত্র-ছাত্রীসকলক সহায় কৰিব পাৰে। জ্ঞান আহৰণৰ বিভিন্ন উৎস শিক্ষকজনে ছাত্র-ছাত্রীসকলক দেখুৱাব পাৰে।

অবশেষত কব পাৰি যে, বিদ্যালয়সমূহত কার্যকৰী সংগঠন গঠন কৰিবলৈ হ'লে নিম্ন স্তৰৰ পৰা উচ্চ স্তৰলৈকে সকলোৰে মাজত যোগাযোগ অব্যাহত ৰাখিব লাগিব। শিক্ষকসকলে শৈক্ষিক কার্যসূচী সমূহৰ দ্বাৰা ভাৰাক্রান্ত হোৱা উচিত নহয়। তেওঁ জটিলতা আৰু হতাশাৰ পৰা নিজকে আতৰাই কামত নিয়োগ কৰিব লাগিব। প্রধান শিক্ষকজনে

শিক্ষকসকলক পূর্ণ স্বাধীনতা দিয়া উচিত। তেওঁ শিক্ষকসকলে অনুসৰণ কৰিব পৰাকৈ কিছু নিয়ম-নীতি, পদ্ধতি, পৰামর্শাৱলী প্রস্তুত কৰিব লাগে। লক্ষ্য পূৰণৰ বাবে লোৱা সিদ্ধান্ত সমূহত শিক্ষকসকলকো অংশ লব দিব লাগে। দেখা যায় যে শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে প্রধান শিক্ষক, শিক্ষকসকল, অভিভাবক সকল, ছাত্র-ছাত্রীসকল আৰু পৰিচালনা সমিতিৰ মাজত সদায় সহযোগিতা, সমন্বয় আৰু আলোচনা থকাটো নিতান্তই আৱশ্যক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সাংগঠনিক পৰিবেশ বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৬ ঃ সাংগঠনিক ক্ষমতা শক্তিশালী কৰাৰ ক্ষেত্রত প্রধান শিক্ষক আৰু শিক্ষক সকলৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়ৰ আৰম্ভণিতে আমি সংগঠনৰ অর্থৰ ওপৰত আলোচনা কৰিছোঁ। বিভিন্ন কার্য কৰিবলৈ মানুহৰ মাজত কিছুমান দলৰ সৃষ্টি হয় আৰু সেই আনুষ্ঠানিক দলৰ গঠনেই হল সংগঠন য'ত কার্যৰ লক্ষ্যবোৰত উপনীত হ'বলৈ দলৰ সদস্যসকলৰ মাজত বিভিন্ন দায়িত্ব ভাগ কৰা থাকে।
- সংগঠন হ'ল এক যন্ত্র বিশেষ যিটোৰ দ্বাৰা বিদ্যালয়ৰ কার্যবোৰ সুচাৰুৰূপে সম্পন্ন হোৱাত সহায় হয়। ইয়াৰ বিভিন্ন অংশ আছে আৰু প্রতিটো অংশই স্বাধীনভাবে কাম কৰে যদিও ইটো আনটোৰ পৰিপূৰক হ'ব নোৱাৰে। শিক্ষা বিষয়ৰ ছাত্র হিচাপে, আমাৰ আলোচনা শৈক্ষিক সংগঠনক লৈ কৰা উচিত।
- শৈক্ষিক সংগঠনৰ মুখ্য উদ্দেশ্য হ'ল ছাত্র-ছাত্রীৰ বুদ্ধি বিকাশ আৰু উন্নতিৰ বাবে এটা

উপযুক্ত পৰিবেশ গঢ়ি তোলা। প্ৰত্যেক সমাজতে, প্ৰাক্ প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় স্তৰলৈকে, বিভিন্ন প্ৰকাৰৰ শৈক্ষিক সংগঠন পোৱা যায়। প্ৰত্যেক সংগঠনে ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞান আহৰণৰ সুবিধা প্ৰদান কৰা, তেওঁলোকৰ কৌশলসমূহ উন্নীত কৰা, মানবীয় গুণৰ বিকাশ ঘটোৱা আদিৰ দায়িত্ব গ্ৰহণ কৰে।

- আমাৰ আলোচনাৰ মূল বিষয় হ'ল শৈক্ষিক সংগঠনৰ কার্যাৱলীসমূহ। তাৰ ভিতৰত হ'ল- পৰিকল্পনা আৰু নীতি নির্ধাৰণ কৰা, উপযুক্ত ব্যক্তি নিযুক্তি দি কামৰ ভাগ বতৰা কৰা, নির্দেশনাত্মক সা-সুবিধা প্ৰদান, শৃংখলা বজাই ৰখা, মূল্যায়ন নিৰূপন কৰা, তথ্যপাতি আৰু নথি-পত্ৰ ৰক্ষা কৰা, পৰিদৰ্শন আৰু নিয়ন্ত্ৰণ কৰা, সহ-পাঠ্যক্ৰমৰ শৈক্ষিক কার্যাৱলী প্ৰস্তুত কৰা, পৰিচালন সেৱা গঠন কৰা ইত্যাদি।
- সাংগঠনিক ক্ষমতাৰ উন্নীতকৰণ বা শক্তিশালী কৰিবলৈ হ'লে আমি সাংগঠনিক পৰিবেশৰ ধাৰণাৰ বিষয়ে বোধগম্য হোৱা উচিত। প্ৰত্যেক সংগঠনৰে নিজস্ব চাৰিত্ৰিক বৈশিষ্ট্য আছে যিয়ে নিজস্ব সাংগঠনিক পৰিবেশৰ জন্ম দিয়ে আৰু মাজে সময়ে এই নিজস্ব পৰিবেশকে সংগঠনটোৰ ব্যক্তিগত ভাব বুলি জনা যায়।

- শেষৰ ফালে, আমি সাংগঠনিক পৰিবেশ উন্নীত কৰাৰ বিভিন্ন উপাদান সমূহৰ বিষয়ে আলোচনা কৰিছোঁহক। লক্ষ্যৰ স্পষ্টতা, মুক্ত পৰিবেশ, প্ৰধান শিক্ষক আৰু শিক্ষকৰ ভূমিকা আদি হ'ল শৈক্ষিক সংগঠনৰ উন্নীতকৰণ বা শক্তিশালী কৰণৰ মূল উপাদান। কার্যকৰী সংগঠন হ'বলৈ হ'লে শৈক্ষিক সংগঠনৰ সদস্য সকলৰ মাজত সহায় সহযোগ, সমন্বয় আৰু আলোচনা থাকিব লাগিব।



৭.৭ অধিক জানিবলৈ

1. Chandra, S.S. & Chakraborty, A.K. (2008). *School Administration, Organisation and Management.* R. Lau Book Depot, Meerut.
2. Sachdeva, M.S. (2000). *School Organisation, Administration and Management*. Sandan Publication, Ludhiana.



৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সংগঠন হ'ল মানুহৰ সমুহীয়া একত্ব দল। ই মানুহৰ দলসমূহৰ মাজত থকা

এক আনুষ্ঠানিক গঠনক বুজায় যাৰ দ্বাৰা বিভিন্ন কার্য্য সম্পাদিত হয়। বিশেষ উদ্দেশ্যত উপনীত হ'বলৈ সংগঠিত দলৰ সদস্যসকলৰ মাজত দায়িত্ব অর্পন কৰা থাকে। সংগঠন হ'ল একপ্রকাৰ যন্ত্রবিশেষ বা গঠন যিয়ে বিভিন্ন কার্য্য সুচাৰুৰূপে পালন কৰাত সহায় কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক সংগঠন হল সেইবোৰ সংগঠন, যাৰ মুখ্য উদ্দেশ্য হ'ল ছাত্র-ছাত্রীৰ বুদ্ধি, বিকাশ আৰু উন্নতিৰ বাবে উপযুক্ত পৰিবেশ গঢ়ি তোলা। ছাত্র-ছাত্রীৰ মাজত জ্ঞান প্রদান কৰা, তেওঁলোকৰ মাজত মানবীয় মূল্য আৰু কৌশলৰ উন্নতি কৰাটোৱে হ'ল শৈক্ষিক সংগঠনবোৰৰ মূল ভূমিকা।

৩ নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক সংগঠনৰ কিছুমান কার্য তলত উল্লেখ কৰা হ'ল —

- নীতি নির্ধাৰণ আৰু পৰিকল্পনা কৰা,
- যোগ্য ব্যক্তি নিযুক্ত কৰি কাম ভাগ কৰি দিয়া,
- শৃংখলতা বা নিয়মানুবর্ত্তিতা বজাই ৰখা,
- মূল্য নিৰূপণ কৰা আৰু মূল্যায়ন কৰা,
- তথ্য-পাতি, নথিপত্রৰ হিচাপ ৰক্ষা কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) শৈক্ষিক সংগঠন এটাত, বিদ্যালয়ৰ তথ্য-পাতি বা নথিপত্র প্রস্তুত কৰিবলগা হয় মূলতঃ কর্তৃপক্ষই ছাত্র-ছাত্রী আৰু শিক্ষকসকলৰ তথ্য পাতি ৰক্ষা কৰা, সহ-পাঠ্যক্রমৰ কার্য্যসূচীত তেওঁলোকৰ উত্তীর্ণ আৰু অনুত্তীর্ণৰ হিচাপ ৰখা, ছাত্র-ছাত্রীৰ শৈক্ষিক ফলাফলৰ হিচাপ আৰু সিহতৰ সমস্যা, নামভর্ত্তি আৰু বাতিলকৰণ প্রক্রিয়া সমাপন কৰা, পৰীক্ষাৰ ফলাফল ঘোষণা কৰা, শিক্ষক আৰু ছাত্র-ছাত্রীৰ বিদ্যালয়ত উপস্থিতিৰ হিচাপ ৰখা আদি, যাৰ দ্বাৰা সংগঠনটোৰ কার্যসূচী সুচাৰুৰূপে চলি থকাত সহায়ক হয়।

(খ) পৰিচালনা সেৱা ঃ- এই সেৱাৰ দ্বাৰা ছাত্র-ছাত্রীসকলক সঠিক পথ দেখুৱাব পাৰি। বিদ্যালয়বোৰত একোটা 'পৰিচালনা সেৱাৰ' গোট থাকে য'ত বৃত্তিধাৰী লোক আৰু শিক্ষকসকল সদস্য হিচাপে থাকে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সংগঠনটোৰ পৰিবেশক সাংগঠনিক পৰিবেশ বোলা হয়। প্রত্যেক সংগঠনেৰে নিজস্ব বৈশিষ্ট্য আছে। নিয়মানুবর্ত্তিতা, সহযোগিতা, সমন্বয় আদিয়ে সংগঠনৰ পৰিবেশত অৰিহনা যোগায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ **শিক্ষকৰ ভুমিকা ঃ-** শিক্ষাৰ প্রধান শক্তি হ'ল শিক্ষকসকল। তেওঁ শিক্ষানুষ্ঠানত বিভিন্ন কার্য সম্পাদন কৰে। যেনে - পাঠ্যক্রমৰ সঠিক নির্বাচন, ছাত্র-ছাত্রীসকলৰ মাজত অভিপ্রায়ৰ যোগেদি শিক্ষা প্রদান, ছাত্র-ছাত্রীৰ দুর্বল আৰু সবল দিশ নিৰীক্ষণ কৰা ইত্যাদি। আকৌ শিক্ষকজনে কেতিয়াবা সময় সুচী প্রস্তুত কৰা, সহ পাঠ্যক্রমৰ কার্যাৱলী ঠিক কৰা, শিক্ষা বিষয়ক তথ্য পাতিৰ হিচাপ ৰখা আদি কার্যও কৰে যাতে বিদ্যালয়খন সুচাৰুৰূপে পৰিচালিত হয়।

প্রধান শিক্ষকৰ ভূমিকা ঃ-প্রত্যেক প্রধান শিক্ষকে বিদ্যালয়খন পৰিচালনা কৰাত একধৰণৰ বিশেষ নেতৃত্ব বহন কৰে। তেওঁৰ মধ্যস্থতাতে সমগ্র বিদ্যালয়ৰ কার্য্যবোৰ সম্পন্ন হয়। তেওঁ বিদ্যালয়খনৰ বাবে পৰিকল্পনা কৰে, সাংগঠনিক দায়িত্ব বহন কৰে, বিভিন্ন কার্য্য নিৰীক্ষণ কৰে আৰু কেতিয়াবা শিক্ষা প্রদান কার্যতো অংশগ্রহণ কৰিবলগীয়া হয়। তাৰোপৰি, তেওঁ অভিভাবক, ছাত্র-ছাত্রী, সহকর্মী শিক্ষক আৰু বিভিন্ন সম্প্রদায়ৰ মাজত সমন্বয় ৰক্ষা কৰিব লাগে। মুঠতে, তেওঁ বিদ্যালয়খনক সকলো দিশৰ পৰা নিয়ন্ত্রণ কৰিব লাগে।



৭.৯ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সংগঠন বুলিলে কি বুজে?

প্রশ্ন ২ ঃ শৈক্ষিক সংগঠন বুলিলে কি বুজে?

প্রশ্ন ৩ ঃ সাংগঠনিক পৰিবেশ বুলিলে কি বুজে?

প্রশ্ন ৪ ঃ শিক্ষক হ'ল সুযোগ প্রদান কৰোতা- বর্ণনা কৰক।

প্রশ্ন ৫ ঃ শিক্ষক হ'ল ব্যৱস্থাপক- বর্ণনা কৰক।

প্রশ্ন ৬ ঃ এখন শৈক্ষিক অনুষ্ঠানত শিক্ষকজন-হ'ল এজন প্রগতিশীল নেতা বর্ণনা কৰক।

খ) ৰচনা ধর্মী প্রশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শৈক্ষিক সংগঠন বুলিলে কি বুজে? সাধাৰণ সংগঠন আৰু শৈক্ষিক সংগঠনৰ মাজত কি কি পার্থক্য দেখা যায়?

প্রশ্ন ২ ঃ শৈক্ষিক সংগঠনৰ কার্য্যাৱলী সমূহ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ সাংগঠনিক পৰিবেশ বুলিলে কি বুজে? সাংগঠনিক পৰিবেশৰ বাবে কি কি উপাদান দায়বদ্ধ বুলি আপুনি ভাবে?

প্রশ্ন ৪ ঃ বিদ্যালয়ত প্রধান শিক্ষক আৰু সহকর্মী শিক্ষক সকলৰ শৈক্ষিক সাংগঠনিক কার্যকলাপৰ ওপৰত থকা ভুমিকাৰ বিষয়ে আলোচনা কৰক। সাংগঠনিক কার্যকলাপত ছাত্র-ছাত্রীৰ কিবা ভুমিকা আছেনে?

****

অধ্যায় ৮- আন্তঃ ব্যক্তিগত বিবাদৰ ব্যৱস্থাপনা আৰু শৈক্ষিক সংগঠনত ছাপ
(MANAGEMENT OF INTER-PERSONAL CONFLICT AND STRESS IN EDUCATIONAL ORGANISATION)

অধ্যায় গাথঁনি

৮ .১ উদ্দেশ্য

৮ .২ পৰিচয়

৮ .৩ বিবাদৰ ধাৰণা আৰু সংজ্ঞা

৮ .৪ বিবাদৰ ভূমিকা

৮ .৫ আন্তঃ ব্যক্তিগত বিবাদ

৮.৫.১ আন্তঃ ব্যক্তিগত বিবাদৰ কাৰণসমূহ

৮.৫.২ আন্তঃ ব্যক্তিগত বিবাদৰ ব্যৱস্থাপনা

৮.৬ **চাপ** ব্যৱস্থাপনা

৮.৬.১ অর্থ আৰু প্রকৃতি

৮.৭ **চাপ** ব্যৱস্থাপনাৰ পদ্ধতিসমূহ

৮.৭.১ ব্যক্তিতান্ত্রিক দৃষ্টিভংগী

৮.৭.২ সাংগঠনিক দৃষ্টিভংগী

৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৯ অধিক জানিবলৈ

৮.১০ অগ্রগতিৰ খতিয়ান

৮.১১ আর্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- বিবাদৰ ধাৰণা আৰু এটা সংগঠনত ইয়াৰ ভূমিকা সম্পর্কে নির্ণয় কৰিব পাৰিব,
- আন্তঃ ব্যক্তিগত বিবাদ আৰু ইয়াৰ পদ্ধতিসমূহৰ বিষয়ে ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব,
- চাপৰঅর্থ আৰু প্রকৃতি বর্ণনা কৰিব পাৰিব,
- চাপ ব্যৱস্থাপনাৰ ব্যক্তিতান্ত্রিক আৰু সাংগঠনিক দৃষ্টিভংগীসমূহৰ বিষয়ে আলোচনা কৰিবলৈ সমর্থ হ'ব

৮.২ পৰিচয়

এটা শৈক্ষিক সংগঠন সাধাৰণভাৱে সৃষ্টি কৰা হয় শিক্ষাৰ ব্যৱস্থাৰ গুণগত মান উন্নত কৰিবলৈ। ইয়াৰ মূল উদ্দেশ্য হ'ল মানব ব্যক্তিত্ব; মানব কল্যাণ আৰু সমৃদ্ধিৰ বিকাশ সাধন কৰা। তেনেধৰণৰ সংগঠনৰ মূল উপাদানসমূহ হ'ল ব্যক্তিসকল। সংগঠনবোৰ বিকশিত হোৱা আৰু জীয়াই থকাৰ মূলতে হ'ল ব্যক্তিসকল। ব্যক্তিগত বৈষম্যতাৰ কাৰণে ব্যক্তিসকলৰ মাজত বিবাদৰ মনোভাব থকাটো স্বাভাৱিক। বিবাদসমূহ সৃষ্টি হোৱাৰ মূলতে হ'ল মতামতৰ ভিন্নতা, কামকাজৰ প্ৰকৃতি, শত্ৰুতা, দক্ষতাসম্পন্নতা ইত্যাদি। এনেধৰণৰ অৱস্থাবোৰ কৰ্মচাৰীসকলৰ আচৰণৰ মাধ্যমত প্ৰতিফলিত হয় আৰু ই সংগঠনসমূহৰ বিকাশত বাধা আনি দিয়ে আৰু সময়ত সংগঠনটো নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ সক্ষম নহয়। সেইবাবেই বিদ্যালয় ব্যৱস্থাপনাত বিবাদৰ ধাৰণাৰ বিষয়ে বুজ লোৱাটো গুৰুত্বপূৰ্ণ আৰু ইয়াক অতি সাৱধানতাৰে চোৱাচিতা কৰিবলগীয়া হয়। এই অধ্যয়টোৰ দ্বাৰা বিবাদৰ ধাৰণা, আন্তঃ ব্যক্তিগত বিবাদ, আন্তঃ ব্যক্তিগত বিবাদসমূহৰ ব্যৱস্থাপনা আৰু চাপ ব্যৱস্থাপনা আদিৰ বিষয়ে আলোচনা কৰা হৈছে।

৮.৩ বিবাদৰ ধাৰণা আৰু সংজ্ঞা (CONCEPT AND DEFINITION OF CONFLICT)

প্ৰথমতে আমি বিবাদ মানে কি বা ইয়াৰ ধাৰণা সম্বন্ধে জনাটো প্ৰয়োজনীয়। বিবাদ মানে হ'ল চুক্তিভংগতা বা সংগঠনটোৰ ব্যক্তিসকল আৰু দলবোৰৰ মাজত সৃষ্টি হোৱা শত্ৰুতা। ই হ'ল শত্ৰুতা, নঞৰ্থক দৃষ্টিভংগী, বিৰোধিতা, আক্ৰমণাত্মক ধাৰণা, প্ৰতিপক্ষতা আৰু ভুলকৈ বুজাৰ প্ৰকাশভংগী। এগৰাকী ব্যক্তিয়ে যদি পাবলৈ বিচৰা বস্তুখিনি পোৱাৰ সম্ভাৱনা নেথাকে তেনেক্ষেত্ৰৰ পৰা বা পোৱাত কোনোবাই বাধা আৰোপ কৰে তেনে দিশৰ পৰা বিবাদৰ প্ৰতিফলন ঘটে।

বিবাদ সম্বন্ধে বৰ্তমানলৈ বহুবোৰ সংজ্ঞা প্ৰকাশিত হৈছে। কেইটিমান সংজ্ঞা এইখিনিতে প্ৰকাশ কৰা হ'ল—

- Follett নামৰ চিন্তাবিদজনে কৈছে যে বিবাদ হ'ল "ভিন্নতাৰ অবৰ্ত্তীনতা বা প্ৰকাশ, আগ্ৰহৰ ভিন্ন মতামতসমূহ" (the appearance of difference, difference of opinions of interest)
- Louis R Pondy নামৰ চিন্তাবিদগৰাকীয়ে বিবাদৰ ওপৰত অধিক বোধগম্যভাৱে সংজ্ঞা এটা দিছে। তেওঁৰ মতে সাহিত্যত বিবাদ শব্দটো চাৰিটা বিভিন্ন পথৰ বৰ্ণনা কৰিবলৈ ব্যৱহাৰ হয়। যেনে—

  ১। বিবাদমুখী আচৰণৰ পূৰ্বৰ অৱস্থাসমূহ যেনে— সম্পদসমূহৰ অনাটন বা নীতিৰ

ভিন্নতাসমূহ

২। ব্যক্তিসকল জড়িত হোৱা প্ৰভাৱিত অৱস্থাসমূহ যেনে— চাপ, অস্থিৰতা, শত্ৰুতা, উৎকণ্ঠা ইত্যাদি

৩। ব্যক্তিসকলৰ জ্ঞাত বা বোধৰ অৱস্থাসমূহ, সেইবোৰ হ'ল— তেওঁলোকৰ সংবোধন বা বিবাদমুখী অৱস্থাৰ সজাগতা আৰু

৪। বিবাদীয় আচৰণসহিষ্ণু প্ৰতিবোধ পৰ্যায়ৰ পৰা আক্ৰমণাত্মক অৱস্থাৰ ওপৰলৈ।

ওপৰৰ সংজ্ঞাটোৰ আধাৰত আমি ক'ব পাৰো যেনে, বিবাদমুখী অৱস্থাৰ সৃষ্টি হয় মতামতসমূহৰ ভিন্নতাৰ বাবে বা ব্যক্তিসকল বা দলৰ মাজৰ আগ্ৰহৰ বাবে, নিশ্চিত লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত বাধা আৰোপিত হোৱা বাবে; মনোমালিন্যৰ প্ৰমূল্য, সংবোধনৰ ত্ৰুটি বা বিবাদমুখী অৱস্থাৰ সজাগতা ইত্যাদিৰ বাবে। এইবোৰকে বোধগম্যভাবে বিবাদ আখ্যা দিয়া হয়। বিবাদৰ ধাৰণা গঢ় লৈ উঠিব পাৰে দুটা বিপৰীত দলৰ মাজত আগ্ৰহ সম্বন্ধৰ মতানৈক্য বা বিতৰ্কমূলক অৱস্থাৰ বাবেওঁ। বিবাদ বহুধৰণৰ হ'ব পাৰে যেনে, মত বিৰোধিতা, বৈপৰীত্য মনোভাব, শত্ৰুতা, আক্ৰমণাত্মক অস্থিৰতা, উৎকণ্ঠা, ঈৰ্ষা ইত্যাদি। ব্যক্তিসকল বা সংগঠনসমূহৰ লগত বিবাদমূলক ধাৰণাটো ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। ই মানৱ জীৱনৰ লগতে জড়িত। ইয়াৰ প্ৰভাৱ আচৰণত, কৰ্ম সম্পাদনত, কৰ্মচাৰীসকলৰ সন্তুষ্টি আদিৰ ওপৰত পৰে। বিবাদৰ অৱস্থিতিয়ে ব্যৱস্থাপকৰ কৰ্মক্ষেত্ৰত বিভিন্ন ধৰণৰ জটিলতা সৃষ্টি কৰা দেখা যায়।

শৈক্ষিক ব্যৱস্থাপকসকল যেনে, প্ৰধান শিক্ষকসকল বা অধ্যক্ষসকল আৰু উপাচাৰ্যসকলে কৰ্মক্ষেত্ৰত নানাধৰণেৰে বিভিন্ন কাৰণত বিবাদৰ সন্মুখীন হ'বলগীয়া হয়। বিবাদ সৃষ্টি হয় অধ্যক্ষৰ মহাবিদ্যালয়ৰ শিক্ষকসকলৰ লগত, বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ শিক্ষক সংগঠনৰ লগত, শিক্ষকসকলৰ মাজত, শিক্ষক-ছাত্ৰৰ মাজত, কৰ্মচাৰী আৰু ব্যৱস্থাপকৰ মাজত। বিবাদৰ পৰ্যায় বিভিন্ন ধৰণৰ হ'ব পাৰে আৰু কেতিয়াবা ইয়াৰ পৰিণতি বহু বেয়াৰপিনে ঢাল খায়। শৈক্ষিক ব্যৱস্থাপকসকলে এনে কাৰণত বহুত সময় খৰছ কৰিবলগীয়া আৰু সমস্যা সমাধানৰ উপায় উলিয়াবলগীয়া হয়। ফলস্বৰূপে শিক্ষানুষ্ঠানসমূহৰ বিকাশৰ পৰিকল্পনা, গঠনমূলক কামকাজ আৰু আন আন কাৰ্যসূচী ৰূপায়ণৰ বাবে শৈক্ষিক ব্যৱস্থাপকসকলে সময় নেপায়। ই শিক্ষানুষ্ঠানৰ বিকাশত বাধা আনি দিয়ে।

৮.৪ বিবাদৰ ভূমিকা (ROLE OF CONFLICT)

সংগঠনসমূহত বিবাদৰ ভূমিকাৰ বিষয়ে নানাধৰণৰ মতামত প্ৰকাশিত হোৱা দেখা যায়। পৰম্পৰাগতভাৱে বিবাদক নঞৰ্থক দিশৰ বুলি কোৱা হয়। ইয়াৰ লগত দৌৰাত্মা, ধংসমুখিতা, নিৰ্বোধতা আদি ধাৰণাবোৰ জড়িত হৈ থাকে। বিবাদক সাধাৰণতে বেয়া বুলি আখ্যা দিয়া হয়। এইক্ষেত্ৰত যুক্তি প্ৰদৰ্শন কৰা হৈছে যে যিমানখিনি পাৰি সংগঠনসমূহে বিবাদ

এৰাই চলাটো ভাল। ইয়াক দমাই ৰখাৰ চেষ্টা কৰিব লাগে। প্ৰশাসন আৰু ব্যৱস্থাপনাই বিশ্বাস কৰে যে সংগঠনটোৰ নীতি-নিয়ম, কৰ্ম প্ৰণালী, প্ৰাধিকৰণ সম্বন্ধ আদি সুন্দৰভাৱে কাৰ্যকৰী কৰিবলৈ হ'লে বিবাদ সৃষ্টি হ'ব পৰা দিশবোৰ কমাব লাগিব। যদি এনেধৰণৰ ধাৰণাৰ উদয় কৰিব পৰা যায় তেতিয়া সংগঠন বা অনুষ্ঠানখনৰ বিকাশৰ গতি ক্ষিপ্ৰতৰ হ'ব। ব্যৱস্থাপনাৰ প্ৰক্ৰিয়াবোৰ যথাযথভাৱে আৰু সুন্দৰ ব্যৱস্থাৰে প্ৰয়োগ কৰিলে বিবাদৰ কাৰণবোৰ আঁতৰি যাব আৰু শিক্ষানুষ্ঠানসমূহ বিকশিত হ'ব।

কুৰি শতিকাৰ ১৯৪০ চনৰ পৰা ১৯৭০ চনৰ সময়চোৱাৰ ভিতৰত মানব সম্বন্ধৰ মতামতক হেঁচা দি ৰখা হৈছিল আৰু যুক্তি প্ৰদৰ্শন কৰা হৈছিল যে দল আৰু সংগঠনসমূহৰ মাজত গঢ় লৈ উঠা বিবাদ প্ৰাকৃতিকভাৱে সৃষ্টি হৈছিল। যিহেতু বিবাদৰ সম্ভাৱনা থাকেই সেয়েহে ব্যৱস্থাপনাই বিবাদবোৰ গ্ৰহণ কৰি লৈছিল আৰু তাক আঁতৰ কৰিবলৈ সুস্থ-সবল পৰিবেশ সৃষ্টি কৰিবলৈ যত্নপৰ হৈছিল। কিন্তু মতামতৰ ভিন্নতা, ভুল নীতি প্ৰয়োগ, কঠোৰ দমন, সহযোগিতাৰ অভাৱ, সম্পদৰ অনুপযুক্ত ব্যৱহাৰ হ'লে বিবাদ সংঘটিত হ'বই আৰু তাৰ ফলত যোগাযোগৰ অভাৱ হৈ সংগঠন বা অনুষ্ঠানত অপ্ৰীতিকৰ অৱস্থাৰ সৃষ্টি হয়। সেয়েহে ব্যৱস্থাপনাই সদায় বিবাদ পৰিহাৰ কৰিবলৈ চেষ্টা চলাই থাকিব লাগে। ব্যৱস্থাপনামণ্ডলীৰ সভাত এই বিষয়টোত স্থিৰ সিদ্ধান্তলৈ আহিব লাগে। এইটোৱে হ'ল বিবাদৰ বিষয়ে পৰম্পৰাগত মতামত।

আধুনিক ধাৰণামতে ওপৰত উল্লেখ কৰা মতামতখিনিৰ সম্পূৰ্ণ ভিন্নতা আছে। আধুনিক দৃষ্টিভংগীয়ে বিবাদক উদ্‌গনি যোগায় আৰু বিশ্বাস কৰে যে বিবাদ এটা মাত্ৰ যোগাত্মক শক্তিয়েই নহয় ইয়াৰ প্ৰয়োজন হয় সংগঠনৰ কামসমূহ ফলপ্ৰসু কৰাৰ বাবে। যদি দল বা সংগঠনটো সৌহাৰ্দপূৰ্ণ হয়, শান্তিপ্ৰিয় হয় আৰু সহযোগিতা থাকে তেতিয়া ই স্থিতিশীল হৈ পৰে; দায়িত্বহীন হৈ পৰে আৰু লগতে ইয়াৰ কোনো পৰিবৰ্তন নহয় আৰু অভিনবত্ব নাহে। সেয়েহে ব্যৱস্থাপকে কিছু পৰিমাণে বিবাদ সৃষ্টি হোৱাত উদগনি যোগাব লাগে তেতিয়াহে দলটো সামৰ্থবান হ'ব, আত্মসমালোচনামুখী আৰু সৃষ্টিশীল হৈ পৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ বিবাদ মানে কি?

.....

.....

প্ৰশ্ন নং ২ঃ বিবাদৰ পৰম্পৰাগত আৰু আধুনিক মতামত উল্লেখ কৰক।

.....

.....

৮.৫ আন্তঃ ব্যক্তিগত বিবাদ (INTER-PERSONAL CONFLICT)

আমি ইতিমধ্যে বিবাদৰ ধাৰণা আৰু সংগঠনত ইয়াৰ ভূমিকাৰ বিষয়ে অৱগত হ'লো। এতিয়া আমি আন্তঃ ব্যক্তিগত বিবাদৰ বিষয়ে আলোচনা কৰিমহক।

আন্তঃ ব্যক্তিগত বিবাদ গঢ় লৈ উঠে দুজন বা তাতকৈ অধিক ব্যক্তিৰ মাজত। এনেকুৱা ধৰণৰ বিবাদক অতি সাধাৰণ আৰু স্বীকৃতিপ্ৰাপ্ত বিবাদ বুলি কোৱা হয়। আমি যদি গভীৰভাৱে পৰ্যবেক্ষণ কৰো তেতিয়া দেখিবলৈ পাম যে সকলোবোৰ বিবাদেই হ'ল আন্তঃ ব্যক্তিগতধৰণৰ। বিবাদবোৰ সাধাৰণতে দুগৰাকী ব্যক্তিৰ মাজত, এগৰাকী ব্যক্তি আৰু ব্যৱস্থাপকৰ মাজত, এটা সংগঠনৰ আন এটা সংগঠনৰ মাজত গঢ় লৈ উঠা দেখা যায়। প্ৰত্যেকগৰাকী ব্যক্তিৰ ভিন্নধৰণৰ গ্ৰহণযোগ্য বিকল্প কৰ্মৰ পন্থা থাকে আৰু বিভিন্ন ব্যক্তিয়ে বিভিন্নধৰণৰ বিকল্পতা বিচাৰে। কেতিয়াবা কেতিয়াবা সংগঠনসমূহেওঁ এনেকুৱা অৱস্থাৰ সৃষ্টি কৰা দেখা যায়; ফলস্বৰূপে বিবাদৰ ধাৰণা উদ্ভৱ হয়।

উদাহৰণস্বৰূপে, এখন শৈক্ষিক সংগঠনত বিশেষভাৱে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াই শিক্ষকসকলৰ মাজত আৰু অনাশিক্ষক কৰ্মচাৰীসকলৰ মাজত আন্তঃ ব্যক্তিগত বিবাদৰ সূত্ৰপাত কৰে। সংগঠনৰ প্ৰতিগৰাকী ব্যক্তিয়েই যুক্তিসংগত প্ৰকৃতগত সিদ্ধান্ত গ্ৰহণ কৰাটো বিচাৰে আৰু ইয়াক গুৰুত্বপূৰ্ণ কৌশল হিচাপে প্ৰয়োগ হোৱাটো কামনা কৰে বিশেষকৈ বিদ্যালয় ব্যৱস্থাপনা পৰিষদৰ সদস্যসকলে। কেতিয়াবা কেতিয়াবা তেওঁলোকে সিদ্ধান্ত গ্ৰহণ কৰাত ভুল কৰা দেখা যায় আৰু পক্ষপাতিত্বৰ দ্বাৰা প্ৰভাবান্বিত হোৱা দেখা যায়। বিশেষকৈ এনে হয় দক্ষতাহীন শিক্ষকক উচ্চ পৰ্যায়লৈ নিয়া আৰু গুৰুত্বপূৰ্ণ বঁটা প্ৰদান আদিৰ ক্ষেত্ৰত। দক্ষতাসম্পন্ন শিক্ষকসকলক স্বীকৃতি নিদি অকৰ্মপটু, অদক্ষ শিক্ষকসকলক স্বীকৃতি প্ৰদান কৰিলে শিক্ষানুষ্ঠানত আন্তঃ ব্যক্তিগত বিবাদ গঢ় লৈ উঠিব পাৰে। কোনো কোনো ক্ষেত্ৰত ব্যৱস্থাপনাই এনে কাৰ্যত উদগনি যোগায় সংগঠনৰ পৰিবেশ বিনষ্ট কৰা দেখা যায়। শৈক্ষিক ক্ষেত্ৰৰ অধিক সংখ্যক বিবাদ গঢ় লৈ উঠে শিক্ষকসকলৰ মাজত, শিক্ষাৰ্থীসকলৰ মাজত, প্ৰশাসকসকলৰ মাজত, অভিভাৱকসকলৰ মাজত আৰু সাধাৰণভাৱে কৰ্মচাৰীসকলৰ মাজত। এনেধৰণৰ আন্তঃ ব্যক্তিগত বিবাদবোৰ প্ৰকৃতিগতভাৱে সৰল যদিওঁ দুই-এটা এনেধৰণৰ বিবাদে গুৰুতৰ অৱস্থাৰ সৃষ্টি কৰাওঁ দেখা যায়। সময়ত ই সমাধানহীন হৈ পৰে।

৮.৫.১ আন্তঃ ব্যক্তিগত বিবাদৰ কাৰণসমূহ (Causes of Inter-personal Conflict)

আন্তঃ ব্যক্তিগত বিবাদৰ কাৰণসমূহ বুজি লোৱাটো আমাৰ বাবে প্ৰয়োজনীয়। বহলভাৱে আন্তঃ ব্যক্তিগত বিবাদক দুটা উপাদানত ভগাব পৰা যায়। ভাগ দুটা হ'ল— ব্যক্তিগত

উপাদানসমূহ আৰু অৱস্থাগত উপাদানসমূহ। প্ৰথমতে আমি ব্যক্তিগত উপাদানসমূহৰ বিষয়ে আলোচনা কৰিমহক—

(ক) **ব্যক্তিগত উপাদানসমূহ ঃ—** ইয়াৰ মানে হ'ল ব্যক্তিসকল যিবিলাকে আন্তঃক্ৰিয়া-প্ৰক্ৰিয়াৰ লগত জড়িত আৰু তেওঁলোকে নিশ্চিত কৰিব যে তেওঁলোকৰ আন্তঃক্ৰিয়া কিমান পৰ্যায়ৰ আৰু ই সহযোগিতাসম্পন্ন হ'বনে বিবাদমূলক হ'ব। এইক্ষেত্ৰত তলত দিয়া উপাদানসমূহ গুৰুত্বপূৰ্ণ—

ব্যক্তিগত ভিন্নতাসমূহ ঃ ব্যক্তিসকলৰ মাজত সৃষ্টি হোৱা বিবাদৰ প্ৰধান কাৰণ হ'ব পাৰে ব্যক্তিগত বৈষম্য বা ভিন্নতাসমূহ। ব্যক্তিয়ে নিৰ্দিষ্ট মানসিক অৱস্থাৰ সৈতে পাৰস্পৰিক ক্ৰিয়া সম্পাদন কৰে। মানসিক অৱস্থাবোৰ হ'ল ব্যক্তিৰ চিন্তা, অনুভূতি আৰু আচৰণত আত্ম প্ৰকাশ। যদি মানসিক অৱস্থাবোৰ পূৰক নহয় তেতিয়া বিবাদমূলক অৱস্থাসমূহে ঠাই লয়। সেয়েহে পূৰকহীনতাসূচক মানসিক অৱস্থাসমূহ বা মানসিক দ্বন্দ্ব বা ব্যক্তিত্ব দ্বন্দ্বয়ে আন্তঃ ব্যক্তিগত বিবাদক নেতৃত্ব দিব পাৰে। আকৌ ব্যক্তিগত পক্ষপাতিত্ব যেনে ধৰ্ম, জাতি বা যৌনতা বা লিংগৰ ধাৰণাও বিবাদৰ সমল হ'ব পাৰে।

প্ৰমূল্য ব্যৱস্থা ঃ ব্যক্তিসকলে বিভিন্নধৰণৰ প্ৰমূল্য ব্যৱস্থাৰ অধিকাৰ লাভ কৰিব পাৰে। মূল্য প্ৰমূল্যসমূহ হ'ল ব্যক্তিগত জীৱনৰ দৰ্শন। প্ৰমূল্য ব্যৱস্থাই এজন ব্যক্তিয়ে জীৱনৰ বিভিন্ন অৱস্থাত কেনেদৰে প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে তাক নিৰ্ধাৰণ কৰে। ব্যক্তিসকলৰ বিভিন্নধৰণৰ প্ৰমূল্যবোধ আছে। তেওঁলোকে বিভিন্ন ধৰণেৰে বিভিন্ন অৱস্থাত প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে যিবিলাক তেওঁলোকৰ আচৰণত, কৰ্মক্ষেত্ৰত প্ৰতিফলিত হয়। এনেবোৰ দিশেই আন্তঃব্যক্তিগত বিবাদৰ আধাৰ হ'ব পাৰে।

সামাজিক-সাংস্কৃতিক উপাদানসমূহ ঃ ব্যক্তিসকল বৈষম্যপূৰ্ণ; কাৰণ তেওঁলোক ডাঙৰ-দীঘল হয় বিভিন্নধৰণৰ সামাজিক আৰু সাংস্কৃতিক আবাহত। সেইবাবেই তেওঁলোকৰ মাজত বিবাদৰ ধাৰণা বিকশিত হয়। বহুবোৰ আন্তঃ ব্যক্তিগত বিবাদ আধাৰিত হয় জাত, ধৰ্ম, অঞ্চল, পৰিয়াল পৰম্পৰা, পৰিয়াল আবাহ আদিৰ ওপৰত। এনেবোৰ ভিন্নতাই মানুহক ব্যক্তিগত আগ্ৰহত উদগনি যোগায় নেতৃত্ব প্ৰদান কৰি ব্যক্তিসকলক বিবাদমুখী কৰি তোলে।

(খ) **অৱস্থাগত উপাদানসমূহ ঃ—** অৱস্থাগত উপাদান মানে হ'ল পাৰিপাৰ্শ্বিক অৱস্থা যিয়ে সৃষ্টি কৰে বা অৱস্থাসমূহ উৎপাদন কৰে আৰু তাৰ ফলতেই বিবাদসমূহ বিকশিত হ'ব পাৰে। সেই উপাদানসমূহ হ'ল—

আগ্ৰহমূলক বিবাদ ঃ দলৰ ভিতৰৰ আগ্ৰহমূলক সংঘৰ্ষই আগ্ৰহান্বিত বিবাদৰ নেতৃত্ব দিয়ে। এইটো মানুহৰ মূল প্ৰকৃতিৰ বাবে নহয় কিন্তু অৱস্থাৰ বাবে হয়। বিদ্যালয় সংগঠনত শিক্ষকৰ ভূমিকাই বহুবোৰ হেঁচা আৰু বিবাদক মুকলি কৰে। এনে অৱস্থা

আমাৰ সামাজিক, ৰাজনৈতিক পৰিবেশৰ পৰিবৰ্তনৰ প্ৰভাবৰ ফল সংঘটিত হয় আৰু ই আমাৰ শিক্ষা ব্যৱস্থাত চিধাচিধিভাৱে প্ৰতিফলিত হ'ব পাৰে। কেতিয়াবা কেতিয়াবা আমি দেখিবলৈ পাওঁ যে ৰাজনৈতিক প্ৰভাৱৰ বাবে কিছুমান দক্ষতাহীন কম সামৰ্থৰ ব্যক্তিয়ে দক্ষতাসম্পন্ন অধিক সামৰ্থবান ব্যক্তিক চেৰ পেলাই উচ্চস্থান দখল কৰিবলৈ সামৰ্থবান হয়। এনেধৰণৰ কাৰ্যবোৰে সংগঠনৰ সদস্যসকলৰ মাজত বিভ্ৰান্তিকৰ পৰিবেশ সৃষ্টি কৰি বিবাদৰ সূত্ৰপাত কৰে।

তথ্যৰ অভাৱ ঃ খবৰ তথা তথ্যৰ অভাৱ হ'লেওঁ আন্তঃ ব্যক্তিগত বিবাদৰ সূত্ৰপাত হ'ব পাৰে। ইয়াক এটা মূল কাৰণ হিচাপে ধৰিব পৰা যায়। বিদ্যালয় সংগঠনৰ সদস্যসকলৰ মাজত যোগাযোগ ভংগ হ'লেওঁ বিবাদ সৃষ্টি হ'ব পাৰে। বিশেষকৈ অধ্যক্ষ বা প্ৰধান শিক্ষক আৰু শিক্ষকৰ মাজত বুজাবুজিৰ ভুল হ'লে ই কেতিয়াবা কেতিয়াবা বিবাদৰ সমল হৈ পৰে। খবৰ তথা তথ্যসমূহ মানুহ বা সদস্যসকলৰ মাজত মুখ বাগৰি বাগৰি অন্য দিশলৈ ৰূপান্তৰিত হৈ পৰা দেখা যায়। এনেধৰণে মুখ বাগৰা তথ্যবোৰ এটা নিৰ্দিষ্ট বিন্দুলৈ কৰ্মক্ষম হৈ থাকে এটা সময়ৰ পিছত ই বিবাদৰ সমল হৈ পৰে।

পৰিবেশীয় চাপ ঃ আন্তঃ ব্যক্তিগত বিবাদ সৃষ্টি হোৱাত পৰিবেশৰ চাপেওঁ অৰিহণা যোগায়। পৰিবেশৰ পৰা অহা চাপ মূলতঃ প্ৰতিযোগিতামূলক দিশ, উচ্চ পৰ্যায়ৰ অনিশ্চয়তা, অতি বেছি কাম ইত্যাদিৰ পৰা উদ্ভৱ হয়। শিক্ষকসকলৰ ভূমিকাক নতুন ধৰণৰ কাম আৰু প্ৰত্যাহ্বানসমূহে সম্প্ৰসাৰণ ঘটায়। শিক্ষকসকলে শিক্ষাৰ্থীসকলক শিক্ষাদান দিয়াৰ উপৰিওঁ শিকাৰুসকলৰ প্ৰয়োজনীয়তা আৰু সামৰ্থতাৰ বিষয়ে মনত ৰাখি জ্ঞানৰ ভাণ্ডাৰ সম্প্ৰসাৰণ কৰিব লাগে। শিশুসকলক সামাজিকৰণ কৰাটো এটা গুৰুত্বপূৰ্ণ কাম। আকৌ শিক্ষকে শিক্ষাৰ্থীসকলৰ মূল্যায়ণ কৰিব লাগে, উত্তীৰ্ণ কৰোৱাৰ বাবে বিচাৰ কৰিব লাগে, শৈক্ষিক আৰু বৃত্তিমুখী নিৰ্দেশনাৰ বাবে শিক্ষাৰ্থী আৰু অভিভাৱকক দিক নিৰ্ণয় কৰাব লাগে। এনেধৰণৰ হেঁচাবোৰে উৎকণ্ঠা আৰু চাপ সৃষ্টি কৰে যাৰ ফলত কৰ্মচাৰীসকল, শিক্ষক আৰু অভিভাৱকসকল, শিক্ষক আৰু শিক্ষাৰ্থীসকল, শিক্ষক আৰু অধ্যক্ষ আদিৰ মাজত বিবাদ আনি দিব পাৰে।

দ্বৈতার্থ ভূমিকা ঃ দ্বৈতার্থৰ ভূমিকাৰ সৃষ্টি হয় যেতিয়া এগৰাকী ব্যক্তিয়ে নিজৰ চাকৰিৰ কৰ্তব্য আৰু দায়িত্ব সম্বন্ধে স্বচ্ছ ধাৰণা নাপায় তেতিয়া। যদি প্ৰশাসক বা প্ৰাধিকৰণে এগৰাকী কৰ্মচাৰীৰ কাম কি হ'ব, দায়িত্ব কি তাক নিশ্চিতভাৱে জনায় নিদিয়ে বা তেওঁৰ কামখিনি আন এজনে যদি কৰি থাকে তেতিয়া কৰ্মচাৰীগৰাকীৰ মনত বিবাদমূলক ধাৰণা গঢ় লৈ উঠিব পাৰে।

৮.৫.২ আন্তঃ ব্যক্তিগত বিবাদৰ ব্যৱস্থাপনা (Management of Inter-personal Conflict)

আমি আমাৰ আগৰ আলোচনাখিনিৰ পৰা জানিব পাৰিলো যে বিবাদ হ'ল এগৰাকী

ব্যক্তিৰ দৈনন্দিন জীৱনৰ লগত জড়িত অংশস্বৰূপ বা এটা সংগঠনৰ ভিতৰত সংঘটিত হৈ থকা এটা দিশ বা অৱস্থা। ই সংগঠনটোৰ কর্মচাৰীসকলৰ আচৰণ, কর্ম সম্পাদন আৰু সন্তুষ্টিৰ ওপৰত উল্লেখযোগ্য প্রভাৱ পেলায়। সেয়েহে ক'ব পৰা যায় যে বিদ্যালয় সংগঠনৰ বাবে এটা পর্যায়ৰ পিচত ই অনিষ্টকাৰী হৈ পৰে। সেয়েহে যদি কোনো সংগঠনত কিবা কাৰণত বিবাদৰ সূত্রপাত হয় ব্যৱস্থাপনামণ্ডলীয়ে অতি শীঘ্রে পলম নকৰাকৈ সেই বিবাদ আঁতৰ কৰাত যত্নপৰ হ'ব লাগে।

আন্তঃ ব্যক্তিগত বিবাদসমূহৰ লগত জড়িত দলবোৰৰ এটা প্রৱণতা থাকে যিটো প্রৱণতাই বিবাদসমূহ অধিক সময়লৈ চলি থাকিব নিদিয়ে। কাৰণ আন্তঃ ব্যক্তিগত বিবাদ অধিক সময় চলি থাকিলে বিবাদীয় দলবোৰৰ মাজত অস্থিৰতা বৃদ্ধি পায়। এনেধৰণৰ বিবাদবোৰ নমনীয় হোৱাৰ মূল উপাদান হ'ল সময়। বিদ্যালয়বোৰত সংঘটিত হৈ থকা আন্তঃ ব্যক্তিগত বিবাদবোৰ আঁতৰাই ৰাখিবলৈ হ'লে বিদ্যালয় ব্যৱস্থাপনাই তলত উল্লেখ কৰা পন্থাবোৰ হাতত ল'ব পাৰে—

পৰামর্শদান ঃ পৰামর্শদান মানে হ'ল আলোচনা, পাৰস্পৰিকভাৱে মতামত বিনিময়কৰণ আৰু একাত্মতাৰে সিদ্ধান্তলৈ অহাৰ ব্যৱস্থা। এইটো হ'ল এটা ব্যক্তিমুখীকৰণ আৰু ব্যক্তিগত ধাৰণাৰে সাহার্য প্রদান প্রক্রিয়া। সংগঠনৰ লগত জড়িত হৈ থকা ব্যক্তিসকলৰ ব্যক্তিগত সমস্যাসমূহ অধ্যয়নৰ মাধ্যমেৰে বিশ্লেষণ কৰি সমাধানলৈ অহাৰ ক্ষেত্রত পৰামর্শদান ব্যৱস্থাটোৱে অৰিহণা যোগায়। দুগৰাকী ব্যক্তিৰ মাজত সংঘটিত হোৱা বিবাদে এইটোকে সূচায় যে তেওঁলোকৰ মাজত বিবাদ উদ্ভৱ হৈছে সংবোধন, মূল্যবোধ আৰু উদ্দেশ্যসমূহৰ কাৰণে। বিদ্যালয় ব্যৱস্থাপনাই দুয়োটা দলক মাতি আনি খোলাখুলিকৈ মুক্তভাৱে তেওঁলোকৰ সমস্যাখিনি আলোচনা কৰিব লাগে আৰু দল দুটাৰ মাজত পাৰস্পৰিক বুজাবুজিৰ মাধ্যমেৰে বিবাদ আঁতৰাবলৈ সুস্থ-সবল পৰিবেশ সৃষ্টি কৰাৰ চেষ্টা কৰিব লাগে।

ফলদায়ক যোগাযোগ ঃ আমি আগতে উল্লেখ কৰিছো যে যোগাযোগ বা খবৰৰ পথত বাধ্যবাধকতা আহিলে বিভিন্ন পর্যায়ত বিবাদৰ সূত্রপাত হয়। শিক্ষানুষ্ঠানবোৰত প্রধান শিক্ষক বা অধ্যক্ষই শিক্ষকসকল আৰু কর্মচাৰীসকলৰ মাজত ফলদায়কভাৱে যোগাযোগ ব্যৱস্থা সফল কৰি তুলিব লাগে। এনেধৰণৰ ব্যৱস্থা হাতত ল'লে কর্মচাৰীসকলৰ মাজত সৃষ্টি হ'ব পৰা বুজাবুজিৰ ভুলখিনিৰ হাৰ কমি যাব।

যৌথ সিদ্ধান্তলৈ অহাৰ প্রক্রিয়া ঃ শিক্ষাৰ ক্ষেত্রখনত সকলোৱে সিদ্ধান্ত গ্রহণ কৰিবলগীয়া হয়। বিভাগবোৰ আৰু বিদ্যালয়ে পাঠ্যক্রম, নিয়োগ, পৰীক্ষা ব্যৱস্থা, সমলসমূহ, সহপাঠ্যক্রমিক কার্যসূচী আদিৰ ক্ষেত্রত নীতি গ্রহণ কৰি সিদ্ধান্তলৈ আহিবলগীয়া হয়। শিক্ষক আৰু ব্যৱস্থাপনাই যুটীয়াভাৱে সিদ্ধান্তত আহিব লাগে। বিশেষকৈ সহযোগীসকলৰ সহায়ত সিদ্ধান্তলৈ অহাটো ভাল। এনে কৰিলে কর্মচাৰীসকলৰ মাজত আন্তঃ ব্যক্তিগত

বিবাদ সৃষ্টি হোৱাৰ সম্ভাৱনা কমি থাকিব।

মুক্ত পৰিবেশ ঃ সাংগঠনিক পৰিবেশ হ'ল বিদ্যালয়ৰ মানদণ্ড উন্নত কৰাৰ এবিধ গুৰুত্বপূর্ণ আভ্যন্তৰীণ আহিলা। ই আন্তঃ ব্যক্তিগত বিবাদৰ হাৰো কমাই ৰাখিব পাৰে। মুক্ত পৰিবেশে বিদ্যালয়ত মুক্ততা আনে। শিক্ষকসকলক ব্যৱস্থাপনা বা বিদ্যালয়ৰ অধ্যক্ষই কর্ম সম্পাদনত বাধা আৰোপিত নকৰিলে তেওঁলোকে কোনো আপত্তি বা যুদ্ধংদেহী মনোভাব লৈ কাম নকৰে। ইজনে-সিজনৰ লগত বন্ধুত্বসূচক ভাবধাৰাৰে কাম কৰি যাব। শিক্ষকসকলক অতি বেছি কামৰ বোজা দিয়া নেযায় আৰু অস্থিৰতাৰ লগতে অসুবিধাসমূহ অতিক্রম কৰিবলৈ অধিকভাৱে অভিৰোচিত কৰা নেযায়। তেওঁলোকৰ কর্মৰ সন্তুষ্টি আছে আৰু বিদ্যালয়ৰ লগত যে জড়িত তাকে লৈ তেওঁলোকে গর্বিত। যদি তেনেধৰণৰ পৰিবেশ সৃষ্টি কৰিব পৰা যায় তেতিয়া বিদ্যালয়ত নিশ্চিতভাৱে আন্তঃ ব্যক্তিগত বিবাদ কমি থাকিব।

সেয়েহে প্রকৃত ব্যৱস্থাপনাৰ কৌশলসমূহ আৰু মনোযোগে বিবাদৰ কাৰণবোৰ আঁতৰাই পেলাব পাৰে। ব্যৱস্থাপনামণ্ডলীয়ে অতি মনোযোগেৰে শিক্ষকসকলৰ প্রয়োজনীয়তাসমূহৰ বুজ ল'ব লাগে আৰু নিৰপেক্ষভাৱে পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। বিবাদসমূহ সৃষ্টি হোৱাৰ কাৰণসমূহ উদ্‌ঘাটন কৰি সমাধানৰ উপায় উলিয়াই লোৱাটো দৰকাৰ। মুক্ত পৰিবেশ সৃষ্টি কৰি জড়িত ব্যক্তিসকলৰ লগত আলোচনাৰ মাধ্যমেৰে সুবিধা প্রদান কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আন্তঃ ব্যক্তিগত বিবাদ কি?

.....

.....

প্রশ্ন নং ৪ ঃ আন্তঃ ব্যক্তিগত বিবাদৰ তালিকা প্রস্তুত কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ আন্তঃ ব্যক্তিগত বিবাদৰ ব্যৱস্থাপনা পদ্ধতি উল্লেখ কৰক।

.....

.....

৮.৬ চাপ ব্যৱস্থাপনা (STRESS MANAGEMENT)

আমি চাপ ব্যৱস্থাপনাৰ পদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে চাপ মানেনো কি আৰু ইয়াক চম্ভাল কৰা কিয় প্ৰয়োজন তাৰ বুজ লোৱাটো প্ৰয়োজন হ'ব। প্ৰথমতে আমি চাপৰ অৰ্থ আৰু প্ৰকৃতিৰ বিষয়ে আলোচনা কৰিমহক।

৮.৬.১ চাপৰ অৰ্থ আৰু প্ৰকৃতি (Meaning and Nature of Stress)

ব্যক্তিগত দিশৰ পৰা ক'বলৈ হ'লে চাপ হ'ল আমাৰ শৰীৰত শাৰিৰীক, মানসিক আৰু ৰাসায়নিক প্ৰতিক্ৰিয়াৰ দ্বাৰা সংঘটিত হোৱা ভয়ভাব, সন্দেহভাব বা অস্বাভাৱিকতা। অতি সহজ শব্দত ক'বলৈ হ'লে পৰিবেশত অসুবিধাৰ সৃষ্টি কৰি থকা ব্যক্তিৰ ই এক প্ৰতিক্ৰিয়া। চাপ সংঘটিত হয় যেতিয়া হেঁচা বহুত বেছি হৈ আমাৰ সহ্যৰ ক্ষমতা হেৰাই যায়।

আজিৰ সময়ছোৱা হ'ল প্ৰতিযোগিতাৰ সময়। কৰ্মক্ষেত্ৰসমূহত প্ৰতিযোগিতামূলক কৰ্মৰাজিয়ে শ্ৰমিকসকলৰ লগতে সংগঠনৰ ব্যৱস্থাপকসকলকো চাপৰ সম্মুখীন কৰায়। কৰ্মৰ চাপৰ ফলত কৰ্মচাৰীসকলৰ দক্ষতাৰ পৰ্যায় তললৈ যায় আৰু তেওঁলোকৰ চাল-চলনত ভাগৰ আৰু জঠৰতা প্ৰদৰ্শিত হয়। ই অতিশয় অস্থিৰতা, হৃদৰোগ, ঘা, বহুমূত্ৰ ৰোগ, কেঞ্চাৰ, গাঠিৰ বিষ, মনোবৈজ্ঞানিক ব্যাঘাতৰ লগতে ভাঙোনমুখী আদিৰ দৰে অৱস্থাসমূহৰ বিষয়ত দায়ী হৈ পৰে।

প্ৰকৃতিগতভাৱে চাপ হ'ল উচ্চভাৱে ব্যক্তিকেন্দ্ৰিক। কিছুমান ব্যক্তিৰ চাপৰ সহ্যগুণ বহুত বেছি কিছুমানৰ বৰ কম। যিবিলাগৰ সহ্যগুণ কম তেওঁলোকৰ ক্ষেত্ৰত পক্ষাঘাট অৱস্থাৰ সৃষ্টি হয় আৰু দৈনন্দিন কৰ্মৰাজিৰ মুখামুখি হ'বলৈ সক্ষমতা হেৰুৱাই পেলায়। যেতিয়া এগৰাকী ব্যক্তি চাপৰ দ্বাৰা আক্ৰান্ত হয় তেওঁৰ কৰ্মপটুতা নিম্নগামী হয় তেওঁ ব্যৱস্থাপকেই হওঁক বা শ্ৰমিকেই হওঁক। এটা সংগঠনত চাপৰ প্ৰভাৱ বৃষ্টিত হৈ পৰিব পাৰে।

শৈক্ষিক সংগঠনবোৰো চাপ আৰু ইয়াৰ লগত জড়িত সমস্যাসমূহৰ পৰা মুক্ত নহয়। শৈক্ষিক ব্যৱস্থাপক যেনে, অধ্যক্ষ, প্ৰধান শিক্ষক বা শিক্ষকো যদি চাপৰ দ্বাৰা প্ৰভাবান্বিত হয় তেতিয়া তেওঁলোকৰ কৰ্মক্ষমতা হ্ৰাস পাবলৈ ধৰে। শিক্ষকসকলৰ ভূমিকাৰ পৰিবৰ্তন আহি পৰিছে বিশেষকৈ যোৱা দশক দুটাত তেওঁলোকে পৰম্পৰাগত শিক্ষকসকলতকৈ অধিক দায়িত্ব কান্ধ পাতি ল'বলগীয়া হৈ পৰিছে। তেওঁলোকৰ ভূমিকা নতুন নতুন কৰ্মৰাজিৰ বাবে সম্প্ৰসাৰিত হৈছে আৰু সম্মুখলৈ প্ৰত্যাহ্বান আহি পৰিছে আৰু তাৰফলত বহুবোৰ

চাপৰ লগতে বিবাদৰ দ্বাৰা প্ৰভাৱান্বিত হৈ পৰিছে। সকলোবোৰ শিক্ষকতাৰ কৰ্মই ব্যৱস্থাপনাৰ দিশটো চম্ভালিবলগীয়া হয়, বিশেষকৈ শ্ৰেণীকোঠাসমূহ নিয়ন্ত্ৰণ কৰোতে বহুবোৰ নীতি আৰু পন্থা হাতত ল'বলগীয়া হয়। সেয়েহে বৰ্তমান সময়ত শিক্ষক ব্যৱস্থাপক হিচাপে অভিহিত কৰা হয়। তেওঁ শিক্ষাদানৰ পৰিকল্পনা কৰিব লাগে, সময়মতে পাঠ্যক্ৰম শেষ কৰিব লাগে, পৰীক্ষাসমূহ অনুষ্ঠিত কৰিব লাগে, সম্পদসমূহ চোৱাচিতা কৰিব লাগে, সহপাঠ্যক্ৰমিক কাৰ্যসূচীসমূহ কাৰ্যকৰী কৰিব লাগে আৰু আন আন বিদ্যালয়ৰ লগত জড়িত দিশসমূহৰ ব্যৱস্থাপনা কৰিব লাগে। আমি যদি এখন বিদ্যালয়ৰ বিকাশ আনিবলৈ বিচাৰো তেতিয়াহ'লে শিক্ষকসকল অধিকভাৱে কৰ্মক্ষম হ'ব লাগিব আৰু সামৰ্থতা প্ৰদৰ্শন কৰি সকলোধৰণৰ কামসমূহ সময়মতে সম্পাদন কৰিব লাগিব। সেইবাবেই যিমানখিনি পাৰি শিক্ষানুষ্ঠানত চাপৰ প্ৰভাৱ কমোৱাত যত্নপৰ হ'ব লাগিব।

৮.৭ চাপ ব্যৱস্থাপনাৰ পদ্ধতিসমূহ (METHODS OF MANAGING STRESS)

চাপ ৰেহাইৰ কৌশলসমূহ ব্যক্তিসমূহৰ পৰ্যায় আৰু সংগঠনসমূহৰ পৰ্যায়ত ল'ব পৰা যায়। প্ৰথমতে আমি ব্যক্তি পৰ্যায়ৰ অভিগমনৰ বিষয়ে আলোচনা কৰিমহক তাৰ পিচতহে সংগঠনসমূহৰ অভিগমনলৈ অগ্ৰসৰ হ'ম।

৮.৭.১ ব্যক্তিগত অভিগমন (Individual Approaches)

এগৰাকী ব্যক্তিয়ে চাপপূৰ্ণ অৱস্থাসমূহ আঁতৰ কৰাৰ ক্ষেত্ৰত বহুবোৰ উপায় অবলম্বন কৰিব পাৰে আৰু তাৰ লগত মোকাবিলা কৰিবলৈ শিকিব পাৰে। ব্যক্তি অভিগমন সন্দৰ্ভত চাপ ব্যৱস্থাপনাৰ কেইটিমান কৌশল হ'ল তলত দিয়াধৰণৰ—

চাপ সম্বন্ধে জ্ঞান ঃ প্ৰথম পৰ্যায়ত ব্যক্তিগৰাকীয়ে চাপ সম্বন্ধে জ্ঞানসমৃদ্ধ হোৱা উচিত। তেওঁ চাপৰ প্ৰক্ৰিয়া আৰু প্ৰভাব সম্বন্ধে জনা দৰকাৰ। তেওঁ চাপৰ প্ৰধান সমলসমূহ বিচাৰি উলিয়াব লাগিব আৰু কোনখিনিক মোকাবিলা কৰিব পাৰে আৰু কোনখিনিক নোৱাৰে তাক বিচাৰ কৰিব লাগিব।

মনোবৈজ্ঞানিক উপযুক্ততা ঃ সকলোধৰণৰ শাৰিৰীক অনুশীলন যেনে, খোজকঢ়া, জগিং, সাতোৰা, চাইকেল চলোৱা, ফুটবল খেলা, জপিওঁৰা, টেনিচ খেলা, বেডমিন্টন খেলা আদিবোৰে ব্যক্তিক চাপৰ লগত মোকাবিলা কৰাত সহায় কৰে।

সময় ব্যৱস্থাপনা ঃ দুৰ্বল সময় ব্যৱস্থাপনাই মানুহৰ মনত কৰ্মৰ বোজাৰ অনুভৱ, তালিকাৰ অস্বাভাৱিকতা আৰু চাপ সৃষ্টি কৰাৰ কাৰণ হ'ব পাৰে। এগৰাকী সুসংগঠিত ব্যক্তিয়ে

দুৰ্বলভাৱে সংগঠিত ব্যক্তিতকৈ সময় ব্যৱস্থাপনাৰ মূল্য অধিকভাৱে বুজে। সেয়েহে প্ৰত্যেকগৰাকী ব্যক্তিয়ে সময় ব্যৱস্থাপনাৰ বিষয়ে সুন্দৰভাৱে বুজা দৰকাৰ তেতিয়াহে কৰ্মক্ষেত্ৰত সৃষ্টি হোৱাৰ অস্থিৰতা আঁতৰাই পেলাব পাৰি। এইক্ষেত্ৰত কেইটিমান সুন্দৰ ব্যৱস্থাপনাৰ নীতি উল্লেখ কৰিব পৰা যায়। যেনে, দৈনিক কৰ্মৰ তালিকা প্ৰস্তুতকৰণ, কৰ্মসূচীৰ গুৰুত্বতালৈ উপলব্ধি কৰি তালিকা প্ৰস্তুতকৰণ, দৈনিক কাৰ্যসূচীৰ অৱগতকৰণ, সক্ৰিয় আৰু কৰ্মপটুতালৈ লক্ষ্য ৰাখি অতি প্ৰয়োজনীয় অংশ চলাই নিয়াৰ ব্যৱস্থা কৰা ইত্যাদি।

দৃঢ়তাসম্পন্ন ঃ দৃঢ়তাসম্পন্নতা মানে হ'ল এজনে সঁচা বুলি বা পাৰিম বুলি কোৱাটো উচিত নহয় যদি তেওঁ নোৱাৰে বুলি ভাবে। চাপ কমোৱাৰ এটা গুৰুত্বপূৰ্ণ অৱস্থা হ'ল দৃঢ়তাসম্পন্ন হোৱা।

জীৱন উদ্দেশ্যক অধ্যয়ণ কৰা ঃ প্ৰত্যেকগৰাকী ব্যক্তিয়ে জনা উচিত যে তেওঁ প্ৰকৃততে কি বিচাৰে আৰু তেওঁৰ বাবে অধিক গুৰুত্ব বস্তু কি? অধিক পাবলৈ বিচৰা আৰু সীমিত সমলে চাপ আনি দিব পাৰে। সেয়েহে প্ৰত্যেকগৰাকী ব্যক্তিয়ে নিজৰ জীৱনৰ উদ্দেশ্যসমূহ অধ্যয়ণ কৰা দৰকাৰ আৰু তেওঁ নিশ্চিত হোৱাটো উচিত যে তেওঁ তেওঁৰ নিজস্ব উদ্দেশ্যত উপনীত হ'বলৈ সামৰ্থতা আছে।

শিথিলতাৰ শিক্ষা ঃ প্ৰত্যেকগৰাকী ব্যক্তিয়ে শিঠিলতাৰ কৌশলসমূহৰ মাধ্যমত চাপৰ প্ৰাবল্যতা কমোৱাৰ ক্ষেত্ৰত যত্নপৰ হোৱা দৰকাৰ। এইক্ষেত্ৰত কৰণীয় হ'ল— যোগ, ধ্যান, সম্মোহনিতা ইত্যাদি। সদায় ১৫-২০ মিনিট সময় এনেবোৰ কাৰ্যত লিপ্ত হ'লে মানুহৰ মনলৈ শিঠিলতা আহে আৰু চাপৰ প্ৰাবল্যতা কমি যায়।

আগতীয়া আঁচনিভুক্তকৰণ ঃ ব্যক্তিসকল চাপৰ দ্বাৰা আক্ৰান্ত হোৱাৰ মূলতে থাকে কৰ্মবোৰৰ পূৰ্ব আঁচনিভুক্তকৰণ নকৰা আৰু ভুল আঁচনি তৈয়াৰ কৰা। আমি যদি প্ৰত্যেকটো কামৰে আঁচনি আগতে কৰি লওঁ তেতিয়া আমি নিবিচৰা অসুবিধাবোৰৰ সন্মুখীন হ'বলগীয়া নহয়।

৮.৭.২ সাংগঠনিক অভিগমন (Organisational Approaches)

এটা সংগঠনে নিজৰ কৰ্মচাৰীসকলৰ মনৰ পৰা চাপ আঁতৰাবলৈ হ'লে কাৰ্যসূচীবোৰৰ বিকাশ সাধন কৰাৰ ব্যৱস্থা কৰিব লাগিব। এইক্ষেত্ৰত শৈক্ষিক ব্যৱস্থাপনামণ্ডলীয়ে তলত উল্লেখ কৰা কৌশলসমূহ প্ৰয়োগ কৰিব পাৰে—

উদ্দেশ্য স্থাপন ঃ ব্যক্তিসকলে যদি নিৰ্দিষ্ট আৰু প্ৰত্যাহ্বানাত্মক উদ্দেশ্যত উপনীত হ'বলৈ মানস কৰে তেতিয়া ভালকৈ কৰ্ম সম্পাদন কৰিব পাৰে। শিক্ষা হ'ল এক উদ্দেশ্যভিত্তিক

কর্ম। ই সমাজৰ দাবী আৰু প্রয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ ফলাফল উৎপাদন কৰিবলগীয়া হয়। তালৈ লক্ষ্য ৰাখি ব্যৱস্থাপনাই শিক্ষক আৰু শিক্ষার্থীসকলৰ আগত উদ্দেশ্য স্থাপন কৰিব লাগে। ই ব্যক্তিসকলক অভিৰোচিত কৰিব আৰু মনত চাপৰ প্রাবল্যতা কমাব।

উন্নত যোগাযোগ ব্যৱস্থা ঃ আমি উল্লেখ কৰিছো যে প্রকৃত যোগাযোগৰ অভাৱ হ'লে বা অধ্যক্ষৰ লগতে ব্যৱস্থাপনাই যোগাযোগৰ ত্রুতি কৰিলে বিবাদৰ ধাৰণা উদয় হৈ ই চাপৰ কাৰণ হিচাপে পৰিগনিত হ'ব পাৰে। সেয়েহে যোগাযোগৰ ব্যৱস্থাবোৰ উন্নত অৱস্থালৈ নিব লাগে, তথ্যৰ যোগান ধৰিব লাগে, কর্ম সম্পাদন পুনৰীক্ষণ কৰিব লাগে, কর্তব্য আৰু দায়িত্বৰ সজাগতা আনিব লাগে ইত্যাদি। এই প্রক্রিয়াটোৱে সমগ্র ব্যৱস্থাটোত ব্যক্তিসকলক চিনাক্তকৰণ কৰাৰ ধাৰণাৰ বিকাশ সাধন কৰিব।

কামসমূহৰ পুনৰ আকৃতি প্রদান ঃ শিক্ষানুষ্ঠানৰ কর্মচাৰীসকলৰ মাজত প্রয়োগ হৈ থকা একসেৰীয়া, তালিকাভুক্ত কর্ম, কর্মৰ অধিক বোজা, বা কর্মৰ কম বোজা আদিক পুনৰ আকৃতি প্রদান কৰিব লাগে। পুৰণি অৱস্থাসমূহক পুনৰ আকৃতি প্রদান কৰিলে কর্মচাৰীসকলৰ মাজৰ পৰা অলসতা আঁতৰ হৈ যাব, অভিৰোচন বৃদ্ধি হ'ব আৰু কর্মৰ দায়িত্ব বৃদ্ধি পাব। শিক্ষকসকলৰ মাজৰ অর্থপূর্ণ কর্মই নিজা উৎসাহ আৰু উদ্দীপনা বৃদ্ধি কৰাৰ লগতে স্বাধীনচিতীয়া মনোভাবেৰে একনিষ্ঠ সেৱা আগবঢ়োৱাত অৰিহণা যোগাব।

অংশগ্রহণমূলক সিদ্ধান্ত সৃষ্টি ঃ যদি শিক্ষকসকলক সিদ্ধান্ত গ্রহণ প্রক্রিয়াৰ লগত জড়িত কৰি লোৱা হয় তেতিয়া তেওঁলোকে সক্রিয়তা অনুভৱ কৰিব আৰু অধিকভাৱে দায়িত্বপূর্ণ হৈ সিদ্ধান্তৰ প্রয়োগ প্রক্রিয়া বুজিবলৈ সক্ষম হ'ব। এনে ব্যৱস্থাই শিক্ষকসকলৰ কর্ম সম্পাদনৰ ব্যৱস্থাক উন্নত অৱস্থালৈ নিব আৰু মনত সৃষ্টি হোৱা চাপৰ প্রাবল্যতা কমাব।

দলীয় কর্মৰ নির্মাণ ঃ শিক্ষানুষ্ঠানবোৰত ব্যৱস্থাপনাই দলীয় উদ্যম বৃদ্ধি কৰাত অৰিহণা যোগাব লাগিব। দলীয় উদ্যম বৃদ্ধি হ'লেহে সুস্থ-সবল কর্মৰ পৰিবেশ অনুষ্ঠানত গঢ় লৈ উঠিব। দলীয় উদ্যম বৃদ্ধি কৰিব পাৰিলে আন্তঃ ব্যক্তিগত বিবাদ আঁতৰ হোৱাৰ লগতে দলীয় বিবাদৰ ধাৰণাওঁ আঁতৰ হ'ব। এই বিবাদবোৰে ব্যক্তিসকলৰ মনত চাপৰ সৃষ্টি কৰে। সেয়েহে সামূহিক কর্মৰ ধাৰণা শিক্ষকসকলৰ মাজত সৃষ্টি কৰি পাৰস্পৰিক সমর্থন আৰু উৎপাদনমুখী পৰিবেশ গঢ়ি তুলিব লাগিব। এনে কৰিলে সদস্যসকলে শিক্ষানুষ্ঠান পৰিয়ালটোৰ নিজকে গুৰুত্বপূর্ণ সদস্য বুলি উপলব্ধি কৰিব আৰু ইজনে-সিজনক সমর্থন কৰিবলৈ উৎসাহিত হ'ব।

ব্যক্তিগত সুন্দৰ আঁচনিসমূহ ঃ তেনেধৰণৰ আঁচনিসমূহে বিদ্যালয়ৰ শিক্ষক আৰু আন আন কর্মচাৰীসকলৰ মনত সম্পূর্ণ শাৰীৰিক আৰু মানসিক সুন্দৰতা আনি দিয়াটোত প্রতিফলিত হ'ব লাগে। ইয়াৰ দ্বাৰা শাৰীৰিক উপযুক্ততা অনাৰ বাবে সুবিধা প্রদান কৰিব পৰা যায়। শৰীৰ চর্চা, খেলা-ধুলাৰ সুবিধা, মনোবৈজ্ঞানিক নির্দেশনা আদিৰ মাধ্যমত

শিক্ষানুষ্ঠানত সুস্থ-সবল পৰিবেশ এটা তৈয়াৰ কৰি ল'ব পাৰি। ইয়াৰ উপৰিওঁ শিক্ষানুষ্ঠানসমূহত আলোচনা চক্ৰ আৰু কৰ্মশালা অনুষ্ঠিত কৰি কৰ্মচাৰীসকলৰ মাজত সজাগতামূলক ধাৰণা আনি চাপ ক'ৰ পৰা আহিব পাৰে, ইয়াৰ কাৰণবোৰ কি কি, ইয়াৰ প্ৰাবল্যতা কেনেকৈ কমাব পৰা যায়, ইয়াৰ প্ৰকৃতি কি তাক বোধগম্য কৰিব পৰা যায়।

মুঠতে ওপৰত উল্লেখ কৰা সকলোবোৰ কৌশল বা যৌগিকতাখিনি প্ৰয়োগ কৰিব পাৰিলে অনুষ্ঠানৰ কৰ্মচাৰীসকলৰ মাজৰ পৰা চাপৰ প্ৰাবল্যতা কমি যাব আৰু সুস্থ-সবল পৰিবেশ গঢ় লৈ উঠিব।



জানি থোৱা ভাল

চাপ-উদ্ৰেকৰ কৌশলসমূহ ঃ—

- চাপ সৃষ্টিৰ কাৰক সমূহ চিনাক্তকৰণ,
- বন্ধু লগত কথা-বতৰা পতা আৰু সমস্যাবোৰ কেনেদৰে সহজ কৰিব পৰা যায় তাৰ এটা নিৰপেক্ষ উপদেশ বিচৰা।
- নিয়মীয়াভাবে কচৰৎ কৰা আৰু কেনেধৰণেৰে শিথিলতা আনিব পৰা যায় তেনে বিষয়ত অৱগত হোৱা।
- বহুবোৰ চাপ অভ্যাসগতভাৱে আহে, সেয়েহে চাপ সৃষ্টিত ইন্ধন যোগোৱা কামবোৰ বাদ দি আন কামত অৱতীৰ্ণ হোৱা উচিত।
- যোগাত্মক চিন্তা চৰ্চা কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ চাপ মানে কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ চাপৰ প্ৰাবল্যতা কমোৱাৰ বাবে এগৰাকী ব্যক্তিয়ে কি কি কৌশল অৱলম্বন কৰিব পাৰে?

.....

.....

প্ৰশ্ন নং ৮ ঃ চাপৰ হাৰ কমোৱাৰ বাবে সাংগঠনিক অভিগমনৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ প্ৰথম অংশত বিবাদৰ অৰ্থ আৰু ধাৰণাৰ বিষয়ে আলোচনা কৰা হৈছে। বিবাদ মানে হ'ল এটা সংগঠনৰ দলৰ মাজত সৃষ্টি হোৱা শত্ৰুতা।
- ই উদ্ৰেক হয় ব্যক্তিসকল বা দলসমূহৰ মাজত থকা মতামত আৰু আগ্ৰহৰ ভিন্নতাৰ বাবে।
- সাধাৰণভাৱে ক'বলৈ গ'লে বিবাদ হ'ল কিছুধৰণ বা পৰ্যায় আৰু ই মানব জীৱনৰ অবিচ্ছেদ্য অংগস্বৰূপ। পৰম্পৰাগতভাৱে বিবাদক নঞৰ্থকভাৱে ধৰা হৈছিল কিন্তু আধুনিক ভাবধাৰা মতে বিবাদৰ প্ৰয়োজনীয়তা আছে। ই মানুহক সামৰ্থবান, আত্ম-সমালোচনাত্মক আৰু সৃষ্টিশীল কৰি তোলে।
- আন্তঃ ব্যক্তিগত বিবাদ সৃষ্টি হয় দুটা বা অধিক ব্যক্তিৰ মাজত। এই বিবাদবিধ অতি সাধাৰণধৰণৰ বিবাদ। এখন শিক্ষানুষ্ঠানৰ শিক্ষকসকল, শিক্ষাৰ্থীসকল, প্ৰশাসকসকল, অভিভাৱকসকল আৰু আন আন কৰ্মচাৰীসকলৰ মাজত এইবিধ বিবাদ সংঘটিত হৈ থাকে।
- এনেধৰণৰ বিবাদৰ অধিকবোৰেই সৰল প্ৰকৃতিৰ, কিছুমানে কিন্তু জটিল ৰূপ ধাৰণ কৰা দেখা যায়। আন্তঃ ব্যক্তিগত বিবাদৰ কাৰণসমূহক দুটা ভাগত ভগাব পৰা যায়। প্ৰথম ভাগটোক ব্যক্তিগত উপাদানমূলক আৰু দ্বিতীয় ভাগটোক অৱস্থাগত উপাদান বুলি কোৱা হয়।
- বিদ্যালয় ব্যৱস্থাপনাই আন্তঃ ব্যক্তিগত বিবাদবোৰ আঁতৰ কৰিবলৈ বিভিন্নধৰণৰ উপায় অৱলম্বন কৰিব পাৰে। তাৰ ভিতৰত নিৰ্দেশনা, ফলদায়ক যোগাযোগ, যৌথভাৱে কৰা সিদ্ধান্তমূলক প্ৰক্ৰিয়া, মুক্ত পৰিবেশ আদিয়েই প্ৰধান।
- অধ্যায়টোৰ দ্বিতীয় অংশটোৱে চাপ ব্যৱস্থাপনাক সামৰি লৈছে। চাপ মানে হ'ল ব্যক্তিগত প্ৰতিক্ৰিয়া যিটো গঢ় লৈ উঠে পৰিবেশৰ পৰা সৃষ্টি হোৱা অসুবিধামূলক উপাদানৰ পৰা। ই বহুদিনলৈ চলি থকা ভাগৰ আৰু অস্বস্তিকৰ পৰিস্থিতিৰ পৰা উদ্ভৱ হোৱা দেখা যায়। শৈক্ষিক অনুষ্ঠানসমূহো চাপ সম্বন্ধীয় সমস্যাৰ পৰা মুক্ত নহয়।
- শিক্ষানুষ্ঠানৰ অধ্যক্ষ বা শিক্ষকসকল যদি চাপৰ দ্বাৰা আক্ৰান্ত হয় তেওঁলোকে সম্পাদন কৰিবলগীয়া কামখিনিৰ পৰা আঁতৰি থাকিবলৈ বিচৰা দেখা যায়। তেওঁলোকে ব্যৱস্থাপক বা শিক্ষক হিচাপেওঁ কৰ্মত প্ৰবৃত্ত হোৱাত অবহেলা কৰা দেখা যায়। সেয়েহে যিমান পাৰি সিমান চাপৰ প্ৰভাৱ আঁতৰ কৰাত যত্নপৰ হ'ব লাগে।
- চাপ কমোৱাৰ কৌশলসমূহ ব্যক্তি পৰ্যায় আৰু সাংগঠনিক পৰ্যায়ত প্ৰয়োগ কৰিব

লাগে। চাপৰ পৰা ৰেহাই পাবলৈ হ'লে ব্যক্তিগৰাকীৰ চাপ সম্বন্ধে জ্ঞান থাকিব লাগিব আৰু মনোবৈজ্ঞানিক সামৰ্থতা থাকিব লাগিব। তেওঁ সময় ব্যৱস্থাপনাৰ কৌশলসমূহৰ বিষয়ে জানিব লাগিব, কেনেকৈ শিথিল পৰ্যায়লৈ যাব পৰা যায় তাক জানিব লাগিব আৰু আগতীয়া আঁচনি প্ৰস্তুত কৰিব পাৰিব লাগিব।

- সাংগঠনিক পৰ্যায়ত ব্যৱস্থাপনাই, উদ্দেশ্য স্থাপন, কৰ্মৰ পুনৰ আকৃতি সৃষ্টি, অংশগ্ৰহণমূলক সিদ্ধান্ত প্ৰস্তুতকৰণ, দলীয় কৰ্মৰ ধাৰণা গঠন, ব্যক্তিগত পৰ্যায়ৰ কল্যাণ কাৰ্যসূচী আদিৰ দৰে কৌশলসমূহ অৱলম্বন কৰিব লাগিব।



৮.৯ অধিক জানিবলৈ

1) Chandra S. S. & Chakravarty A. K. *School Administration Organization and Management*. R. Lall Book Depot., Meerut, 2008

2) Gupta S. K. & Joshi R.. *Human Resource Management Kalyani Publishers.* Ludhiana, 2008

3) Prasad L. M.. *Principle and Practice of Management Sultan Chand and Sons.* New Delhi, 2008



৮.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বিবাদ হ'ল এটা সংগঠনত ব্যক্তি আৰু দলসমূহৰ মাজত সংঘটিত হোৱা অচুক্তিগত অৱস্থা। এইটো হ'ল শত্ৰুতা, নঞৰ্থক দৃষ্টিভংগী, বিৰোধিতা, আক্ৰমণাত্মক, প্ৰতিদণ্ডিতা, ভুল বুজাবুজি আদিৰ দৰে দিশবোৰ প্ৰকাশিত হোৱা এটা ধাৰণা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগতভাৱে বিবাদক নঞৰ্থক দিশৰ বুলি কোৱা হয়। ইয়াৰ লগত দৌৰাত্মা, ধংসমুখিতা, নিৰ্বোধতা আদি ধাৰণাবোৰ জড়িত হৈ থাকে। বিবাদক সম্পূৰ্ণৰূপে বেয়া ধাৰণা বুলি আখ্যা দিয়া হয়। এইক্ষেত্ৰত যুক্তি প্ৰদৰ্শন কৰা হৈছে যে যিমানখিনি পাৰি সংগঠনসমূহে বিবাদ এৰাই চলাটো ভাল। আধুনিক ধাৰণাৰ মতামতখিনিৰ ভিন্নতা আছে। আধুনিক দৃষ্টিভংগীয়ে বিবাদক উদ্গনি যোগায় আৰু বিশ্বাস কৰে যে বিবাদ এটা

মাত্ৰ যোগাত্মক শক্তিয়েই নহয় ইয়াৰ প্ৰয়োজন হয় সংগঠনৰ কামসমূহ ফলপ্ৰসুভাৱে কৰাৰ বাবে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃ ব্যক্তিগত বিবাদবোৰ সংঘটিত হয় দুটা বা অধিক ব্যক্তিৰ মাজত। এনেধৰণৰ বিবাদ হ'ল অধিকভাৱে সাধাৰণ প্ৰকৃতিৰ আৰু ইয়াক অধিকভাৱে স্বীকৃতি দিয়া হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তিগত ভিন্নতা, প্ৰমূল্য ব্যৱস্থাসমূহ, সামাজিক-সাংস্কৃতিক উপাদান, আগ্ৰহান্বিত বিবাদ, তথ্যৰ অভাৱ আৰু দৈতাৰ্থ ভাব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃব্যক্তিগত বিবাদ ব্যৱস্থাপনাৰ কৌশলসমূহ হ'ল নিৰ্দেশনা প্ৰদান, ফলদায়ক যোগাযোগ, যৌথ সিদ্ধান্ত সৃষ্টিৰ প্ৰক্ৰিয়া আৰু মুক্ত পৰিবেশ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ চাপ হ'ল এগৰাকী ব্যক্তিলৈ পৰিবেশৰ পৰা অহা অসুবিধাসূচক উপাদানৰ প্ৰতিক্ৰিয়া। চাপ সংঘটিত হয় যেতিয়া হেঁচা বহুত বেছি হৈ আমাৰ সহ্য ক্ষমতা হেৰাই যায়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ এগৰাকী ব্যক্তিয়ে চাপৰ পৰা ৰেহাই পাবলৈ হ'লে তলত উল্লেখ কৰা কৌশলসমূহ অৱলম্বন কৰিব পাৰে। তেওঁ চাপৰ বিষয়ে জানিব লাগিব, শাৰীৰিকভাৱে সক্ষমতা অৰ্জন কৰিব লাগিব। সময় ব্যৱস্থাপনা কৰিব লাগিব আৰু দৃঢ় হ'বলৈ শিকিব লাগিব। ইয়াৰ উপৰিওঁ ব্যক্তিয়ে চাপৰ পৰা ৰেহাই পাবলৈ হ'লে কেনেকৈনো শিথিলতাৰ ভাব অৰ্জন কৰিব পৰা যায় তাক শিকিব লাগিব, আগতীয়াভাবে আঁচনি প্ৰস্তুত কৰিব পাৰিব লাগিব। লগতে মনৰ পৰা অস্থিৰতাৰ ভাবসমূহ আঁতৰোৱাৰ যত্ন কৰিব লাগিব।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ উদ্দেশ্য স্থাপন, উন্নত যোগাযোগ ব্যৱস্থা; কামৰ পুনৰ ধৰণ সৃষ্টি; অংশগ্ৰহণসূচক সিদ্ধান্ত সৃষ্টি, দলীয় কৰ্মৰ ধাৰণা গঠন আৰু ব্যক্তিগত ধাৰণাৰ সুন্দৰতাসম্পন্ন আঁচনিসমূহৰ গ্ৰহণ।



৮.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ বিবাদ মানে আপুনি কি বুজে?

প্ৰশ্ন ২ঃ আন্তঃ ব্যক্তিগত বিবাদ মানে আপুনি কি বুজে?

প্ৰশ্ন ৩ঃ চাপ মানে কি?

প্ৰশ্ন ৪ঃ মুক্ত পৰিবেশ মানে কি বুজে?

প্রশ্ন ৫ঃ পৰামর্শদান বুলিলে কি বুজে?

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ আন্তঃ ব্যক্তিগত বিবাদৰ সম্ভাব্য কাৰণসমূহ উল্লেখ কৰক।

প্রশ্ন ২ ঃ আন্ত ব্যক্তিগত বিবাদ সমুহ কমাবৰ বাবে কেনেধৰণৰ পদ্ধতি গ্রহণ কৰা উচিত?

প্রশ্ন ৩ ঃ শৈক্ষিক অনুষ্ঠান এখনৰ চাপ কমাবৰ বাবে গ্রহণ কৰা সাংগঠনিক কৌশলসমূহ বা পন্থা সমুহৰ বিষয়ে বর্ণনা কৰক।

গ) ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ বিবাদ কি? শৈক্ষিক সংগঠনসমূহত ইয়াৰ সৃষ্টি কিয় হয়?

প্রশ্ন ২ঃ আন্তঃ ব্যক্তিগত বিবাদ মানে আপুনি কি বুজে? আন্তঃ ব্যক্তিগত বিবাদৰ সম্ভাব্য কাৰণসমূহ উল্লেখ কৰক।

প্রশ্ন ৩ঃ চাপ মানে কি? কর্মচাৰীসকলৰ ক্ষেত্রত সৃষ্টি হোৱা চাপৰ মোকাবিলা কৰাৰ বাবে সাংগঠনিক কৌশলসমূহৰ কিছুমান বহলভাবে ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ চাপৰ পৰা পৰিত্রাণ পোৱাৰ বাবে ব্যক্তিগতভাৱে ল'ব পৰা কৌশলসমূহৰ বিষয়ে বহলাই ব্যাখ্যা কৰক। প্রত্যেকটো কৌশলৰ গুৰুত্বৰ বিষয়ে আভাষ দিয়ক।

****

অধ্যায় ৯ - শিক্ষাত ব্যৱস্থাপনা প্রক্রিয়া (MANAGEMENT PROCESS IN EDUCATION)

অধ্যায় গাথঁনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ব্যৱস্থাপনা প্রক্রিয়াৰ অর্থ

৯.৪ পৰিকল্পনা

৯.৪.১ উন্নত পৰিকল্পনাৰ বৈশিষ্ট্য

৯.৫ সংগঠন

৯.৬ নির্দেশাৱলী

৯.৬.১ নির্দেশৰ গুৰুত্ব

৯.৭ নিয়ন্ত্রণাৱলী

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৯ অধিক জানিবলৈ

৯.১০ অগ্রগতিৰ খতিয়ান

৯.১১ আর্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি --

- ব্যৱস্থাপনা পদ্ধতিৰ অর্থ বর্ণনা কৰিব পাৰিব,
- বিদ্যালয় সংগঠনৰ পৰিকল্পনাৰ গুৰুত্ব ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব,
- সাংগঠনিক পদ্ধতিৰ চিনাক্তকৰণ কৰিব পাৰিব,
- পৰিচালনা পদ্ধতি সম্বন্ধে জ্ঞাত হ'ব,
- ব্যৱস্থাপনাৰ প্রক্রিয়া হিচাপে নিয়ন্ত্রণাৱলীৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

৯.২ পৰিচয়

অন্যান্য ব্যৱসায়িক সংগঠনৰ দৰে শিক্ষানুষ্ঠানসমূহকো বর্তমান এটা সংগঠন হিচাপে বিবেচনা কৰা হয়। ইয়াৰ ক্রিয়াসমূহো সাংগঠনিক দৃষ্টিভংগীৰে ব্যাখ্যা কৰিব পাৰি। বিদ্যালয়

হ'ল এক মৌলিক শিক্ষা সংগঠন। ই সমাজৰ বাবে অতি গুৰুত্বপূৰ্ণ; কাৰণ বিদ্যালয়ৰ কাৰ্যকলাপে দেশৰ ভৱিষ্যত নাগৰিকসকলক গঢ় দিয়ে। অকল এটা বিদ্যালয় গৃহই শিক্ষা ব্যৱস্থাৰ যোগ্যতা বৃদ্ধি কৰিব নোৱাৰে। কিন্তু উন্নত প্ৰশাসনিক সংগঠনৰ জৰিয়তে এইটো সম্ভৱ হৈ পৰে। বিদ্যালয়ত শিক্ষক আৰু ছাত্ৰৰ মাজত মানবীয় অনুভূতি পৰিলক্ষিত হয়। প্ৰশাসনিক গোট, সহায়ক কৰ্মচাৰী, পৰিদৰ্শক গোট, পৰিচালকমণ্ডলী ইত্যাদি সকলো ব্যক্তিৰ উমৈহতীয়া বৰণিয়ে এখন স্কুলক সুন্দৰকৈ সংগঠিত কৰে। বিদ্যালয় সংগঠনৰ প্ৰণালীবদ্ধতাই ইয়াৰ উদ্দেশ্য সফলত সহায় কৰে আৰু ই এক উন্নত অনুষ্ঠান হিচাপে ইয়াৰ ক্ৰিয়া সম্পাদনত সফল হয়। গতিকে এইটো গুৰুত্বপূৰ্ণ যে বিদ্যালয় ব্যৱস্থাপনাই ব্যৱস্থাপনা সম্পৰ্কীয় বিভিন্ন দিশত দৃষ্টি ৰাখিব লাগে। ইয়াৰোপৰি বিভিন্ন ব্যৱস্থাপনা পদ্ধতিসমূহৰ মাজত সংহতি ৰক্ষা কৰিব লাগে, যেনে, পৰিকল্পনা, সংগঠন, নিৰ্দেশ আৰু নিয়ন্ত্ৰণৰ লগত।

৯.৩ ব্যৱস্থাপনা প্ৰক্ৰিয়াৰ অৰ্থ (MEANING OF MANAGEMENT PROCESS)

বিদ্যালয় ব্যৱস্থাপনা প্ৰক্ৰিয়া সম্বন্ধে জনাৰ আগতে আমি ব্যৱস্থাপনা প্ৰক্ৰিয়াৰ অৰ্থ কি সেইবিষয়ে জানিব লাগিব। ব্যৱস্থাপনা প্ৰক্ৰিয়া পৰিচালকৰ/নিয়ন্ত্ৰকৰ দ্বাৰা পৰিচালিত। সহজ অৰ্থত ই এক প্ৰণালীবদ্ধ ক্ৰিয়া। আমি জানো যে এই প্ৰক্ৰিয়াই সংগঠনৰ সদস্যসকলৰ যোগেদি ক্ৰিয়া সম্পাদন কৰে। এই প্ৰসঙ্গত ক'ব পৰা যায় যে ব্যৱস্থাপনা প্ৰক্ৰিয়াই ঘটনা-পৰিঘটনাৰ মাজেৰে লক্ষ্যক বিচাৰি লয়।

- পৰিচালনাৰ গতি সময়ৰ জৰিয়তে প্ৰতিফলিত হৈ নিৰ্দেশনা দিয়ে।
- পাৰস্পৰিক সম্পৰ্কই ঘটনা প্ৰবাহৰ পদ্ধতিক নিৰ্দেশ কৰে।
- ঘটনাসমূহ কাৰ্যকাৰিতাৰ এটা ক্ৰিয়া।
- উদ্দেশ্য, লক্ষ্য আৰু পৰিসমাপ্তিয়ে ফল নিৰ্ধাৰণ কৰে।

গতিকে ঘটনা প্ৰবাহক কাৰ্যৰ পাৰস্পৰিক সম্পৰ্কৰ ফল প্ৰাপ্তিৰ এটা আহিলা বুলি ক'ব পাৰি।

পৰিচালনা ধাৰণাটোক দুইধৰণে ব্যৱহাৰ কৰিব পাৰি। ই কেতিয়াবা স্থবিৰ আৰু কেতিয়াবা গতিশীল হয়। বিদ্যালয় সংগঠন এটা গতিশীল পদ্ধতি। বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত গতিশীল পদ্ধতি ব্যৱহাৰ কৰা হয়। বিভিন্ন ঘটনা আৰু আন্তসম্পৰ্কৰ ক্ষেত্ৰত গতিশীল পদ্ধতিৰ ব্যৱহাৰ পৰিলক্ষিত হয়। মুঠৰ ওপৰত ই এক চলিত নমনীয় পদ্ধতি। পৰিচালনা পদ্ধতিত বিভিন্ন ক্ৰিয়া-সহঃক্ৰিয়া সন্নিবিষ্ট হৈ থাকে। এই ক্ৰিয়াসমূহে পৰিচালনাৰ প্ৰকৃতি আৰু পৰিসৰ নিৰ্দেশ কৰে। সাধাৰণতে এই ক্ৰিয়াসমূহক মুখ্যত চাৰি ভাগত ভগাব পাৰি— পৰিকল্পনা, সাংগঠনিক, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ। এই পদ্ধতিবোৰক কোৱা হয় সাংগঠনিক প্ৰক্ৰিয়া বুলি। এইবোৰৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

৯.৪ পৰিকল্পনা (PLANNING)

ভৱিষ্যত কর্মপন্থা নির্ধাৰণৰ কাৰণে পৰিকল্পনা অতি আৱশ্যকীয়। মানব জীৱনৰ আৰম্ভণিৰ পৰা শেষলৈকে ই এখন নক্সা হিচাবে কাম কৰে। প্রশাসনৰ বাবেও পূর্ব নির্ধাৰিত পৰিকল্পনা অতি গুৰুত্বপূর্ণ। পৰিকল্পিত প্রশাসনেহে ইপ্সিত ফল পাবলৈ সক্ষম হয়। জীৱনৰ প্রতিটো স্তৰতে পৰিকল্পনাৰ গুৰুত্ব অপৰিসীম।

বিদ্যালয়ত পৰিকল্পনাৰ গুৰুত্ব অনস্বীকার্য। ইয়াৰ অবিহনে মেধাৰ বিকাশ হোৱাটো অসম্ভৱ। বিদ্যালয়ৰ সু-পৰিকল্পিত কামৰ বিকাশৰ বাবে পৰিকল্পনা এটা দৰকাৰী আহিলা। বিদ্যায়তনিক অনুষ্ঠানৰ প্রতিজন সদস্যই প্রণালীবদ্ধ আঁচনি সম্বন্ধে সচেতন। এইক্ষেত্রত বিদ্যালয়ৰ প্রধানে গুৰুত্ব প্রদান কৰা উচিত। তলত উল্লেখ কৰা চাৰিটা দিশত বিদ্যালয়প্রধানে বিদ্যায়তনিক কর্মৰ আঁচনি যুগুত কৰিব লাগে।

- নতুন শিক্ষাবর্ষ আৰম্ভণিৰ পূর্বে
- নতুন শিক্ষাবর্ষৰ প্রথম সপ্তাহৰ আৰম্ভণিৰ দিনত
- সম্পূর্ণ বর্ষৰ
- বছৰৰ শেষভাগত

এইক্ষেত্রত প্রধান শিক্ষকে তেওঁৰ সহকর্মী, ছাত্র সংগঠন আৰু শিক্ষক-অভিভাৱকৰ আৱশ্যকীয় দিহা-পৰামর্শ ল'ব লাগে। বিদ্যালয়ৰ ছাত্র-ছাত্রী আৰু শিক্ষকৰ আৱশ্যকীয় চাহিদা অনুসৰি পৰিকল্পনা নমনীয় হোৱাৰ উপৰিও তাত সংশোধনৰ ব্যৱস্থা থাকিব লাগে।

নতুন বছৰৰ আৰম্ভণিৰ পূর্বে কৰা পৰিকল্পনা ঃ

নতুন বছৰৰ বা কৰা পৰিকল্পনাখন খেলিমেলি ধৰণৰ হ'ব নালাগে। আঁচনিৰ প্রতিটো দিশ আৰম্ভণিতে চালিজাৰি চোৱা উচিত। শিক্ষকসকলৰ লগত সভা অনুষ্ঠিত কৰি নামভর্তিকৰণ, সময়সূচী, শিক্ষাবর্ষৰ দিনপঞ্জী আৰু বিদ্যালয়ৰ বিভিন্ন কার্যসূচী সম্পর্কে আলোচনা কৰিব লাগে। তাৰোপৰি খালী থকা শিক্ষকৰ পদ পূৰণ, জমা-খৰছৰ হিচাব পৰীক্ষা কৰি ওপৰঞ্চি অদল-বদলৰ ব্যৱস্থাৰ ক্ষেত্রত প্রধান শিক্ষকে গুৰুত্ব দিয়াটো অতি প্রয়োজনীয়। প্রতিটো শিতানৰ আঁচনিসমূহ নির্দিষ্ট সময়ৰ ভিতৰত যাতে সম্পন্ন হয় তালৈ লক্ষ্য ৰাখিব লাগে।

সপ্তাহৰ পহিলা দিনৰ আঁচনি ঃ

সপ্তাহৰ পহিলা দিনৰ পৰাই আঁচনিসমূহ নির্ধাৰিত সূচী অনুসৰি কার্যকৰী হোৱাটো বাঞ্ছনীয়। প্রথম সপ্তাহতে শ্রেণীৰ আকাৰ, শাখা আদিৰ ব্যৱস্থা কৰি ছাত্র-ছাত্রীৰ পাঠ্যপুথিৰ ব্যৱস্থা কৰিব লাগে। ৰাতিপুৱাৰ ভাগতে ছাত্র-ছাত্রীৰ বাবে প্রয়োজনীয় নীতি-নির্দেশনাসমূহ জাৰি কৰিব লাগে।

সমগ্ৰ বছৰৰ আঁচনি/পৰিকল্পনা ঃ

নিৰ্দেশনাত্মক আঁচনিৰ জৰিয়তে পৰিকল্পনাসমূহ কাৰ্যকৰী হ'ব লাগে। তাৰ ভিতৰত পাঠ নিৰ্দেশনা, পাঠ আঁচনি আদি অন্যতম। সহপাঠ্যক্ৰমিক কাৰ্যাৱলীসমূহ সংগঠিত হ'ব লাগে। শ্ৰেণী পৰীক্ষা, গোট পৰীক্ষা, মূল্যায়ণ আদি সুসংহতভাৱে কাৰ্যকৰী কৰিব লাগে। তাৰোপৰি নতুন আঁচনিত শিক্ষানুষ্ঠানৰ উন্নতিকৰণৰ প্ৰায়োগিক ব্যৱস্থা থাকিব লাগে।

বছৰৰ শেষৰ পৰিকল্পনা ঃ


বছৰৰ শেষত অনুষ্ঠানসমূহৰ কাৰ্যকৰণৰ মূল্যায়ণ হ'ব লাগে। ইয়াৰ ভিতৰত ত্ৰুটি-বিচ্যুতি, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, আয়-ব্যয় আদিৰ হিচাপ ইত্যাদি।

৬.৪.১ উন্নত পৰিকল্পনাৰ বৈশিষ্ট্য

উন্নত পৰিকল্পনাৰ উদ্দেশ্য সম্পৰ্কে জনাটো বৰ প্ৰয়োজনীয়। সেইবোৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- **দীৰ্ঘকালীন উদ্দেশ্যৰ লগত সম্পৰ্ক ঃ—** সকলো পৰিকল্পনাৰ সংগঠনৰ দীৰ্ঘকালীন উদ্দেশ্যৰ লগত সম্পৰ্কিত হ'ব লাগে। উদাহৰণস্বৰূপে বাজেট, ই এটা বছৰৰ আঁচনি। স্কুলৰ সম্পাদন বিভিন্ন বিভাগৰ মাজত বাজেট অনুযায়ী বিতৰণ কৰা হয়।
- **ক্ৰিয়াৰ বাবে নিৰ্দেশ ঃ—** এখন ভাল আঁচনিয়ে ভৱিষ্যত কাৰ্যপন্থা শুদ্ধভাৱে নিৰ্দেশ কৰে। ই ইয়াকে বুজায় যে বিশেষকৈ ক'ত, কেনেকুৱাধৰণৰ ক্ৰিয়া সমাপন কৰিব লাগিব। এই ক্ৰিয়াসমূহৰ কাৰ্যকৰীকৰণে বিকাশৰ বতৰা আনি দিব।
- **সাম্ভাব্য ফল ঃ—** এখন ভাল আঁচনি সত্যতা আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল। ই সাম্ভাব্য ফলাফলৰ ওপৰত কাৰ্যকৰী হয়। উচ্চ আকাংক্ষিত আঁচনিসমূহে বিভিন্ন সময়তনিৰাশ কৰে। উদাহৰণস্বৰূপে ক'ব পাৰি যে চৰকাৰী আঁচনিসমূহে আমাক নিৰাশ কৰে কাৰণ এইবোৰ বহুসময়ত সত্যতাৰ ওপৰত প্ৰতিষ্ঠিত নহয়।
- **সৰলীকৰণ ঃ—** আঁচনিসমূহ সহজ-সৰল আৰু বুজি পোৱা হ'ব লাগে। আঁচনিসমূহ বিদ্যালয় কৰ্তৃপক্ষই গঢ়ি তুলিব লাগে। কাৰণ এইবোৰ বিদ্যালয়ৰ শিক্ষক, প্ৰশাসক তথা ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কাৰ্যকৰীকৰণ কৰা হয়। মাজে-সময়ে উক্ত গোটসমূহৰ মাজৰ যোগাযোগ বিচ্ছিন্নতাই আঁচনি ৰূপায়ণত বাধা আনি দিয়ে। সেয়েহে আঁচনিসমূহ কাৰ্যকৰীকৰণৰ বাবে সৰল হ'ব লাগে।
- **নমনীয়তা ঃ—** নমনীয়তা হ'ল আঁচনিৰ এটা আদৰ্শ গুণ। ই দীৰ্ঘ আৰু হ্ৰস্বকালীন এই দুই ধৰণৰ হোৱাটো প্ৰয়োজন। ইয়াক কিছুমান মৌলিক আৰু সাধাৰণ সংশোধনৰ জৰিয়তে বিদ্যালয়ৰ কাৰ্যসূচীৰ লগত মিলাই দিব লাগে।

সামৰণিত আমি ক'ব পাৰো যে এখন ভাল আঁচনি সুন্দৰ প্রয়োগৰ জৰিয়তে তাৰ লক্ষ্যত উপনিত হয়। ই সম্ভাব্য ক্রিয়া আৰু ফলাফল চিনাক্তকৰণত সফল হ'ব লাগিব। প্রশাসনৰ এটা মূল কর্তব্য হ'ল আঁচনিসমূহ মাজে-সময়ে সংশোধন কৰা। পৰিচালকে একেৰাহে আঁচনিসমূহৰ কার্যকৰীকৰণত চকু দিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ব্যৱস্থাপনা প্রক্রিয়াৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন নং ২ ঃ আঁচনি বা পৰিকল্পনা কি?

.....

.....

প্রশ্ন নং ৩ ঃ ভাল আঁচনিৰ বৈশিষ্ট্যবোৰ কি কি?

.....

.....

৯.৫ সাংগঠনিক দিশ (ORGANISING)

আঁচনিসমূহত বিভিন্ন সৃজনীমূলক কামৰ উপৰিও প্রধান শিক্ষক বা পৰিচালকৰ আন দায়িত্ব আছে। কার্যসমূহ সমূহীয়াকৈ সম্পাদন কৰণৰ পাছত পৰিচালকে তেওঁলোকক কামৰ গুৰুত্ব সম্পর্কে অৱগত কৰিব লাগে। এই দিশটোকে সাংগঠনিক দিশ বুলিব পাৰি; য'ত সংগঠনৰ নীতি, কর্তব্য আৰু দায়িত্ববোধ বিভিন্ন লোকক অর্পণ কৰা হয়।

সাংগঠনিক দিশটো পৰিচালনাৰ সাধাৰণ নীতি; যাৰ জৰিয়তে বিভিন্ন লোকক কর্ম বিভাজনৰ জ্ঞান প্রদান কৰা হয়। বিভিন্ন বিভাগৰ লোকক সুবিধাজনক কামৰ বাবে দায়িত্ব অর্পণ কৰাটো এক গুৰুত্বপূর্ণ বিষয়। সাংগঠনিক দিশে সংগঠনৰ দক্ষতা বৃদ্ধি কৰাৰ লগতে আৱশ্যকীয় কার্যাৱলী আৰু লক্ষ্য নির্ধাৰণ কৰে।

বিদ্যালয় এখনৰ সাংগঠনিক দিশত প্রধান শিক্ষকে বিভিন্ন কর্তব্য শিক্ষকসকলৰ মাজত ভগাই দিব লাগে। যান্ত্রিক কামসমূহো শিক্ষকসকলৰ মাজত ভগাই দিব লাগে। শিক্ষকসকলৰ মাজত সাংগঠনিক কার্য বিতৰণৰ ক্ষেত্রত লক্ষ্য কৰিবলগীয়া মূল বিষয়সমূহ হ'ল—

- লক্ষ্য আৰু উদ্দেশ্য নির্ধাৰণ।

- লক্ষ্যত উপনীত হ'বলৈ প্রয়োজনীয় কার্যাৱলী অৱগতকৰণ।
- ব্যক্তিগত কর্মৰ বিতৰণ।
- নীতিগতভাৱে কামৰ লগত সম্পর্ক স্থাপন।
- পৰিচালনাৰ সুবিধা প্রদান।
- বিৱৰণ দাখিলৰ প্রক্রিয়া।

এইক্ষেত্রত প্রধান শিক্ষকে আঁচনিসমূহৰ প্রায়োগিক আৰু কার্যকৰী দিশত গুৰুত্ব দিব লাগে। বিদ্যালয়ৰ প্রতিটো দিশেই তেওঁৰ নখ দর্পণত থাকিব লাগে। গতিকে দেখা যায় যে সাংগঠনিক দক্ষতাই বিদ্যালয় এখনক সন্দেহ, অপচয় আৰু বিভিন্ন অসুবিধাৰ পৰা সুৰক্ষা দিয়ে। বিদ্যালয়ৰ আর্থিক হিচাপ বিতং বিৱৰণ, সহঃ পাঠ্যক্রমিক কার্যাৱলী, পুথিভঁৰাল আৰু অন্যান্য সা-সঁজুলিৰ সম্পূর্ণ তথ্যভিত্তিক বিৱৰণ থকাটো বাঞ্ছনীয়। বিদ্যায়তনিক কার্যত সাংগঠনিক দক্ষতাই ব্যক্তিৰ সমন্বয়ত সহায় কৰে।

৯.৬ নির্দেশনাৰ নীতি (DIRECTING)

নির্দেশনা পৰিচালনাৰ এটা গুৰুত্বপূর্ণ কার্য। উদাহৰণস্বৰূপে, পৰিকল্পনা আৰু সংগঠনৰ কথা ক'ব পৰা যায়। সাংগঠনিক লক্ষ্যত উপনীত হ'বলৈ হ'লে মানব সম্পদসমূহক নির্দেশন প্রদান, পথ প্রদর্শন, পৰামর্শ প্রদান আৰু মনোযোগ আকর্ষণৰ বাবে নির্দেশনা গুৰুত্বপূর্ণ। নির্দেশনাৰ তিনিটা ভাগ হ'ল— মনোযোগ আকর্ষণ, নেতৃত্ব আৰু ভাব বিনিময়।

নির্দেশনাৰ বৈশিষ্ট্যসমূহ হ'ল—

- নির্দেশনা সাংগঠনিক কার্যৰ গুৰুত্বপূর্ণ আহিলা।
- পৰিচালনাৰ প্রতিটো দিশত ই সক্রিয় ভূমিকা গ্রহণ কৰে।
- ই সমন্বয়ৰ প্রতীক।
- নির্দেশনা এটা অবিৰত প্রক্রিয়া আৰু ই সংগঠনৰ লগত জড়িত।

সংগঠনৰ উচ্চ মহলত উত্তৰাধিকাৰ সূত্রে নির্দেশনাই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। উদাহৰণস্বৰূপে, এটা শিক্ষা সংস্থাই পৰিচালনা সমিতিৰ গঠন আৰু নীতি নির্ধাৰণ কৰাৰ উপৰিও প্রধান শিক্ষকৰ প্রায়োগিক দিশত নির্দেশনা প্রদান কৰিব পাৰে। তেনেক্ষেত্রত প্রধান শিক্ষকে অন্যান্য শিক্ষক তথা বিভিন্ন বিভাগলৈ আৱশ্যকীয় নির্দেশ প্রেৰণ কৰিব পাৰে। নির্দেশনা আঁচনিৰ লগত ওতপ্রোতভাৱে জড়িত আৰু ই কামৰ মাজেৰে আৰম্ভ হৈ মূল্যায়ণত শেষ হয়।

৯.৬.১ নির্দেশনাৰ গুৰুত্ব (Importance of Direction)

নির্দেশনা পৰিচালনাৰ মূলমন্ত্র; যিয়ে নেতৃত্ব প্রদান, মানুহৰ অভিৰোচিতকৰণ আৰু বিকাশ

কার্যক সম্ভৱ কৰি তোলে। উদাহৰণস্বৰূপে, যদি উদ্ভিদবিদ্যাৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ বাবে কৰা ভ্ৰমণৰ লক্ষ্যত উপনিত হ'ব নোৱাৰে তেতিয়া নির্দেশকে তেওঁলোকক উপযুক্ত নির্দেশনা দি কামটো সম্পাদন কৰিব লাগে। বিদ্যালয় সংগঠনৰ নির্দেশনা আৰু কার্যসমূহ—

- **নির্দেশনা হ'ল কার্যৰ প্রাৰম্ভণিক ঃ** বিদ্যালয় সংগঠনে মানব সম্পদ আৰু অন্যান্য সম্পদক সংগঠিত কৰিব লাগে, অন্যান্য সম্পদৰ ভিতৰত পুথিভঁড়াল, বিজ্ঞানাগাৰ, খেলৰ সামগ্ৰী ইত্যাদিয়ে প্রধান। প্রধান শিক্ষকৰ নির্দেশনাই ব্যক্তিক অভিপ্রেৰিত কৰে। সাংগঠনিক ক্রিয়াই সংগঠনক লক্ষ্যত উপনীত কৰায়।
- **নির্দেশনাই যোগ্যতা বৃদ্ধি কৰে ঃ** প্রশাসনৰ উপযুক্ত নির্দেশনা আৰু প্রয়োগ পদ্ধতিয়ে ইয়াৰ যোগ্যতা বৃদ্ধি কৰে।
- **নির্দেশনাই বৃহৎ সংখ্যকক সামৰি ল'ব লাগে ঃ** প্রত্যেক ব্যক্তিৰে নিজা নিজা সম্ভাৱনা আৰু যোগ্যতা আছে। উপযুক্ত নেতৃত্ব আৰু সংযোগৰ অভাৱে ইয়াক ভালদৰে ব্যৱহাৰ কৰিব নোৱাৰে। উপযুক্ত নির্দেশনাৰ জৰিয়তে তেওঁলোকৰ যোগ্যতাৰ সু-ব্যৱহাৰ হয়।
- **নির্দেশনাই সংগঠনৰ ভাৰসাম্য আৰু স্থায়িত্ব ৰক্ষা কৰে ঃ** নির্দেশনাক প্রশাসনৰ মুখ্য স্পন্দন বুলিব পাৰি। কার্যকৰী নির্দেশনাই কার্যদক্ষতা বৃদ্ধি কৰে আৰু ই সংগঠনৰ ভাৰসাম্য ৰক্ষা কৰে আৰু একবদ্ধভাৱে কার্য সম্পাদন কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰো যে নির্দেশনা প্রশাসনৰ এক গুৰুত্বপূর্ণ অংগ। দেখা যায় যে ই নিজকে আৰু অন্য প্রশাসনিক ব্যৱস্থাক সামৰি লয়। যেনে, পৰিকল্পনা, সংগঠন, সমন্বয় আৰু মূল্যায়ণ। ই শুদ্ধ নির্দেশনাৰ যোগেদি শুদ্ধ পথ দেখুৱায়। আমি নির্দেশনাক বাদ দি সংগঠনৰ কথা ভাবিব নোৱাৰো।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ সাংগঠনিক ক্রিয়া কি?

.....

.....

প্রশ্ন নং ৫ ঃ নির্দেশনাৰ বৈশিষ্ট্য আৰু উপাদানসমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ বহলাই লিখক ঃ

(ক) সংগঠক হিচাপে প্ৰধান শিক্ষক

.....

.....

(খ) নির্দেশনাৰ গুৰুত্ব

.....

.....

৯.৭ নিয়ন্ত্রণ (CONTROLLING)

ইতিমধ্যে আমি পৰিকল্পনা, সংগঠন আৰু নির্দেশনা সম্বন্ধে শিকিলোঁ। প্রশাসনিক ব্যৱস্থাৰ নিয়ন্ত্রণ সম্বন্ধে আলোচনা কৰিম।

'নিয়ন্ত্রণ' শব্দটোৱে সকলো সাংগঠনিক ক্রিয়াসমূহক নিৰিক্ষণ কৰাটোকে বুজায়। ই হ'ল ক্ষমতাৰ সু-ব্যৱহাৰ; যাৰ ব্যৱহাৰৰ যোগেদি বিভাগে তেওঁলোকৰ কর্মীসকলক কার্য সম্বন্ধে সচেতন কৰি তোলে। নিয়ন্ত্রণ সকলোবোৰ শৈক্ষিক কার্য, নির্দেশনা, সা-সজুলি, বৃত্তিয় ব্যৱস্থা আৰু জনসংযোগৰ লগত জড়িত। আমাক বিভিন্ন ক্ষেত্রত উপযুক্ত কৌশলৰ প্রয়োজন হয়। উদাহৰণস্বৰূপে, বৃত্তিয় নিয়ন্ত্রণৰ বাবে আমাক বাজেট, হিচাব ৰক্ষণৰ প্রয়োজন ইত্যাদি।

নিয়ন্ত্রণৰ পর্যায়সমূহ—

- সংগঠনৰ যোগ্যতা পৰিমাণ আৰু পৰামর্শ দান।
- উপযুক্ত ফলাফল চিনাক্তকৰণ। আকাংক্ষিত ফলাফল আৰু প্রকৃত ফলাফলৰ মাজত তুলনা।
- শ্রেণী চিনাক্তকৰণ (যদি আছে)
- প্রকৃত ক্রিয়া, প্রকৃত ফলাফল আৰু আকাংক্ষিত ফলাফলৰ মাজত ৰিজনী বা তুলনাকৰণ।

মৌলিক নিয়ন্ত্রণ পৰিমাপনৰ বাবে কি ঘটিব বা কি ঘটিছে সেই সম্বন্ধীয় জ্ঞান বা ধাৰণাৰ প্রয়োজন। আমি ক'ব পাৰো যে নিয়ন্ত্রণে আঁচনি আৰু যোগ্যতাৰ পার্থক্য বিচাৰ কৰিব পাৰে।

আমি এতিয়া ইয়াক এটা উদাহৰণেৰে ব্যাখ্যা কৰিব বিচাৰো। শিক্ষকৰ কর্তব্য হ'ল ছাত্র-ছাত্রীসকলৰ যোগ্যতাৰ ওপৰত চকু ফুৰোৱা। এইক্ষেত্রত চর্চা আৰু নিয়ন্ত্রণৰ কৌশল শিক্ষকৰ বাবে প্রয়োজনীয়।

নিয়ন্ত্রণ প্রক্রিয়াক সফল কৰিবলৈ হ'লে —

- কি লক্ষ্যত উপনীত হ'ব বিচাৰিছে তাৰ আঁচনি যুগুত কৰিব লাগিব।

- সমাপিত কার্য সদায় পৰিমাপ কৰিব লাগিব।
- কর্মৰাজি আঁচনি অনুসৰি হৈছেনে তাৰ তুলনা কৰিব লাগিব
- সংগঠিত পৰিমাপনৰ বিচ্যুতি আঁতৰ কৰিব লাগিব।
- যোগ্যতা বৃদ্ধিৰ বাবে কার্যকৰী ব্যৱস্থা গ্রহণ কৰিব লাগিব।

য'ত নিয়ন্ত্রণৰ প্রয়োজন বা নিয়ন্ত্রণ ব্যৱস্থা প্রয়োগ কৰা উচিত, সেই ক্ষেত্রত প্রথমতে প্রধান শিক্ষাক নির্ণয় কৰি ল'ব লাগিব আৰু তাৰ পিছৰ পর্যায়তহে এই ক্রিয়া ব্যৱহাৰ কৰাটো প্রয়োজনীয়। নিয়ন্ত্রণৰ বিভিন্ন উপাদানসমূহ হ'ল— আঁচনি, বাজেট, দৰমহা, হিচাব, সময়সূচী, পাঠ্যক্রম, নিয়ম-শৃংখলা ইত্যাদি। শেষত নিয়ন্ত্রণ ব্যৱস্থা মূল্যায়ণ কৰিব লাগে, চকু দিব লাগে, ই লক্ষ্যত উপনীত হৈছেনে নাই তাক বিশ্লেষণ কৰা উচিত। সকলো সময়তে আমি মনত ৰাখিব লাগে যে, শৈক্ষিক ক্রিয়াসমূহ বৰ জটিল। সেয়েহে ই লক্ষ্যত উপনীত হৈছেনে তাক সঘনাই পৰীক্ষা কৰিব লাগে।

সামৰণিত এইটো উল্লেখ কৰিব পাৰি যে বিভিন্ন পৰিচালনা পদ্ধতিয়ে কম-বেছি পৰিমাণে শৃংখলাৰ কথা ব্যাখ্যা কৰে। পৰিচালকগৰাকী বিভিন্ন সময়ত অসন্তুৰ আৰু অনাকাংক্ষিত আৰু পৰিবর্তিত পৰিবেশৰ সন্মুখীন হয়। শিক্ষা পৰিচালকে বেছিভাগ সময় খৰছ কৰিবলগা হয় তাৎক্ষণিক ঘটনাত। ক্রিয়াসমূহক মুখ্য আৰু গৌণ ৰূপত ভাগ কৰাটো পৰিচালকৰ বাবে সম্ভৱ নহয়। যেনে— পৰিকল্পনা, সংগঠন, নির্দেশ আৰু নিয়ন্ত্রণ। পৰিচালকে সময় সাপেক্ষে আৰু প্রয়োজনীয়তাৰ প্রতি লক্ষ্য ৰাখি নিয়ন্ত্রণ পদ্ধতি প্রয়োগ কৰা উচিত। পৰিচালকে আঁচনিসমূহ মাজে-সময়ে সংশোধন কৰিব লাগে। নতুনকৈ কার্য সংগঠিত কৰিব লাগে আৰু নতুন কার্যসূচীৰ বাবে অভিপ্রেৰিত কৰিব লাগে আৰু পূর্ব নির্ধাৰিত লক্ষ্যত উপনীত হৈছেনে তাক পৰীক্ষা কৰিব লাগে। এনে পদ্ধতিয়ে পৰিচালকৰ দক্ষতাৰ উমান দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ নিয়ন্ত্রণ বুলিলে কি বুজে ? ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন নং ৮ ঃ নিয়ন্ত্রণ প্রক্রিয়াৰ ভাগসমূহ উল্লেখ কৰক।

.....

.....



৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই পাঠটোৰ জৰিয়তে পৰিচালনা প্ৰক্ৰিয়াৰ মৌলিক ধাৰণাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। পৰিচালনা প্ৰক্ৰিয়া এনে এটা ক্ৰিয়া যিয়ে পৰিচালকৰ যোগ্যতা বৃদ্ধি কৰে। পৰিচালনা প্ৰক্ৰিয়াটো চাৰিটা মূল ভাগত বিভক্ত— পৰিকল্পনা, সংগঠন, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ। এইবোৰক সাংগঠনিক পদ্ধতি হিচাপে জনা যায়।
- পৰিকল্পনা এক পদ্ধতি; যি ভৱিষ্যতৰ কাৰ্যপন্থা নিৰ্ধাৰণ কৰে। যোগ্য পৰিচালনাৰ বাবে পৰিচালকৰ ই এক প্ৰাৰম্ভিক ক্ৰিয়া।
- পৰিকল্পনা অবিহনে বুদ্ধিদীপ্তভাৱে কাৰ্য সম্পাদন কৰিব নোৱাৰি। এখন ভাল আঁচনিত সংগঠনৰ দীৰ্ঘকালীন উদ্দেশ্য সংযোজিত হৈ থাকে। ই সত্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে আৰু ই বুজাত সহজ হ'ব লাগে, কাৰ্যকৰীকৰণৰ সুবিধা থাকিব লাগে।
- পৰিচালকে সদায় কাৰ্য আৰু দায়বদ্ধতা সম্পৰ্কত বিভিন্ন ব্যক্তিক সচেতন কৰি তুলিব লাগে। ক্ৰিয়া সম্পাদন প্ৰশাসনিক ব্যৱস্থাৰ চালিকা শক্তি নিৰ্দেশনা হ'ল অন্য এক প্ৰশাসনিক পদ্ধতি।
- নিৰ্দেশনাৰ তিনিটা দিশ হ'ল— অভিপ্ৰায়, নেতৃত্ব আৰু যোগাযোগ। নিৰ্দেশনাই যোগ্যতা বৃদ্ধি কৰে। ই সংগঠনৰ ভাৰসাম্য ৰক্ষা আৰু স্থায়িত্ব দানত সহায় কৰে।
- নিয়ন্ত্ৰণ হ'ল শক্তিৰ ব্যৱহাৰ। ই কৰ্তৃপক্ষ আৰু কৰ্মীসকলক কৰ্মৰ বাবে দায়িত্বশীল কৰি তুলিব লাগে। শিক্ষা প্ৰক্ৰিয়াত নিয়ন্ত্ৰণ অত্যন্ত জৰুৰী। ই সংগঠনৰ যোগ্যতা পৰিচৰ্যা কৰে। কৰ্মই যোগ্যতা বৃদ্ধি কৰে। বিকাশ আৰু আত্মশুদ্ধিৰে শিক্ষাৰ লক্ষ্যৰ উত্তৰণ ঘটায়।



৯.৯ অধিক জানিবলৈ

1) Bhatnagar S. S. & Gupta R. K.. *Educational Management.* Surya Publication, 2006

2) Chandra S. S. & Chakravarty A. K.. *School Administration Organization and Management.* R.Lall Book Depot., Meerut, 2008



৯.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিচালনা এনে এটা পদ্ধতি; যাক পৰিচালকৰ দ্বাৰা কার্যকৰী কৰা হয়। ই কর্মৰ এক প্রণালীবদ্ধ পদ্ধতি। পৰিচালনা পদ্ধতিত বিভিন্ন ক্রিয়া সন্নিবিষ্ট হৈ থাকে। এইবোৰক চাৰিটা ভাগত ভগাব পাৰি— পৰিকল্পনা, সংগঠন, নির্দেশনা আৰু নিয়ন্ত্রণ।

২ নং প্রশ্নৰ উত্তৰ ঃ পৰিকল্পনাত ভৱিষ্যতৰ কার্যপন্থা সংলগ্ন হৈ থাকে। ই বহল দৃষ্টিভংগীৰে ক্রিয়া সম্পাদন কৰে। প্রশাসকৰ বাবে ই প্রাৰম্ভিক প্রয়োজনীয় দিশ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাল আঁচনিৰ উপাদান আৰু বৈশিষ্ট্যসমূহ হ'ল—

- দীর্ঘকালীন লক্ষ্যৰ লগত সংযোগ
- কর্মৰ নির্দেশনা
- ধাৰণা
- সৰলতা
- নমনীয়তা

৪ নং প্রশ্নৰ উত্তৰ ঃ সাংগঠনিক ক্রিয়া হ'ল সংগঠনৰ মৌলিক কার্য। বিভিন্নজনৰ মাজত কার্য বিভাজন কৰি দি ই ক্রিয়া সম্পাদন কৰে। স্ব-স্থানত বিভাগ আৰু শাখাসমূহক ই কার্য বিভাজন কৰি দিয়ে।

৫ নং প্রশ্নৰ উত্তৰ ঃ নির্দেশনাৰ বৈশিষ্ট্যসমূহ হ'ল—

- নির্দেশনাৰ জৰিয়তে পৰিচালকে সাংগঠনিক ক্রিয়া আৰম্ভ কৰে।
- প্রশাসনৰ প্রত্যেক পর্যায়ত ই কার্যদক্ষতা আগবঢ়ায়।
- ই এটা নিৰবিচ্ছিন্ন প্রক্রিয়া।
- নির্দেশনা কার্য সংগঠনৰ ওপৰৰ পৰা তললৈ সকলোৱে মানি চলিব লাগে।
- নির্দেশনা মূলতঃ পৰিকল্পনাৰ পৰাই আহে।

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) প্রধান শিক্ষকক স্কুলৰ মুখ্য দলপতি হিচাবে বিবেচনা কৰা হয়। তেখেতে শৈক্ষিক, প্রশাসনিক সকলো ক্রিয়া চোৱাচিতা কৰে। প্রধান শিক্ষকে স্কুলৰ সকলো ক্রিয়া সংগঠিত কৰে আৰু বিভিন্নজনৰ মাজত কার্য ভাগ কৰি দিয়ে। অভিভাৱক, সম্প্রদায় আৰু চৰকাৰৰ লগত সম্পর্ক ৰক্ষা কৰে। শিক্ষকজনে স্কুলৰ সামাজিক ক্রিয়াসমূহো সংগঠিত কৰে।

(খ) নির্দেশনা বৰ গুৰুত্বপূর্ণ। কাৰণ ক্রিয়া আৰু নির্দেশনাই প্রশাসকৰ যোগ্যতা বৃদ্ধি কৰে। ই সংগঠনৰ ভাৰসাম্য ৰক্ষা কৰি ইয়াৰ স্থায়িত্ব প্রদান কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ প্রশাসনিক ব্যৱস্থাটো নিয়ন্ত্রণ আৰু পৰিদর্শনৰ ওপৰত নির্ভৰশীল। ই হ'ল কর্তৃপক্ষৰ শক্তিৰ ব্যৱহাৰ। ইয়াত কর্মীসকল কর্মৰ প্রতি দায়বদ্ধ। ইয়ে নির্দেশ কৰে কেনেকৈ

আঁচনিৰ জৰিয়তে লক্ষ্যত উপনীত হ'ব পাৰি।

৮ নং প্রশ্নৰ উত্তৰ ঃ নিয়ন্ত্রণৰ বিভিন্ন পর্যায়সমূহ হ'ল—

(ক) সংগঠনৰ যোগ্যতা পৰিমাপ আৰু চোৱাচিতা কৰা।

(খ) শুদ্ধ ফলাফল চিনাক্ত কৰা।

(গ) যদি কিবা শ্রেণী আছে তাক চিনাক্ত কৰা।

(ঘ) শুদ্ধ ক্রিয়াৰ যোগেদি প্রকৃত ফলাফল আৰু আকাংক্ষিত ফলাফল ৰিজোৱা।



৯.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ব্যৱস্থাপনা প্রক্রিয়া বুলিলে কি বুজে?

প্রশ্ন ২ ঃ পৰিকল্পনা বুলিলে কি বুজে?

প্রশ্ন ৩ ঃ নিদের্শনা বুলিলে কি বুজে?

প্রশ্ন ৪ ঃ নিয়ন্ত্রণ বুলিলে কি বুজে?

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ এটা ভাল পৰিকল্পনাৰ বৈশিষ্ট্যসমূহ কি কি? বর্ণনা কৰক।

প্রশ্ন ২ ঃ পৰিকল্পনা দীর্ঘমাদী উদ্দেশ্যৰ লগত জড়িত হ'ব লাগে- বর্ণনা কৰক।

প্রশ্ন ৩ ঃ এখন শৈক্ষিক অনুষ্ঠানত নির্দেশনাৰ গুৰুত্বতাৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ৪ ঃ নিয়ন্ত্রণ প্রক্রিয়াৰ বিভিন্ন পর্য্যয়সমূহ কি কি?

গ) ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ পৰিচালনা প্রক্রিয়া কি বর্ণনা কৰক। ইয়াৰ বিভিন্ন পদ্ধতিসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ পৰিকল্পনা কি? স্কুল সংগঠনৰ পৰিকল্পনাত ইয়াৰ প্রয়োজনীয়তা আৰু গুৰুত্ব উল্লেখ কৰক।

প্রশ্ন ৩ ঃ নির্দেশনা আৰু নিয়ন্ত্রণৰ মাজত থকা সম্পর্ক আলোচনা কৰক। বিদ্যালয় সংগঠনত ইয়াৰ গুৰুত্বতা ব্যাখ্যা আগবঢ়াওক ।

প্রশ্ন ৪ ঃ সাংগঠনিক প্রক্রিয়াসমূহ কি কি? শৈক্ষিক সংগঠনত এই প্রক্রিয়াসমূহৰ প্রয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা কৰক।

****

অধ্যায় - ১০ ঃ শৈক্ষিক শাসন ব্যৱস্থা (EDUCATIONAL ADMINISTRATION)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ শৈক্ষিক শাসন ব্যৱস্থাৰ অর্থ আৰু সংজ্ঞা

১০.৩.১ শৈক্ষিক শাসন ব্যৱস্থাৰ অর্থ

১০.৩.২ শৈক্ষিক শাসন ব্যৱস্থাৰ সংজ্ঞা

১০.৪ শৈক্ষিক শাসন ব্যৱস্থাৰ স্বৰূপ

১০.৫ শৈক্ষিক শাসন ব্যৱস্থাৰ শ্রেণীবিভাজন বা প্রকাৰসমূহ

১০.৫.১ শৈক্ষিক শাসন ব্যৱস্থা আৰু অন্য শাসন ব্যৱস্থাৰ মাজত থকা পার্থক্য

১০.৬ শৈক্ষিক শাসন ব্যৱস্থাৰ প্রয়োজনীয়তা বা আৱশ্যকতা সমূহ

১০.৭ শৈক্ষিক শাসন ব্যৱস্থাৰ পৰিসৰ

১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৯ অধিক জানিবলৈ

১০.১০ অগ্রগতিৰ খতিয়ান

১০.১১ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- শৈক্ষিক শাসন ব্যৱস্থাৰ অর্থ আৰু ধাৰণাৰ বিষয়ে জানিব পাৰিব।
- শৈক্ষিক শাসন ব্যৱস্থাৰ স্বৰূপ বা বৈশিষ্ট্যবোৰ চিনাক্তকৰণ কৰিব পাৰিব।
- শৈক্ষিক শাসন ব্যৱস্থাৰ বিভিন্ন ধৰণৰ শ্রেণী বিভাজন কৰিব পাৰিব।
- শৈক্ষিক শাসন ব্যৱস্থা আৰু অন্য শাসন ব্যৱস্থাৰ মাজত থকা পার্থক্যসমূহ বুজিব পাৰিব।
- শৈক্ষিক শাসন ব্যৱস্থাত প্রয়োগ হোৱা বিভিন্ন দিশ বা পৰিসৰ সমূহৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়টিৰ দ্বাৰা আমি শৈক্ষিক শাসন প্রণালীৰ মূল ধাৰণাৰ লগতে উদ্দেশ্যসমূহ বা কার্যাৱলী সমূহৰ বিষয়ে অৱগত হ'ব পাৰিম। তাৰোপৰি, এই অধ্যায়ে শৈক্ষিক শাসন ব্যৱস্থা আৰু আন শাসন ব্যৱস্থাৰ মাজত থকা পার্থক্যসমূহ ফহিয়াই দেখুৱাব। লগতে শৈক্ষিক শাসন ব্যৱস্থাৰ বিভিন্ন পৰিসৰৰ বিভিন্ন দিশসমূহৰো বর্ণনা কৰিব।

শৈক্ষিক শাসন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰাৰ আগতে শিক্ষা আৰু শৈক্ষিক শাসন ব্যৱস্থাৰ মাজত থকা সম্পর্কৰ বিষয়ে জনাটো অতি প্রয়োজনীয়। শিক্ষা হ'ল এক উন্নতিৰ পদ্ধতি। শিক্ষা এনে এটা পদ্ধতি যাৰ মাজেদি ব্যক্তি এজনে জ্ঞান, কৌশল, দৃষ্টিভংগী, আচৰণ আদি অর্জ্জন কৰিব পাৰে আৰু শিক্ষাৰ জৰিয়তে ব্যক্তিজনে সমাজত নিজকে সমাযোজন কৰি এক অর্থবহ জীৱন চলাই নিব পাৰে। এজন ছাত্র বা ব্যক্তিক শিক্ষিত কৰাটো একধৰণৰ জটিল প্রক্রিয়া। সমাজে ছাত্রসকলক শিক্ষিত কৰি তুলিবৰ বাবে একোটা অনুস্থান বা প্রতিস্থানৰ ওপৰত দায়িত্ব অর্পন কৰিছে। সেই অনুস্থান বা প্রতিস্থানটো সুচাৰুৰূপে চলিবলৈ এক পদ্ধতিৰ প্রয়োজন হয়। গতিকে শাসন প্রণালী হ'ল একধৰণৰ পদ্ধতি বা যন্ত্রৰ থুপ (machinery) যাৰ যোগেদি এটা অনুস্থান বা প্রতিস্থানৰ বিভিন্ন কার্য সুচাৰুৰূপে চলাই নিব পাৰে। শৈক্ষিক শাসন ব্যৱস্থা হ'ল এক ব্যাপক প্রচেষ্টা যাৰ দ্বাৰা শিক্ষাৰ লক্ষ্য সমূহ বুজি সেই লক্ষ্য সমূহত উপনীত হবলৈ পৰিচালিত কৰিব পাৰে। ইয়াৰ অর্থ স্পষ্টকৈ বুজিবলৈ হ'লে আমি শৈক্ষিক শাসন ব্যৱস্থাৰ অর্থ আৰু তাৰ সংজ্ঞা সমূহৰ মাজেদি আগবাঢ়ি যাব লাগিব।

১০.৩ শৈক্ষিক শাসন ব্যৱস্থাৰ অর্থ

শিক্ষা হ'ল এক জটিল প্রক্রিয়া যিটোৱে বিভিন্ন উপাদান যেনে ছাত্র-ছাত্রী, শিক্ষক, আহিলা পাতি, মূলধন, শ্রেণীকোঠা, নিয়ম-নীতিসমূহ আদিক জড়িত কৰি ৰাখে। সমগ্র পদ্ধতিটো সুচাৰুৰূপে চলিবলৈ হ'লে এই উপাদান সমূহক ভালদৰে পৰিচালনা কৰিব লাগিব। শৈক্ষিক শাসন ব্যৱস্থাই শিক্ষাৰ বিভিন্ন উপাদান সমূহৰ সৈতে জড়িত হৈ থাকে আৰু এই শাসন ব্যৱস্থাই শৈক্ষিক পদ্ধতিত জড়িত হৈ থকা সমগ্র কার্যাৱলীসমূহক সুচাৰুৰূপে চলাই নিয়াত সহায় কৰে।

আমি সকলোৱে জানো যে যিকোনো পদ্ধতি এটা আগুৱাই নিবলৈ হ'লে বিভিন্ন উপাদানৰ প্রয়োজন আৰু শেষ পর্য্যায়ত উপনীত হোৱাৰ বাবে এক সঠিক পদ্ধতিৰ প্রয়োজন। শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহত উপনীত হবলৈ শিক্ষাৰ বিভিন্ন উপাদানসমূহৰ মাজত এক সংমিশ্রণৰ প্রয়োজন যিটো প্রচেষ্টা একমাত্র শৈক্ষিক শাসন ব্যৱস্থাৰ দ্বাৰাহে সম্ভৱপৰ হয়। এই শাসন ব্যৱস্থা হ'ল শিক্ষাৰ গতিশীল দিশ যিয়ে সাধাৰণতে শৈক্ষিক অনুশীলনৰ সৈতে জড়িত হৈ থাকে। শৈক্ষিক শাসন ব্যৱস্থাটোই সদায় অনুস্থান বা প্রতিষ্ঠান যেনে - বিদ্যালয়, মহাবিদ্যালয় বা

বিশ্ববিদ্যালয় আদিৰ সৈতে সম্বন্ধ স্থাপন কৰে। লগতে প্রতিষ্ঠান বা অনুস্থানটোত প্রচলিত শিক্ষাৰ বিভিন্ন দিশ যেনে - শিক্ষাৰ পৰিকল্পনা, শৈক্ষিক সিদ্ধান্ত গ্রহণ বা শিক্ষাৰ নীতিসমূহ অনুমোদন কৰা, মূল্যায়ন প্রক্রিয়া, আর্থিক অনুমোদন, আদিক সামৰি লয় লগতে ছাত্র-ছাত্রী, শিক্ষক, কর্মচাৰী আদিৰ বিভিন্ন সমস্যাৰ দিশকো অন্তর্ভুক্ত কৰি শিক্ষাৰ বিশেষ উদ্দেশ্য সমূহ বুজাত সহায় কৰে। গতিকে, শৈক্ষিক অনুস্থান বা প্রতিস্থানটোৰ সমগ্র পৰিচালনাৰ সৈতে শৈক্ষিক শাসন ব্যৱস্থা জড়িত হৈ থাকে যিহেতু শৈক্ষিক শাসন ব্যৱস্থাৰ মূল উদ্দেশ্য হ'ল শিক্ষাত জড়িত হৈ থকা ব্যক্তিসকলৰ প্রচেষ্টাসমূহৰ উন্নীতকৰণ কৰা, যিবোৰৰ দ্বাৰা শিক্ষাৰ মূল লক্ষ্যত উপনীত হ'ব পাৰি।

১০.৩.১ শৈক্ষিক শাসন ব্যৱস্থাৰ সংজ্ঞা

শৈক্ষিক শাসন ব্যৱস্থাৰ অর্থ বুজাৰ পিছত আমি বিভিন্ন শিক্ষাবিদে আগবঢ়োৱা শৈক্ষিক শাসন ব্যৱস্থাৰ বিভিন্ন সংজ্ঞাসমূহ আলোচনা কৰিমহঁক।

- **গ্রাহাম বাল্‌ফোৰ (Graham Balfour)**ৰ মতে, "শৈক্ষিক শাসন ব্যৱস্থাই সঠিক শিক্ষা লাভ কৰাত সহায় কৰে। যিমানেই ক্ষতি নহওঁক, ছাত্র-ছাত্রীসকলক তেওঁলোকৰ কার্যমূলক শিক্ষাৰ জৰিয়তে যিকোনো পৰিস্থিতিতে লাভবান হ'বলৈ সমর্থবান কৰি তোলে।"

  (After understanding the meaning of educational administration, it would be useful if you to through some of the definitions of educational administration as put forward by different educationists.)

- **জেছেই বি. চিয়াৰচ্ (Jesse B. Sears)**ৰ মতে "শিক্ষাত, শাসন ব্যৱস্থাই 'চৰকাৰ' শব্দটোতকৈ অধিক শব্দ যেনে তদাৰক কৰা, পর্য্যবেক্ষণ কৰা, নির্দেশ দিয়া, পৰিকল্পনাৰ দোষ বা ভুলবোৰ ফহিয়াই চোৱা, গঠন কৰা, নিয়ন্ত্রণ কৰা, পৰিচালনা কৰা আৰু নিয়ম বা আইন কৰা আদি শব্দবোৰকো সামৰি লয়।"

  (In education, administration contains much that we mean by the word government and is closely related in content to such words as superintendence, supervision, planning oversight, direction, organisation, control, guidance and regulation.)

- **ব্রুক আদাম্চ (Brook Adams)**ৰ মতে, শাসন ব্যৱস্থাই বহুতৰ মাজত সমন্বয় সাধন কৰিব পাৰে,. শাসন ব্যৱস্থাই প্রায়ে প্রশংসনীয় ভাবে সমাজৰ শক্তিসমূহৰ মাজত থকা বৈষম্যতাখিনিক আতঁৰাই শক্তিসমূহৰ মাজত একতা আনি দিয়ে।

(Administration is the capacity to coordinate many, and often conflicting, social energies in a single organism, so adroitly that they shall operate as a unity)

- **অৰড্‌ৱে টিড্‌ (Ordway Tead)**ৰ মতে, "শাসন ব্যৱস্থা হ'ল এক ব্যাপক প্রচেষ্টা যিয়ে কিছুমান বিশেষ লক্ষ্যত উপনীত হবলৈ মানুহক নির্দেশ দিয়া আৰু পৰিচালনা কৰায়। শাসন ব্যৱস্থাই এটা সংগঠনত জড়িত ব্যক্তিসকলৰ প্রয়োজনীয় কার্যাৱলীসমূহ অনুভব কৰায়, যি সকল ব্যক্তিয়ে দলটোৰ প্রতিজন ব্যক্তিৰ চেষ্টা সমূহক আগবঢ়াই নিয়াৰ বাবে নির্দেশ দিব পাৰে, সহায় কৰিব পাৰে যাতে সকলোৱে একেলগে এক নির্দিষ্ট উদ্দেশ্যৰ বিষয়ে অনুভৱ কৰিব পাৰে।"

  (Administration is the comprehensive effort to direct, guide and integrate associated human striving which are focussed towards some specific ends or aims ... administration is conceived as the necessary activities of those individuals (executives) in an organization who are charged with ordering, forwarding and facilitating the associated efforts of a group of individuals brought together to realise certain defined purposes.)

- **গ্রেছন কেফৌনেৰ (Grayson Kefauner)**ৰ মতে, 'শৈক্ষিক শাসন ব্যৱস্থাই ৰাজনীতি কৌশলক ওচৰলৈ লৈ আহে যেতিয়া সেইবোৰৰ উদ্দেশ্য আৰু দীর্ঘম্যাদী নীতি-নিয়মবোৰক স্পষ্টভাবে গঠন কৰে নতুবা দীর্ঘম্যাদী আঁচনিবোৰৰ দ্বাৰা দৈনন্দিন কার্য্যাৱলী আৰু সমস্যাবোৰ কোনো এজনৰ নির্দেশত পৰিচালিত হয়।"

  (Educational Administration approaches statesmanship when there are clearly formulated long term policies and objectives and when day to day activities and problems are dealt with under the guidance of the perspective is given by such long term policies.)

- **শিক্ষা অধ্যয়নৰ জাতীয় সমাজ (National Society for the study of Education)**ৰ মতে, "শৈক্ষিক শাসন ব্যৱস্থা হ'ল এক সামাজিক ৰাজনীতি কৌশল যিবোৰে শৈক্ষিক কার্য্যসমূহ, পৰিকল্পনাৰ কার্যাৱলী সমূহক পৰিচালনা কৰে কিন্তু বিস্তৃত সামাজিক দৃশ্যৰ বাবে এক নেতৃত্ব প্রদান কৰে।"

  (Educational Administration is a social statemanship which guides educational activities plans programmes and facilities, and provides leadership in a long term but broad social perspective.)

বিভিন্ন শিক্ষাবিদে আগবঢ়োৱা বিভিন্ন সংজ্ঞাসমূহ ফহিয়াই চালে স্পষ্টকৈ বুজা যাব যে, 'শৈক্ষিক শাসন ব্যৱস্থাই হ'ল সামাজিক আৰু ব্যক্তিগত স্তৰৰ উন্নতিৰ বাবে সমাজলৈ আগবঢ়োৱা এক অহৰহ সেৱা। ই সকলো ধাৰণৰ কার্যাৱলীৰ সৈতে জড়িত হৈ থাকে। শিক্ষাৰ সকলো উৎস সমূহ ব্যৱহাৰ কৰাৰ বাবে সহায় কৰে। শিক্ষাৰ লক্ষ্যবোৰ উপলব্ধি কৰিবৰ বাবে শাসন ব্যৱস্থাই মানুহৰ চেষ্টা সমূহক নির্দেশ দিয়ে, পৰিচালনা কৰে বা উন্নীত কৰে।



জানি থোৱা ভাল

- শৈক্ষিক শাসন ব্যৱস্থাই শিক্ষাৰ বিভিন্ন উপাদানসমূহৰ সৈতে সম্পর্ক ৰাখে আৰু সমগ্ৰ শৈক্ষিক প্রক্রিয়াটোক সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন অংগবোৰৰ মাজত সমন্বয় ৰাখে।
- শৈক্ষিক শাসন ব্যৱস্থাৰ মূল উদ্দেশ্য হ'ল মানুহৰ চেষ্টা সমূহক নির্দ্দেশ দিয়া, পৰিচালনা কৰা বা উন্নীত কৰা যাতে মানুহবোৰে শিক্ষাৰ লক্ষ্যবোৰ উপলব্ধি কৰিব পাৰে।
- শৈক্ষিক শাসন ব্যৱস্থাই সমাজ আৰু ব্যক্তিৰ উন্নতিৰ বাবে সমাজলৈ এক বিশেষ সেৱা আগবঢ়ায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শাসন ব্যৱস্থা বুলিলে কি বুজে?

.....

.....

.....

প্রশ্ন নং ২ ঃ শিক্ষা আৰু শাসন ব্যৱস্থাৰ মাজত কিবা সম্বন্ধ আছে নে?

.....

.....

.....

প্রশ্ন নং ৩ ঃ বিখ্যাত শিক্ষাবিদে শৈক্ষিক শাসন ব্যৱস্থাৰ ওপৰত আগবঢ়োৱা যিকোনো এটা সূত্র লিখক।

.....

.....

.....



চিন্তা চর্চা কৰক ১০.১

আপোনাৰ নিজ ভাষাত শৈক্ষিক শাসন ব্যৱস্থাৰ ওপৰত এটা সংজ্ঞা লিখক।

.....

.....

.....

১০.৪ শৈক্ষিক শাসন ব্যৱস্থাৰ স্বৰূপ

শৈক্ষিক শাসন ব্যৱস্থাৰ সংজ্ঞা আৰু অর্থ বুজাৰ পিছত এতিয়া শৈক্ষিক শাসন ব্যৱস্থাৰ লক্ষণসমূহ আলোচনা কৰিবলৈ সহজ হব। শৈক্ষিক শাসন ব্যৱস্থা হ'ল এক ব্যাপক চেষ্টা যাৰ দ্বাৰা শিক্ষাৰ লক্ষ্য সমূহক উপলব্ধি কৰিব পৰা যায়। অন্য অর্থত, শৈক্ষিক শাসন ব্যৱস্থাৰ দ্বাৰা সমাজ আৰু ব্যক্তিৰ উন্নতিৰ বিষয়ে জনা যায়। এক নির্দিষ্ট বেষ্টনীত এই ব্যৱস্থাই শিক্ষক, ছাত্র-ছাত্রী, অভিভাবক, কর্মচাৰী সকলৰ মাজত এক সমন্বয় আনি দিয়ে। তাৰোপৰি, সহজলভ্য উপাদান সমূহৰ ব্যৱহাৰৰ যোগেদি শৈক্ষিক শাসন ব্যৱস্থাই শিক্ষাৰ উদ্দেশ্যসমূহ উপলব্ধি কৰাত সহায় কৰে। আগতে উল্লেখ কৰা ধৰণে, ই এনে এটা পদ্ধতি যিয়ে মানুহৰ কার্য্যাৱলী সমূহ উন্নীত কৰায়, নির্দেশ দিয়ায়, গঠন কৰায় যাতে মানুহে সেইবোৰৰ যোগেদি শিক্ষাৰ লক্ষ্যসমূহত উপনীত হ'ব পাৰে।

১০.৫ শৈক্ষিক শাসন ব্যৱস্থাৰ শ্রেণী বিভাজন বা প্রকাৰসমূহ

বিভিন্ন শিক্ষাবিদে শৈক্ষিক শাসন ব্যৱস্থাক বিভিন্ন ধৰণে বিভিন্ন ভাগত ভাগ কৰিছে। সাধাৰণতে শৈক্ষিক শাসন ব্যৱস্থাক আমি দুই ভাগত ভাগ কৰি লব পাৰো। সেই দুটা ভাগ হ'ল—

(১) বাহ্যিক শাসন ব্যৱস্থা (External Administration)

(২) আভ্যন্তৰীণ শাসন ব্যৱস্থা (Internal Administration)

১) বাহ্যিক শাসন ব্যৱস্থা ঃ

বাজ্যিক শাসন ব্যৱস্থাই বর্হিজগতৰ পৰা শাসিত ব্যৱস্থাক বুজায়। অর্থাৎ কোনো শিক্ষা প্রতিস্থান যদি চৰকাৰে বা অন্য আইন অনুমোদিত ব্যৱস্থাৰ দ্বাৰা শাসিত হয়, তেন্তে সেই অনুস্থানৰ শাসন ব্যৱস্থাক বাহ্যিক শাসন ব্যৱস্থা বুলি জনা যায়। তেতিয়া সেই শিক্ষানুস্থান বা প্রতিস্থানটোই চৰকাৰ বা আইন অনুমোদিত ব্যৱস্থাই নিৰূপন কৰা নিয়ম-নীতিবোৰ কঠোৰ ভাবে অনুসৰণ কৰিব লাগে। বাহ্যিক শাসন ব্যৱস্থাৰ দ্বাৰা পৰিচালিত কিছুমান বিষয় হ'ল — শিক্ষা অনুস্থানটোৰ

বাবে নিয়ম-নীতি নির্ধাৰণ কৰা, পাঠ্যপুথি নির্বাচন কৰা, শিক্ষক নিযুক্তিকৰণৰ বাবে অর্হতা নির্বাচন কৰা, কর্মচাৰী সকলৰ দৰমহা নির্ধাৰণ কৰা, পাঠ্য-পুথি প্রস্তুতকৰণ কৰা, কার্যক্ষম দিনাংক ঠিক কৰা ইত্যাদি। উল্লেখিত এই সকলোবোৰ নির্দেশনামা বাহ্যিক শাসন কর্তৃপক্ষৰ দ্বাৰা নিয়ন্ত্রিত হয় আৰু প্রয়োজন সাপেক্ষে সিদ্ধান্ত লোৱা হয় যাতে সকলো শিক্ষা প্রতিস্থানৰ একেধৰণৰ হয়। বাহ্যিক শাসন ব্যৱস্থাই শিক্ষা প্রতিস্থানবোৰ পৰিচালিত আৰু পদ্ধতিগত ভাবে পৰিচালনা কৰাত সহায় কৰে। উদাহৰণ স্বৰূপে, বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) বা শিক্ষা বিভাগৰ নির্দ্দেশ মর্মে পৰিচালিত হোৱা বিশ্ববিদ্যালয়বোৰ, মহাবিদ্যালয়বোৰ আৰু বিদ্যালয়সমূহ আদি।

২) আভ্যন্তৰীণ শাসন ব্যৱস্থা ঃ

যিবোৰ প্রতিস্থানৰ শাসন প্রণালী ব্যৱস্থাক প্রধান শিক্ষক বা অধ্যক্ষই তেওঁলোকৰ সহপাঠী শিক্ষকসকল আৰু ছাত্র-ছাত্রী সকলৰ লগত বুজাবুজি প্রক্রিয়াৰে পৰিচালনা কৰে সেই প্রতিস্থানৰ শাসন ব্যৱস্থাক আভ্যন্তৰীণ শাসন ব্যৱস্থা বোলা হয়। শিক্ষা প্রতিস্থান সমূহত বাহ্যিক শাসন ব্যৱস্থাৰ দ্বাৰা প্রযোজ্য নিয়ম-নীতি আৰু দৈনন্দিন কার্য্যাৱলী সমূহত কোনোধৰণৰ বেমেজালি নঘটে তাৰ বাবে আভ্যন্তৰীণ শাসন ব্যৱস্থাৰ প্রৱর্ত্তন হয়। অন্য অর্থত, আভ্যন্তৰীণ শাসন ব্যৱস্থাই শিক্ষা প্রতিস্থানটো সুচাৰুৰূপে পৰিচালিত কৰাত সহায় কৰে যদিও তাত বাহ্যিক শাসন ব্যৱস্থাৰ নিয়ম-নীতিও প্রযোজ্য হৈ থাকে। শাসন ব্যৱস্থাৰ এই বিশেষ শ্রেণী বিভাজনৰ উপৰিও অন্য এক বেলেগ ধৰণে শৈক্ষিক শাসন ব্যৱস্থাক আমি আৰু দুটা ভাগত ভাগ কৰিব পাৰে. যেনে —

ক) গণতান্ত্রিক (democratic) শাসন ব্যৱস্থা

ক) স্বেচ্ছাচাৰী (autocratic) শাসন ব্যৱস্থা।

যেতিয়া শিক্ষা প্রতিস্থান এটা প্রতিস্থিত হয় তেতিয়াই গণতান্ত্রিক শাসন ব্যৱস্থাৰো প্রচলিত হয়। ইয়াত শিক্ষা প্রতিস্থানটোৱে গণতান্ত্রিক নিয়ম-নীতি বা গণতান্ত্রিক মূল্যবোধক সৰোগত কৰি গণতান্ত্রিক পদ্ধতিৰে আগবাঢ়ি যাব লাগে। এই গণতান্ত্রিক শাসন ব্যৱস্থাত শিক্ষা প্রতিস্থানটোৱে গণতন্ত্রৰ নিয়ম সমূহ অনুসৰণ কৰে। গণতন্ত্রৰ মূল নীতিবোৰ, যেনে — সমতা, ন্যায়, স্বাধীনতা, সহযোগিতা, ব্যক্তিভেদে কার্য্যৰ মর্য্যাদা প্রদান কৰা, দায়িত্ব সমূহৰ ভাগ-বতৰা কৰা ইত্যাদিবোৰ শিক্ষা প্রতিস্থানত প্রযোজ্য হয়। এইপ্রকাৰ শাসন ব্যৱস্থাৰ মূল লক্ষ্য হ'ল প্রতিজন ব্যক্তিকে সমাজত একোজন গণতান্ত্রিক নাগৰিক হিচাপে গঢ়ি তোলা যিয়ে সামাজিক আৰু ব্যক্তিৰ উন্নতিক অগ্রাধিকাৰ দিয়ে।

স্বেচ্ছাচাৰী শাসন ব্যৱস্থা হ'ল য'ত শিক্ষা প্রতিস্থানৰ মূৰব্বীজনে একচ্ছত্রীভাবে নিজস্ব ক্ষমতা প্রয়োগ কৰে। তেওঁ সমগ্র ক্ষমতা ছাত্র-ছাত্রী আৰু শিক্ষক সকলৰ ওপৰত নিয়োজিত কৰে। শিক্ষা প্রতিস্থানটোৰ সকলোধৰণৰ সিদ্ধান্ত মূৰব্বীজনৰ দ্বাৰাহে লোৱা যায় আৰু শিক্ষক, ছাত্র-ছাত্রীসকলক একপ্রকাৰ গৌণ আহিলা হিচাপে গণ্য কৰা হয়। শিক্ষা প্রতিস্থানটোৰ মূৰব্বীজনে প্রতিস্থানটোৰ নিয়ম-নীতিবোৰত সিদ্ধান্ত লয়, বিষয়বস্তু প্রস্তুত কৰে, পাঠ্যপুথি প্রণয়নত সিদ্ধান্ত লয়। শিক্ষা প্রতিস্থানটোৰ দৈনন্দিন কার্যাৱলী সমূহো তেওঁ পৰিচালনা কৰে।

১০.৫.১ শৈক্ষিক শাসন ব্যৱস্থা আৰু অন্যধৰণৰ শাসন ব্যৱস্থাৰ মাজত থকা পার্থক্যবোৰ

সকলোধৰণৰ শাসন ব্যৱস্থাৰ একেই উদ্দেশ্য থাকে। উপাদানৰ সকলো আহিলাৰ সদ্ব্যৱহাৰৰ মাজেদি লক্ষ্যত উপনীত হোৱাটোৱে হ'ল শাসন ব্যৱস্থাৰ মূল লক্ষ্য। প্রতিৰক্ষা, বাণিজ্য, উদ্যোগ আদিৰ পৰা মানুহৰ উন্নীতকৰণ কৰা আদিৰ লগত শাসন প্রক্রিয়া জড়িত হৈ আছে। কিছুমান বিশেষ উপাদান, যেনে— লক্ষ্য, উদ্দেশ্য, পদ্ধতি, কৌশল, মূল্যায়ন আদিৰ বাবে শৈক্ষিক শাসন প্রণালী আনধৰণৰ শাসন প্রণালীতকৈ বেলেগ বুলি বিবেচিত হয়।

- **লক্ষ্য, উদ্দেশ্য নাইবা অভিপ্রায় ঃ** আইনৰ মাধ্যমেদি শাসন ব্যৱস্থাৰ নিয়ম-নীতিবোৰ প্রযোজ্য হয় বাবেই শাসন ব্যৱস্থাই সদায় নিয়ম-নীতিবোৰ ৰক্ষা কৰাৰ প্রতি লক্ষ্য ৰাখে। কিন্তু শৈক্ষিক শাসন ব্যৱস্থাই মানুহৰ ব্যক্তিত্বৰ বিকাশৰ প্রতি লক্ষ্য ৰাখে সেয়েহে সমগ্র মানৱৰ মঙ্গল শ্রীবৃদ্ধি বা উন্নীত আদিত গুৰুত্ব প্রদান কৰি শৈক্ষিক শাসন ব্যৱস্থাৰ নিয়ম-নীতিবোৰ প্রস্তুত কৰা হয়। আনহাতে, অন্য ধৰণৰ শাসন ব্যৱস্থাত, ব্যক্তিৰ বিকাশৰ প্রতি কোনো লক্ষ্য ৰখা নহয়, ই কোনো দর্শন আৰু নীতি শাস্ত্রৰ ওপৰত ভিত্তি কৰিও প্রযোজ্য নহয়। অন্যহাতে, শৈক্ষিক শাসন ব্যৱস্থাটো সম্পূর্ণ ভাবে দর্শন শাস্ত্রৰ ওপৰত প্রতিস্থিত।

- **পদ্ধতি আৰু কৌশল ঃ** শাসন সম্বন্ধীয় নিয়ম-নীতি প্রস্তুত কৰাৰ ক্ষেত্রত পদ্ধতি আৰু কৌশলসমূহে এক বিশেষ ধৰণৰ ভূমিকা গ্রহণ কৰে। যিহেতু শৈক্ষিক শাসন ব্যৱস্থাত মানুহৰ কল্যাণ বা উন্নতিৰ প্রতি লক্ষ্য ৰখা হয়, সেয়েহে পদ্ধতি বা কৌশলসমুহো মানুহক আকর্ষিত কৰা ধৰণৰ অর্থাৎ মানুহৰ কল্যাণ বা উন্নতিৰ সৈতে জড়িত হৈ থকা দেখা যায়। কিন্তু অন্যধৰণৰ শাসন ব্যৱস্থাত সাধাৰণতে প্রভুত্ব ব্যঞ্জন (authoritative) আৰু একনায়কতন্ত্রীক (doctatorial) ধৰণৰ নিয়ম-নীতি প্রস্তুত কৰা হয়। এটা প্রতিস্থানৰ শাসন চলাবলৈ হলে প্রভুত্বব্যঞ্জক শাসনৰ নিয়ম-নীতিসমূহৰ যথেষ্ট প্রয়োজন আছে যদিও শৈক্ষক শাসন ব্যৱস্থাত এই প্রভুত্বব্যঞ্জক নিয়ম-নীতিবোৰ সিমানেই গুৰুত্বপূর্ণ নহয় কিয়নো শৈক্ষিক শাসন ব্যৱস্থাই গণতান্ত্রিক (democratic) নিয়মৰ মাজেদি আগবাঢ়ি মানুহৰ উন্নতি সাধন কৰে।

- **মূল্যায়ন ঃ** মূল্যায়ন হ'ল যিকোনো কার্য্যৰ ফলাফল জনাৰ এক আহিলা। ই যিকোনো কার্যৰে গুণগত (quantitative) আৰু পৰিমাণগত (qualitative) পৰিমাপক হব পাৰে। অন্যধৰণৰ শাসন ব্যৱস্থাত, মূল্যায়ন পদ্ধতি বৰ সহজ আৰু বস্তুনিষ্ঠ, আনহাতে শৈক্ষিক শাসন ব্যৱস্থাত, মূল্যায়ন প্রক্রিয়া বৰ জটিল কাৰণ ই মানুহৰ ব্যক্তিত্বৰ সৈতে জড়িত হৈ আছে। সেয়েহে, এই ব্যৱস্থাত বিভিন্ন ধৰণে

মানুহৰ ব্যক্তিত্ব পৰিমাপন কৰিবলৈ কিছুমান নির্ধাৰিত (standardised) আহিলাৰ ব্যৱহাৰ কৰা হয়, যিবোৰে ব্যক্তিত্বৰ সঠিক মূল্যায়ন কৰাত সহায় কৰে।

জানি থোৱা ভাল

- শৈক্ষিক শাসন ব্যৱস্থাৰ যোগেদি, সমাজৰ লগতে ব্যক্তিৰো উন্নতি সম্ভবপৰ হয়।
- বাহ্যিক শাসন ব্যৱস্থাই শিক্ষা প্রতিস্থান সমূহত চৰকাৰ বা আন বৈধ সংস্থাৰ নিয়ম-নীতিৰ দ্বাৰা হোৱা শাসন ব্যৱস্থাক বুজায়।
- আভ্যন্তৰীণ শাসন ব্যৱস্থাত, শিক্ষা প্রতিস্থানৰ মূৰব্বী অধ্যাপক বা প্রধান শিক্ষকজনে তেওঁৰ সহকর্মী শিক্ষক আৰু ছাত্র-ছাত্রী সকলৰ লগত আলোচনা কৰি দৈনন্দিন কার্যাৱলী প্রস্তুত কৰে যদিও বাহ্যিক শাসন ব্যৱস্থাই আৰোপ কৰা নিয়ম-নীতি সমূহৰ লগতো সংগতি ৰাখে।
- গণতান্ত্রিক শাসন ব্যৱস্থাত, শিক্ষা প্রতিস্থানবোৰে গণতান্ত্রিক নিয়ম-নীতি আৰু গণতান্ত্রিক মূল্যবোধৰ আদর্শক লৈ প্রতিস্থিত হয় আৰু গণতান্ত্রিক আদর্শৰ মাজেদি পৰিচালিত হয়।
- স্বেচ্ছাচাৰী শাসন ব্যৱস্থাত, শিক্ষা প্রতিস্থানটোৰ মূল গৰাকীজনে তেওঁৰ পূর্ণ ক্ষমতাৰে ছাত্র-ছাত্রী আৰু শিক্ষকসকলৰ ওপৰত নিয়ন্ত্রণ ৰাখে আৰু তেওঁৰ আদেশ মর্মে প্রতিস্থানটো পৰিচালিত কৰে।
- শৈক্ষিক শাসন ব্যৱস্থা আৰু অন্যধৰণৰ শাসন ব্যৱস্থাৰ মাজত থকা পার্থক্যবোৰ সহজে অনুমেয় হয়, যদি দুয়োটা ব্যৱস্থাত থকা এই উপাদানবোৰ, যেনে, - লক্ষ্য, উদ্দেশ্য বা অভিপ্রায়, কৌশল আৰু উপায়, মূল্যায়ন আদি ফহিয়াই চোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ শৈক্ষিক শাসন ব্যৱস্থাৰ স্বৰূপ বা লক্ষণসমূহ চমুকৈ বর্ণনা কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ শৈক্ষিক শাসন ব্যৱস্থাক আপুনি কেনেদৰে শ্রেণীবিভাজন কৰিব?

.....

.....

প্রশ্ন নং ৬ ঃ গণতান্ত্রিক শাসন ব্যৱস্থা আৰু স্বেচ্ছাচাৰী শাসন ব্যৱস্থাৰ মাজত থকা পার্থকবোৰ লিখক।

.....

.....



চিন্তা চর্চা কৰক ১০.২

আধুনিক শৈক্ষিক শাসন ব্যৱস্থাৰ চৰিত্রবোৰ উল্লেখ কৰক।

.....

.....

.....

১০.৬ শৈক্ষিক শাসন ব্যৱস্থাৰ আৱশ্যকতা বা প্রয়োজনীয়তাসমূহ

আমাৰ দেশৰ শিক্ষাজগতত শৈক্ষিক শাসন ব্যৱস্থাৰ ভুমিকা যথেষ্ট উল্লেখনীয়। প্রয়োজনীতাৰ দিশৰ পৰা এই ব্যৱস্থা যথেষ্ট ব্যাপক আৰু ভিন্নমুখী। তাৰে কিছুমান প্রয়োজনীয়তা তলত উল্লেখ কৰা হ'ল —

- ব্যক্তিৰ ব্যক্তিত্ব গঢ়াৰ ক্ষেত্রত শৈক্ষিক শাসন ব্যৱস্থাৰ গুৰুত্ব আছে কিয়নো এই ব্যৱস্থাৰ দ্বাৰা ব্যক্তিসকলৰ প্রয়োজনীয়তাখিনি উপলব্ধি কৰি যথার্থতা কৰি দিয়াত সহায় কৰে।
- এই শাসন ব্যৱস্থাই সংস্কাৰধর্মী আৰু মানবীয়তাৰ মাজেৰে যিকোনো সমস্যা সমাধান কৰাত সহায় কৰে।
- ইয়াৰ দ্বাৰা এখন সুস্থ-সবল সমাজ গঢ় দিব পৰা যায় কিয়নো ব্যক্তিসকলৰ নৈতিক আৰু সাংস্কৃতিক চৰিত্র গঠনত এই ব্যৱস্থাই সহায় কৰে।
- শৈক্ষিক শাসন ব্যৱস্থাই যিকোনো বিষয়ৰ ওপৰত বিজ্ঞান সন্মতভাবে পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে আগবাঢ়ি গৈ সত্যাসত্য নিৰূপন কৰে।
- ব্যক্তি এজনৰ সম্পূর্ণ বিকাশ হবলৈ হলে তেওঁৰ আভ্যন্তৰীণ বিকাশ হোৱাটোও প্রয়োজনীয় যিটো শৈক্ষিক শাসন ব্যৱস্থাৰ দ্বাৰাহে সম্ভব হয়।
- শৈক্ষিক শাসন ব্যৱস্থাৰ মাজেদি শিক্ষাৰ প্রধান উদ্দেশ্য বা লক্ষ্য সমূহ উপলব্ধ কৰিব পৰা যায়।

১০.৭ শৈক্ষিক শাসন ব্যৱস্থাৰ পৰিসৰ

শৈক্ষিক শিক্ষা ব্যৱস্থাই বিভিন্ন দিশ সামৰি লয় বাবে ইয়াৰ পৰিসৰ বিশাল। এই ব্যৱস্থাৰ

পৰিসৰে সামৰি লোৱা দিশবোৰ হ'ল —

- **বৈধ বা আইনগত গাঁথনি (Legal Structure)** ঃ এটা প্ৰতিস্থান বা সংগঠন সুচাৰুৰূপে চলাবলৈ শৈক্ষিক শাসন ব্যৱস্থাই সকলোবোৰ নিয়ম-নীতিক সামৰি লৈছে। শিক্ষানুস্থানটোৰ মানদণ্ড, ক্ষমতা আদিৰ ওপৰত নীতি নিৰ্ধাৰণ কৰি লৈ দায়িত্ব আৰু কৰ্ত্তব্যৰ ওপৰতো নিয়ম-নীতি প্ৰস্তুত কৰিছে যাতে প্ৰতিষ্ঠানটোৰ শাসন যন্ত্ৰত কোনো ধৰণৰ বিজুতি নঘটে।
- **ছাত্ৰ-ছাত্ৰীসকল (Pupils)** ঃ ছাত্ৰ-ছাত্ৰীসলৰ প্ৰয়োজনীয়তা আৰু আৱশ্যকতা সমূহক আগত ৰাখি শৈক্ষিক শাসন ব্যৱস্থাৰ নীতি সমূহ প্ৰস্তুত কৰা হয়।
- **নিযুক্ত ব্যক্তি (Personnel)** ঃ শৈক্ষিক শাসন ব্যৱস্থা নিয়াৰিকৈ চলাবলৈ মানুহৰ প্ৰয়োজন। এই ব্যৱস্থাই ব্যক্তিসকলক নিযুক্তি, দৰমহা বা পদোন্নতি প্ৰদান আদি দিশতো সঠিক নিয়ম-নীতি প্ৰস্তুত কৰে যাতে বুদ্ধিজীবীসকলে আকৰ্ষিত হৈ শিক্ষাৰ মূল লক্ষ্যবোৰ বুজি পায়।
- **মূলধন (Finance)** ঃ আয়-ব্যয়, হিচাপ-নিকাচ আদিক লৈ মূলধনৰ দিশটো এক ধৰণৰ জটিল প্ৰক্ৰিয়া। সেয়ে শৈক্ষিক শাসন ব্যৱস্থাত, মূলধন, কেন্দ্ৰ, ৰাজ্য আৰু অন্য বৈধ সংগঠনৰ অংশৰ অনুপাত আদিৰ নিয়ম-নীতিসমূহ সুন্দৰ ভাবে উল্লেখ কৰা থাকে।
- **পাঠ্যক্ৰম (Curriculum)** ঃ পাঠ্যক্ৰমৰ যোগেদি শিক্ষাৰ লক্ষ্যসমূহ উপলব্ধি কৰা যায়। গতিকে শৈক্ষিক শাসন ব্যৱস্থাই পাঠ্যপুথি প্ৰস্তুত কৰা, পাঠ্যপুথি নিৰ্বাচন কৰা আদি সমস্যাসমূহবো সমাধান কৰা দেখা যায়।
- **বাহ্যিক সুবিধা (Physical Facilities)** ঃ শৈক্ষিক শাসন ব্যৱস্থাই শিক্ষানুস্থানৰ সা-সৰঞ্জাম, কোঠালীৰ লগতে উৎপাদন, ক্ৰয়, যোগান, হিচাপ-নিকাচ, সা-সুবিধা অদিলৈও লক্ষ্য ৰাখে।
- **জন সম্পৰ্ক (Public Relations)** ঃ শিক্ষা হ'ল এক সামাজিক পদ্ধতি য'ত ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক আৰু সম্প্ৰদায় অন্তৰ্ভুক্ত হৈ থাকে। গতিকে, এই সকলোবোৰৰ লগত সু-সম্পৰ্ক বজাই ৰাখি শাসন নীতি প্ৰস্তুত কৰা হয়।



জানি থোৱা ভাল

- শৈক্ষিক শাসন ব্যৱস্থাৰ কিছুমান প্ৰয়োজনীয় দিশ হ'ল যে — ইয়াৰ দ্বাৰা এজন ব্যক্তিৰ ব্যক্তিত্ব গঠন হয়। সংস্কাৰধৰ্মী আৰু মানবীয়তাৰ মাজেদি সমস্যাবোৰ সমাধান হয়। ব্যক্তি সমস্যাবোৰ সমাধান হয়। ব্যক্তিৰ শক্তিশালী, নৈতিক আৰু সাংস্কৃতিক চৰিত্ৰৰ গঠন হয়। ই বিজ্ঞান সন্মত ভাবে যিকোনো বিষয়ৰ সত্য অনুসন্ধানৰ বাবে পৰীক্ষা নিৰীক্ষা কৰে।

- শৈক্ষিক শাসন ব্যৱস্থাৰ পৰিসৰ ভিন্নমুখী। এই ব্যৱস্থাই বৈধ গাঁথনি, ছাত্ৰ-ছাত্ৰী, নিযুক্ত ব্যক্তি, অৰ্থ, পাঠ্যক্ৰম, বাহ্যিক সা-সুবিধা আৰু জন সম্পৰ্ক ইত্যাদিবোৰক সামৰি লয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ শৈক্ষিক শাসন ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ ওপৰত দুটা দিশ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৮ঃ শৈক্ষিক শাসন ব্যৱস্থাৰ মুখ্য দিশসমূহ (area) লিখক।

.....

.....



চিন্তা চৰ্চা কৰক ১০.৩

গণতান্ত্ৰিক দেশ হিচাপে ভাৰতত শৈক্ষিক শাসন ব্যৱস্থা কিমান দূৰ ফলপ্ৰসু হৈছে বুলি আপুনি ভাবে। উত্তম শৈক্ষিক শাসন ব্যৱস্থাৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়োৱাওক যিবোৰ আমাৰ গণতান্ত্ৰিক নীতি আৰু আদৰ্শৰ লগত উপযুক্ত।

.....

.....

.....

১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা হ'ল উন্নতিৰ প্ৰক্ৰিয়া য'ত ব্যক্তিসকলে জ্ঞান, কৌশল, দৃষ্টিভংগী, আচৰণ আদিৰ ওপৰত জ্ঞান লাভ কৰে, যিয়ে সমাজত বা পৰিবেশৰ লগত সমাযোজন কৰি থকাত সহায় কৰে। শিক্ষা প্ৰদান কৰা প্ৰতিস্থান সমূহ নিয়াৰিকৈ চলিবলৈ এটা পদ্ধতিৰ প্ৰয়োজন। সেয়ে শাসন ব্যৱস্থা হ'ল এনে এটা পদ্ধতি যিয়ে প্ৰতিস্থান বা সংগঠনটোৰ বিভিন্ন কাম সুচাৰুৰূপে চলায়। শৈক্ষিক শাসন ব্যৱস্থা হ'ল এক ব্যাপক প্ৰচেষ্টা কাৰণ ইয়ে শিক্ষাৰ উদ্দেশ্যসমূহক নিৰ্দেশ দিয়ে, পৰিচালনা কৰে আৰু বুজাত সহায় কৰে।

- শিক্ষা হ'ল এক জটিল প্রক্রিয়া য'ত বিভিন্ন উপাদান যেনে - ছাত্র-ছাত্রী, শিক্ষক, কর্মচাৰী, মূলধন, কোঠালী, সা-সৰঞ্জাম, নিয়ম-নীতি আদি সকলোবোৰক সামৰি লয়।
- শৈক্ষিক শাসন ব্যৱস্থা হ'ল ব্যাপক প্রচেষ্টা যিয়ে শিক্ষাৰ বিভিন্ন উপাদান সমূহৰ মাজত সম্বন্ধ আনি দিয়ে যাতে শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হব পৰা যায়।
- শৈক্ষিক শাসন ব্যৱস্থাৰ মূল উদ্দেশ্য হ'ল ব্যক্তিসকলৰ প্রচেষ্টাৰ উন্নীত কৰা, সংগঠন কৰা, নির্দেশ দিয়া যাৰ মাজেদি মানুহে শিক্ষাৰ লক্ষ্যসমূহ বুজি পায়।
- বাহ্যিক শৈক্ষিক শাসন ব্যৱস্থা মানেই হ'ল এনে এবিধ শাসন ব্যৱস্থা যি বাহ্যিক উপাদান যেনে - চৰকাৰ বা অন্য বৈধ সংগঠনৰ দ্বাৰা শিক্ষানুস্থান সমূহ পৰিচালনাও কৰে।
- শৈক্ষিক শাসন ব্যৱস্থাই শাসন সম্বন্ধীয় নিয়ম-নীতিবোৰ মানিবলৈ কঠোৰ ভাবে নির্দেশ দিয়ে।
- যিবোৰ শিক্ষানুস্থানৰ অধ্যক্ষ বা প্রধান শিক্ষকজনে অন্য শিক্ষক আৰু ছাত্র-ছাত্রীসকলৰ লগত আলোচনা কৰি দৈনন্দিন কার্যাৱলীসমূহ কিছুমান নিয়ম-নীতিৰ মাজেদি পৰিচালনা কৰে, তেনে শিক্ষানুষ্ঠানৰ শাসন ব্যৱস্থাক আভ্যন্তৰীণ শাসন ব্যৱস্থা বোলা হয়।
- গণতান্ত্রিক শাসন ব্যৱস্থাই শিক্ষানুস্থান সমূহত গণতান্ত্রিক নিয়ম-নীতি, মূল্যবোধৰ মাজেদি কার্যাৱলীসমূহ পৰিচালনা কৰে।
- স্বেচ্ছাচাৰী শাসন ব্যৱস্থাত, শিক্ষা প্রতিস্থানটোৰ মূৰব্বীজনে ছাত্র-ছাত্রী, শিক্ষকসকলৰ ওপৰত নিজস্ব নিয়ম-নীতিৰ মাজেদি তেওঁৰ শক্তি প্রদর্শন কৰে। তেনে শাসন ব্যৱস্থা গোটেই অনুস্থানটোৰ কার্য্য-কলাপ মূৰব্বীজনৰ দ্বাৰা নিয়ন্ত্রিত হয়।
- লক্ষ্য, অভিপ্রায়, উদ্দেশ্য, কৌশল, পদ্ধতি আদি দিশবোৰৰ মাজেদি আলোচনা কৰিলে শৈক্ষিক শাসন ব্যৱস্থা আৰু অন্যধৰণৰ শাসন ব্যৱস্থাৰ মাজত থকা পার্থক্যবোৰ পৰিলক্ষিত হয়।
- শৈক্ষিক শাসন ব্যৱস্থাৰ কেইটামান প্রয়োজনীয় দিশবোৰ হ'ল - এই ব্যৱস্থাই ব্যক্তিৰ ব্যক্তিত্ব গঢ়াত সহায় কৰে। ই সংস্কাৰধর্মী আৰু মানবীয়তাৰ মাজেদি যিকোনো সমস্যা সমাধান কৰে। ব্যক্তিজনৰ নৈতিক আৰু সাংস্কৃতিক চৰিত্রৰ গঠন কৰে। মুঠতে, এই শাসন ব্যৱস্থা বৈজ্ঞানিক ভাবে পৰীক্ষাৰ মাজেদি পোৱা সত্যৰ অনুসন্ধানৰ ওপৰত প্রতিস্থিত।
- শৈক্ষিক শাসন ব্যৱস্থাৰ পৰিসৰ ভিন্নমুখী। এই ব্যৱস্থাই ছাত্র-ছাত্রী, নিযুক্ত ব্যক্তি, মূলধন, পাঠ্যপুথি, বাহ্যিক সা-সুবিধা, জন সম্পর্ক আদি বিভিন্ন দিশৰ ওপৰত নিয়ম-নীতি প্রস্তুত কৰে।



১০.৯ অধিক জানিবলৈ

১) Balfour, Graham (1921). *Educational Administration.* The Clarendon Press, Oxford, U.K.

২) Sears, Jesse B. (1959). *The Nature of the Administration Process.* Mc. Graw Hill, New York, USA.

৩) Agarwal, J.C. (1966). *School Administration*. Arya Book Depot, Karolbagh, New Delhi.



১০.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শাসন ব্যৱস্থা হ'ল এনে এক পদ্ধতি যাৰ যোগেদি এটা অনুস্থান বা সংগঠনে সূচাৰুৰূপে বিভিন্ন কার্যাৱলী সম্পাদন কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষা হ'ল উন্নতিৰ এক পদ্ধতি। ই এবিধ এনে প্রক্রিয়া যাৰ যোগেদি এজন ব্যক্তিয়ে জ্ঞান, কৌশল, দৃষ্টিভংগী, আচৰণ আদি লাভ কৰে যিবোৰে ব্যক্তিজনক সমাজত যিকোনো পৰিবেশত সমাযোজন কৰাত সহায় কৰে। শিক্ষা হ'ল একপ্রকাৰ জটিল প্রক্রিয়া, কিয়নো এই প্রক্রিয়াত বিভিন্ন উপাদন, যেনে - ছাত্র-ছাত্রী, শিক্ষকসকল, কর্মচাৰী, মূলধন, সা-সৰঞ্জাম, শিক্ষা ভৱন, নিয়ম-নীতি আদি জড়িত হৈ থাকে। এই সকলোবোৰ উপাদানে শিক্ষানুস্থানৰ সমগ্র পদ্ধতিকে সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰে। শৈক্ষিক পদ্ধতিয়ে শিক্ষাৰ সকলো উপাদানৰ সৈতে জড়িত হৈ থাকে আৰু উপাদান সমূহৰ মাজত থকা বিভিন্ন অংশবোৰক একত্র কৰে যাতে শিক্ষা পদ্ধতি পৰিচালনাত কোনো ধৰণৰ বেমেজালিয়ে দেখা নিদিয়ে। এই পদ্ধতিয়ে শিক্ষাৰ বিশেষ লক্ষ্যসমূহ উপলব্ধি কৰিবৰ বাবে উদ্দেশ্য সমূহক নির্দেশ দিয়ে, আৰু পৰিচালনা কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ জেইচি. পি. চিয়াৰচ্ (Jesse B. Sears)ৰ মতে, "শিক্ষাত শাসন ব্যৱস্থা মানে চৰকাৰৰ দ্বাৰা পৰিচালিত শাসন ব্যৱস্থাক বুজোঁ কিয়নো ই কিছুমান শব্দ যেনে - নিৰীক্ষণ কৰা, পৰিচালনা কৰা, নির্দ্দেশ দিয়া, সংগঠন কৰা, নিয়ন্ত্রণ কৰা, পৰিচালনা কৰা আৰু নিয়মীকৰণ আদিৰ লগত ওতঃপ্রোত ভাবে সম্পর্ক ৰাখে।"

৪ নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক শাসন ব্যৱস্থাই শিক্ষাৰ সকলো উপাদানৰ সৈতে জড়িত হৈ থাকে। মানুহৰ কামৰ প্রতি আসক্তি উন্নীতকৰণ কৰা, সংগঠন কৰা, সুবিধা প্রদান কৰা, শৃংখলবদ্ধ কৰা আদিৰ ওপৰত শৈক্ষিক শাসন ব্যৱস্থাই নিয়ম-নীতি প্রস্তুত কৰে। যাৰ মাজেদি শিক্ষাৰ লক্ষ্যবোৰ সম্পূর্ণ কৰা সম্ভৱ হয়। শৈক্ষিক শাসন ব্যৱস্থা হ'ল শিক্ষাৰ গতিশীল দিশ যিয়ে

সদায় শৈক্ষিক অভ্যাসবোৰ সৈতে জড়িত হৈ থাকে।

৫ নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক শাসন ব্যৱস্থাক আমি গণতান্ত্রিক আৰু স্বেচ্ছাচাৰী নাইবা বাহ্যিক আৰু আভ্যন্তৰীণ শাসন ব্যৱস্থা হিচাপে শ্রেণীবিভাজন কৰিব পাৰো। গণতান্ত্রিক শাসন ব্যৱস্থাত গণতান্ত্রিক বিষয়-নীতিৰ মাজেদি শিক্ষা প্রতিস্থানবোৰ স্থাপন হয়, সংগঠিত হয় আৰু কার্যসমূহ বা নিয়ম-নীতিসমূহ সম্পাদিত হয়। স্বেচ্ছাচাৰী শাসন ব্যৱস্থাৰ দ্বাৰা পৰিচালিত শিক্ষানুস্থান সমূহত কোনো কর্তৃপক্ষ নাইবা শিক্ষানুস্থানৰ মূৰব্বীজনৰ দ্বাৰা ছাত্র-ছাত্রী আৰু শিক্ষক সকলৰ ওপৰত একছত্রী শাসন ব্যৱস্থা নিয়ন্ত্রিত হয়। বর্হি বা বাহ্যিক শাসন ব্যৱস্থাত, চৰকাৰ বা অন্যবোৰে বৈধ সংগঠনৰ দ্বাৰা শিক্ষা প্রতিস্থানবোৰৰ নিয়ম-নীতিসমূহ পৰিচালিত হয়। আনহাতে আভ্যন্তৰীণ শাসন ব্যৱস্থা হ'ল সেই শাসন ব্যৱস্থা য'ত শিক্ষানুস্থানৰ অধ্যক্ষ বা প্রধান শিক্ষকজনে তেওঁৰ সহকর্মী শিক্ষকসকল আৰু ছাত্র-ছাত্রীসকলৰ লগত লাগি শিক্ষানুস্থানটোৰ দৈনন্দিন কার্য্যাৱলীবোৰ সমাপন কৰে আৰু লগতে বাহ্যিক শাসন ব্যৱস্থাৰ দ্বাৰা আৰোপিত নিয়ম-নীতি সমূহৰ লগত সামঞ্জস্য ৰাখি নিজস্ব প্রতিস্থানৰ নিয়ম-নীতি প্রস্তুত কৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ গণতান্ত্রিক শাসন ব্যৱস্থা আৰু স্বেচ্ছাচাৰী শাসন ব্যৱস্থাৰ মাজত পার্থক্য আছে। গণতান্ত্রিক শাসন ব্যৱস্থাত গণতান্ত্রিক ধাৰা আৰু মূল্যবোধৰ মাজেদি শিক্ষানুস্থানবোৰ প্রতিস্থিত হয়, সংগঠিত হয় আৰু বিভিন্ন কার্যাৱলী সম্পাদিত হয়। আনহাতে, স্বেচ্ছাচাৰী শাসন ব্যৱস্থাত, শিক্ষানুস্থানটোৰ মুখ্য গৰাকী বা কোনো কর্ত্তৃপক্ষই শিক্ষক আৰু ছাত্র-ছাত্রী সকলৰ ওপৰত একছত্রীভাবে তেওঁলোকক বশ কৰি শাসন কার্য আৰোপিত কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক শাসন ব্যৱস্থাৰ দুটা প্রয়োজনীয় দিশ হ'ল —

(১) ব্যক্তিসকলৰ ব্যক্তিত্ব গঢ়াত ই সহায় কৰে যাতে তেওঁলোকৰ প্রয়োজনীয়তাখিনি উপলব্ধি কৰিব পাৰে।

(২) এই ব্যৱস্থাই মানবীয় আৰু সংস্কাৰধর্মী মনোভাৱেৰে শিক্ষানুস্থানবোৰৰ বিভিন্ন ধৰণৰ সমস্যা সমাধান কৰাত সহায় কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃশৈক্ষিক শাসন ব্যৱস্থা প্রয়োগ কৰিব পৰা মূখ্য দিশবোৰ হ'ল - আইনগত গাঁথনি, ছাত্র-ছাত্রী, নিযুক্তি পোৱা ব্যক্তিসকল, মূলধন, পাঠ্যক্রম, বাহ্যিক সা-সুবিধা, জন সম্পর্ক ইত্যাদি।



১০.১১ আর্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাহ্যিক আৰু আভ্যন্তৰীণ শাসন ব্যৱস্থাৰ মাজত থকা পার্থক্যবোৰ আলোচনা কৰক।

প্রশ্ন ২ ঃ শৈক্ষিক শাসন ব্যৱস্থা বুলিলে কি বুজে? ইয়াৰ লক্ষণসমূহ বর্ণনা কৰক।

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গণতান্ত্রিক দেশত শৈক্ষিক শাসন ব্যৱস্থাৰ উপাদানবোৰ লিখক?

প্রশ্ন ২ ঃভাৰতৰ দৰে গণতান্ত্রিক দেশত শৈক্ষিক শাসন ব্যৱস্থাৰ নীতিসমূহ কেনে হোৱা উচিত?

প্রশ্ন ৩ ঃ উদাহৰণৰ সৈতে শৈক্ষিক শাসন ব্যৱস্থাৰ পৰিসৰৰ বিষয়ে আলোচনা কৰক।

গ) চুটি প্রশ্ন

প্রশ্ন ১ ঃ শৈক্ষিক শাসন ব্যৱস্থাৰ প্রয়োজনীয়তা আৰু গুৰুত্বতাৰসম্পর্কে বর্ণনা কৰক।

****

অধ্যায় ১১ - শৈক্ষিক পৰিদৰ্শন (EDUCATIONAL SUPERVISION)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ শৈক্ষিক পৰিদৰ্শনৰ অর্থ আৰু সংজ্ঞা

১১.৩.১ শৈক্ষিক পৰিদৰ্শনৰ সংজ্ঞা

১১.৪ শৈক্ষিক পৰিদৰ্শনৰ উদ্দেশ্যসমূহ

১১.৫ শৈক্ষিক পৰিদৰ্শনৰ প্ৰকৃতি বা বৈশিষ্ট্যসমূহ

১১.৬ শৈক্ষিক পৰিদৰ্শনৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বতা

১১.৭ শৈক্ষিক পৰিদৰ্শনৰ বিভিন্নধৰণৰ কামসমূহ

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১১.৯ অধিক জানিবলৈ

১১.১০ অগ্ৰগতিৰ খতিয়ান

১১.১১ সম্ভাব্য প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- শৈক্ষিক পৰিদৰ্শনৰ অর্থ আৰু সংজ্ঞা নির্ণয় কৰিব পাৰিব
- শৈক্ষিক পৰিদৰ্শনৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ বিশ্লেষণ কৰিব পাৰিব
- শৈক্ষিক পৰিদৰ্শনৰ প্ৰকৃতি বা বৈশিষ্ট্যসমূহৰ বিষয়ে ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব
- শৈক্ষিক পৰিদৰ্শনৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বতাৰ বিষয়ে বহলভাৱে জানিব পাৰিব
- শৈক্ষিক পৰিদৰ্শনৰ বিভিন্ন কামসমূহৰ বিষয়ে বর্ণনা কৰিবলৈ সমর্থ হ'ব

১১.২ পৰিচয়

এই অধ্যায়টোৱে আমাক শৈক্ষিক পৰিদৰ্শনৰ কিছুমান মূল ধাৰণাৰ লগত চিনাকি কৰি দিব। ধাৰণাবোৰ হ'ল— বিখ্যাত শিক্ষাবিদসকলে বিভিন্ন সময়ত দিয়া বিভিন্ন সংজ্ঞাসমূহ, শৈক্ষিক পৰিদৰ্শনৰ প্ৰকৃতি আৰু বৈশিষ্ট্যসমূহ, শৈক্ষিক পৰিদৰ্শনৰ উদ্দেশ্যসমূহ, শৈক্ষিক পৰিদৰ্শনৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বতা, আৰু পৰিদৰ্শনৰ কামসমূহ ইত্যাদি। আমি অনুমান কৰি লওঁ যে

এখন শিক্ষানুষ্ঠান বা সংগঠন হ'ল এটা সম্পূৰ্ণ পদ্ধতি, তেতিয়া ই বিভিন্ন অংগসমূহক সামৰি লয়, যিবোৰ হ'ল আন্তঃনিৰ্ভৰশীল আৰু সহঃসম্বন্ধিত আৰু সেইবোৰ অনুষ্ঠানখনৰ চূড়ান্ত লক্ষ্য উপলব্ধি কৰি একেলগ হৈ কাম কৰে। শৈক্ষিক পৰিদৰ্শন প্ৰশাসনৰ এটি প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ অংশ। আন আন শব্দত ই প্ৰশাসন ব্যৱস্থাৰ এটা অবিচ্ছেদ্য কৰ্ম। প্ৰশাসন ব্যৱস্থাত, আঁচনিসমূহ প্ৰস্তুত কৰা হয়, কৌশল আৰু পদ্ধতিসমূহ নিৰ্ধাৰণ কৰা হয় আৰু উদ্দেশ্যসমূহ নিৰ্ণয় কৰা হয়। এনেধৰণৰ সকলোবোৰ প্ৰশাসনৰ কাম পৰিদৰ্শনৰ দ্বাৰা কাৰ্যকৰী কৰা হয়। সেয়েহে প্ৰকৃত আঁচনিসমূহ কাৰ্যকৰী কৰাৰ বাবে পৰিদৰ্শন কৰা হয়। শিক্ষাৰ লক্ষ্যসমূহ বা চূড়ান্ত লক্ষ্য উপলব্ধি কৰাৰ বাবে শৈক্ষিক প্ৰশাসনে এইবোৰ নিৰ্ধাৰণ কৰে। এইটো হ'ল প্ৰশাসন প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ দিশ আৰু ই সমগ্ৰ শিকণ-শিক্ষণ অৱস্থাৰ লগত জড়িত হৈ থাকে।

১১.৩ শৈক্ষিক পৰিদৰ্শনৰ অৰ্থ আৰু সংজ্ঞা (MEANING & DEFINITIONS OF EDUCATIONAL SUPERVISION)

'পৰিদৰ্শন' শব্দটোৰ অৰ্থ হ'ল পথ প্ৰদৰ্শন। ই ব্যক্তিসকলক তেওঁলোকৰ কৰ্মসমূহৰ উন্নতি সাধন কৰিবলৈ উদ্দীপনা যোগায় আৰু অধীক্ষকতা প্ৰদান কৰে। শৈক্ষিক পৰিদৰ্শন মানে হ'ল শিক্ষা প্ৰক্ৰিয়াটোক সহায় আগবঢ়োৱা বা দিক নিৰ্ণয় কৰি দিয়া। শৈক্ষিক পৰিদৰ্শনে শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াৰ সম্পূৰ্ণ উন্নতি সাধন কৰি শিক্ষাক নিশ্চিত লক্ষ্যত উপনীত কৰোৱাৰ ক্ষেত্ৰত উপলব্ধি আনি দিয়ে। শিক্ষা হ'ল এক যৌগিক গোট। ই বিভিন্ন আন্তঃসম্বন্ধিত অংশসমূহ সামৰি লয়। সামৰি লোৱা দিশবোৰ হ'ল— মানব সম্পদসমূহ, বস্তুগত বা বৈষয়িক সমলসমূহ আৰু বিষয়বস্তু বা পাঠ্যক্ৰম আদি। সকলোবোৰ উপাদানৰ মাজত এক আন্তঃব্যক্তিগত সম্বন্ধ স্থাপন কৰিব পাৰিলেহে সমগ্ৰ প্ৰক্ৰিয়াটোৰ কৃতকাৰ্যতা আহি পৰিব। শৈক্ষিক পৰিদৰ্শন হ'ল শিক্ষাৰ এক গুৰুত্বপূৰ্ণ পৰ্যায় যিয়ে শিক্ষাদান আৰু আহৰণ অৱস্থাৰ লগত বিশেষভাৱে জড়িত হৈ থাকে। আধুনিক শৈক্ষিক চিন্তাধাৰাত পৰিদৰ্শন ব্যৱস্থাটোক প্ৰশাসনৰ এক প্ৰয়োজনীয় দিশ বুলি অভিহিত কৰাইছে আৰু ইয়াক শিক্ষাদান আৰু শিক্ষা আহৰণৰ উৎপাদনৰ ওপৰত নিৰ্দিষ্ট চাপ পেলোৱাৰ উদ্‌গনি যোগাইছে। শৈক্ষিক পৰিদৰ্শনৰ প্ৰধান কাম হ'ল শিক্ষকসকলক শিক্ষাদানৰ ক্ষেত্ৰত বৃত্তিগতভাৱে জড়িত হৈ পৰাত সহায় কৰা। ইয়াৰ সহায়ত যাতে শিক্ষকসকলে শিক্ষাৰ্থীসকলক সহায় কৰাৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰে। ই এবিধ বৰ বোধগম্য কৰ্ম আৰু ইয়াৰ অৰ্থই শিকণ-শিক্ষণ প্ৰক্ৰিয়াৰ সফলতা অনাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সকলো কৰ্ম সম্পাদন কৰাটোকে সূচায়।

১১.৩.২ শৈক্ষিক পৰিদৰ্শনৰ সংজ্ঞাসমূহ (Definitions of Educational Supervision)

শিক্ষাবিদসকলে শৈক্ষিক পৰিদৰ্শনৰ বিষয়ে বহুবোৰ সংজ্ঞা প্ৰকাশ কৰিছে। কেইটিমান সংজ্ঞা তলত উল্লেখ কৰা হ'ল—

- **এ এচ বাৰৰ মতে—** "পৰিদৰ্শন হ'ল এক দক্ষতাসূচক কাৰিকৰী সেৱা। ই প্ৰাথমিকভাৱে শিক্ষাৰ্থীসকলৰ গঠন প্ৰক্ৰিয়া আৰু শিক্ষণৰ অৱস্থাৰ অধ্যয়ন আৰুবিকাশৰ লগত জড়িত।"(Supervision is an expert technical service primarily concerned with studying and improving the conditions that surround learning and pupil growth.—A S Barr)
- **হে�ৰল্ড স্পিয়ার্চৰ মতে—** "পৰিদৰ্শন ক্ৰমাগতভাৱে নিৰ্দেশনাৰ বিকাশৰ পৰা শিক্ষণৰ উন্নতি সাধনলৈ ঘূৰে বা অগ্ৰসৰ হয়।"(Supervision has gradually moved from the improvement of instruction to the improvement of learning. —Harold Spears)
- **উইলিয়াম এ ইগাৰৰ মতে—** "পৰিদৰ্শন বৰ্তমান প্ৰক্ৰিয়া হিচাপে ধাৰণ হয় যাৰ সম্পূৰ্ণ শিক্ষণ-শিকণ অৱস্থাৰ সাধাৰণ বিকাশৰ উদ্দেশ্য থাকে।"(Supervision is now conceived as process which has for its purpose the general improvement of the total teaching-learning situation. —William A Yeager)
- **মাধ্যমিক শিক্ষা আয়োগৰ মতে—** "আমাৰ মতামত অনুসৰি এগৰাকী পৰিদৰ্শকৰ প্ৰকৃত ভূমিকা, যাৰ বাবে আমি শিক্ষা উপদেষ্টা শব্দটো অগ্ৰাধিকাৰ দিওঁ তেওঁ প্ৰত্যেকখন বিদ্যালয়ৰ সমস্যা অধ্যয়ন কৰিবলৈ সকলোবোৰ কামৰ বোধগম্য মতামত প্ৰদৰ্শন কৰে আৰু তেওঁৰ উপদেশ আৰু পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ শিক্ষকসকলকসহায়কৰে।"(In our view the true role of an inspector - for whom we would prefer the term Education Advisor - is to study the problems of each school to take a comprehensive view of all its functions and to help the teacher to carry out his advice and recommendations. — Secondary Education Commission)
- **ফ্ৰেড চি আয়াৰৰ মতে—** "পৰিদৰ্শন হ'ল সকলোবোৰ শৈক্ষিক প্ৰচেষ্টাৰ ভিতৰত আটাইতকৈ সুন্দৰ আৰু গতিশীল। এইটো হ'ল অতি সুন্দৰ; কাৰণ ই হ'ল বৰ সৃষ্টিশীল।"(Supervision is the most noble and dynamic of all the educational endeavour. It is the most noble because it is the most creative. — Fred C Ayer)

- **কিমবাল ওৱাইল্চৰ মতে—** "পৰিদৰ্শন হ'ল এক উন্নত শিক্ষণ আৰু শিকণ অৱস্থাৰ বিকাশৰ ক্ষেত্ৰত সহায়।"(Supervision is assistance in the development of a better teaching-learning situation. — Kimball Wiles)

ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ পৰা আমি নিশ্চিত যে শৈক্ষিক পৰিদৰ্শন সম্বন্ধে বিভিন্ন সময়ত বিভিন্ন শিক্ষাবিদে বিভিন্নধৰণে তেওঁলোকৰ সংজ্ঞাবোৰ প্ৰকাশ কৰিছে। সংজ্ঞাবোৰৰ পৰা বুজা গ'ল শিক্ষাবিদসকলে প্ৰকাশ কৰা সংজ্ঞাবোৰৰ ভিন্নতা আছে যদিওঁ প্ৰত্যেকটো সংজ্ঞাই শৈক্ষিক পৰিদৰ্শনক বোধগম্য প্ৰক্ৰিয়া হিচাপে প্ৰকাশ কৰিছে আৰু প্ৰত্যেকেই শিকণ-শিক্ষণ অৱস্থাৰ উন্নতি সাধনত সহায়ক বুলি প্ৰধানভাৱে প্ৰতিফলন ঘটাইছে।



জানি থোৱা ভাল

- পৰিদৰ্শন কৰা হয় প্ৰকৃত আঁচনিখন কাৰ্যকৰী কৰাৰ বাবে যিখনক শৈক্ষিক প্ৰশাসনে শিক্ষাৰ চূড়ান্ত লক্ষ্য বা উদ্দেশ্যত উপনীত হোৱাৰ বাবে উপলব্ধি কৰাবলৈ বিচাৰে।
- পৰিদৰ্শন শব্দটোৰ অৰ্থ হ'ল পথ প্ৰদৰ্শন। ই ব্যক্তিসকলক তেওঁলোকৰ কৰ্মসমূহৰ উন্নতি সাধন কৰিবলৈ উদ্দীপনা যোগায় আৰু অধীক্ষকতা প্ৰদান কৰে।
- পৰিদৰ্শন হ'ল এক বৰ বোধগম্য কৰ্মসূচী; যিয়ে শিকণ-শিক্ষণ ফলপ্ৰসূতাৰ বাবে সকলোধৰণৰ কাম কৰিব পাৰে।
- শিক্ষা হ'ল এক যৌগিক পূৰ্ণতা। ই বিভিন্নধৰণৰ আন্তঃসম্বন্ধিত অংশসমূহক সামৰি লয়। ই মানৱ সম্পদসমূহ, বস্তুগত বা বৈষয়িক সম্পদসমূহ আৰু বিষয়বস্তু বা পাঠ্যক্ৰম আদিৰে সমৃদ্ধ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'পৰিদৰ্শন' শব্দটোৰ অৰ্থ বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ২ ঃপৰিদৰ্শন প্ৰশাসনৰ পৰা ভিন্ন নে? চমুকৈ লিখক।

.....

.....

প্ৰশ্ন নং ৩ ঃ বিখ্যাত শিক্ষাবিদসকল আৰু পৰিষদে আগবঢ়োৱা কেইটিমান গুৰুত্বপূৰ্ণ সংজ্ঞা নিৰ্ণয় কৰক।

.....

.....



চিন্তা চৰ্চা কৰক ১১.১

শৈক্ষিক পৰিদৰ্শনৰ প্ৰধান প্ৰতিফলন হ'ল শৈক্ষিক সেৱা।— উক্তিটো উদাহৰণেৰে সৈতে বৰ্ণনা কৰক।

.....

.....

১১.৪ শৈক্ষিক পৰিদৰ্শনৰ উদ্দেশ্যসমূহ (Objectives of Educational Supervision)

বহল অৰ্থত শৈক্ষিক পৰিদৰ্শনৰ মূল লক্ষ্য হ'ল শিক্ষাৰ গুণগত মান উন্নত কৰা। শিক্ষানুষ্ঠানসমূহৰ কৰ্মৰাজি উন্নত পৰ্যায়লৈ নিয়াৰ বাবে শিক্ষকসকলক বৃত্তিমুখী নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত পৰামৰ্শৰ প্ৰয়োজন আহি পৰে। শৈক্ষিক পৰিদৰ্শনৰ এটা প্ৰধান লক্ষ্য হ'ল শিক্ষকসকলক আন্তঃসেৱা প্ৰশিক্ষণৰ লগতে সমল আৰু শক্তিসমূহৰ অপব্যৱহাৰ ৰোধৰ দ্বাৰা সকলোধৰণৰ বৃত্তিগত গাঁথনিৰ উন্নতি সাধন কৰা।

নিৰ্দিষ্ট অৰ্থত শৈক্ষিক পৰিদৰ্শনৰ উদ্দেশ্যসমূহক কেইবাটাওঁ ভাগত ভগাব পৰা যায়। কেইটামানৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- শিক্ষকক শিক্ষাদানৰ ক্ষেত্ৰত পৰিকল্পনা, উপস্থাপন আৰু মূল্যায়ণৰ সময়ত সহায় আগবঢ়োৱা।
- শিক্ষকসকলক শ্ৰেণীকোঠা ব্যৱস্থাপনা, পাঠ্যক্ৰমৰ উন্নতি সাধন আৰু পাঠ্যক্ৰমৰ মূল্যায়ণ আদিৰ ক্ষেত্ৰত সহায় কৰা।
- শিক্ষকসকলক নিজস্ব মূল্যায়ণ আৰু তেওঁলোকৰ মাজত দলীয় উদ্যম উদ্ভাৱনত সহায় কৰা।
- শিক্ষকসকলক যিকোনো সমস্যা সমন্বয়সূচক ভাবধাৰাৰে সমাধান কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা।
- শিক্ষকসকলক শ্ৰেণীকোঠাত সৰ্বাঙ্গসুন্দৰ অৱস্থাত উপনীত হোৱাত সহায় আগবঢ়োৱা।
- শিক্ষকসকলক আধুনিক শিক্ষাদান পদ্ধতি ব্যৱহাৰ কৰাত সহায় কৰা।
- শিক্ষকসকলক শিক্ষাদান আৰু আহৰণ অৱস্থাৰ কৰ্মৰাজিৰ সময়ত পথ প্ৰদৰ্শন, নিৰ্দেশ আৰু সমন্বয়সূচক ভাবধাৰা আনি দিয়া।

১১.৫ শৈক্ষিক পৰিদর্শনৰ প্ৰকৃতি বা বৈশিষ্ট্যসমূহ (NATURE OR CHARACTERISTICS OF EDUCATIONAL SUPERVISION)

প্ৰশাসন আৰু পৰিদর্শন হ'ল যিকোনো নির্দেশনা প্ৰধান কাৰক, যদিও পৰিদর্শনৰ অৱদান শিক্ষাৰ ক্ষেত্ৰত প্ৰশাসনতকৈ অধিক, সেয়েহে পৰিদর্শনক শিক্ষাৰ চুড়ান্ত কাৰক বুলি কোৱা হয়। পৰিদর্শনৰ কেইটামান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল তলত দিয়াধৰণৰ—

- ই শিক্ষকসকলৰ সামগ্ৰিক কার্যসূচীত নির্দেশন, সমন্বয়ন আৰু পথ প্ৰদর্শনৰ ব্যৱস্থা কৰে।
- ই এক সৃষ্টিশীলতা আৰু দক্ষতাসূচক কাৰিকৰী সেৱাসমূহৰ সৈতে সংযোজিত গতিশীল কর্মসূচী।
- ই উন্নত পর্যায়ৰ কৌশলসমূহ আৰু জ্ঞানৰ সৈতে নেতৃত্ব দানৰ ব্যৱস্থা কৰে।
- ই শিক্ষক আৰু শিক্ষার্থীসকলৰ অন্তহীন বিকাশত অৰিহণা যোগায়।
- ই নির্দেশনাৰ গুণগত মানৰ উন্নতি সাধনৰ মাধ্যমত শিকণ-শিক্ষণ অৱস্থাৰ বিকাশ সম্ভৱ কৰি তোলে আৰু শৈক্ষিক প্ৰক্ৰিয়াটোৰ সম্পূৰ্ণ বিকাশত চূড়ান্তভাৱে নেতৃত্ব প্ৰদান কৰাৰ ব্যৱস্থা কৰে।
- ই শিক্ষাৰ সময় উপযোগী লক্ষ্য আৰু উদ্দেশ্যসমূহৰ পূৰ্ণতাত সহায় আগবঢ়ায়।
- ই সহযোগিতামূলক শৈক্ষিক প্ৰচেষ্টাত এক বন্ধুত্বসূচক পৰিবেশৰ উন্নতি সাধন কৰে।

আমি ক'ব পাৰো যে পৰিদর্শন হ'ল এক গতিশীল আৰু সৃষ্টিশীল প্ৰক্ৰিয়া। ইয়াৰ মাধ্যমত শিক্ষক আৰু শিক্ষার্থীসকলৰ বাবে পথ প্ৰদর্শন আৰু নির্দেশনাৰ ব্যৱস্থা কৰিব পৰা যায়। পৰিদর্শনে শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াক চূড়ান্ত লক্ষ্যত উপনীত কৰোৱাৰ বাবে শিক্ষক আৰু শিক্ষার্থীসকলৰ মনত উপলব্ধি আনি দিয়ে।

১১.৬ শৈক্ষিক পৰিদর্শনৰ প্ৰয়োজনীয়তাসমূহ আৰু গুৰুত্ব (NEEDS AND IMPORTANCE OF EDUCATIONAL SUPERVISION)

শৈক্ষিক পৰিদর্শনৰ বহুবোৰ প্ৰয়োজনীয়তা আছে। কিছুমানৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

- পৰিদর্শন প্ৰয়োজন হয় কিছুমান বিশেষজ্ঞৰ কাৰিকৰী সাহার্য প্ৰদান আৰু শিক্ষকসকললৈ সেৱাৰ ব্যৱস্থা কৰাৰ বাবে; যাতে নির্দেশনাৰ লগতে প্ৰশাসন ব্যৱস্থা সুন্দৰভাৱে অগ্ৰসৰ হ'ব পাৰে।
- পৰিদর্শন অবিৰত বিকাশৰ বাবে অতিশয় প্ৰয়োজন; যাতে ইয়াৰ মাধ্যমত শিক্ষকৰ শিক্ষাদান সত্যনিষ্ঠ পথেৰে ফলদায়ক হৈ উঠিব পাৰে।
- শিক্ষকসকলে যেতিয়া শিক্ষাদানৰ বাবে প্ৰস্তুত হয় বা নির্দেশনা দিয়ে সেই সময়ত; যাতে শিকণ-শিক্ষণ অৱস্থাক উন্নত পর্যায়ৰ কৰিবলৈ হ'লে ইয়াৰ প্ৰয়োজন হয়।

- শৈক্ষিক প্ৰক্ৰিয়াৰ ওপৰত আৰ্থসামাজিক পৰিবৰ্তনে গভীৰভাৱে প্ৰভাৱৰ সৃষ্টি কৰে। পৰিদৰ্শনে শিক্ষকসকলক তেওঁলোকৰ জ্ঞান আৰু বৃত্তিগত দক্ষতা বৰ্তমান সময়ৰ লগত খাপ খাব পৰাকৈ বজাই ৰখাত সহায় আগবঢ়ায়।
- পৰিদৰ্শনে শিক্ষকসকলক গণতান্ত্ৰিক বৃত্তিগত নেতৃত্বতাবোধ বিকশিত কৰাত সহায় আগবঢ়ায়; যাতে এক সুন্দৰ দলগত প্ৰচেষ্টাই উন্নত পৰ্যায়ৰ শৈক্ষিক ছবি এখন পোৱাৰ বাবে উপলব্ধি কৰায়।
- পৰিদৰ্শন প্ৰয়োজন হয় এক গ্ৰহণযোগ্য শিক্ষাদান আৰু শিক্ষা আহৰণৰ পৰিবেশ সৃষ্টি কৰাৰ বাবে।
- পৰিদৰ্শনে মানব সম্বন্ধসমূহ বিকশিত আৰু উন্নত অৱস্থালৈ নিয়াৰ ক্ষেত্ৰত কৰ্মদক্ষ ভূমিকা পালন কৰে।



জানি থোৱা ভাল

- শৈক্ষিক পৰিদৰ্শনৰ মূল লক্ষ্য হ'ল শিক্ষাৰ গুণগত মান উন্নত কৰা। শিক্ষানুষ্ঠানসমূহৰ কৰ্মৰাজি উন্নত পৰ্যায়লৈ নিয়াৰ বাবে শিক্ষকসকলক বৃত্তিমুখী নেতৃত্ব দানৰ ক্ষেত্ৰত পৰামৰ্শৰ প্ৰয়োজনীয়তা আহি পৰে।
- শৈক্ষিক পৰিদৰ্শনৰ মূল লক্ষ্য হ'ল শিক্ষকক শিক্ষাদানৰ ক্ষেত্ৰত পৰিকল্পনা, উপস্থাপন আৰু মূল্যায়ণৰ সময়ত সহায় আগবঢ়োৱা আৰু শিক্ষকসকলক শ্ৰেণীকোঠা ব্যৱস্থাপনা, পাঠ্যক্ৰমৰ উন্নতি সাধনৰ লগতে পাঠ্যক্ৰমৰ মূল্যায়ণ আদিৰ ক্ষেত্ৰত সহায় কৰা।
- পৰিদৰ্শনৰ প্ৰধান লক্ষ্য হ'ল নিৰ্দেশনামূলক আঁচনিসমূহক অবিৰত বিকাশৰ অৱস্থালৈ নিয়া।
- পৰিদৰ্শনৰ প্ৰয়োজন কাৰিকৰী সাহায্য প্ৰদানৰ বাবে আৰু শিক্ষকসকললৈ সেৱাৰ ব্যৱস্থা কৰাৰ বাবে; যাতে নিৰ্দেশনাৰ লগতে প্ৰশাসন ব্যৱস্থা সুন্দৰভাৱে অগ্ৰসৰ হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শৈক্ষিক পৰিদৰ্শনৰ কেইটামান প্ৰধান উদ্দেশ্য আৰু বৈশিষ্ট্য বৰ্ণনা কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ শৈক্ষিক পৰিদৰ্শনৰ কিছুমান প্ৰয়োজনীয়তা আৰু গুৰুত্ব উল্লেখ কৰক।

.....

.....



চিন্তা চৰ্চা কৰক ১১.২

"শৈক্ষিক পৰিদৰ্শনে শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াৰ বিকাশত সহায় কৰে।"— আপুনি উক্তিটোৰ লগত সহমত নে? আপোনাৰ উত্তৰ বিচাৰ কৰক।

.....

.....

১১.৭ শৈক্ষিক পৰিদৰ্শনৰ বিভিন্নধৰণৰ কামসমূহ (VARIOUS FUNCTIONS OF EDUCATIONAL SUPERVISION)

অধ্যায়টোৰ আগৰ অংশটো অধ্যয়ন কৰি আপুনি নিশ্চয় শৈক্ষিক পৰিদৰ্শনৰ বিষয়ে অবগত হ'বলৈ সক্ষম হৈছে। পৰিদৰ্শন এটা যৌগিক প্ৰক্ৰিয়া, যিয়ে বহুবোৰ কাৰ্য সাঙুৰি লয়। কিছুমান কামৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- **শক্তিশালী নেতৃত্ব গঠন ঃ**— এটা সাধাৰণ লক্ষ্যত উপনীত হোৱাৰ বাবে আমাক এক শক্তিশালী নেতৃত্বৰ প্ৰয়োজন হয়। শক্তিশালী নেতৃত্বৰ মাধ্যমত এটি সুন্দৰ ক্ষেত্ৰ গঢ়ি তুলিব পৰা যায়; য'ত বিভিন্নধৰণৰ মনৰ মানুহ, দক্ষতাসম্পন্ন ব্যক্তিয়ে সহযোগিতা আগবঢ়াব পাৰে আৰু নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ প্ৰচেষ্টা চলাব পাৰে। পৰিদৰ্শন ফলপ্ৰসূ কৰি তুলিবলৈ কিছুমান ব্যক্তিয়ে নেতৃত্বৰ দায়িত্ব লয় আৰু দলীয় প্ৰচেষ্টাৰ মাধ্যমেৰে শিক্ষাৰ্থীসকলে ফলদায়ক উৎপাদন পাবলৈ সক্ষম হয়। **কেম্পবেল** আৰু **ৰাচেলে** কৈছে যে নেতৃত্বদান এক জটিল ধাৰণা। ই হ'ল "যথোপযুক্ত প্ৰক্ৰিয়া যাৰ মাজেৰে উপযুক্ত মানুহ আৰু বস্তুগত সমলসমূহ উপলব্ধ হয় আৰু এটা সংগঠনক নিৰ্দিষ্ট লক্ষ্যত উপনীত কৰোৱাৰ বাবে ফলদায়ক"।(the total process through which appropriate human and material resources are made available and made effective for accomplishing the purposes of an enterprise. — **Campbell** and **Russell**)
- **নীতিসমূহ গঠন ঃ**— শিক্ষা হ'ল এক শক্তিশালী আহিলা; যাৰ মাজেৰে ব্যক্তিসকলৰ দক্ষতা আৰু সামৰ্থতাৰ বিকাশ আৰু গঠন উপলব্ধি কৰিব পৰা যায় আৰু ইয়াৰ মাজেৰে প্ৰকৃত সামাজিক নিৰ্দেশ গঠন হ'ব পাৰে। এক সুন্দৰ সামাজিক বাতাবৰণ তথা নিৰ্দেশ স্থাপন কৰাৰ বাবে নীতিসমূহ প্ৰণয়ন কৰিবলগীয়া হয় আৰু উদ্দেশ্য আৰু লক্ষ্যসমূহ নিৰ্ধাৰণ কৰি পৰিকল্পনা কৰিবলগীয়া হয়। কোনোধৰণৰ নীতি নোহোৱাকৈ এক ফলপ্ৰসূ

প্ৰয়োগ সম্ভৰ কৰি তুলিব পৰা নেযায়।

- **শিকণ-শিক্ষণ অৱস্থা অধ্যয়ন ঃ—** পৰিদৰ্শনৰ এক গুৰুত্বপূৰ্ণ কাম হ'ল শিক্ষাৰ্থীসকল, শিক্ষকসকল, শ্ৰেণী কোঠাসমূহ, পাঠ্যক্ৰম আৰু শিক্ষাদানৰ আহিলাসমূহৰ পদ্ধতিগত জৰিপৰ মাধ্যমেৰে শিকণ-শিক্ষণ অৱস্থাক অধ্যয়ন কৰা। পৰিদৰ্শনৰ প্ৰধান উদ্দেশ্য অকল বিদ্যায়তনিক গঠনৰ হাৰ বিশ্লেষণ কৰাই নহয় কিন্তু ই আগ্ৰহৰ উদ্দীপনাক সামৰি লোৱা উচিত, শিকাৰুসকলৰ শক্তি আৰু সামৰ্থতাৰ বিকাশ সাধন কৰি অৱস্থাপন্ন আৰু অধিক ফলপ্ৰসূ জীৱনৰ নেতৃত্ব দিয়াৰ সক্ষমতা আনি দিয়া উচিত।
- **শিকণ-শিক্ষণ অৱস্থাৰ উন্নতি সাধন ঃ—** পৰিদৰ্শন হ'ল এক প্ৰয়োজনীয় পদক্ষেপ। ইয়াৰ দ্বাৰা শিকণ-শিক্ষণ অৱস্থাৰ উন্নতি সাধন কৰাৰ অৰ্থে শিক্ষকসকলক প্ৰশিক্ষণ দিয়া হয়। পথ প্ৰদৰ্শন, উপযুক্ত নীতি নিৰ্ধাৰণ কৰিবলগীয়া হয় আৰু পাঠ্যক্ৰমৰ লগতে শৈক্ষিক সেৱাসমূহৰ বিকাশ সাধন কৰা হয়।
- **ব্যক্তিত্বৰ উন্নতি সাধন ঃ—** পৰিদৰ্শনে শিক্ষকসকলৰ ব্যক্তিগত আৰু আন্তঃ ব্যক্তিগত কৌশলসমূহৰ উন্নতি সাধন কৰে আৰু তেওঁলোকৰ সৃষ্টিশীলতাৰ বিকাশ ঘটায়। ইয়াৰ ফলত তেওঁলোকে যিকোনো শিকণ-শিক্ষণ অৱস্থাৰ লগত জড়িত হৈ বৃত্তিগতভাৱে উজ্জ্বল হৈ উঠিব পাৰে।
- **সুন্দৰ দলীয় উদ্যমৰ ব্যৱস্থাকৰণ ঃ—** পৰিদৰ্শনে মানব সম্বন্ধসমূহ আৰু সামূহিক পাৰস্পৰিক ক্ৰিয়াৰ উন্নতি সাধন কৰে আৰু ই সমাজত সুন্দৰ দলীয় প্ৰচেষ্টা আৰু এক সুন্দৰ শৈক্ষিক ছবি প্ৰতিফলিত কৰে।
- **পৰিদৰ্শনৰ উন্নতি সাধন ঃ—** পৰিদৰ্শনে নিজৰ কৰ্মৰাজিক চোৱাচিতা কৰি নিজস্ব উদ্দেশ্যত উপনীত হোৱা পথৰ সুগমতা আনে আৰু নিৰ্দিষ্ট সময় গাঁথ নি আৰু পাঠ্যক্ৰমৰ লক্ষ্যত কিমানখিনি সফলতা অৰ্জন কৰিছে তাক সূচায়।
- **শিক্ষকৰ নৈতিক ধাৰণাৰ উন্নতি সাধন ঃ—** পৰিদৰ্শনৰ মাধ্যমত শৈক্ষিক লক্ষ্যসমূহত উপনীত হোৱাৰ বাবে এটা নিৰ্দিষ্ট পথৰ সন্ধান কৰা হয় আৰু ই পৰোক্ষভাৱে শিক্ষকসকলৰ মনোবৃত্তিৰ উন্নতি সাধন কৰে।
- **গ্ৰহণযোগ্য শিক্ষণ পৰিবেশ সৃষ্টি ঃ—** পৰিবেশৰ মনোসামাজিক বৈশিষ্ট্যসমূহে যথেষ্ঠভাৱে শিকণ-শিক্ষণ অৱস্থাত প্ৰভাব পেলায়। পৰিদৰ্শনে শিকণ-শিক্ষণ প্ৰক্ৰিয়াৰ মাজত উদ্ভৱ হোৱা বিবাদমুখী প্ৰকৃতি নিম্নমানৰ কৰি ছবিখনৰ উন্নতি সাধনত ভূমিকা লয়। ফলস্বৰূপে ই শিক্ষাৰ নিশ্চিত লক্ষ্যৰ ধাৰণাক উপলব্ধি কৰায়।



জানি থোৱা ভাল

- পৰিদর্শন হ'ল এক যৌগিক প্রক্রিয়া; যিয়ে বহুধৰণৰ কাম সম্পাদন কৰে।
- পৰিদর্শনৰ কামসমূহ হ'ল ঃ ই শক্তিশালী নেতৃত্ব গঢ়ি তোলে, ই নীতি প্রস্তুত কৰাত সহায় আগবঢ়ায়, ই শিকণ-শিক্ষণ অৱস্থা অধ্যয়ন কৰে, শিকণ-শিক্ষণ অৱস্থাৰ উন্নতি সাধন কৰে, ব্যক্তিত্বৰ উন্নতি সাধন কৰে আৰু সুন্দৰ দলীয় উদ্যমৰ ব্যৱস্থা কৰে।
- পৰিদর্শনে দলীয় পাৰস্পৰিক ক্রিয়াৰ উন্নতি সাধে; যাতে মূল উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্রত সুন্দৰ দলীয় প্রচেষ্টাৰ মাধ্যমেৰে উপলব্ধি আহিব পাৰে।
- পৰিদর্শনে শিক্ষকৰ নৈতিকতাৰ উন্নতি সাধন কৰে আৰু গ্রহণযোগ্য শিক্ষণ পৰিবেশ গঢ়ি তোলে।
- আধুনিক সময়ত শিক্ষা আৰু শৈক্ষিক পৰিদর্শনত প্রভাব পেলোৱা উপাদানসমূহ হ'ল জীৱনৰ গণতান্ত্রিক পথস্বৰূপ।
- পৰিদর্শনে যেতিয়াই প্রয়োজন হয় তেতিয়াই নিৰাময়ৰ পদ্ধতি অবলম্বন কৰা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শৈক্ষিক পৰিদর্শনৰ বিভিন্ন কামসমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৭ ঃ "শৈক্ষিক পৰিদর্শনৰ এটা প্রধান কাম হ'ল শিকণ-শিক্ষণ অৱস্থাৰ উন্নতি সাধন কৰা।" আপুনি উক্তিটোৰ সৈতে একেমত নে? চমুকৈ ব্যাখ্যা কৰক।

.....

.....



চিন্তা চর্চা কৰক ১১.৩

শৈক্ষিক পৰিদর্শনৰ ভূমিকা আৰু দায়িত্বৰ বিষয়ে আপোনাৰ নিজৰ ভাষাত বর্ণনা কৰক আৰু শিক্ষানুষ্ঠানৰ সম্পূর্ণ ব্যৱস্থাপনাত ইয়াৰ গুৰুত্বতা কিমান উল্লেখ কৰক।

.....

.....



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শৈক্ষিক অনুষ্ঠান বা সংগঠন হ'ল এক সম্পূৰ্ণ ব্যৱস্থা। ই বিভিন্ন অংশসমূহক সামৰি লয়; যিবোৰ অংশ ইটোৰ লগত সিটো নিৰ্ভৰশীল আৰু সহসম্বন্ধিত। সেইবোৰে একেলগ হৈ অনুষ্ঠানখনৰ চূড়ান্ত লক্ষ্য উপলব্ধি কৰাৰ বাবে কাম কৰে। শৈক্ষিক পৰিদৰ্শন হ'ল প্ৰশাসনৰ এক গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় অংশ। প্ৰশাসনত আঁচনিসমূহ প্ৰস্তুত কৰা হয়, কৌশল আৰু উপায়সমূহ নিৰ্ধাৰণ কৰা হয় আৰু উদ্দেশ্যসমূহ নিৰ্ণয় কৰা হয়। প্ৰশাসনৰ এনেধৰণৰ সকলোবোৰ কৰ্ম পৰিদৰ্শনৰ দ্বাৰা কাৰ্যকৰী কৰা হয়।
- পৰিদৰ্শন শব্দটোৰ অৰ্থ হ'ল পথ প্ৰদৰ্শন, অধীক্ষকতা আৰু আনৰ কৰ্মৰাজিক উন্নত অৱস্থালৈ নিয়াৰ বাবে উদ্দীপনা যোগোৱা। শৈক্ষিক পৰিদৰ্শন মানে হ'ল শিক্ষা প্ৰক্ৰিয়াটোক সহায় আগবঢ়োৱা বা দিক নিৰ্ণয় কৰি দিয়া। শৈক্ষিক পৰিদৰ্শনে শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াৰ সম্পূৰ্ণ উন্নতি সাধন কৰি শিক্ষাক নিশ্চিত লক্ষ্যত উপনীত কৰোৱাৰ ক্ষেত্ৰত উপলব্ধি আনি দিয়ে। শিক্ষা হ'ল এক যৌগিক গোট, ই বিভিন্ন আন্তঃসম্বন্ধিত অংশসমূহ সামৰি লয়। সামৰি লোৱা দিশবোৰ হ'ল মানব সম্পদসমূহ, বস্তুগত বা বৈষয়িক সমলসমূহ আৰু বিষয়বস্তু বা পাঠ্যক্ৰম ইত্যাদি।
- শৈক্ষিক পৰিদৰ্শনক শিক্ষাবিদসকলে বিভিন্ন সময়ত বিভিন্নধৰণেৰে নিৰ্ণয় কৰিছে। সকলোবোৰ শিক্ষাবিদ একমত যে শৈক্ষিক পৰিদৰ্শন হ'ল এক বোধগম্য প্ৰক্ৰিয়া; যাৰ মূল উদ্দেশ্য হ'ল শিক্ষাদান আৰু আহৰণ অৱস্থাৰ উন্নতি সাধনত সহায় কৰা।
- শৈক্ষিক পৰিদৰ্শনৰ মূল উদ্দেশ্যসমূহক কেইবাটাও ভাগত ভাগ কৰিব পৰা যায়। মূলতঃ ই শিক্ষকসকলক শিক্ষাদানৰ সময়ৰ পৰিকল্পনা, প্ৰদান আৰু মূল্যায়ণত সহায় আগবঢ়ায়। ই শিক্ষকসকলক শ্ৰেণীকোঠা ব্যৱস্থাপনা, পাঠ্যক্ৰমৰ উন্নতি সাধন আৰু পাঠ্যক্ৰমৰ মূল্যায়ণ আদিত সহায় কৰে। ইয়াৰ উপৰিওঁ শিক্ষকসকলক নিজস্ব মূল্যায়ণ আৰু তেওঁলোকৰ মাজত দলীয় উদ্যম উদ্ভাবনত সহায় কৰে।
- প্ৰশাসন আৰু পৰিদৰ্শন যিকোনো নিৰ্দেশনা আৰু পৰিদৰ্শনৰ প্ৰধান কাৰক আৰু পৰিদৰ্শন হ'ল চূড়ান্ত কাৰক; যাৰ শিক্ষাৰ ক্ষেত্ৰত অবদান বহুত বেছি ওপৰত। পৰিদৰ্শনৰ প্ৰধান লক্ষ্য হ'ল নিৰ্দেশনাৰ কাৰ্যসূচীসমূহৰ অবিৰত উন্নতি সাধন কৰা। পৰিদৰ্শনে সামৰি লোৱা দিশবোৰ হ'ল নিৰ্দেশন ব্যৱস্থা, সমন্বয়ন আৰু নিৰ্দেশনা আৰু শিক্ষকসকলৰ সৰ্বাঙ্গীণ কাৰ্যসূচীসমূহ। ই এটা গতিশীল কৰ্ম আৰু সৃষ্টিশীলতাৰে পূৰ্ণ ধাৰণা। পৰিদৰ্শনে উন্নত পৰ্যায়ৰ কৌশল আৰু জ্ঞানেৰে সৈতে বিশেষজ্ঞ কাৰিকৰী সেৱাসমূহ আৰু নেতৃত্ব দানৰ ব্যৱস্থা কৰে।
- পৰিদৰ্শনৰ বহুবোৰ প্ৰয়োজনীয়তা আছে। ইয়াৰ প্ৰয়োজন হয় কিছুমান বিশেষজ্ঞৰ কাৰিকৰী

সাহায্য প্রদান আৰু শিক্ষকসকললৈ সেৱাৰ ব্যৱস্থা কৰাৰ বাবে; যাতে নির্দেশনাৰ লগতে প্রশাসন ব্যৱস্থা সুন্দৰভাৱে অগ্রসৰ হ'ব পাৰে। পৰিদর্শন অবিৰত শিক্ষাৰ বাবে অতিশয় প্রয়োজনীয়; যাতে ইয়াৰ মাধ্যমত শিক্ষকৰ শিক্ষাদান সত্যনিষ্ঠ পথেৰে ফলদায়ক হৈ উঠিব পাৰে।


- পৰিদর্শন হ'ল এক যৌগিক প্রক্রিয়া; যিয়ে বহুবোৰ তথা অগণন কামক ঘেৰি ধৰে। ইয়াৰ কিছুমান কাম হ'ল— ই এক শক্তিশালী নেতৃত্ব গঠন কৰে, ই নীতি নির্ধাৰণত সহায় কৰে, ই শিক্ষাদান আৰু আহৰণৰ অৱস্থা অধ্যয়ন কৰে, শিকণ-শিক্ষণ অৱস্থাৰ উন্নতি সাধে, ব্যক্তিত্বৰ উন্নতি সাধন কৰে আৰু উন্নত দলীয় উদ্যমৰ ব্যৱস্থা কৰে।



১১.৯ অধিক জানিবলৈ

১) Adams and Dickey. *Basic Principles of Supervision*. American Book Co., New York, 1953

২) Ayer Fred C.. *Fundamentals of Instructional Supervision*. Harper and Brothers, New York, 1956



১১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিদর্শন শব্দটোৰ অর্থ হ'ল পথ প্রদর্শন। ই ব্যক্তিসকলক তেওঁলোকৰ কর্মসমূহৰ উন্নতি সাধন কৰিবলৈ উদ্দীপনা যোগায় আৰু অধীক্ষকতা প্রদান কৰে। শৈক্ষিক পৰিদর্শন মানে হ'ল শিক্ষা প্রক্রিয়াটোক সহায় আগবঢ়োৱা আৰু দিক নির্ণয় কৰি দিয়া। শৈক্ষিক পৰিদর্শনে শিক্ষা দান আৰু আহৰণ প্রক্রিয়াৰ সম্পূর্ণ উন্নতি সাধন কৰি শিক্ষাক নিশ্চিত লক্ষ্যত উপনীত কৰোৱাৰ ক্ষেত্রত উপলব্ধি আনি দিয়ে।

২ নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক পৰিদর্শন আৰু শৈক্ষিক প্রশাসনৰ মাজত থকা প্রধান ব্যৱধানখিনি হ'ল— শৈক্ষিক পৰিদর্শন হ'ল প্রয়োজনীয় আৰু ই প্রশাসনৰ এক গুৰুত্বপূর্ণ অংশ। আন এটা অর্থত ই হ'ল প্রশাসনৰ এক অবিচ্ছেদ্য কর্ম। প্রশাসনত পৰিকল্পনাবোৰ প্রস্তুত কৰা হয়, কৌশল আৰু উপায়সমূহ নির্ধাৰণ কৰা হয় আৰু উদ্দেশ্যসমূহ নির্ণয় কৰা হয়। প্রশাসনৰ এইবোৰ কাম পৰিদর্শনে কার্যকৰী কৰে। সেয়েহে প্রকৃত আঁচনি কার্যকৰী কৰাৰ বাবে পৰিদর্শন কৰা হয়, যিবোৰ শৈক্ষিক প্রশাসনে চূড়ান্ত লক্ষ্য বা শিক্ষাৰ লক্ষ্য উপলব্ধি কৰাৰ অর্থে নির্ধাৰণ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিখ্যাত শিক্ষাবিদসকলে প্ৰকাশ কৰা শৈক্ষিক প্ৰশাসনৰ কেইটামান সংজ্ঞা হ'ল—

এ এচ বাৰৰ মতে, "পৰিদৰ্শন হ'ল এক দক্ষতাসূচক কাৰিকৰী সেৱা ই প্ৰাথমিকভাবে শিক্ষাৰ্থীসকলৰ গঠন প্ৰক্ৰিয়া আৰু শিক্ষণৰ অৱস্থাৰ অধ্যয়ন আৰু বিকাশৰ লগত জড়িত।"

হে�ৰল্ড স্পিয়াৰ্চৰ মতে, "পৰিদৰ্শন ক্ৰমাগতভাৱে নিৰ্দেশনাৰ বিকাশৰ পৰা শিক্ষণৰ উন্নতি সাধনলৈ ঘূৰে বা অগ্ৰসৰ হয়।"

মাধ্যমিক শিক্ষা আয়োগৰ মতে, "আমাৰ মতামত অনুসৰি এগৰাকী পৰিদৰ্শকৰ প্ৰকৃত ভূমিকা; যাৰ বাবে আমি শিক্ষা উপদেষ্টা শব্দটো অগ্ৰাধিকাৰ দিওঁ, তেওঁ প্ৰত্যেকখন বিদ্যালয়ৰ সমস্যা অধ্যয়ন কৰিবলৈ সকলোবোৰ কামৰ বোধগম্য মতামত প্ৰদৰ্শন কৰে আৰু তেওঁৰ উপদেশ আৰু পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ শিক্ষকসকলক সহায় কৰে।"

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক প্ৰশাসনৰ কিছুমান প্ৰধান উদ্দেশ্য হ'ল— ই শিক্ষকক শিক্ষাদানৰ ক্ষেত্ৰত পৰিকল্পনা, প্ৰদান আৰু নিৰ্দেশনাৰ মূল্যায়ণ কৰাত সহায় কৰে। শিক্ষকসকলক শ্ৰেণীকোঠা ব্যৱস্থাপনা, পাঠ্যক্ৰমৰ উন্নতি সাধন আৰু পাঠ্যক্ৰমৰ মূল্যায়ণ আদিৰ ক্ষেত্ৰত সহায় আগবঢ়ায়।

শৈক্ষিক প্ৰশাসনৰ কিছুমান প্ৰধান বৈশিষ্ট্য হ'ল— ই নিৰ্দেশন, সমন্বয়ন আৰু সকলোধৰণৰ শিক্ষকৰ কৰ্মসূচীত পথ প্ৰদৰ্শনৰ ব্যৱস্থা কৰে, ই হ'ল এক গতিশীল কৰ্মসূচী আৰু ই সৃষ্টিশীলতা আৰু দক্ষতাসূচক কাৰিকৰী সেৱাসমূহৰ লগত সংযোজিত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিদৰ্শনৰ প্ৰয়োজন হয় কিছুমান বিশেষজ্ঞৰ কাৰিকৰী সাহায্য প্ৰদান আৰু শিক্ষকসকললৈ সেৱাৰ ব্যৱস্থা কৰাৰ বাবে; যাতে নিৰ্দেশনাৰ লগতে প্ৰশাসন ব্যৱস্থা সুন্দৰভাৱে অগ্ৰসৰ হ'ব পাৰে। পৰিদৰ্শন অবিৰত বিকাশৰ বাবে অতিশয় প্ৰয়োজন; যাতে ইয়াৰ মাধ্যমত শিক্ষকৰ শিক্ষাদান সত্যনিষ্ঠ পথেৰে ফলদায়ক হৈ উঠিব পাৰে। ইয়াৰ প্ৰয়োজন হয় শিক্ষকসকলে যেতিয়া শিক্ষাদানৰ বাবে প্ৰস্তুত হয়/নিৰ্দেশনা দি থাকে, সেই সময়ত যাতে শিকণ-শিক্ষণ অৱস্থাটোৱে উন্নত পৰ্যায় পায়। ই শৈক্ষিক প্ৰক্ৰিয়াৰ ওপৰত আৰ্থসামাজিক প্ৰভাৱ প্ৰতিফলিত কৰে। পৰিদৰ্শনে শিক্ষকসকলক তেওঁলোকৰ জ্ঞান আৰু বৃত্তিগত দক্ষতা বৰ্তমান সময়ৰ লগত খাপ খাব পৰাকৈ বজাই ৰখাত সহায় আগবঢ়ায়। পৰিদৰ্শনে শিক্ষকসকলক গণতান্ত্ৰিক বৃত্তিগত নেতৃত্ববোধ বিকশিত কৰাত সহায় আগবঢ়ায়; যাতে এক সুন্দৰ দলগত প্ৰচেষ্টাই উন্নত পৰ্যায়ৰ শৈক্ষিক ছবি এখন পোৱাৰ বাবে উপলব্ধি কৰায়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক পৰিদৰ্শনৰ কিছুমান কাম হ'ল— ই শক্তিশালী নেতৃত্ব গঠন কৰে, ই নীতি নিৰ্ধাৰণত সহায় আগবঢ়ায়, ই শিকণ-শিক্ষণ অৱস্থা অধ্যয়ন কৰে, ই শিকণ-শিক্ষণ অৱস্থাৰ উন্নতি সাধন কৰে লগতে ব্যক্তিত্বৰ উন্নতি আৰু সুন্দৰ দলীয় উদ্যমৰ ব্যৱস্থা কৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক পৰিদৰ্শনৰ এটা প্ৰধান কাম হ'ল, ই শিক্ষাদান আৰু আহৰণৰ অৱস্থাৰ উন্নতি সাধন কৰে। পৰিদৰ্শন শিকণ-শিক্ষণ অৱস্থাৰ উন্নতি সাধনৰ ক্ষেত্ৰত হ'ল এক প্ৰয়োজনীয় পদক্ষেপ। ই শিক্ষকসকলৰৈ প্ৰশিক্ষণ আৰু নিৰ্দেশনাৰ ব্যৱস্থা কৰি সুন্দৰ নীতি নিৰ্ধাৰণৰ মাধ্যমেৰে পাঠ্যক্ৰমৰ উন্নতি সাধন আৰু শৈক্ষিক সেৱাসমূহ সম্ভৰ কৰি তোলে।



১১.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বিদ্যালয় সংগঠনত শৈক্ষিক পৰিদৰ্শনে কেনেধৰণেৰে সহায় কৰে? আপোনাৰ উত্তৰ বিচাৰ কৰক।

প্ৰশ্ন ১ ঃ শৈক্ষিক পৰিদৰ্শনৰ কামসমূহ উদাহৰণেৰে সৈতে বৰ্ণনা কৰক।

প্ৰশ্ন ১ ঃ আপোনাৰ নিজৰ ধাৰণাৰে শৈক্ষিক পৰিদৰ্শনৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ১ ঃ শৈক্ষিক পৰিদৰ্শনক কিয় শৈক্ষিক প্ৰশাসনতকৈ ডাঙৰ বুলি অভিহিত কৰা হয়? ব্যাখ্যা কৰক।

প্ৰশ্ন ১ ঃ শৈক্ষিক পৰিদৰ্শন আৰু শৈক্ষিক প্ৰশাসনৰ মাজত থকা এটা গুৰুত্বপূৰ্ণ ব্যবধানৰ বিষয়ে লিখক।

****

অধ্যায় ১২ সহ পাঠ্যক্রম কার্য্যাৱলী (CO-CURRICULAR ACTIVITIES)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ সহ পাঠ্যক্রমৰ অর্থ

১২.৩.১ সহ পাঠ্যক্রমৰ সংজ্ঞা

১২.৩.২ সহ পাঠ্যক্রমৰ উদ্দেশ্য

১২.৪ সহপাঠ্যক্রমৰ কার্য্যসূচী প্রস্তুতকৰণৰ নীতিসমূহ

১২.৫ সহপাঠ্যক্রমৰ প্রকাৰ

১২.৬ সহপাঠ্যক্রমৰ সুবিধাসমূহ

১২.৭ সহপাঠ্যক্রমৰ অসুবিধাসমূহ

১২.৮ সহপাঠ্যক্রমৰ তাৎপর্য্য আৰু গুৰুত্ব

১২.৯ বিদ্যালয়ত সহপাঠ্যক্রমৰ পৰিচালনাৰ নীতি

১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.১১ অধিক জানিবলৈ

১২.১২ অগ্রগতিৰ খতিয়ান

১২.১৩ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি --

- সহপাঠ্যক্রমৰ অর্থ, সংজ্ঞা আৰু গুৰুত্ব নিৰূপণ কৰিব পাৰিব।
- সহপাঠ্যক্রমৰ উদ্দেশ্য জানিব পাৰিব।
- সহপাঠ্যক্রম কার্য্যসূচী প্রস্তুতকৰণৰ নীতি সম্পর্কে জানিব পাৰিব।
- সহপাঠ্যক্রম কার্য্যসূচীৰ প্রকাৰসমূহ জানিব পাৰিব।
- সহপাঠ্যক্রমৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে জানিব পাৰিব।
- বিদ্যালয়ত সহপাঠ্যক্রম কিদৰে পৰিচালনা কৰিব লাগে এই সম্পর্কে অৱগত হ'ব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টিৰ দ্বাৰা আমি সহপাঠ্যক্রম কার্য্যসূচীৰ বিষয়ে জানিবলৈ সক্ষম হ'ম। ইয়াত সহপাঠ্যক্রমৰ অর্থ, সংজ্ঞা, উদ্দেশ্য, প্রকাৰ তথা সহপাঠ্যকয়ম প্রস্তুটিৰ নীতিসমূহৰ বিষয়ে দাঙি ধৰা হৈছে। তাৰোপৰি সহপাঠ্যক্রমৰ গুৰুত্ব, সুবিধা-অসুবিধাসমূহ তথা স্কুলত এইবোৰৰ উপযুক্ত পৰিচালনাৰ বিষয়েও এই অধ্যায়টিত সামৰি লোৱা হৈছে। প্রথমে আমি সহপাঠ্যক্রমৰ প্রকৃত অর্থৰ বিষয়ে জানিবলৈ অগ্রসৰ হোৱা উচিত।

শৈক্ষিক প্রক্রিয়াত শিক্ষণ-শিকণ, শিক্ষা পদ্ধতি, পাঠপৰিকল্পনা, পাঠ্যক্রম আৰু সহপাঠ্যক্রম আদিবোৰ অতি পৰিচিত আৰু এটা আনটোৰ লগত ঘনিষ্ঠভাৱে সম্পর্ক আছে। শিক্ষাৰ প্রকৃত লক্ষ্য হৈছে শিশুৰ ব্যক্তিত্বৰ পূর্ণ বিকাশ আৰু পাঠ্যক্রম হৈছে প্রধান আহিলা যাৰ দ্বাৰা শিক্ষাৰ প্রকৃত স্বৰূপ উপলব্ধি কৰিব পৰা যায়। সহপাঠ্যক্রমৰ বিভিন্ন কার্য্যসূচীত অংশগ্রহণৰ দ্বাৰা শিশুৰ সর্বোতমুখী বিকাশ ঘটে। সহপাঠ্যক্রমৰ কার্য্যসূচীসমূহ শৈক্ষিক পাঠ্যক্রমৰ পৰা পৃথক নহয়, ৰৰং এইবোৰো পাঠ্যক্রমৰ সমানেই গুৰুত্বপূর্ণ। শিক্ষা হৈছে শিক্ষণৰ এক প্রক্রিয়া, যাৰ বাবে পাঠ্যক্রমৰ দৰকাৰ। সহপাঠ্যক্রমে শিক্ষা প্রক্রিয়াটোক তাৎপর্য্যপূর্ণ কৰি তোলে। সাধাৰণভাৱে কবলৈ হ'লে পাঠ্যক্রম শব্দটোৱে সমগ্র কার্য্যাৱলী আৰু অভিজ্ঞতাক সামৰি লয়, যিবোৰ শিক্ষার্থীয়ে শিক্ষাৰ নির্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ অতিক্রম কৰে। সহ-পাঠ্যক্রমক কেতিয়াবা শৈক্ষিক পাঠ্যক্রম গণ্য কৰা নহয়, যদিও ই শৈক্ষিক পাঠ্যক্রমৰ অংশ বিশেষ, যিবোৰৰ এক নির্দিষ্ট সময়সূচী আছে আৰু প্রত্যেক শিক্ষার্থীয়ে নিজ ইচ্ছা অনুসৰি এনে কার্য্যাৱলী সমূহত অংশগ্রহণ কৰিব পাৰে। প্রত্যেক শিক্ষার্থীয়ে যিকোনো এটা সহ-পাঠ্যক্রমৰ কার্য্যসূচীত অংশগ্রহণ কৰাটো বাধ্যতামূলক।

এইবোৰৰ উপৰিও বর্তমান শিক্ষানুষ্ঠানসমূহে খেলধেমালী আৰু সৃজনীমূলক কার্য্যাৱলীসমূহ এনেদৰে প্রস্তুত কৰিছে যাৰ দ্বাৰা শিক্ষার্থীৰ শাৰীৰিক আৰু মানসিক বিকাশ সাধন হয় আৰু ভৱিষ্যৎ সমাজৰ একোজন সৎ চৰিত্রমান নাগৰিক হিচাবে নিজকে প্রতিষ্ঠা কৰিব পাৰে।

সহপাঠ্যক্রমৰ কার্য্যাৱলীসমূহ হ'ল শিক্ষণৰ এনে দিশ, যিবোৰে শ্রেণীকোঠাত, পুঁথিভৰালত, গৱেষণাগাৰ, গৱেষণাগাৰ, কর্মশালা-আলোচনা চক্র আদি সকলো ক্ষেত্রতে শিক্ষার্থীৰ প্রতিভা বিকশাই তোলে।

১২.৩ সহ-পাঠ্যক্রম কার্য্যসূচীৰ অর্থ

'পাঠ্যক্রম' শব্দটোৰ ইংৰাজী প্রতিশব্দ হ'ল 'Curriculum' এই শব্দটো লেটিন ভাষাৰ 'Currere' শব্দৰ পৰা উৎপত্তি হৈছে, যাৰ ইংৰাজী অর্থ হৈছে 'race course' অর্থাৎ

'ঘোঁৰা দৌৰা স্থান'। চমুকৈ পাঠ্যক্রম হৈছে নির্ধাৰিত সময়ৰ ভিৰতৰ অধ্যয়ন কৰিবলগীয়া পাঠ্যসূচী।

সহপাঠ্যক্রম হৈছে বিদ্যালয়ত গ্রহণ কৰা বিভিন্ন ধৰণৰ কার্য্যসূচী, যিবোৰে শিক্ষার্থীৰ শাৰীৰিক, মানসিক তথা বৌদ্ধিক বিকাশত যথেষ্ট অৰিহণা যোগায়। এনেধৰণৰ কার্য্যসূচীসমূহে শিক্ষার্থীৰ সর্বাংগীন বিকাশত সহায় কৰে। সহপাঠ্যক্রম কার্য্যসূচীসমূহৰ পৰিস্থিতি, পৰিবেশ আৰু প্রয়োজন অনুসৰি সালসলনি ঘটাব পৰা যায়। বর্তমান সময়ত সহপাঠ্যক্রমৰ কার্য্যসূচী সমূহক শৈক্ষিক পাঠ্যক্রমৰ পৰিপূৰক হিচাবে বিবেচনা হয়।

এলবার্টি আৰু এলবার্টিৰ মতে - সহপাঠ্যক্রম হৈছে শিক্ষার্থীৰ সমগ্র কার্য্যাৱলী যিবোৰ স্কুলে নির্দিষ্ট লক্ষ্য উদ্দেশ্যত উপনীত হবৰ বাবে পৃষ্ঠপোষকতা কৰে। সহপাঠ্যক্রম কার্য্যাৱলীৰ প্রকৃত অর্থ হ'ল - ই কিছুমান পৰিকল্পনাকৃত তথা সংমিশ্রিত কার্য্যাৱলী য'ত শিক্ষার্থীয়ে বিভিন্ন প্রকাৰৰ আচৰণ প্রদর্শন কৰিবলৈ শিকে। সহপাঠ্যক্রম কার্য্যসূচীৰ মাজেদি নতুন আৰু সকলোৰে গ্রহণযোগ্য আচৰণ আহৰণ কৰিব পাৰি তথা বর্তমানত থকাবোৰ উন্নীতকৰণ কৰিব পাৰি অলাগতিয়ালবোৰ বাদ দিয়াৰ জৰিয়তে।

বর্তমান শিক্ষা ব্যৱস্থাত বৌদ্ধিক বিষয়সমূহৰ লগতে সহপাঠ্যক্রমৰ বিষয়সমূহৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। শিশুসকলক সকলো দিশৰ পৰা বিকশিত কৰি তুলিবলৈ শিক্ষানুষ্ঠানসমূহে বৌদ্ধিক বিষয়বোৰৰ লগতে সহপাঠ্যক্রমৰ কার্য্যাৱলীসমূহৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। আধুনিক সময়ৰ চিন্তাবিদসকলে উপলব্ধি কৰিছে যে শিশুৰ প্রকৃত বিকাশ হ'বলৈ বৌদ্ধিক পাঠ্যক্রম আৰু সহপাঠ্যক্রম দুয়োবিধতে সমানে গুৰুত্ব আৰোপ কৰিব লাগিব।

১২.৩.১ সহপাঠ্যক্রমৰ সংজ্ঞা

বর্তমান সময়ত সহপাঠ্যক্রমৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি বিভিন্ন শিক্ষাবিদে তেওঁলোকৰ নিজৰ দৃষ্টিভংগীৰে ইয়াৰ সংজ্ঞা দাঙি ধৰিছে। তলত ইয়াৰ কেইটামান উল্লেখযোগ্য সংজ্ঞা দাঙি ধৰা হ'ল।

- ড° **ৰাধাকৃষ্ণণৰ মতে**, আমি শিক্ষার্থীৰ প্রতিভা সমূহৰ উন্মেষ হ'বলৈ সুবিধা দিয়া উচিত আৰু তেওঁলোকৰ সম্ভাৱনীয়তাসমূহৰ বিকাশত সহায় কৰা উচিত। এইটোয়েই হৈছে এবিধ যন্ত্র যিয়ে গঠন কৰিব পাৰে, ইয়েই সৃজনশীলতাৰ প্রাণশক্তি।

- **কোঠাৰী আয়োগৰ মতে**, স্কুলৰ পাঠ্যক্রমক শিক্ষার্থীৰ সমগ্র শিক্ষণ অভিজ্ঞতাৰ সমষ্টি বুলি ক'ব পাৰো, যিবোৰ বহুমুখী কার্য্যসূচী শিক্ষার্থীয়ে স্কুলৰ সৌজন্যত লাভ কৰে।

- **ৱেবিলনৰ অভিধানৰ মতে**, সহপাঠ্যক্রমৰ কার্য্যসূচী যাক পূর্বতে অতিৰিক্ত কার্য্যসূচী স্বৰূপে জনা গৈছিল সেইবোৰ কিছুমান শিক্ষা সংগঠনে পৃথিৱীৰ বিভিন্ন স্থানৰ স্কুলৰ ছাত্রৰ বাবে প্রস্তুত কৰি তুলিছিল। তেওঁলোকে এনেধৰণৰ কিছুমান কার্য্যসূচী প্রস্তুত কৰিছিল যিবোৰ শৈক্ষিক পাঠ্যক্রমৰ বিষয়সমূহৰ সৈতে একেলগে অংশগ্রহণ কৰিব লাগিছিল।

- **ৰিকমাণ্ড ডাব্লিউ ৰেনেট** (Richmond W. Rennet) ৰ মতে, 'পাঠ্যক্রম' শব্দটো হৈছে এক পৰিবর্তনশীল শব্দ। বহল অর্থত ক'বলৈ হ'লে পাঠ্যক্রমে গোটেই শিক্ষা প্রক্রিয়াটোকেই সামৰি লয়। সংকীর্ণ অর্থত পাঠ্যক্রম শব্দটোক বিষয়সূচী নাইবা কার্য্যপৰিকল্পনাৰ প্রতিশব্দ হিচাবে ব্যৱহাৰ কৰা হয়। কোনো কোনোৰ মতে পাঠ্যক্রম, সহপাঠ্যক্রম আৰু অতিৰিক্ত পাঠ্যক্রমৰ মাজত বিশেষ কোনো পার্থক্য নাই, আটাইবোৰ শিক্ষার্থীৰ অভিজ্ঞতা অর্জনত প্রভাৱ পেলায়।

- চমুকৈ সহপাঠ্যক্রম বুলিলে শিক্ষানুষ্ঠানত গ্রহণ কৰা বিভিন্ন কার্য্যসূচীক বুজোৱা হয় যিবোৰ শৈক্ষিক পাঠ্যক্রমৰ ভিতৰুৱা নহয় যদিও শিক্ষার্থীৰ শিক্ষা প্রতিভা বিকাশত যথেষ্ট সহায় আগবঢ়ায়। সহপাঠ্যক্রমৰ কার্য্যাৱলীসমূহ বিদ্যালয়ৰ নিয়মিত পাঠ্যক্রমত অর্ন্তভুক্ত যদিও শিশুৰ বিকাশত ইয়াৰ যথেষ্ট ভূমিকা আছে। ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ পৰা সহপাঠ্যক্রমৰ অর্থ আমাৰ বাবে স্পষ্ট হৈ পৰিল।

১২.৩.২ সহপাঠ্যক্রমৰ উদ্দেশ্যসমূহ

সহ-পাঠ্যক্রম কার্য্যাৱলীৰ প্রধান উদ্দেশ্যসমূহ তলত দিয়া ধৰণৰ --

- শিক্ষার্থীসকলৰ কৌতুহল প্রৱণতা চৰিতার্থ কৰিবলৈ আৰু প্রত্যেক শিক্ষার্থীৰ সর্বাংগীণ বিকাশৰ বাবে উদগণি যোগোৱা।
- বিদ্যালয়ৰ সামগ্রীক শৈক্ষিক ব্যৱস্থা উন্নত কৰা যাতে ইয়াৰ ফলত বিদ্যালয়ৰ সকলো দিশৰ উৎকর্ষ সাধন হয়।
- এটা উপযুক্ত পৰিবেশ গঠন কৰা য'ত শিক্ষার্থীসকলে নিজস্ব অর্ন্তদৃষ্টিৰে প্রকৃত সত্যৰ উদ্‌ঘাটন আৰু সমস্যাসমূহ নিজে সমাধান কৰিব পাৰে।
- শিক্ষার্থীসকলক স্কুল তথা সম্প্রদায়ৰ প্রতি দায়বদ্ধ, আনুগত্যশীল আৰু অনুৰাগপ্রৱণ কৰি তোলা।
- এই কার্য্যসূচীসমূহৰ দ্বাৰা শিক্ষার্থীসকলৰ মাজত সহানুভূতিশীলতা, একতা, সততা, ন্যায় আদি গুণসমূহ বিকশাই তোলা।

- বর্তমান গণতান্ত্রিক সমাজৰ সক্ষম পুৰুষ আৰু মহিলা, যিবোৰে স্বতন্ত্রতা, স্বাধীনতা, আইন-কানুন বিচাৰ বিবেচনাক প্রাধান্য দি নিজৰ জীৱনটোক নিৰস কৰি তোলে, তেনেবোৰক সহপাঠ্যক্রমে প্রেৰণা যোগাব পাৰে। ইয়াৰ দ্বাৰা প্রত্যেক শিক্ষার্থীৰ বহল পৰিসৰত বিশেষ প্রতিভা, বুদ্ধি আৰু কৌশলৰ বিকাশ ঘটোৱা।
- অৱসৰ সময়ৰ সদব্যৱহাৰৰ যোগেদি সুপ্তপ্রতিভাৰ বিকাশ ঘটোৱা।
- শিক্ষার্থীসকলৰ প্রকৃত ব্যক্তিত্বৰ বিকাশত সহায় কৰা।
- শিক্ষার্থীসকলৰ অন্তৰত গণতান্ত্রিক দায়বদ্ধতা আৰু প্রকৃত মানবীয়তাবোধৰ ভাব জগাই তোলা।
- শিক্ষার্থীসকলক বিদ্যালয়ৰ প্রতি আগ্রহশীল কৰি তোলাৰ লগতে চাৰিওফালৰ পৰিবেশৰ লগত যাতে সমাযোজন কৰিব পাৰে যাৰ দ্বাৰা ভাতৃত্ববোধৰ বীজ ৰোপণ হয়।



জানি থোৱা ভাল

- পাঠ্যক্রম হৈছে শিক্ষাৰ আধাৰ, যাৰ ওপৰত ভিত্তি কৰি শিক্ষণ-শিকণ প্রক্রিয়াৰ পৰিকল্পনা কার্যকৰী কৰা হয়। পাঠ্যক্রমেই হৈছে শিক্ষা প্রক্রিয়াৰ মূল ভেটি।
- ইংৰাজী 'Curriculum' শব্দটো মূল লেটিন শব্দ 'Currere' ৰ পৰা উৎপত্তি হৈছে, যাৰ অর্থ হ'ল 'দৌৰা'।
- সহপাঠ্যক্রম কার্য্যসূচীৰ মূল লক্ষ্য হৈছে শিক্ষার্থীসকলৰ কৌতুহল প্রৱণতা দূৰ কৰা আৰু তেওঁলোকৰ সর্বাংগীণ বিকাশৰ বাবে অনুপ্রেৰণা যোগোৱা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সহ-পাঠ্যক্রমৰ দুটা সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২ ঃ সহ-পাঠ্যক্রমৰ তিনিটা লক্ষ্য লিখক।

.....

.....

১২.৪ সহ-পাঠ্যক্রম কার্য্যাৱলী প্রস্তুতকৰণৰ নীতিসমূহ

পাঠ্যক্রম বা সহপাঠ্যক্রম হৈছে শিক্ষকৰ প্রধান আহিলা যাৰ জৰিয়তে শিক্ষকে সুস্থ জীৱন যাপনৰ বাবে প্রয়োজনী হোৱা নৈতিক শিক্ষাক শিক্ষার্থীৰ অন্তৰত জগাই তুলিব পাৰে। উপযুক্তভাৱে পাঠ্যক্রম আৰু সহপাঠ্যক্রমৰ কার্য্যসূচীত অংশগ্রহণেৰে জীৱনৰ সম্পূর্ণ সন্তুষ্টি পাব পৰা যায়।

সহপাঠ্যক্রমৰ কার্য্যাৱলী প্রস্তুতকৰণৰ প্রধান নীতিসমূহ তলত দাঙি ধৰা হ'ল।

- সহপাঠ্যক্রম কার্য্যসূচী প্রস্তুতকৰণৰ সময়ত এইটো লক্ষ্য ৰাখিব লাগে যে এই কার্য্যাৱলী সমূহৰ যাতে মাত্রাধিক নঘটে আৰু এইসমূহে যাতে শিক্ষার্থীসকলৰ প্রয়োজন তথা আশা আকাংক্ষাসমূহ পূৰণ কৰি তুলিব পাৰে।
- সহ-পাঠ্যক্রমৰ কার্য্যসূচীসমূহক স্কুলত প্রয়োগ কৰাৰ আগতে উপযুক্তভাৱে অধ্যয়ন আৰু নিৰীক্ষণ কৰা দৰকাৰ।
- শিক্ষার্থীৰ মানসিক, শাৰীৰিক তথা সামাজিক সকলো দিশৰ সর্বাংগীন বিকাশেই সহ-পাঠ্যক্রম মূল মন্ত্র হোৱা উচিত।
- সহ-পাঠ্যক্রমৰ কার্য্যসূচীত অকল শিক্ষার্থীৰ অংশগ্রহণকেই মুখ্য হিচাবে গণ্য কৰা উচিত।
- এনে কার্য্যসূচীসমূহত অংশগ্রহণৰ ক্ষেত্রত প্রত্যেক শিক্ষার্থীয়ে সমানে সুবিধা পোৱা উচিত।
- কার্য্যসূচীসমূহ নির্বাচিত কৰি প্রয়োগ কৰাৰ ক্ষেত্রত সময় নির্ধাৰিত কৰি দিয়া উচিত। দৈনিক শৈক্ষিক পাঠ্যসূচীৰ অন্তত বর্হিবিভাগ আৰু অর্ন্তবিভাগৰ খেলধেমালিসমূহ খেলিবলৈ দিয়া উচিত। আনহাতে কিছুমান সৃষ্টিশীল কার্যক্রমৰ বাবে বন্ধৰ দিন বাচি লোৱা উচিত।
- নির্বাচিত কার্য্যসূচীসমূহৰ যিবোৰৰ অন্তর্নিহিত শৈক্ষিক মূল্য বেছি তেনেবোৰৰ ওপৰত প্রাধান্য দিয়া উচিত।
- শিক্ষানুষ্ঠানসমূহে আর্থিক দিশৰ প্রতি লক্ষ্য ৰাখি এনে কার্য্যসূচীসমূহ প্রস্তুত কৰিব লাগে।
- সহ-পাঠ্যক্রমৰ কার্য্যসূচীসমূহ প্রয়োগ কৰাৰ সময়ত আর্থিক উৎস আৰু উপযুক্ত সময়ত যাতে এইবোৰৰ প্রয়োগ হয় তাৰ প্রতি লক্ষ্য ৰাখিব লাগে।
- শিক্ষার্থীসকলে যাতে জ্ঞান, সংস্কৃতি, পৰম্পৰা আৰু অভিজ্ঞতা আদিৰ নতুন প্রজন্মৰ সৈতে বিনিময় ঘটাব পাৰে তাৰ প্রতি লক্ষ্য ৰখা উচিত।
- আজিৰ শিক্ষার্থীক ভবিষ্যতৰ এজন প্রকৃত দায়িত্বশীল নাগৰিক হিচাবে প্রতিষ্ঠা কৰিবলৈ বিভিন্ন উদাহৰণ আৰু কামৰ মর্য্যদা দেখুৱাবলৈ সামাজিকভাবে উপযোগী উৎপাদনমূলক আহিলাৰ (SUPW) বিষয়ে তেওঁলোকক জানিব দিব লাগে।

১২.৫ সহ-পাঠ্যক্রমৰ বিভিন্ন প্রকাৰ সমূহ

(ক) শৈক্ষিক কার্য্যাৱলী
(খ) শাৰীৰিক কার্য্যাৱলী
(গ) সাহিত্য বিষয়ক কার্য্যাৱলী
(ঘ) উৎপাদনমূলক কার্য্যাৱলী
(ঙ) সামাজিক কার্য্যাৱলী
(চ) কলাসূলভ কার্য্যাৱলী
(ছ) আজৰি সময়ৰ কার্য্যাৱলী
(জ) সাংস্কৃতিক কার্য্যাৱলী
(ঝ) নাগৰিকত্ব শিক্ষণ কার্য্যাৱলী
(ঞ) শিক্ষামূলক ভ্রমণ আৰু ক্ষেত্রভিত্তিক পৰিভ্রমণ কার্য্যাৱলী
(ট) বহুমুখী কার্য্যাৱলী

প্রত্যেক শিতানৰ অন্তর্গত বিভিন্ন কার্য্যাৱলীসমূহ তলত দেখুওৱা হ'ল ঃ

ক্রমিক নং	শিতানসমূহ	কার্য্যাৱলী
১	শৈক্ষিক	তর্ক, আলোচনা, কুইজ, কর্মশালা ধেমেলীয়া নির্বাচন আদি।
২	শাৰিৰীক	খেলা-ধূলা, সাঁতোৰ, (NCC) ৰাষ্ট্রীয় শিক্ষার্থী বাহিনী, নাওচলোৱা, ভাৰউত্তোলন, বাগিছাৰ কাম কৰা, শৰীৰ বিদ্যা আদি।
৩	সাহিত্য	স্কুলৰ আলোচনী, ৰচনা লিখা, সাধুকোৱা, সাৰাংশ লিখা, সৰু পুস্তিকা লিখা, প্রচাৰ পত্র, হাতে লিখা আলোচনী উলিওৱা, গ্রন্থ সমালোচনা ইত্যাদি (প্রাচীৰ পত্রিকা)
৪	উৎপাদনমূলক	বৈদ্যুতিক কার্যকলাপ, চিলাই এম্ৰডায়েৰী, ৰন্ধাবঢ়া আৰু উৎপাদনমুখী বিভিন্ন কার্য্যসমূহ।
৫	সামাজিক	স্বেচ্ছামূলক সমাজসেৱা, ৰেডক্রচ পৰিবেশ সজাগতা, বৃক্ষৰোপণ কার্য্যসূচী পৰিচন্নতাৰ কার্য্যসূচী ইত্যাদি।
৬	কলাসূলভ	নৃত্য-গীত, ছবি আঁকা, হস্তবিদ্যা, ভাস্কর্য্যবিদ্যা, উদ্যান তত্ত্ব, ***ইকেবানা*** ।

৭	অৱসৰ সময়ৰ	ফ'টোগ্রাফি, টিকট সংগ্রহ কৰা, এলবাম বনোৱা।
৮	সাংস্কৃতিক	গীত, ছবি, সংস্কৃতি, পৰম্পৰা, জাতীয় নৃত্য ইত্যাদি পৰম্পৰাগত নৃত্য ধেমেলীয়া সদন।
৯	ক্ষেত্রভিত্তিক	শৈক্ষিক পৰিভ্রমণ, ৰাষ্ট্রীয় উদ্যান ভ্রমণ, পক্ষী নিৰীক্ষণ, অভয়াৰণ্য ভ্রমণ, সংগ্রহালয় চোৱা ইত্যাদি।
১০	বহুমুখী	সাংস্কৃতিক সপ্তাহ উদ্‌যাপন, দলীয় আলোচনা, আলোচনা চক্র।



জানি থোৱা ভাল

- শিক্ষার্থীৰ উপযুক্ত চৰিত্র গঠনৰ বাবে নৈতিক শিক্ষা দিবলৈ শিক্ষকৰ সফল আহিলা হৈছে পাঠ্যক্রম বা সহ-পাঠ্যক্রম।
- সহ-পাঠ্যক্রমৰ অন্তর্ভূক্তিয়ে শিক্ষার্থীৰ শাৰীৰিক, মানসিক তথা সামাজিক সকলো দিশৰ বিকাশ সাধন কৰে।
- এই এঘাৰ প্রকাৰৰ সহ-পাঠ্যক্রমৰ কার্য্যসূচীসমূহ হৈছে - শৈক্ষিক, শাৰীৰিক, সাহিত্য, উৎপাদনমূলক, সামাজিক, কলাসুলভ, সাংস্কৃতিক, অৱসৰ সময়ৰ কার্য্যাৱলী, ক্ষেত্রভিত্তিক আৰু বহুমুখী কার্য্যাৱলী।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সহ-পাঠ্যক্রম প্রস্তুতকৰণৰ যিকোনো দুটা নীতি লিখক।

.....

.....

প্রশ্ন নং ৪ঃ উদাহৰণসহ তিনিপ্রকাৰৰ সহ-পাঠ্যক্রমৰ কার্য্যাৱলী লিখক।

.....

.....



চিন্তা চর্চা কৰক ১২.১

বিদ্যালয় এখনত এটি শিশুৰ সর্বাত্মক বিকাশৰ ক্ষেত্রত সহপাঠ্যক্রম কার্যাৱলী সমূহক **অভিন্ন** অংশ বুলি কোৱা হয়।' এই বাক্যশাৰীৰ ক্ষেত্রত নিজৰ মতামত প্রকাশ কৰক

.....

.....

১২.৬ সহ-পাঠ্যক্রমৰ সুবিধাসমূহ

সহ-পাঠ্যক্রমৰ যথেষ্ট সুবিধা থকা দেখিবলৈ পোৱা যায়। সেইবোৰ তলত চমুকৈ দাঙি ধৰা হ'ল ঃ-

- ই স্কুল বা অনুষ্ঠানৰ শৈক্ষিক কার্য্যব্যৱস্থাক শক্তিশালী কৰি তোলে। সহ-পাঠ্যক্রম উপযুক্ত শৈক্ষিক প্রক্রিয়াৰ বিকল্প ব্যৱস্থা নহয়, বৰং ই সংযোজনহে। সাধাৰণতে যিবোৰ শিক্ষার্থীয়ে এনে কার্য্যসূচীবোৰত ভাগ লয়, তেনে শিক্ষার্থীৰ স্কুলত উপস্থিতিৰ পৰিমাণ উচ্চ আৰু অপচয়ৰ হাৰ নিম্ন হোৱা দেখা যায়। তাৰোপৰি আনবোৰ ছাত্রতকৈ বেছি সংযত হোৱা দেখা যায়।
- ই হৈছে শৈক্ষিক উত্তৰাধিকাৰ - দলীয় কার্য্য, খেলুৰৈ সুলভ কার্য্য, গঠনমূলক কার্য্য, জয়-পৰাজয়ৰ আদিৰ এই কার্য্যসূচীসমূহে বাস্তৱ জ্ঞান দিয়ে। এনেবোৰ কার্য্যত অংশগ্রহণে শিক্ষার্থীক আত্মবিশ্লেষণ কৰাত, আত্মবিশ্বাস বঢ়োৱাত আৰু বিভিন্ন ধৰণৰ প্রতিযোগিতাসমূহত অৱতীর্ণ হ'বলৈ উৎসাহ যোগায়।
- পৰৱর্তী জীৱনৰ উন্নতিৰ সহায়ক ঃ স্কুলীয়া জীৱনত এনেবোৰ বিষয়ত কৰা অংশগ্রহণে পৰবর্তী সময়ত মহাবিদ্যালয় পর্য্যায়ত বা বাস্তৱ জীৱনত সমাজৰ এজন সফল ব্যক্তি হিচাবে প্রতিষ্ঠা হোৱাত সহায়ক হয়।
- সহ-পাঠ্যক্রমে শিক্ষার্থীৰ মান নির্ণয় কৰাত আৰু শ্রেণীত উপস্থিতিৰ হাৰ বঢ়োৱাত সহায় কৰে।
- সহ-পাঠ্যক্রমে তাৰোপৰি শিক্ষার্থীৰ মৌলিক প্রয়োজনসমূহ পূৰণত সহায় কৰে। তাৰোপৰি শিক্ষানুষ্ঠানৰ অনুশাসনহীনতা আৰু অপচয় ৰোধ কৰে।

- ইয়াৰ মাধ্যমেৰে শিক্ষার্থীয়ে নিষ্ঠাবান হ'বলৈ আৰু আনৰ ভাৱধাৰাক সন্মান জনাবলৈ শিকে।
- যদি শিক্ষার্থীসকলৰ জীৱনত সহ-পাঠ্যক্রমক শৈক্ষিক পাঠ্যক্রমৰ পর্য্যায়ত স্থান দিয়া হয়। তেতিয়া শিক্ষার্থীসকলে সকলো দিশৰ পৰা নিজকে উপযুক্ত কৰি তুলিব পাৰিব।
- সহ-পাঠ্যক্রমে শিক্ষার্থীক দলৱদ্ধভাৱে কাম কৰাত আৰু নেতৃত্ব দানত আগভাগ লোৱাৰ ক্ষেত্রত সহায় কৰে।
- এই কার্য্যবোৰে শিক্ষার্থীক শাৰিৰীকভাৱে সক্ষম, সকলো দিশতে অংশগ্রহণ আৰু নতুন কার্য্যত আগভাগ লোৱাত উৎসাহ যোগায়। শ্রেণীৰ পৰিৱেশত শিক্ষাগ্রহণৰ উপৰিও বাস্তৱ কার্য্যপন্থা গ্রহণক উদগণি যোগায়। সহপাঠ্যক্রমে শিক্ষার্থীৰ প্রকৃত ব্যক্তিত্ব গঠনত সহায় কৰে।
- সহপাঠ্যক্রমৰ কার্য্যসূচীবোৰে সমগ্র শিক্ষাব্যৱস্থাটোতেই এক ব্যাতিক্রমী ভূমিকা পালন কৰে।
- যদি সহ-পাঠ্যক্রমে এজন শিক্ষার্থীৰ জীৱনত আন বিষয়বোৰৰ দৰে স্থান পায়, তেনে পৰিস্থিতিত ই শিক্ষার্থীৰ মানসিক শক্তি আৰু সামর্থ বঢ়োৱাত সহায়ক হ'ব।

১২.৭ সহ-পাঠ্যক্রমৰ অসুবিধাসমূহ

সহ-পাঠ্যক্রমৰ কিছুমান অসুবিধা এনেধৰণৰ ঃ-

- শিক্ষার্থীৰ জীৱনত সহ-পাঠ্যক্রম যদিও দৰকাৰী, তথাপি সেইবোৰক এৰাব নোৱাৰা অংগ হিচাপে বিবেচনা কৰা অনুচিত। এইবোৰৰ অধিক প্রয়োগে শিক্ষার্থীৰ মন অন্যফালে ঢাল খুৱাব পাৰে।
- সহ-পাঠ্যক্রম কার্যসূচীবোৰে ব্যক্তিক কোনো এটা বিশেষ দিশত বিশেষজ্ঞ হিচাবে গঢ়ি তোলাৰ পৰিবর্তে, সকলো দিশতে সাধাৰণভাবেহে আগবঢ়াই নিয়ে। কিন্তু প্রকৃতপক্ষে আমাৰ বাস্তৱ পৰিস্থিতিত ডাক্তৰ বা ইঞ্জিনিয়াৰৰ দৰে একোজন বিশেষ দিশৰ বিশেষজ্ঞৰহে প্রয়োজন।
- এখন শিক্ষানুষ্ঠানত শৈক্ষিক পাঠ্যক্রমৰ এক অংশ হিচাবে সহ-পাঠ্যক্রমক স্থান দিয়াত যথেষ্ট অসুবিধা আছে।

১২.৮ সহ-পাঠ্যক্রমৰ তাৎপর্য্য আৰু গুৰুত্ব

তলত সহ-পাঠ্যক্রমৰ তাৎপর্য্য আৰু গুৰুত্ব সম্পর্কে দাঙি ধৰা হ'ল ঃ-

- শৈক্ষিক দিশৰ পাঠ্যক্রমৰ অতিৰিক্ত চাপৰ পৰা সহ-পাঠ্যক্রমে শিক্ষার্থীক সকাহ প্রদান কৰে। তাৰোপৰি এইবোৰে শিক্ষার্থীক সুস্থ বিনোদন জগায়।

- এই কার্য্যবোৰত অংশগ্রহণৰ যোগেদি শিক্ষার্থীৰ আনৰ লগত আদান-প্রদান আৰু সহযোগিতাৰ ভাৱ বৃদ্ধি পায়। ইয়াৰ ফলস্বৰূপে তেওঁলোকে সুস্থ সামাজিক জীৱন-যাপন কৰিবলৈ শিকে।
- এই কার্য্যসূচীবোৰে শিক্ষার্থীসকলৰ অন্তৰত গণতান্ত্রিক মনোভাবৰ জন্ম দি ভৱিষ্যতৰ একোজন সুস্থ তথা সৎ নাগৰিক গঢ়ি তোলে।
- অবসৰ সময় সার্থকভাবে আৰু সৃজনশীল কামত অংশগ্রহণেৰে কটোৱাত সহায় কৰে, যাৰ ফলত শিক্ষার্থীসকলৰ মাজত থকা সুপ্ত প্রতিভাৰ বিকাশ ঘটে।
- এই কার্য্যসূচীবোৰে শাৰীৰিক, মানসিক আৰু আবেগিকভাবে সুস্থ সবল ব্যক্তি গঢ়ি তোলে।
- এনে কার্য্যসূচীসমূহে শিক্ষার্থীৰ মনত 'আমি' ভাবৰ উদ্বেগ কৰে। ইয়াৰ ফলত লগসমনীয়াৰ লগত মিলামিছা কৰিবলৈ সুযোগ পায় আৰু তেওঁলোকৰ নৈতিক চৰিত্রবো বিকাশ ঘটে।
- শিশু তথা কিশোৰ-কিশোৰীৰ অতিৰিক্ত শক্তি-ক্ষমতাসমূহ এনে কার্য্যসূচীয়ে শুদ্ধপথে পৰিচালিত কৰি তেওঁলোকক অসামাজিক কামত লিপ্ত হোৱাৰ পৰা বিৰত ৰাখে।
- তাৰোপৰি কিছুমান অতি প্রয়োজনীয় তথা সংগ্রহ কৰাত সহায় কৰে।
- শাৰীৰিক, নৈতিক আৰু সামাজিক মূল্যবোধৰ উপৰিও সহ-পাঠ্যক্রমে শিক্ষার্থীৰ মনস্থাত্ত্বিক, বিদ্যায়তনিক, সৌন্দর্য্যবোধক, সৃজনশীলতা আৰু নিয়মানুবর্তিতা আদিত গুণবোৰ বিকশাই তোলে।
- সহ পাঠ্যক্রমৰ কার্য্যসূচীসমূহৰ শৈক্ষিক দিত যথেষ্ট গুৰুত্ব আৰু তাৎপর্য আছে।

১২.৯ স্কুলত সহ-পাঠ্যক্রম পৰিচালনাৰ নীতিসমূহ

স্কুলৰ পৰিবেশত সহ-পাঠ্যক্রম উপযুক্তভাৱে পৰিচালনা কৰাতো এক গুৰুত্বপূর্ণ কার্য্য। স্কুল কর্তৃপক্ষই এই কার্য্যসূচীসমূহ পৰিচালনা কৰোতে লক্ষ্য ৰাখিব লাগে যাতে প্রত্যেকজন শিক্ষার্থীয়ে এই কার্য্যসূচীসমূহৰ দ্বাৰা উপকৃত হ'ব পাৰে। সেইবাবে সহ-পাঠ্যক্রম কার্য্যসূচীসমূহৰ সফল পৰিচালনাৰ বাবে তলত উল্লেখ কৰা দিশসমূহ বিবেচনা কৰা উচিত।

- এই কার্য্যসূচীসমূহৰ দায়িত্ব সামগ্রিকভাবে শিক্ষানুষ্ঠানৰ মুৰব্বীজনে গ্রহণ কৰি উপযুক্তভাবে ইয়াক চলাই নিব লাগে।
- শিক্ষানুষ্ঠানৰ মুৰব্বীজনৰ পৰামর্শক্রমে বিভিন্ন কার্য্যসূচীৰ বাবে বেলেগ বেলেগ কমিটি গঠন কৰিব লাগে। কার্য্যসূচীসমূহ প্রয়োগ কৰাৰ সময়ত বিভিন্ন কমিটিবোৰে এই

কথাটো লক্ষ্য ৰখা উচিত যাতে প্ৰয়োজন অনুসৰি শিক্ষার্থীসকলে সা-সৰঞ্জামবোৰ পাবলৈ সক্ষম হয়।

- সহ-পাঠ্যক্রমৰ বিভিন্ন কার্য্যৰ বাবে থকা তত্বাৱধায়ক শিক্ষকজনৰ অধীনত তেওঁক এই ক্ষেত্রত সহায় কৰিবৰ বাবে অন্য শিক্ষক আৰু শিক্ষার্থী থকা উচিত।
- সহ-পাঠ্যক্রম কার্য্যসূচী পৰিচালনাৰ বাবে দৰকাৰ হোৱা প্ৰয়োজনীয় অর্থপুজি স্কুলকর্তৃপক্ষই যোগান ধৰা উচিত।
- এই কার্য্যসূচীসমূহৰ সফল ৰূপায়ন হ'বলৈ প্ৰত্যেকজন শিক্ষার্থীয়ে অতি কমেও এটা কার্য্যসূচীত অংশগ্রহণ কৰা উচিত।
- সহ-পাঠ্যক্রম কার্য্যসূচীবোৰৰ ৰূপায়নৰ বাবে সঠিক সময় নির্ধাৰণ কৰা উচিত যাতে শিক্ষার্থীসকলে অংশগ্রহণ স্বতঃস্ফূর্ত হয়।
- প্রতিযোগিতাৰ মনোভাবক আগস্থান দিয়াৰ সলনি এই কার্য্যসূচীসমূহত অংশগ্রহণ তথা আদান-প্রদানৰ ভাৱধাৰাক প্রাধান্য দিয়া উচিত।
- সহ-পাঠ্যক্রমৰ কার্য্যসূচীসমূহক উপযুক্তভাবে প্রয়োগ কৰাৰ বাবে শিক্ষক আৰু শিক্ষার্থী উভয়ে ইয়াৰ গুৰুত্ব উপলব্ধি কৰি প্রকৃত ৰূপত সংগঠিত কৰি লব লাগে।
- সহ-পাঠ্যক্রমৰ বিভিন্ন কার্য্যসমূহ স্কুলত ৰূপায়নৰ সময়ত অভিভাৱক সকলক নিমন্ত্রণ জনাব লাগে যাতে বিদ্যালয় আৰু অভিভাৱকৰ মাজত সম্পর্ক গঢ়ি উঠিব পাৰে। ইয়াৰ ফলত তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীৰ প্রতিভা আৰু সাফল্যৰ বিষয়ে অবগত হব পাৰে আৰু শিক্ষকসকলৰ সৈতে মত বিনিময়ৰ সুযোগ পায়।
- স্কুলত এই কার্য্যসূচীসমূহ সফল কৰি তুলিবলৈ এনেবোৰ দিশত আগ্রহ থকা উপযুক্ত শিক্ষক তত্বাৱধায়ক নির্বাচন কৰি ল'ব লাগে। এই কার্য্যসমূহক বিদ্যালয়ৰ শৈক্ষিক বিষয়ৰ পাঠদানৰদৰে এক গুৰুত্বপূর্ণ কার্য্য স্বৰূপে বিবেচনা কৰা উচিত।



জানি থোৱা ভাল

- সহ-পাঠ্যক্রমে শিক্ষানুষ্ঠানৰ শৈক্ষিক দিশটো শক্তিশালী কৰি তোলে।
- সহ-পাঠ্যক্রমত অংশগ্রহণৰ যোগেদি শিক্ষার্থীয়ে অৱসৰ সময়ৰ সৎব্যৱহাৰ কৰাৰ উপৰিও নিজকে অৱসাদমুক্ত কৰি তুলিব পাৰে।
- এই কার্য্যসূচীবোৰ শিক্ষার্থীৰ বাবে উপযোগী যদিও এই দিশত কৰা অংশগ্রহণে যদি শৈক্ষিক পাঠ্যক্রমৰ প্রতি অমনোযোগী কৰে তেতিয়াই শিক্ষার্থীৰ ক্ষতিহে কৰিব।
- শিক্ষণৰ প্রকৃত স্বৰূপ উপলব্ধি কৰিবলৈ সহ-পাঠ্যক্রমৰ কার্য্যসূচী উপযুক্তভাৱে পৰিচালনা কৰিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সহ-পাঠ্যক্রমৰ দুবিধ সুবিধা আৰু অসুবিধা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ ঃ সহ-পাঠ্যক্রম পৰিচালনাৰ দুটা গুৰুত্বপূর্ণ নীতিৰ বিষয়ে লিখক।

.....

.....



১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা প্রক্রিয়াত শিক্ষা পদ্ধতি, শিক্ষণ-শিকণ, পাঠ-পৰিকল্পনা, পাঠ্যক্রম, সহ-পাঠ্যক্রম আদিবোৰ হৈছে পৰিচিত তথা সংলগ্ন ধাৰণা। শিক্ষাৰ প্রধান লক্ষ্য হৈছে - শিক্ষার্থীৰ সম্পূর্ণ ব্যক্তিত্বৰ বিকাশ সাধন কৰা আৰু পাঠ্যক্রমৰ যোগেদিয়ে শিক্ষাৰ লক্ষ্য প্রস্ফুটিত হয়। এটা শিশু সর্বোতপ্রকাৰৰ বিকাশ হ'বলৈ হ'লে প্রত্যেক দিশতে অংশগ্রহণ কৰাটো নিতান্তই প্রয়োজনীয়।
- সহ-পাঠ্যক্রম কার্য্যসূচীসমূহক কেতিয়াবা শৈক্ষিক কার্য্যক্রমৰ অন্তর্গত নহয় যেন লাগিলেও দৰাচলতে এইবোৰ হৈছে আনুষ্ঠানিক শিক্ষাৰ এটা অংশ। উপযুক্ত সময়ত প্রত্যেক শিক্ষার্থীয়ে এইবোৰত অংশগ্রহণ কৰাটো বাধ্যতামূলক। বর্তমান সময়ত শিক্ষানুষ্ঠানবোৰত খেলধেমালী আৰু সৃজনমূলক কামকাজ সমূহত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। এই সমূহত যথেষ্ট বৌদ্ধিক তাৎপর্য আছে আৰু এইবোৰে শিক্ষার্থীক মানসিক আৰু শাৰীৰিক দিশৰ পৰা উপযুক্তভাবে গঢ় দি তোলাৰ উপৰিও তেওঁলোকৰ উপযুক্ত চৰিত্র গঠন, নেতৃত্বৰ গুণাৱলীৰ বিকাশ, সৌজন্যতাবোধ, আদি গুণবোৰ ফুটাই তোলে। ইয়াৰ উপৰিও শিক্ষার্থীৰ মানসিক স্বাস্থ্যৰক্ষাৰ ক্ষেত্রত সহায়ক হয়।
- সহ-পাঠ্যক্রমৰ মূল উদ্দেশ্যসমূহ হৈছে শিক্ষার্থীৰ কৌতুহলপৰায়ণতা উপশম কৰা তথা প্রত্যেক শিক্ষার্থীৰ সর্বোতমুখী বিকাশৰ বাবে অনুপ্রেৰণা যোগোৱা। এই কার্য্যসূচীবোৰে শিক্ষার্থীসকলৰ প্রতিভাক উন্মেষিত কৰি তোলাৰ লগতে শিক্ষানুষ্ঠানৰো সামগ্রীক পৰিৱেশ উন্নত কৰি তোলে।

- সহ-পাঠ্যক্রমৰ কার্য্যাৱলী প্রস্তুত কৰোতে সদায় লক্ষ্য ৰাখিব লাগে যাতে অতিৰিক্ত পৰিমাণত কার্যসূচী অন্তর্ভূক্ত কৰা নহয়। এনেধৰণৰ বিষয়সমূহ ইয়াত অন্তর্ভূক্ত কৰিব লাগে যিবোৰে শিক্ষার্থীৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰিব পাৰে।
- সহ পাঠ্যক্রমে শিক্ষানুষ্ঠানৰ শৈক্ষিক দিশতো যথেষ্ট সহায় কৰে। এই কার্য্যসূচীবোৰে শৈক্ষিক পাঠ্যক্রমক সম্প্রসাৰণ কৰি তোলে। বর্তমান সময়ত শৈক্ষিক বিষয়বোৰে শিক্ষার্থীৰ ওপৰত পেলোৱা অতিৰিক্ত চাপ দূৰ কৰি সহপাঠ্যক্রমে তেওঁলোকে মন সজীৱ কৰি তোলে।
- এইখিনিতে উল্লেখযোগ্য যে সহ-পাঠ্যক্রমসমূহ যদিও শিক্ষার্থীৰ বাবে দৰকাৰী, কিন্তু এইবোৰেই শিক্ষার্থীৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূর্ণকাৰক হৈ পৰা অনুচিত। সহ-পাঠ্যক্রমে যদি শিক্ষার্থীক শৈক্ষিক পাঠ্যক্রমৰ প্রতি অমনোযোগী কৰি তোলে তেনে পৰিস্থিতিত সহপাঠ্যক্রম শিক্ষার্থীসকলৰ বাবে অনিষ্টকাৰীবিধৰ হৈ পৰিব।

  বর্তমান সময়ত শিক্ষানুষ্ঠান সমূহত উপযুক্তভাৱে সহ-পাঠ্যক্রমৰ কার্য্যসূচীসমূহ পৰিচালনা কৰাতো যথেষ্ট কঠিন কাম। প্রত্যেক ছাত্র-ছাত্রীয়ে যাতে এনে পাঠ্যক্রমৰ দ্বাৰা উপকৃত হ'ব পাৰে তাৰ প্রতি লক্ষ্য ৰাখি স্কুল কর্তৃপক্ষসমূহে এইবোৰ যুগুত কৰা উচিত।



১২.১১ অধিক জানিবলৈ

১) মহন্ত, ড° নৰনাৰায়ণ। *শিক্ষাতত্ত্ব আৰু নীতি*। কাশ্যপ পাব্লিচিং।

২) ডেকা, ড° বীৰেন্দ্র। *শিক্ষাতত্ত্ব।* বনলতা, গুৱাহাটী।



১২.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সহ-পাঠ্যক্রমৰ দুটা সংজ্ঞা এনেধৰণৰ --

ড° ৰাধাকৃষ্ণণৰ মতে, আমি শিক্ষার্থীৰ প্রতিভাসমূহৰ উন্মেষ হবলৈ সুবিধা দিয়া উচিত আৰু তেওঁলোকৰ সম্ভাৱনীয়তাসমূহৰ বিকাশত সহায় কৰা উচিত। এইটোৱেই হৈছে এবিধ যন্ত্র যিয়ে গঠন কৰিব পাৰে সৃজনীশীলতাৰ প্রাণশক্তি।

কোঠাৰী আয়োগৰ মতে - স্কুলৰ পাঠ্যক্রমক শিক্ষার্থীৰ সমগ্র শিক্ষণ অভিজ্ঞতাৰ সমষ্টি বুলি ক'ব পাৰো, যিবোৰ বহুমুখী কার্য্যসূচী শিক্ষার্থীয়ে স্কুলৰ সৌজন্যত লাভ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ সহ-পাঠ্যক্রমৰ তিনিটা উদ্দেশ্য হৈছে এনেধৰণৰ

- শিক্ষার্থীসকলৰ কৌতুহল প্ৰৱণতা চৰিতার্থ কৰিবলৈ আৰু প্ৰত্যেক শিক্ষার্থীৰ সর্বাংগীন বিকাশৰ বাবে উদ্‌গনি যোগোৱা।
- বিদ্যালয়ৰ সামগ্রীক শৈক্ষিক ব্যৱস্থা উন্নত কৰা যাতে ইয়াৰ ফলত বিদ্যালয়ৰ সকলো দিশৰ উন্নতি সাধন হয়।
- এটা উপযুক্ত পৰিবেশ গঠন কৰা য'ত শিক্ষার্থী সকলে নিজস্ব অর্ন্তদৃষ্টিৰে প্ৰকৃত সত্যৰ উদ্‌ঘাটন আৰু সমস্যাসমূহ নিজে সমাধান কৰিব পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ সহ-পাঠ্যক্রম কার্য্যাৱলী প্রস্তুতকৰণৰ দুটা নীতি

- সহ-পাঠ্যক্রম কার্য্যসূচী প্রস্তুতকৰণৰ সময়ত এইটো লক্ষ্য ৰাখিব লাগে যে এই কার্য্যাৱলীসমূহৰ যাতে মাত্রাধিক নঘটে আৰু এইসমূহে যাতে শিক্ষার্থীসকলৰ প্রয়োজন তথা আশা-আকাংক্ষাসমূহ পূৰণ কৰি তুলিব পাৰে।
- সহ পাঠ্যক্রমৰ কার্য্যসূচীসমূহক স্কুলত প্রয়োগ কৰাৰ আগতে উপযুক্তভাবে অধ্যয়ন আৰু নিৰীক্ষণ কৰা দৰকাৰ।



১২.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সহ-পাঠ্যক্রম কার্য্যাৱলী বুলিলে কি বুজে ? ইয়াৰ প্রয়োজনীয়তা আৰু বিভিন্ন প্রকাৰৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ২ ঃ সহ পাঠ্যক্রমৰ তাৎপর্য্য আৰু ইয়াৰ গুৰুত্বতাৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ৩ ঃ আপুনি পৰম্পৰা বিদ্যালয়ত সহ পাঠ্যক্রমৰ বিভিন্ন কার্য্যাৱলীসমূহ কেনেধৰণেৰে সুচাৰুৰূপে নিয়ন্ত্রণ কৰিব ?

প্রশ্ন ৪ ঃ সহ পাঠ্যক্রম কার্য্যাৱলীসমহ প্রয়োগৰ কিছুমান সুবিধাৰ বিষয়ে লিখক।

****

অধ্যায় ১৩ - পৰিচালনা আৰু সম্পদসমূহ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ সম্পদসমূহৰ ধাৰণা

১৩.৩.১ মানৱ সম্পদৰ ধাৰণা

১৩.৩.২ বৈষয়িক সম্পদৰ ধাৰণা

১৩.৪ সম্পদ পৰিচালনাৰ নীতিসমূহ

১৩.৫ সম্পদ পৰিচালনাৰ ক্ষেত্ৰত অংশীদাৰসকলৰ ভূমিকা

১৩.৬ শৈক্ষিক অনুষ্ঠানসমূহত সম্পদসমূহৰ একত্ৰকৰণৰ প্ৰয়োজন আৰু গুৰুত্বসমূহ

১৩.৭ আনুষ্ঠানিক সম্পদসমূহৰ একত্ৰকৰণৰ ক্ষেত্ৰত শিক্ষকৰ দায়িত্ব আৰু ভূমিকা

১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৯ অধিক জানিবলৈ

১৩.১০ অগ্ৰগতিৰ খতিয়ান

১৩.১১ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- শৈক্ষিক অনুষ্ঠানৰ মানৱ সম্পদ আৰু বৈষয়িক সম্পদৰ বিষয়ে জানিব পাৰিব।
- বিভিন্ন প্ৰকাৰৰ মানৱ আৰু বৈষয়িক সম্পদৰ বিষয়ে জানিব পাৰিব।
- মানৱ আৰু বৈষয়িক সম্পদসমূহৰ কৌশলসমূহ বুজিব পাৰিব।
- মানৱ আৰু বৈষয়িক সম্পদসমূহৰ পৰিচালনাৰ সমস্যাসমূহ জানিব পাৰিব।

১৩.২ পৰিচয়

সামাজিক অনুষ্ঠান হিচাপে শিক্ষা অনুষ্ঠান হৈছে এক সার্বজনীন অনুষ্ঠান। ই হৈছে সংস্কৃতি, পৰম্পৰা, সভ্যতা আৰু ৰাষ্ট্ৰ গঠনৰ চিৰস্থায়ী প্ৰতিনিধি, যি বহু শতিকা যুৰি বৰ্তি আছে। সমাজে ইয়াৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ পোষকতা কৰে আৰু এনেদৰে সমাজে শিশুসকলক আৰু যুৱ প্ৰজন্মক শিক্ষা তথা জ্ঞান, বিশ্বাস, মূল্য আৰু ভাৱধাৰা জন্মাই শিক্ষিত কৰি তুলিবলৈ শিক্ষানুষ্ঠান স্থাপন কৰে আৰু এনেদৰে উপযুক্ত জীৱন ধাৰণৰ প্ৰক্ৰিয়া আহৰণ কৰে। সমসাময়িক পৰিবেশত, শৈক্ষিক অনুষ্ঠান হৈছে উন্নত গুণমানৰ জীৱন যাপনৰ এক গুৰুত্বপূৰ্ণ আহিলা। সেইবাবে সম্পদৰ পৰিচালনা হৈছে শৈক্ষিক অনুষ্ঠানৰ অস্তিত্ব ৰক্ষা আৰু

উৎকর্ষ সাধনৰ জটিল সমস্যা। এই অধ্যায়টোত আমি শিক্ষানুষ্ঠানৰ মানৱ সম্পদ আৰু বৈষয়িক সম্পদ সৈতে সম্পৰ্কিত বিভিন্ন বিষয়ে আলোচনা কৰিম। ইয়াত আমি শৈক্ষিক অনুষ্ঠানৰ মানৱ সম্পদ আৰু বৈষয়িক সম্পদৰ অৰ্থ আৰু সম্পদ আৰু পৰিচালনাৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিম। সম্পদ একত্রকৰণত শিক্ষকৰ ভূমিকা সম্পৰ্কে উল্লেখ কৰিম।

১৩.৩ সম্পদসমূহৰ ধাৰণা

সম্পদৰ বিভিন্ন দিশৰ পৰা সংজ্ঞা দিয়া হয়। সাধাৰণভাৱে সম্পদ হৈছে কোনো এটা লক্ষ্যত উপনীত হ'বলৈ প্রয়োজন হোৱা মানুহ বা বস্তু বা এটা বস্তুৰ উৎপাদন। আকৌ, অৰ্থনীতিৰ দিশৰ পৰা সম্পদ হৈছে যিকোনো যোগান, সমৰ্থন বা আহিলা যিয়ে কোনো ব্যক্তি বা অনুষ্ঠানৰ চাহিদা বা প্রয়োজনীয়তা পূৰণ কৰে। সেইবাবে কোৱা হয় যে সম্পদ হৈছে এখন আঁচনি প্রৱর্তন; সমস্যাৰ পৰা মুক্ত হোৱা, সমস্যা সমাধান কৰা আৰু সাফল্য লাভ কৰাৰ এক উপায় সদৃশ। সম্পদ কেতিয়াবা অৰ্থ, মানুহে আগবঢ়োৱা সেৱা হিচাপে, অৰ্থনৈতিক বস্তু, যন্ত্রপাতি, সম্পত্তি, আহিলা, সা-সৰঞ্জাম, ঘৰ, যানবাহন ইত্যাদি।

উইকিপেডিয়া অনুসৰি, সম্পদৰ অৰ্থ হৈছে উৎস বা যোগান, যাৰ পৰা লাভৰ সৃষ্টি হয়। সাধাৰণভাৱে সম্পদ হৈছে উপাদান, যিয়ে লাভৰ উৎপন্ন কৰে আৰু ই প্রক্রিয়া হৈছে ভোগৰ ক্রিয়া।

ক'ম ডিকক্সাৰী অনুসৰি (Dictionary Com), সম্পদ হৈছে যোগানৰ উৎস, সমৰ্থন বা আহিলা, বিশেষভাৱে ব্যক্তিয়ে যেতিয়াই বিচাৰে তাক পাব পাৰে। সম্পদ প্রাকৃতিকভাৱে সহজলভ্য, যেনে খনিজ সম্পদ, মাটি আৰু বনজ সম্পদ ইত্যাদি। এইবোৰে আহিলা পাতি, যানবাহন আৰু যন্ত্রপাতি আদি উৎপন্ন কৰে। কিছুমান সম্পদ সম্ভাব্য দেখা দিয়ে, কিন্তু এইবোৰৰ বিকাশৰ আৰু ব্যৱহাৰৰ প্রয়োজন যেনে মানুহৰ কৌশল আৰু সামৰ্থ্যসমূহ তেওঁলোকৰ সৈতে থাকে, কিন্তু এইবোৰ শিক্ষা আৰু প্রশিক্ষণৰ দ্বাৰা উন্নত কৰি ল'ব লাগে যাতে উপযুক্ত ব্যৱহাৰ কৰিব পাৰে। ঠিক সেইদৰে বিজুলী শক্তি, কাঠৰ শক্তি আৰু সৌৰশক্তি আদিবোৰ প্রকৃতিত থাকে, কিন্তু সেইবোৰ প্রযুক্তিৰ দ্বাৰা ব্যৱহাৰ উপযোগী কৰি তুলিব লাগে। প্রকৃতিত কিছুমান সম্পদ সাংকেতিক হিচাপে থাকে আৰু এনেধৰণৰ সম্পদৰ ভাল উদাহৰণ হৈছে পইচা বা টকা; কোনো এটা বস্তু ক্রয় কৰাৰ ক্ষমতা টকাই আহৰণ কৰে, কাৰণ সমাজে ইয়াক এটা মূল্য ধাৰণ কৰাৰ সক্ষমতা দিছে।

এখন শিক্ষানুষ্ঠানত ইয়াৰ উপযুক্ত কার্যকাৰিতাৰ বাবে বিভিন্ন সম্পদসমূহে ভূমিকা পালন কৰিব লাগে। এখন শিক্ষানুষ্ঠানত প্রধানকৈ তিনি প্রকাৰৰ সম্পদ থাকে। এইবোৰ হৈছে—

মানৱ সম্পদসমূহ ঃ ইয়াত অন্তর্ভুক্ত সম্পদবোৰ হৈছে পৰিচালনা সমিতি, অনুষ্ঠানৰ মুৰব্বী (অধ্যক্ষ/প্রধান শিক্ষক), উপাধ্যক্ষ, শিক্ষকসমূহ, ছাত্র-ছাত্রী, কর্মচাৰীবৃন্দ ইত্যাদি।

বৈষয়িক/শাৰীৰিক সম্পদসমূহ ঃ বৈষয়িক সম্পদৰ অন্তর্গত হৈছে মাটি, খেলপথাৰ, স্কুলঘৰ, শিক্ষার্থীৰ আবাস, পঢ়াকোঠা, সংগ্রহালয়, প্রেক্ষাগৃহ, শিক্ষক আৰু ছাত্রৰ জিৰণী কোঠা ইত্যাদি।

অর্থনৈতিক সম্পদসমূহ ঃ অর্থনৈতিক সম্পদত আর্থিক সাহায্য, ব্যয় ইত্যাদি থাকে।

১৩.৩.১ মানৱ সম্পদৰ ধাৰণা

আমেৰিকাৰ কর্পোৰেচনৰ মুৰব্বীয়ে এবাৰ কৈছিল—

"আমি যানবাহন, উৰাজাহাজ, ফ্রীজ, ৰেডিঅ' নাসাজো, আমি মানুহ সৃষ্টি কৰিম। মানুহে উৎপাদনৰ সৃষ্টি কৰিব।"

মানুহে কোনো বস্তু উৎপাদন কৰিবলৈ বিভিন্ন কার্য কৰে বা কোনো লক্ষ্যত উপনীত হ'বলৈ কার্য কৰে, যাক মানৱ সম্পদ বোলা হয়। মানুহ শাৰীৰিক শক্তি, মনোবৈজ্ঞানিক সামর্থ্য, সঞ্চালনমূলক কৌশলৰ অধিকাৰী আৰু সম্পর্ক ৰক্ষা কৰিবৰ বাবে কিছুমান সামাজিক কৌশল শিকে, যিবোৰ তেওঁলোকে বস্তু উৎপাদন আৰু সেৱাৰ বাবে ব্যৱহাৰ কৰে। এই সকলোবোৰক একেলগে মানৱ সম্পদ বোলা হয়।

লিয়ন মেগীনচনে (Leon Megginson) মানৱ সম্পদৰ সংজ্ঞা এনেদৰে দিছে "কোনো এক সংগঠনৰ কামৰ উৎসৰ লগতে মূল্যৰ সমগ্র জ্ঞান, কৌশল, সৃজনীমূলক কার্যাৱলী, উৎকর্ষ আৰু অভিৰুচি আৰু ইয়াৰ সৈতে জড়িত ব্যক্তিৰ বিশ্বাস, অন্তর্নিহিত সমর্থ, আর্জিত জ্ঞান আৰু কৌশলসমূহ, যাক নিয়োজিত ব্যক্তিয়ে প্রতিনিধিত্ব কৰে।"

মানৱ সম্পদ হৈছে এখন শৈক্ষিক অনুষ্ঠানৰ গুৰুত্বপূর্ণ সম্পদ। যোৱা দুটা দশকৰ পৰিচালনা ব্যৱস্থা শিক্ষানুষ্ঠানত মানুহৰ প্রকৃতি আৰু প্রয়োজনীয়তা বৃদ্ধিৰ সৈতে জড়িত। শিক্ষানুষ্ঠানৰ মানুহৰ নিজ লক্ষ্য, মূল্য, অনুভৱ, আৱেগ আৰু প্রয়োজনীয়তা থাকে যিয়ে তেওঁলোকৰ প্রয়োজনীয়তাত কিছু প্রকাৰে প্রভাৱ পেলায় আৰু অনুষ্ঠানেও মানুহৰ পৰা কিছুমান তেওঁলোকৰ প্রয়োজন আৰু লক্ষ্য অনুসৰি আচৰণ আশা কৰে।

১৩.৩.২ বৈষয়িক সম্পদৰ ধাৰণা

বৈষয়িক সম্পদসমূহ হৈছে প্রকৃতিত পোৱা বস্তু, যিবোৰ মানুহৰ ব্যৱহাৰিক উদ্দেশ্যত ব্যৱহাৰ কৰা হয় আৰু এইবোৰৰ মূল্য থাকে বুলি বিবেচনা কৰা হয়। শিক্ষানুষ্ঠানৰ বৈষয়িক সম্পদবোৰ হৈছে স্কুলঘৰ, পুথিভঁৰাল, ব্যৱহাৰিক কক্ষ, আহিলা-পাতি, সা-সৰঞ্জাম, অন্য শিক্ষণ-শিকনৰ সামগ্রী আৰু আচবাব আদি। বৈষয়িক সম্পদবোৰৰ শাৰীৰিক অৱয়ব আছে আৰু সেইবোৰ কেঁচা সামগ্রী হিচাপে পোৱা যায় বা সেইবোৰ বনাব লাগে। বৈষয়িক সম্পদবোৰ দীর্ঘদিনৰ বাবে ব্যৱহাৰ কৰিব

পাৰি। ভাল বৈষয়িক সম্পদবোৰে শিক্ষণ-শিকনৰ প্ৰক্ৰিয়াৰ সামৰ্থ্য বৃদ্ধি কৰি তোলে। ই শিক্ষক আৰু ছাত্ৰক শিক্ষা আৰু শিকোৱাত অভিৰোচিত কৰি তোলে। তদুপৰি ই অনুষ্ঠানৰ সকলো সদস্যৰ মনত গৌৰৱবোধ আনি দিয়ে।

শিক্ষক আৰু শিক্ষণৰ সামৰ্থ্য প্ৰধানকৈ স্কুলৰ বৈষয়িক সম্পদৰ সহজলভ্যতাৰ ওপৰত নিৰ্ভৰ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ _____ সম্পদসমূহ দীৰ্ঘ সময়লৈ ব্যৱহাৰ কৰিব পাৰি। (খালী ঠাই পূৰ কৰা)

প্ৰশ্ন ২ঃ মানৱ সম্পদৰ সংজ্ঞা দিয়া।

.....

.....

১৩.৪ সম্পদ পৰিচালনাৰ নীতিসমূহ

সম্পদ পৰিচালনা বিশেষকৈ বৈষয়িক সম্পদসমূহ কিছুমান নীতিৰ ওপৰত প্ৰতিষ্ঠিত। সেইবোৰ হৈছে—

- **বৈষয়িক সম্পদসমূহৰ নিৰ্ধাৰণ ঃ** সম্পদ পৰিচালনাৰ প্ৰথম আৰু গুৰুত্বপূৰ্ণ নীতি হৈছে শিক্ষানুষ্ঠানৰ বাবে কি ধৰণৰ বস্তুৰ প্ৰয়োজন তাক নিৰ্ধাৰণ কৰা। অৰ্থ নিৰ্ধাৰণ, খৰচৰ শিতান আৰু বস্তুবোৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে এইবোৰৰ প্ৰয়োজন। প্ৰয়োজনীয় বস্তু নিৰ্ধাৰণ বিভিন্ন উপাদানৰ ওপৰত নিৰ্ভৰ কৰে, যেনে পৰিকল্পিত কাৰ্যাৱলীয়ে কৰ্মীৰ সবলতা বৃদ্ধি কৰে। নামভৰ্তি কৰা শিক্ষাৰ্থীৰ সংখ্যা, তাৎক্ষণিক আৰু প্ৰয়োজন আঁতৰোৱা, অৰ্থৰ সহজলভ্যতা ইত্যাদি। উপযুক্ত প্ৰয়োজনীয়তা নিৰ্ধাৰণৰ বাবে পৰিকল্পনা আৰু আলোচনাৰ প্ৰয়োজন।
- **প্ৰয়োজনীয়তাৰ ভিত্তিত বিশেষ সুবিধা প্ৰদান ঃ** আৰম্ভণিতে এইটো স্থিৰ কৰিব লাগে যে কি ধৰণৰ সুবিধা শিক্ষানুষ্ঠানসমূহক প্ৰদান কৰা হ'ব। ইয়াৰ ভিত্তিত, প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰা হয়। ইয়াৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ গুণগত/পৰিমাণগত উপযুক্ত পৰিকল্পনা আৰু ধাৰণাৰ দৰকাৰ।
- **গুণমান নিৰ্ধাৰণ অতি দৰকাৰী ঃ** যেতিয়া এখন শিক্ষানুষ্ঠানৰ বাবে বিভিন্ন বস্তু ক্ৰয় কৰা হয়, উচ্চ গুণমানক অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগে। অনুষ্ঠানৰ ক্ষেত্ৰত ই অতি

প্ৰয়োজন, কাৰণ ইয়াৰ সামগ্ৰী ক্ৰয়ত জনসাধাৰণৰ টকা জড়িত হৈ থাকে। সামগ্ৰীৰ উচ্চ মানদণ্ডই উপযুক্ত সেৱা, দীৰ্ঘম্যাদী ব্যৱহাৰ, অপচয়, আহিলাসমূহ ক্ষয় যোৱা আদি স্থিৰ কৰে।

- **সামগ্ৰীৰ গুণমানৰ উপযুক্ত নিৰ্ধাৰণ ঃ** সামগ্ৰীৰ গুণমান (সংখ্যা আৰু পৰিমাণ) অতি সাৱধানে প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰিব লাগে। সামগ্ৰীৰ অলাগতিয়াল মজুতকৰণ এৰাই চলিব লাগে। কেৱল দুষ্প্ৰাপ্য সামগ্ৰীহে বেছি পৰিমাণে ক্ৰয় কৰিব লাগে আৰু মজুত ৰাখিব লাগে, ভোগ্য সামগ্ৰীসমূহ কম পৰিমাণে কিনিব লাগে।
- **সমগ্ৰ দেশৰ জনসাধাৰণৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ পৰিমাণ নিৰ্ধাৰণ ঃ** এইটো গুৰুত্বপূৰ্ণ যে প্ৰত্যেক ছাত্ৰৰ বাবে কিমান পৰিমাণৰ খৰচৰ লক্ষ্য নিৰ্ধাৰণ কৰিব সেইটো সামগ্ৰী ক্ৰয়ৰ সময়ত পৰিকল্পনা কৰিব লাগে। এইটো মুঠ খৰচক ছাত্ৰৰ সংখ্যাৰে ভাগ (একক) কৰি নিৰূপণ কৰিব লাগে। ই বিনিয়োগ সহজলভ্য হয় নে নহয় নিৰ্দেশ কৰিব। যদি প্ৰত্যেকৰ মূলধনক (অৰ্থনীতিত একক ব্যয় হিচাপে জনা যায়) একক ব্যয় বেছি হয় তেন্তে ক্ৰয়ৰ সীমাবদ্ধতা থাকিব লাগিব।
- **সকলো সামগ্ৰী অতিমাত্ৰা ব্যৱহাৰ কৰিব লাগে ঃ** কোনো অনুষ্ঠানৰ পৰিচালনাৰ সামগ্ৰীৰ অতিমাত্ৰা ব্যৱহাৰ কৰা হয়। অতিমাত্ৰা ব্যৱহাৰে আহিলাৰ সামৰ্থ্য বৃদ্ধি কৰে, অৰ্থনৈতিক হিচাবে পৰিগণিত হয়।
- **উপযুক্ত বস্তুৰ তালিকা ব্যৱস্থা বজাই ৰাখিব লাগে ঃ** সকলো সহজলভ্য/ক্ৰয়ৰ সামগ্ৰী হিচাপৰ বহীত টুকি ৰাখিব লাগে, ব্যৱহাৰ ইত্যাদিও ৰাখিব লাগে। নতুন সামগ্ৰী ক্ৰয় কৰিলে তাক অন্তৰ্ভুক্ত কৰিব লাগে, কিতাপ ব্যৱহাৰৰ বাবে যিকোনো সামগ্ৰী টুকি ৰাখিব লাগে আৰু ব্যৱহাৰযোগ্য কৰিবলৈ কোনো সামগ্ৰীৰ ব্যৱহাৰ বা কোনো অপৰিসীম পদ্ধতি।
- **প্ৰত্যেক সামগ্ৰী উপযুক্তভাৱে চিনাক্তকৰণ ঃ** সকলো সামগ্ৰী যেতিয়া অনুষ্ঠানৰে হ'ব আৰু এনেকৈ জনসাধাৰণৰ সম্পত্তি হ'ব, সেইবাবে সেইবোৰ পৰীক্ষা আৰু চিনাক্ত কৰি তথ্য ৰাখিব লাগে। কিছুমান চিনাক্তকৰণৰ চিহ্ন যেনে অনুষ্ঠানৰ নাম, সামগ্ৰীৰ ভাগ আৰু ক্ৰমিক সংখ্যা প্ৰত্যেক সামগ্ৰীতে লগাব লাগে।

১৩.৫ সম্পদ পৰিচালনাৰ ক্ষেত্ৰত অংশীদাৰসকলৰ ভূমিকা

মানৱ আৰু বৈষয়িক সম্পদ দুয়োবিধৰ পৰিচালনাৰ বাবে কিছুমান অংশীদাৰ থাকে। নীতি-নিয়ম অনুযায়ী আৰু যিহেতু প্ৰধান শিক্ষক/অধ্যক্ষ হৈছে এখন অনুষ্ঠানৰ প্ৰশাসনিক মুৰব্বী, সেইবাবে প্ৰধান শিক্ষক/অধ্যক্ষ অনুষ্ঠানৰ সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু পৰিচালনাৰ বাবে দায়বদ্ধ, অন্যান্য ব্যক্তিসকল আৰু অনুষ্ঠানৰ শিক্ষক আৰু আন কৰ্মচাৰীসকল পৰোক্ষভাৱে সম্পদ পৰিচালনাৰ বাবে দায়বদ্ধ। তেওঁলোক সাধাৰণতে উপযুক্ত পৰিচালনা আৰু সম্পদৰ

ব্যৱহাৰৰ বাবে দায়বদ্ধ। অনুষ্ঠানৰ মুৰব্বী, শিক্ষক আৰু কৰ্মচাৰীসকল প্ৰত্যেকেই সম্পদ উপযুক্তভাৱে পৰিচালনাৰ বাবে দায়বদ্ধ। প্ৰত্যেকৰে এইক্ষেত্ৰত ভূমিকা আছে।

- **প্ৰধান শিক্ষকৰ ভূমিকা ঃ**

অনুষ্ঠানৰ সম্পদ পৰিচালনাৰ প্ৰধান দায়িত্ব বিশেষভাৱে অনুষ্ঠানৰ মুৰব্বীৰ ওপৰত ন্যস্ত থাকে।

- পৰিচালনা কমিটি আৰু অন্য সদস্যৰ সহযোগত এখন অনুষ্ঠানৰ মুৰব্বীয়ে প্ৰয়োজন অনুযায়ী কি ধৰণৰ সামগ্ৰী কিনিব আৰু কেনেদৰে সম্পদ একত্ৰিত কৰিব তাক স্থিৰ কৰে।
- তেওঁ প্ৰয়োজনীয় সামগ্ৰীৰ তালিকা প্ৰস্তুত কৰে, খৰচৰ বাবে টকা ধাৰ্য কৰে, প্ৰয়োজনীয় সামগ্ৰীৰ বাবে সম্বলিত পত্ৰও আহ্বান কৰা হয় আৰু নীতি অনুসৰি ক্ৰয় কৰিবলগীয়া সামগ্ৰীৰ সংশোধন কৰা হয়।
- যিবোৰ সামগ্ৰী কিনি মজুত ৰখা হয় তাক অনুষ্ঠানৰ মুৰব্বীয়ে নিৰূপিত কৰিব লাগে।
- প্ৰয়োজনীয়তাৰ ভিত্তিত প্ৰধান শিক্ষকে সম্পদ বিতৰণ কৰিব লাগে।
- সকলোবোৰ সম্পদৰ পৰ্যবেক্ষণ কৰিব লাগে।
- প্ৰয়োগশালা আৰু অন্যবোৰ দিশৰ সৰঞ্জামসমূহৰ ৰক্ষণাবেক্ষণত চকু দিব লাগে।
- তেওঁ বিভিন্ন শাখাৰ সম্পদসমূহৰ দায়িত্ব তাৰ মুৰব্বীসকলক ভগাই দিব লাগে, যেনে গ্ৰন্থগাৰিক, শাৰীৰিক শিক্ষাৰ শিক্ষক, প্ৰয়োগশালাৰ সহায়ক, দৃশ্য-শ্ৰাব্য সঁজুলিৰ পৰ্যবেক্ষক আৰু শ্ৰেণীশিক্ষক।
- প্ৰধান শিক্ষকে নিৰ্দিষ্ট সময়ৰ মূৰত বিভিন্ন মানৰ আৰু বৈষয়িক সম্পদৰ প্ৰয়োজনীয়তাবোৰৰ মূল্যায়ন কৰিব লাগে আৰু ইয়াৰ বাবে পদক্ষেপ হাতত ল'ব লাগে।
- অনুষ্ঠানৰ মুৰব্বীয়ে ন্যায় সংগতভাৱে কাম আৱৰ্তন কৰিব লাগে। উপযুক্ত সামৰ্থ্য লাভৰ বাবে কৰ্মচাৰীৰ নিয়মিত পৰিদৰ্শন প্ৰয়োজন।
- তেওঁ সম্পদৰ নতুন উৎসসমূহ চিনাক্ত কৰিব পাৰে আৰু সেইবোৰ উপযুক্তভাৱে একত্ৰকৰণ কৰিব লাগে।

এনেদৰে এখন অনুষ্ঠানৰ মুৰব্বীয়ে সম্পদ পৰিচালনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

- **শিক্ষকৰ ভূমিকা ঃ**

সহজসভ্য সম্পদসমূহৰ উপযুক্ত ব্যৱহাৰৰ ক্ষেত্ৰত শ্ৰেণীশিক্ষকসমূহো দায়বদ্ধ। তেওঁলোকৰ ভূমিকাবোৰ হৈছে এনেধৰণৰ—

- শ্ৰেণীশিক্ষকসকলে কিছুমান দিশত যেনে পুথিভঁৰাল আৰু প্ৰয়োগশালাৰ উপযুক্ত ব্যৱহাৰ তথা খেল-ধেমালিৰ সামগ্ৰী আৰু শিক্ষণ আহিলাবোৰৰ ব্যৱহাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগে।

- তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰতো দায়বদ্ধ, যাতে তেওঁলোকৰ সমৰ্থবোৰ উপযুক্ত বিকাশ সাধন কৰি ব্যক্তিত্ব আৰু চৰিত্ৰ গঠন কৰিব পাৰে।
- তেওঁলোকে প্ৰধান শিক্ষকক কিতাপ, বৈদ্যুতিক সামগ্ৰী, প্ৰয়োগশালাৰ আহিলা আৰু খেলৰ সামগ্ৰী কিনাত সহযোগ কৰে।
- তেওঁলোকে পৰ্যাপ্ত পৰিমাণে পুথিভঁৰালৰ সুবিধা, প্ৰয়োগশালাৰ সুবিধা ব্যৱহাৰ কৰিব লাগে যাতে এইবোৰৰ সৎ ব্যৱহাৰ শিক্ষার্থীয়ে কৰিব পাৰে।

● **কৰ্মচাৰীসকলৰ ভূমিকা ঃ**

কৰ্মচাৰীসকলৰ ভূমিকা তলত দাঙি ধৰা হ'ল।

- সামগ্ৰীৰ ৰক্ষণাবেক্ষণ, এইবোৰৰ বিষয়ে হিচাপ ৰখা আদিতেই কৰ্মচাৰীৰ ভূমিকা সীমাবদ্ধ আৰু ইয়াৰ লগতে পুথিভঁৰাল, প্ৰয়োগশালাৰ সেৱা আৰু কার্যালয়ৰ নিয়মিত কাম তেওঁলোকে কৰিব লাগে।
- তেওঁলোকে সামগ্ৰীসমূহ আৰু আহিলাবোৰ নিয়মিতভাৱে পৰিদর্শন কৰিব লাগে আৰু কিবা অসুবিধা থাকিলে মেৰামতি কৰাব লাগে বা প্ৰয়োজনীয় সামগ্ৰীৰ বাবে প্ৰধান শিক্ষকক অৱগত কৰাব লাগে।
- গ্ৰন্থগাৰিক আৰু প্ৰয়োগশালাৰ সহায়ক, দৃশ্য-শ্ৰাব্য সঁজুলিৰ যন্ত্ৰবিদ্ আদিয়ে শিক্ষণ-শিকনৰ কার্যাৱলীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- এগৰাকী ভাল গ্ৰন্থগাৰিকে শিক্ষার্থীক পুথিভঁৰালৰ সৎ ব্যৱহাৰৰ দ্বাৰা শিক্ষা দিব পাৰে আৰু সেইদৰে প্ৰয়োগশালাৰ যন্ত্ৰবিদে শিক্ষার্থীক প্ৰয়োগশালাৰ কার্যত সহায় কৰিব পাৰে।

● **স্কুল পৰিচালনা কমিটি (SMC) আৰু শিক্ষক, অভিভাৱকৰ সংগঠনৰ (PTA) ভূমিকাঃ**

স্কুল পৰিচালনা কমিটি আৰু শিক্ষক অভিভাৱক সংগঠনে তলত উল্লেখ কৰা ধৰণে তেওঁলোকৰ ভূমিকা পালন কৰে—

- তেওঁলোকৰ দায়িত্ব সম্পদৰ চিনাক্তকৰণ আৰু একত্ৰকৰণ আৰু সেইবোৰৰ উপযুক্ত ব্যৱহাৰৰ পৰিদর্শনতে সীমাবদ্ধ থাকে।
- তেওঁলোকে নতুন সম্পদৰ বিষয়ে প্ৰধান শিক্ষকক অৱগত কৰাই সহায় কৰিব পাৰে।
- সম্পদৰ একত্ৰকৰণৰ বাবে বিদ্যালয়ৰ যিকোনো কার্যতে অংশগ্ৰহণ কৰিব পাৰে।
- প্ৰয়োজনীয় সামগ্ৰী ক্ৰয়ৰ বাবে স্কুল পৰিচালনা কমিটিৰ টকা ধার্য আৰু উপদেশ দিয়াৰ ক্ষমতা আছে।
- সহজলভ্য সামগ্ৰীবোৰ কিমানদূৰ ব্যৱহাৰ হৈছে তাক তেওঁলোকে পৰিদর্শন কৰাৰ অধিকাৰ আছে।

➢ শিক্ষক অভিভাৱক সংস্থাই শিক্ষার্থীৰ বিদ্যায়তনিক অগ্রগতিও চাব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ঃ সম্পদ পৰিচালনাৰ দুটা নীতি উল্লেখ কৰক।

.....

.....

প্রশ্ন ৪ঃ সম্পদ পৰিচালনাৰ ক্ষেত্রত কর্মচাৰীসকলে কেনে ধৰণৰ ভূমিকা গ্রহণ কৰে?

.....

.....

১৩.৬ শৈক্ষিক অনুষ্ঠানসমূহত সম্পদসমূহৰ একত্রকৰণৰ প্রয়োজন আৰু গুৰুত্বসমূহ

এখন শিক্ষানুষ্ঠানৰ বিকাশৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ দিশ হৈছে সর্বাধিক পৰিমাণত আৰু উপযুক্ত পদ্ধতিৰে সম্পদ একত্রকৰণ কৰা। সম্পদৰ একত্রকৰণে শিক্ষানুষ্ঠানক তাৰ উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্রত সহায় কৰে। তলত শিক্ষানুষ্ঠানত সম্পদ একত্রকৰণৰ প্রয়োজনীয়তা আৰু গুৰুত্ব সম্পর্কে দাঙি ধৰা হ'ল।

- সম্পদ একত্রকৰণে স্কুলৰ সর্বতোমুখী বিকাশত সহায় কৰে।
- সম্পদ একত্রকৰণৰ সহায়ত সহজলভ্য বৈষয়িক সম্পদবোৰ সর্বাধিক পৰিমাণৰ ব্যৱহাৰ কৰিব পাৰি।
- ই সহজলভ্য মানৱ সম্পদসমূহ সম্ভৱপৰ ক্ষেত্রলৈ বিস্তাৰ কৰিব পাৰে।
- স্কুলৰ বিদ্যায়তনিক কার্যৰ গুণগত মানৰ উন্নতকৰণৰ সম্পদ একত্রকৰণৰ সহায়ত সম্ভৱ হয়।
- শৈক্ষিক অনুষ্ঠানবোৰৰ উদ্দেশ্যসমূহত উপনীত হ'বলৈ সম্পদ একত্রকৰণৰ সহায়ৰ দৰকাৰ।
- বিদ্যালয়ত পাঠ্যক্রমৰ কার্যাৱলীসমূহ উপযুক্তভাৱে সংগঠন কৰাত ই সহায় কৰে।
- ইয়াৰ সহায়ত সহ-পাঠ্যক্রমৰ কার্যাৱলীসমূহ সংগঠন সম্ভৱপৰ হয়।
- শিক্ষানুষ্ঠানৰ শিক্ষার্থীৰ সর্বতোমুখী বিকাশত সম্পদ একত্রকৰণে সহায় কৰে।
- ই স্কুলৰ খৰচৰ পৰিমাণ হ্রাস কৰে।
- স্কুলৰ ভৰিষ্যত বিকাশৰ কার্যাৱলীৰ পৰিকল্পনা কৰাত সহায় কৰে।

- বিভিন্ন সম্প্রদায়ৰ সম্পদসমূহৰ সর্বাধিক বিকাশ ইয়াৰ দ্বাৰা সম্ভৱ হয়।
- ই শিক্ষকক নিজৰ কার্যাৱলী উপযুক্তভাৱে আগবঢ়াই নিয়াত সহায় কৰে।

১৩.৭ আনুষ্ঠানিক সম্পদসমূহৰ একত্রকৰণৰ ক্ষেত্রত শিক্ষকৰ দায়িত্ব আৰু ভূমিকা

শিক্ষা হৈছে প্রধানকৈ মানুহ সৃষ্ট প্রক্রিয়া আৰু ইয়াক "মানৱ সম্পদ বিকাশ" বুলিও জনা যায় আৰু ই মানুহৰ অনুশীলন আৰু ৰূপান্তৰ সামাজিকৰণৰ বিভিন্ন স্তৰ, আহৰণ, সজাগতা আৰু বাস্তৱতা ক্ষেত্রত সম্ভৱ কৰে। শিক্ষকৰ জৰিয়তে ৰূপান্তৰৰ প্রক্রিয়া আহৰণ কৰিব পাৰি, যাক ভাৰতীয় ব্যৱস্থাত 'গুৰু' হিচাপে অভিহিত কৰা হয় আৰু এই বৃত্তিৰ অর্থৰ সৈতে ই প্রযোজ্য। প্রফেচাৰ হুমায়ুন কবীৰৰ ভাষাত "সাহিত্যিক ভাষাত শিক্ষকসকল হৈছে ৰাষ্ট্রৰ ভাগ্য নির্মাতা। তেওঁ হৈছে আনৰ হিত সাধনা কৰা ব্যক্তি, তথাপিও যিকোনো শৈক্ষিক পুনৰ নির্মাণৰ ক্ষেত্রত শিক্ষক হৈছে চাবিকাঠি সদৃশ।" শিক্ষাৰ প্রভাৱ সদায় থাকে। তেওঁ ভৱিষ্যত নাগৰিকৰ ভাগ্য গঢ় দিয়ে। পৃথিৱীৰ সকলো ঠাইতে এইটো গ্রহণযোগ্য যে যিকোনো শিক্ষা ব্যৱস্থাৰ সফলতা শিক্ষকৰ ওপৰতেই অধিক নির্ভৰশীল। শিক্ষকেই হৈছে প্রধান মানৱ সম্পদ যি গৰাকী শৈক্ষিক ব্যৱস্থাৰ সফলতাৰ বাবে দায়বদ্ধ।

শিক্ষকে সম্প্রদায় আৰু স্বেচ্ছাসেৱী সংস্থাৰ সমর্থন পাবলৈ একেৰাহে চেষ্টা চলাব লাগে। এই কামটো কঠিন যদিও ই শিক্ষকৰ প্রয়োজনীয় দায়িত্ব। প্রধান শিক্ষক আৰু সমগ্র স্কুল ব্যৱস্থাই এইক্ষেত্রত শিক্ষকক সহযোগিতা কৰিব লাগে। শিক্ষকে যিহেতু চৰকাৰৰ নীতি-নিয়ম কঠোৰভাৱে মানি চলিব লাগে, সেইবাবে কেতিয়াবা সম্পদ একত্রকৰণৰ ক্ষেত্রত সমাজৰ সৈতে কাম কৰাত অসুবিধাৰ সৃষ্টি হয়। কিন্তু, তথাপিও একে কঠিনতাৰ পিছতো শিক্ষকে নিজৰ জ্ঞান আৰু সামাজিক কৌশলৰ দ্বাৰা সমাজৰ সৈতে আন্তৰিক সম্পর্ক গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগে। শিক্ষা বিভাগৰ সক্রিয় সহযোগিতা আৰু নির্দেশনা অনুযায়ী স্কুলৰ বিকাশৰ বাবে সম্প্রদায়ৰ কার্যত অংশগ্রহণ কৰিব লাগে আৰু উপযুক্ত আৰু দায়িত্বশীল সম্প্রদায়ৰ অংশগ্রহণৰ সুবিধাবোৰ যেনে সামাজিক আৰু সাংস্কৃত কার্যাৱলী/উৎসৱ/কার্য, স্কুল তথা গাঁও পৰিষ্কাৰ কৰা, স্বাস্থ্য সজাগতা কার্য, গাঁৱৰ সংগীত উৎসৱ, স্বাক্ষৰতা অভিযান, ধর্মীয় অনুষ্ঠান, জনসাধাৰণৰ শিক্ষাৰ কার্যসূচী যেনে এইডচ্ সজাগতা, পৰিবেশ সজাগতা কার্যসূচী আৰু এইবোৰ শিক্ষকে ব্যৱহাৰ কৰি স্কুলৰ শিক্ষাৰ পৰিমাণগত আৰু গুণগত উন্নতি সাধন কৰিব পাৰে। স্কুল আৰু সম্প্রদায়ৰ সম্পর্ক যথেষ্ট প্রয়োজনীয়।

সম্পদ একত্রকৰণৰ ক্ষেত্রত শিক্ষকৰ ভূমিকা গুৰুত্বপূর্ণ। স্কুলৰ বিকাশ আৰু শিক্ষকৰ গুণগত বিকাশৰ বাবে শিক্ষকে সম্পদ একত্রকৰণৰ দায়িত্ব ল'ব লাগে। প্রত্যেক শিক্ষকে সহজলভ্য সম্পদসমূহৰ বিভিন্ন উৎস যেনে সম্প্রদায়, স্বেচ্ছাসেৱী সংস্থা আৰু চৰকাৰ-স্কুলৰ উপকাৰৰ বাবে কাম কৰিব লাগে। প্রত্যেক শিক্ষকে উপযুক্তভাৱে সম্পদ একত্রকৰণ, সেইবোৰৰ উপযুক্ত ব্যৱহাৰ আৰু সেইবোৰৰ সংৰক্ষণৰ বাবে কাম কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ঃ সম্পদ পৰিচালনাৰ গুৰুত্ব সম্পর্কে কেইটামান শাৰী লিখক।

.....

.....



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি তলত উল্লেখ কৰা দিশবোৰ আলোচনা কৰিলোঁ।

- সম্পদৰ অর্থ, মানুহে আগবঢ়োৱা সেৱা, অর্থনৈতিক বস্তু, যন্ত্রপাতি, সম্পত্তি, আহিলা, সা-সৰঞ্জাম, মাটি-ঘৰ, যানবাহন ইত্যাদি হ'ব পাৰে।
- শৈক্ষিক অনুষ্ঠানত ইয়াৰ উপযুক্ত কার্যৰ বাবে বিভিন্ন সম্পদে এক গুৰত্বপূর্ণ ভূমিকা গ্রহণ কৰে।
- মানুহৰ সৈতে শাৰীৰিক শক্তি, মনোবৈজ্ঞানিক সামর্থ্যবোৰ, সঞ্চালনমূলক কার্য আৰু মানৰ সম্পর্ক বজাই ৰাখিবলৈ সামাজিক কৌশলবোৰ— যিবোৰ বস্তু উৎপাদন আৰু সেৱাৰ ক্ষেত্রত ব্যৱহাৰ কৰা হয় আদিবোৰ থাকে। এই সকলোবোৰকে মানৱ-সম্পদ বোলা হয়।
- শৈক্ষিক অনুষ্ঠানৰ বৈষয়িক সম্পদবোৰ হৈছে স্কুল-ঘৰ পুথিভঁৰাল, প্রয়োগশালা, আহিলা, সৰঞ্জাম, অন্য শিক্ষণ-শিকনৰ বস্তু আৰু আচবাব ইত্যাদি। শিক্ষণ-শিকনৰ সাফল্য বহু পৰিমাণে স্কুলৰ বৈষয়িক সম্পদৰ সহজলভ্যতাৰ ওপৰত নির্ভৰ কৰে।
- প্রয়োজনীয় সামগ্রী নির্দ্ধাৰণ কিছুমান উপাদানৰ ওপৰত নির্ভৰশীল— যেনে, পৰিকল্পিত কার্যাৱলীৰ প্রকাৰ, কর্মচাৰীৰ শক্তি, ছাত্রৰ নামভর্তিকৰণৰ সংখ্যা, তাৎক্ষণিক প্রয়োজন, অর্থৰ সহজলভ্যতা ইত্যাদি।
- যিকোনো অনুষ্ঠানৰ সম্পদ পৰিচালনাৰ এক নীতি হৈছে সম্পদৰ যথার্থভাৱে সর্বোচ্চ ব্যৱহাৰ। অতিমাত্রা ব্যৱহাৰে আহিলাৰ সামর্থ্য বৃদ্ধি কৰে, আৰু অর্থ ৰাহি কৰে।
- নীতি-নিয়ম অনুযায়ী আৰু যিহেতু প্রধান শিক্ষক/অধ্যক্ষ হৈছে এখন অনুষ্ঠানৰ প্রশাসনিক মুৰব্বী, সেইবাবে প্রধান শিক্ষক/অধ্যক্ষ অনুষ্ঠানৰ সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু পৰিচালনাৰ ক্ষেত্রত দায়বদ্ধ। অন্যান্য ব্যক্তিসকল আৰু অনুষ্ঠানৰ শিক্ষক তথা আন কার্মচাৰীসকল পৰোক্ষভাৱে সম্পদ পৰিচালনাৰ ক্ষেত্রত দায়বদ্ধ।

- এখন শিক্ষানুষ্ঠানৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দিশ হৈছে সৰ্বোচ্চ হাৰত উপযুক্তভাৱে সম্পদৰ একত্ৰকৰণ। সম্পদৰ একত্ৰকৰণে শিক্ষানুষ্ঠানৰ উদ্দেশ্যত উপনীত হোৱাত সহায় কৰে।
- স্কুলৰ বিকাশ আৰু শিক্ষাৰ গুণগত বিকাশৰ বাবে শিক্ষকসকলে সম্পদ একত্ৰকৰণৰ দায়িত্ব ল'ব লাগে।



১৩.৯ অধিক জানিবলৈ

১) Ghosh (1975). *Personnel Administration of Education in India*. New Delhi: Sudha Publishers.

২) Mathur S. S. (1970). *Educational Administration, Principles and Practice*. Jullunder: Krishna Printers.

৩) Sharma. R. D. (1978). *Human Resource Planning*. New Delhi: Light and Life Publishers.

৪) Sukla P. D. (1983). *Administration of Education in India*. New Delhi: Vikas Publishing Co.

৫) SyenaS. (1979). *Educational planning in India*. New Delhi: Sterling Publishers.



১৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বৈষয়িক

২ নং প্ৰশ্নৰ উত্তৰ ঃ লিয়ন মেগীনচনে মানৰ সম্পদৰ সংজ্ঞা এনেদৰে দিছে— "কোনো এক সংগঠনৰ কামৰ উৎসৰ লগতে মূল্যৰ সমগ্ৰ জ্ঞান, কৌশল, সৃজনীমূলক কাৰ্যাৱলী, উৎকৰ্ষ আৰু অভিৰুচি আৰু ইয়াৰ সৈতে জড়িত ব্যক্তিৰ বিশ্বাস, অন্তৰ্নিহিত সমৰ্থ, আৰ্জিত জ্ঞান আৰু কৌশলসমূহ, যাক নিয়োজিত ব্যক্তিয়ে প্ৰতিনিধিত্ব কৰে।"

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সম্পদ পৰিচালনাৰ দুটা নীতি হৈছে

১। বৈষয়িক সম্পদৰ নিৰ্দ্ধাৰণ।

২। প্ৰয়োজনীয়তাৰ ভিত্তিত সুবিধাৰ বিশেষীকৰণ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্মচাৰীসকলৰ ভূমিকা তলত দাঙি ধৰা হ'ল—

- সামগ্ৰীৰ ৰক্ষণাবেক্ষণ, এইবোৰৰ বিষয়ে হিচাপ ৰখা আদিতেই কৰ্মচাৰীৰ ভূমিকা সীমাবদ্ধ আৰু ইয়াৰ লগতে পুথিভঁৰাল প্ৰয়োগশালাৰ সেৱা আৰু কাৰ্যালয়ৰ নিয়মিত কাম তেওঁলোকে কৰিব লাগে।

- তেওঁলোকে সামগ্ৰীসমূহ আৰু আহিলাবোৰ নিয়মিতভাৱে পৰিদৰ্শন কৰিব লাগে আৰু কিবা অসুবিধা থাকিলে মেৰামতি কৰাব লাগে বা প্ৰয়োজনীয় সামগ্ৰীৰ বাবে প্ৰধান শিক্ষকক অৱগত কৰাব লাগে।
- গ্ৰন্থগাৰিক আৰু প্ৰয়োগশালাৰ সহায়ক, দৃশ্য-শ্ৰাব্য সঁজুলিৰ যন্ত্ৰবিদ আদিয়ে শিক্ষণ-শিকনৰ কাৰ্যাৱলীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- এগৰাকী ভাল গ্ৰন্থগাৰিকে শিক্ষাৰ্থীক পুথিভঁৰালৰ সৎ ব্যৱহাৰৰ দ্বাৰা শিক্ষা দিব পাৰে আৰু সেইদৰে প্ৰয়োগশালাৰ যন্ত্ৰবিদে শিক্ষাৰ্থীক প্ৰয়োগশালাৰ কাৰ্যত সহায় কৰিব পাৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সম্পদ পৰিচালনাৰ গুৰুত্ব সম্পৰ্কে তলত দাঙি ধৰা হ'ল—

- সম্পদ একত্ৰকৰণে স্কুলৰ সৰ্বতোমুখী বিকাশত সহায় কৰে।
- সম্পদসমূহৰ একত্ৰকৰণৰ সহায়ত সহজলভ্য বৈষয়িক সম্পদবোৰ সৰ্বাধিক পৰিমাণত ব্যৱহাৰ কৰিব পাৰি।
- ই সহজলভ্য মানৱ সম্পদসমূহ সম্ভৱপৰ ক্ষেত্ৰলৈ বিস্তাৰ কৰিব পাৰে।
- স্কুলৰ বিদ্যায়তনিক কাৰ্যৰ গুণগতমানৰ উন্নতকৰণৰ সম্পদ একত্ৰকৰণৰ সহায়ত সম্ভৱপৰ হয়।



১৩.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বৈষয়িক সম্পদ কি?

প্ৰশ্ন ২ ঃ শৈক্ষিক অনুষ্ঠানৰ মানৱ সম্পদৰ উদাহৰণ লিখক।

প্ৰশ্ন ৩ ঃ সম্পদৰ গুণমান নিৰ্দ্ধাৰণ কিয় চাব লাগে?

প্ৰশ্ন ৪ ঃ সম্পদৰ এটা বৈশিষ্ট্য লিখক।

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ এখন শৈক্ষিক অনুষ্ঠানৰ বৈষয়িক আৰু মানৱ সম্পদৰ পাৰ্থক্য লিখক।

প্ৰশ্ন ২ ঃ সম্পদ পৰিচালনা কিয় গুৰুত্বপূৰ্ণ?

প্ৰশ্ন ৩ ঃ সম্পদ একত্ৰকৰণৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা চমুকৈ বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সম্পদ পৰিচালনাৰ ক্ষেত্ৰত প্ৰধান শিক্ষকৰ ভূমিকা বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ সম্পদ পৰিচালনাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

*** ***** ***** ***

অধ্যায় ১৪ - সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা

অধ্যায় গাঁথনি ঃ

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ মানৱ সম্পদ বিকাশৰ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা

১৪.৪ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা সংস্কৃতিৰ প্ৰয়োজনীয় উপাদানসমূহ

১৪.৫ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা প্ৰণালীত প্ৰক্ৰিয়া ব্যৱস্থাপনা

১৪.৬ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনাৰ বাবে লাভ কৰা সুফলসমূহ

১৪.৭ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনাৰ উপাদানসমূহ

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৯ অধিক জানিবলৈ

১৪.১০ অগ্ৰগতিৰ খতিয়ান

১৪.১১ আহিঁ প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনাৰ ধাৰণাটো বুজিব পাৰিব
- সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা প্ৰণালীত প্ৰক্ৰিয়া ব্যৱস্থাপনা সম্পৰ্কে জানিব পাৰিব
- সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনাৰ উপাদানবোৰ চিনাক্ত কৰিব পাৰিব

১৪.২ পৰিচয়

সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা (Total Quality Management, চমুকৈ TQM) হ'ল এক দৰ্শন। এই দৰ্শনে কোনো অনুষ্ঠান অথবা প্ৰতিষ্ঠানৰ সকলো বিভাগ আৰু প্ৰতিগৰাকী কৰ্মচাৰীক সামৰি লয়। ইয়াৰ সহায়ত কোনো কাৰ্যৰ সকলো দিশৰে উৎকৰ্ষ অবিৰতভাৱে উন্নত কৰা আৰু উপভোক্তাক সন্তুষ্টি প্ৰদানৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস চলোৱা হয়। TQMৰ সংজ্ঞাত তিনিটা প্ৰাসংগিক দিশ নিহিত আছে— (i) অবিৰত উন্নতি, (ii) উপভোক্তাক সন্তুষ্টি প্ৰদান আৰু (iii) সকলো কৰ্মচাৰীৰ অংশগ্ৰহণ। উৎকৰ্ষ প্ৰাপ্তি হ'ল প্ৰত্যেকৰে বাবে লাগতীয়াল বিষয়। সামগ্ৰী, সামগ্ৰীবোৰ নুৰিওৱাৰ কৌশল (packing), বিতৰণ, জনসম্পৰ্ক,

উপভোক্তাৰ সৈতে সম্পৰ্ক, টেলিফোন বার্তা গ্রহণ, পত্র লিখন, দর্শনার্থীৰ যত্ন লোৱা আদি সকলো দিশতে উৎকৰ্ষ প্রদর্শনৰ প্রয়োজন হয়। সেয়েহে TQM-এ সকলোকে সামৰি লয় আৰু উৎকৰ্ষৰ এক সম্পূর্ণ নতুন সংস্কৃতি বিকশিত কৰাৰ চেষ্টা চলায়। শৈক্ষিক দৃষ্টিকোণৰ TQM মানে হ'ল অধ্যয়নৰ বাবে পর্যাপ্ত সময় ব্যৱস্থাপনা, শিক্ষণৰ ফলপ্রসূতা, কোনো এক শিকণ পৰিৱেশত শিক্ষার্থীয়ে প্রদর্শন কৰা সফলতাৰ প্রতিফলন ইত্যাদি। উৎকৰ্ষ মানে হ'ল কোনো এক নির্দিষ্ট বিষয়ত প্রদর্শন কৰা শ্রেষ্ঠত্বৰ মাত্রা। ই এটা স্বীকৃত মান (norm), এটা স্তৰ (rank) নাইবা এটা মানক (standard) হ'ব পাৰে। কোনো এক নির্দিষ্ট অনুষ্ঠানৰ কার্যাৱলীৰ পাৰদর্শিতা মূল্যাংকন কৰাৰ পাচত ইয়াৰ উৎকৰ্ষ গম পোৱা যায়। সামগ্রিকভাৱে আনুষ্ঠানিক ফলপ্রসূতা বর্তাই ৰাখিবলৈ আৰু বৃদ্ধি কৰিবলৈ প্রস্তুত কৰি লোৱা উন্নয়ন ব্যৱস্থা এটাকে উৎকৰ্ষ নিশ্চিতি বোলে। কোনো এটা শিক্ষানুষ্ঠানৰ পাঠ্যক্রমভিত্তিক দিশ, শিক্ষণ-শিকন প্রক্রিয়া, গৱেষণা পৰামর্শ আৰু শিক্ষা, স্বাস্থ্যযত্নৰ অনুশীলন, শিক্ষার্থী সমর্থন সেৱা, বিস্তৃত প্রকাশন তথা সহঃ পাঠ্যক্রমমূলক কার্যকলাৰ দৰে গুৰুত্বপূর্ণ মাত্রাবোৰ অধিক সমৃদ্ধ কৰি তুলিবলৈ উৎকৰ্ষৰ দিশটো উন্নত কৰি তোলাটো অতি প্রয়োজনীয়।

১৪.৩ মানৱ সম্পদ বিকাশৰ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা

TQM হ'ল নেতৃত্ব দিব পৰা সামর্থ, কৌশল, দলীয় কার্য আৰু অনমনীয় বিশ্লেষণত জোৰ দিয়া এটা ব্যৱস্থাপনা আৰ্হি। ই স্ব-মূল্যাংকনৰ পথো প্রশস্ত কৰি তোলে। TQM প্রত্যাশাবোৰ পূৰণ কৰিবলৈ কোনো এক অনুষ্ঠান/প্রতিষ্ঠানৰ সকলো কর্মচাৰীৰে স্বৈচ্ছিক অংশগ্রহণ অতি প্রয়োজনীয়। অনুষ্ঠান-প্রতিষ্ঠানবোৰৰ মানৱ সম্পদ বিভাগৰ কাম নতুন কর্মচাৰী নিয়োগ আৰু নতুন কর্মচাৰী বাছনি প্রক্রিয়াবোৰৰ লগে লগে আৰম্ভ হয়। নতুন কর্মচাৰীসকলক একোগৰাকী অভিজ্ঞ তদাৰককাৰীৰ অধীনত কাম কৰিবলৈ শিকোৱা হয়। কোনো অনুষ্ঠান-প্রতিষ্ঠানত কর্মৰত অভিজ্ঞ কর্মচাৰীৰ দলটোক চাৰিওফালৰপৰা উন্নত কৰি লৈ গৈ থকাটো হ'ল জ্যেষ্ঠ পৰিচালকসকলৰ বাবে এটা গুৰুত্বপূর্ণ কাম। TQMৰ বাবে কর্মচাৰীক উদ্বুদ্ধ কৰি তোলাৰ বিভিন্ন পদ্ধতি আছে। তলত ইয়াৰ কেইটামান পদ্ধতিৰ বিষয়ে উল্লেখ কৰা হ'ল—

- কর্মচাৰীসকলৰ প্রয়োজনীয় দক্ষতাৰ বিকাশ ঘটাবলৈ নিয়মীয়া বিৰতিৰ মূৰে মূৰে তেওঁলোকক প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা।
- কোনো বিভাগতে যাতে প্রয়োজনাধিক আৰু আংশিকভাৱে ব্যস্ত কর্মচাৰী নাথাকে সেয়া সুনিশ্চিত কৰা। কৰিবলৈ বিশেষ কাম নথকা কর্মচাৰীয়ে সদায় অন্য কর্মচাৰীৰ সময় নষ্ট কৰে।
- দক্ষতা আৰু অভিজ্ঞতাৰ আধাৰত কাম আৰু দায়িত্ব অর্পণ কৰা উচিত। ইয়াৰ উপৰি সঠিক কামত সঠিক কর্মচাৰী নিয়োগ কৰা দৰকাৰ।
- মিলা-প্রীতিপূর্ণ কর্ম পৰিৱেশ সৃষ্টি আৰু দল গঠন প্রক্রিয়াত জোৰ দিয়া। এই কার্যই সিদ্ধান্ত গ্রহণ প্রক্রিয়াত কর্মচাৰীৰ অংশগ্রহণৰ পথ সুচল কৰে।
- জ্যেষ্ঠ ব্যৱস্থাপনা বিষয়াসকলে নিজৰ নিয়মীয়া কার্যবোৰ সম্পাদন কৰাৰ লগতে

বিভিন্ন কাম-কাজৰ বাবে ভৱিষ্যৎ নেতৃস্থানীয় কর্মচাৰীৰ বিকাশ ঘটাবলৈ কর্মচাৰীসকলৰ কাম-কাজ নিৰীক্ষণ কৰিব লাগে।

- স্ব-বিকাশ আৰু অনুষ্ঠান/প্রতিষ্ঠানৰ বিকাশত অৱদান আগবঢ়াব পৰাকৈ কর্মচাৰীসকলক নতুন দক্ষতা আহৰণ কৰিবলৈ আৰু উচ্চতৰ অর্হতাৰ গৰাকী হ'বলৈ অনুপ্রাণিত কৰিব লাগে।

মানৱ সম্পদ বিকাশমূলক কার্যকলাপবোৰৰ তদাৰক কৰি, প্রত্যেক কর্মচাৰীৰ বিপৰীতে কর্মসংক্রান্তীয় ফাইল আৰু লিখিত খতিয়ানৰ ভিত্তিত অহৰহ নিৰক্ষীণ অব্যাহত ৰাখি আৰু সাংগঠনিক কাম-কাজ অবিৰতভাৱে উন্নত কৰি গৈ মানৱ সম্পদক জ্ঞান, দক্ষতা আৰু শেহতীয়াকৰণৰ দিশেৰে অবিৰতভাৱে উন্নত কৰি লৈ গৈ থাকিব পৰা যায়।



জানি থোৱা ভাল

TQMৰ ধাৰণাটো আৰু অধিক স্পষ্টকৈ জানি থওঁ আহক ঃ

সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনাৰ সমার্থক ইংৰাজী অভিধাটো হ'ল Total Quality Management; ইয়াত—

Total মানে হ'ল সমগ্রতা।

Quality-এ কোনো এবিধ সামগ্রী নাইবা সেৱা যোগনিয়াৰৰ উৎকর্ষৰ মান সূচায়।

Management মানে হ'ল পৰিকল্পনা, নিয়ন্ত্রণ আৰু নির্দেশ দিয়া কার্য, কলা অথবা ধৰণ।

অর্থাৎ, TQM হ'ল উৎকর্ষৰ চৰম বিন্দুত উপনীত হ'বলৈ এক সমগ্রতাক পৰিচালনা কৰাৰ কলা।

১৪.৪ সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনা সংস্কৃতিৰ প্রয়োজনীয় উপাদানসমূহ

TQM নামেৰে জনাজাত হোৱা ব্যৱস্থাপনা পন্থাটোৰ উত্থান ঘটিছিল ১৯৫০ৰ দশকত। ১৯৮০ৰ দশকৰ আৰম্ভণিৰপৰা লাহে লাহে পন্থাটোৱে জনপ্রিয়তা অর্জন কৰিছিল। সর্বমুঠ উৎকর্ষমান (Total Quality) হ'ল এটা বর্ণনা। ইয়াৰ দ্বাৰা উপভোক্তাৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ বিভিন্ন ধৰণৰ সামগ্রী আৰু সেৱা আগবঢ়োৱাৰ চেষ্টা চলাই থকা কোনো কোম্পানী নাইবা অনুষ্ঠান-প্রতিষ্ঠানৰ কর্ম সংস্কৃতি, মনোভাৱ আৰু সাংগঠনিক বৈশিষ্ট্যৰ উমান পোৱা যায়। সংস্কৃতি বোলোতে কোম্পানী নাইবা অনুষ্ঠান-প্রতিষ্ঠান একোটাৰ কার্য অভিযান, প্রক্রিয়া, কোনো ব্যৱস্থাৰপৰা লাভ কৰা ফলাফল আদিৰ দৰে সকলো দিশতে প্রয়োজন হোৱা উৎকর্ষমানৰ কথা বুজোৱা হয়। কোনো এটা অনুষ্ঠান-প্রতিষ্ঠানত TQM সংস্কৃতি বর্তাই ৰাখিবলৈ কেইটামান বিশেষ কথা অনুসৰণ কৰা উচিত। সেই বিষয়ে তলত উল্লেখ কৰা হ'ল ঃ

- অহৰহ গ্ৰাহকক সন্তুষ্টি প্ৰদানৰ উপায় অন্বেষণ কৰি থকা। গ্ৰাহকৰ সহাঁৰি মনোযোগা সহকাৰে বুজাৰ চেষ্টা কৰা আৰু এনে সহাঁৰি সাংগঠনিক কাৰ্যত সংযোজিত কৰা।
- TQM সংস্কৃতিৰ বিকাশ ঘটাবলৈ উপযুক্ত নেতৃত্ব দিবৰ বাবে ব্যৱস্থাপনা বিভাগৰ দায়বদ্ধতা থকা।
- সকলো কৰ্মচাৰীৰ বাবে নিৰ্দেশনা হ'ব পৰা সাংগঠনিক উৎকৰ্ষমান নীতি যুগুত কৰা।
- সাংগঠনিক স্বাৰ্থৰ দিশেৰে ফলপ্ৰসূ সাংগঠনিক সংৰচনা গঢ়ি তোলা।
- উৎকৰ্ষমান সংস্কৃতিৰ বিকাশ ঘটোৱাৰ সকলো স্তৰতে মানৱ সম্পদৰ অংশগ্ৰহণ সুনিশ্চিত কৰা।
- কোনো শিক্ষানুষ্ঠানৰ সকলো কৰ্মচাৰীকে (শৈক্ষিক আৰু অনা-শৈক্ষিক অংশগ্ৰহণ সুনিশ্চিত কৰা।
- উন্নত পাৰদৰ্শিতা প্ৰদৰ্শন কৰাসকলক বঁটা/পাৰিতোষিক প্ৰদানৰ ব্যৱস্থা গঢ়ি তোলা।
- ব্যক্তিগত প্ৰতিভাক সমুচিত প্ৰশংসা কৰাৰ লগতে গোট গঠন নাইবা দল নিৰ্মাণক উৎসাহিত কৰি এক সমন্বয়পূৰ্ণ কৰ্ম পৰিৱেশ গঢ়ি তুলি সামূহিক প্ৰদৰ্শনৰ মান উন্নততৰ কৰা।
- শিক্ষা-শিকন প্ৰক্ৰিয়াৰ অবিৰত বিস্তৃত মূল্যায়ন কৰা।
- শিক্ষানুষ্ঠানত শিক্ষাৰ উৎকৰ্ষ সুনিশ্চিত কৰিবলৈ শেহতীয়া শিক্ষাদান নীতি আৰু পদ্ধতিবোৰ গ্ৰহণ কৰা।
- উৎকৰ্ষৰ দিশেৰে ফলপ্ৰসূ কাম কৰি গৈ থকাৰ সময়ত যদি কৰ্মপ্ৰক্ৰিয়া আৰু কৰ্মপদ্ধতিবোৰৰ যথাযথ তদাৰক কৰা হয় তেন্তে পৰিদৰ্শনৰ প্ৰয়োজনীয়তা কমি যায়।
- অবিৰত উন্নতিৰ বাবে উৎকৰ্ষকেন্দ্ৰিক কাৰ্যাৱলীৰ ক্ষেত্ৰত প্ৰশিক্ষণ আৰু পুনঃপ্ৰশিক্ষণৰ প্ৰয়োজন।

১৪.৫ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা প্ৰণালীত ব্যৱস্থাপনা

TQM ব্যৱস্থাত ব্যৱহৃত প্ৰক্ৰিয়াবোৰে আৰম্ভণিৰপৰা শেষলৈকে উৎকৰ্ষৰ দিশবোৰ তদাৰক কৰিব লাগে। এই দিশবোৰ আৰ্হি প্ৰস্তুতকৰণ পৰ্যায়ৰপৰা সামগ্ৰী গ্ৰাহকৰ হাতত পেলোৱা পৰ্যায়, তথ্য নথিভুক্তকৰণ আৰু বিভিন্ন আহিলাৰ বিৱৰণ, আহিলা পৰিচালনাকাৰী আৰু পৰ্যায় মূল্যায়ন ইত্যাদি হ'ব পাৰে। এই দিশবোৰ এনেদৰে তদাৰক কৰা উচিত যাতে প্ৰত্যাশিত উৎকৰ্ষ মাত্ৰ কেইগৰাকীমান কৰ্মচাৰীৰ সলনি সমগ্ৰ প্ৰণালীটোৱে অনায়াসে প্ৰদৰ্শন কৰিব পাৰে।

এটা শিক্ষণ-শিকন প্ৰক্ৰিয়াত পাঠ্যক্ৰম লেনদেনৰ আৰ্হি প্ৰস্তুত আৰু প্ৰয়োগ কৰাৰ সময়ত শিক্ষাৰ্থীৰ প্ৰত্যাশাবোৰৰ কথা বিবেচনা কৰিব লাগিব অথবা এনে প্ৰত্যাশাবোৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰিব লাগিব। শেহতীয়া পাঠ্যক্ৰম, শিক্ষণ-শিকন সামগ্ৰীৰ উপযুক্ত আৰ্হি প্ৰস্তুত তথা বিকাশ, উপযুক্ত শিকন পদ্ধতি গ্ৰহণ, শিক্ষাৰ্থীৰ হাতত যথা সময়ত শৈক্ষিক

সামগ্ৰী তুলি দিয়া, মূল্যায়ন তথা মূল্যাংকন প্ৰক্ৰিয়া ইত্যাদিয়ে সদায় ব্যৱস্থা এটাৰ উৎকৰ্ষ সাধন কৰিব। TQM ব্যৱস্থাৰ সবাতোকৈ উল্লেখযোগ্য বৈশিষ্ট্যটো হ'ল উৎকৰ্ষৰ সুস্থিৰতা বৰ্তাই ৰখা। এটা শিক্ষানুষ্ঠানৰ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা তদাৰক কৰাৰ কামটোত শিক্ষাৰ্থীক বিভিন্ন বিষয়ত সময়মতে সহাঁৰি জনোৱা ব্যৱস্থাটোৱেও যথেষ্ট সহায় কৰে। এখন শিক্ষানুষ্ঠানৰ প্ৰশাসকসকলে শিক্ষানুষ্ঠানত থকা সকলো আসোঁৱাহ আৰু বাধা দূৰ কৰাৰ বাবে আগতীয়া সাৱধানতা অৱলম্বন কৰিব লাগে। এনে আসোঁৱাহ আৰু বাধাই শৈক্ষিক অগ্ৰগতি আৰু শৈক্ষিক সফলতা নিশ্চিত কৰাত অন্তৰায়ৰ সৃষ্টি কৰে। ইয়াৰ উপৰি নতুন নিযুক্তি, বিশেষকৈ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত সঠিক কামৰ বাবে সঠিক ব্যক্তি বাচনি কৰা উচিত। ইতিবাচক প্ৰয়াসত সময় আৰু ধন ব্যয় কৰি প্ৰশাসনে অনুষ্ঠান-প্ৰতিষ্ঠান এটাৰ অন্য খৰছ যথেষ্ট ৰাহি কৰিব পাৰে। ইয়াৰ উপৰি এনেবোৰ প্ৰয়াসৰ ফলত অনুষ্ঠান-প্ৰতিষ্ঠানটোৰ ভাৱমূৰ্তিও যথেষ্ট উচ্চ হৈ পৰে। কোনো ধৰণৰ ভুল হোৱাৰ আগতেই সঠিক সময়ত মূল্যায়ণ প্ৰক্ৰিয়াটো সম্পন্ন কৰা উচিত। লগতে, অনুষ্ঠান-প্ৰতিষ্ঠান এটাক অস্বস্তিকৰ পৰিস্থিতিৰ পৰা আঁতৰাই ৰাখিবলৈ আৰু ব্যয়ৰ বোজা কম কৰিবলৈ অনতিপলমে সকলো ধৰণৰ শুধৰণি কৰি লোৱা উচিত।

১৪.৬ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনাৰ লাভ কৰা সুফলসমূহ

TQMৰ সুফলসমূহক দুটা ভাগত ভগাব পাৰি— বোধগম্য (Tangible) আৰু অবোধগম্য (Intangible)।

(ক) বোধগম্য সুফলসমূহ

- উৎকৰ্ষ সাধন ব্যয় বুজন পৰিমাণে কমি যায়।
- বৰ্দ্ধিত উৎপাদনশীলতাৰ বাবে লাভদায়কতা বৃদ্ধি হয় আৰু শূন্য অথবা নিচেই সামান্য পৰিমাণৰ পুনৰ কাৰ্য ব্যয় কৰিবলগীয়া হয়।
- শিক্ষাৰ্থীৰ শৈক্ষিক সফলতাৰ মান উন্নত হয়।
- সেৱা ব্যয়ৰ পৰিমাণ কমি যায়।

(খ) অবোধগম্য সুফলসমূহ

- কৰ্মচাৰীৰ মনোবল আৰু অনুষ্ঠানৰ ভাৱমূৰ্তি উচ্চ হয়।
- কৰ্মচাৰীৰ অংশগ্ৰহণ আৰু দলীয় কাৰ্যৰ মান উন্নত হয়।
- শিক্ষাৰ্থী আৰু বিষয়া-কৰ্মচাৰীৰ মাজৰ মানৱীয় সম্পৰ্ক উন্নততৰ হয়।



জানি থোৱা ভাল

TQM গুৰুসকল আৰু তেওঁলোকৰ শিক্ষাৰ বিষয়ে উল্লেখ নকৰিলে বিষয়টোক লৈ কৰা সকলো আলোচনা আধৰুৱা হৈ ৰ'ব। TQM গুৰুসকলৰ ভিতৰত সবাতোকৈ জ্যেষ্ঠ পণ্ডিতগৰাকী হ'ল ড° ৱাল্টাৰ শ্বিউহার্ট। তেওঁৰ ছাত্ৰ ক্ৰমে ড° এডৱার্ড ডেমিং

আৰু ড° জোচেফ জুৰানক ইয়াৰ পাচতেই স্থান দিয়া হয়। TQM বিষয়ক লেখনী, ব্যৱহাৰিক কার্য আৰু গ্ৰন্থেৰে অৰিহণা যোগোৱা অন্য পণ্ডিতসকল হ'ল ড° ফিলিপ ক্ৰ'ছবি, মাচাকি ইমাই, শ্বিগেও শ্বিংগো আৰু ড° ইশ্বিকাৱা। ইয়াত আমি TQM ক্ষেত্ৰখনলৈ ড° এডৱার্ড ডেমিঙৰ অৱদান সম্পর্কে চমুকৈ আলোচনা কৰিম। ড° ডেমিং আছিল এগৰাকী পৰিসংখ্যা বিভাগৰ অধ্যাপক। কিন্তু পাচলৈ তেওঁ কর্প'ৰেট জগতৰ সৈতে জড়িত হৈ পৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পাচত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰে তেওঁক জাপানলৈ প্ৰেৰণ কৰিছিল। তেওঁৰ দায়িত্ব আছিল জাপানৰ ঔদ্যোগিক অৱস্থাৰ উন্নতি সাধন কৰা। বিশ্বযুদ্ধৰ পাচত বিধ্বস্ত হৈ পৰা জাপানক পুনৰ মূৰ দাঙি উঠিবলৈ সহায়ৰ প্ৰয়োজন হৈছিল। ড° ডেমিভে সমগ্ৰ জাপান ঘূৰি জাপানী কার্যবাহী বিষয়াবোৰক প্ৰশিক্ষণ দিবলৈ বিভিন্ন আলোচনা চক্ৰ আৰু কর্মশালাৰ আয়োজন কৰিছিল। তেওঁ SQC (Statistical Quality Control/পৰিসাংখ্যিক উৎকৰ্ষমান নিয়ন্ত্ৰণ) কৌশলৰ সহায়ত উৎকর্ষ সাধনৰ প্ৰশিক্ষণ দিছিল। ১৯৫০ চনৰপৰা ১৯৬০ চনলৈ কেইবাশ জাপানী কার্যবাহী বিষয়াই পৰিসাংখ্যিক পদ্ধতিৰে কার্যপ্ৰক্ৰিয়া নিয়ন্ত্ৰণৰ প্ৰশিক্ষণ লৈছিল। ড° ডেমিঙে প্ৰশিক্ষার্থীসকলক কেৱল উৎপাদিত সামগ্ৰী পৰীক্ষা কৰাৰ সলনি সমগ্ৰ কর্মপ্ৰক্ৰিয়াৰে উৎকৰ্ষমান প্ৰত্যাশা সৃষ্টি কৰাৰ পৰামর্শ দিছিল। উৎকৰ্ষমান আৰু উৎপাদনশীলতাৰ মাজৰ সম্পর্কৰ ওপৰত আলোকপাত কৰা প্ৰথমগৰাকী পণ্ডিত আছিল ড° ডেমিং। জাপানী উদ্যোগ জগতে তেওঁৰ এই ধাৰণাক গুৰুত্ব সহকাৰে গ্ৰহণ তথা প্ৰশংসা কৰিছিল।

ডেমিঙৰ চৌধ্যটা ব্যৱস্থাপনা কিটিপ

এই কিপিটকেইটা হ'ল দলীয় কার্য, দায়বদ্ধতা, সা-সুবিধা, প্ৰশিক্ষণ আৰু কর্মচাৰীৰ অংশগ্ৰহণ বিষয়ক পৰামর্শ। কিটিপকেইটা হ'ল—

(১) সামগ্ৰী আৰু সেৱাৰ অবিৰত উন্নতিৰ বাবে উদ্দেশ্যৰ সুস্থিৰতা সৃষ্টি কৰা উচিত।

(২) অর্থনৈতিক সুস্থিৰতাৰ নতুন দর্শন গ্ৰহণ কৰা উচিত।

(৩) উৎকর্ষ সাধনৰ লক্ষ্যত উপনীত হ'বলৈ পৰিদর্শনৰ ওপৰত থকা নির্ভৰশীলতা নাইকিয়া কৰা উচিত।

(৪) কেৱল মূল্যৰ দিশটো বিবেচনা কৰি ব্যৱসায়ৰ সফলতা-বিফলতা নির্ণয় কৰাৰ অনুশীলন ওৰ পেলোৱা উচিত।

(৫) উৎপাদন আৰু সেৱা ব্যৱস্থাবোৰ অবিৰতভাৱে আৰু চিৰদিন উন্নত কৰি গৈ থকা উচিত।

(৬) কাম বিষয়ক আনুষ্ঠানিক প্ৰশিক্ষণৰ দিহা কৰা উচিত।

(৭) তদাৰক আৰু নেতৃত্বৰ আধুনিক পদ্ধতি গ্ৰহণ আৰু প্ৰতিষ্ঠা কৰা উচিত।

(৮) মনৰপৰা জয় দূৰ কৰা উচিত।

(৯) বিভিন্ন বিভাগ, ব্যক্তি, গ্ৰাহক আৰু যোগনিয়াৰৰ মাজত থকা সংযোগ অন্তৰায় নাইকিয়া কৰা উচিত।

(১০) শ্ল'গান, পোষ্টাৰৰ ব্যৱহাৰ আৰু উদ্গনিমূলক বক্তৃতা দিয়াৰ প্ৰথা বিলোপ কৰা উচিত।

(১১) কর্ম মানক নির্ণায়কৰূপে লক্ষ্য বান্ধি দিয়া অথবা সংৰক্ষিত সুবিধা (target or quota) আগবঢ়োৱাৰ প্রথা বিলোপ কৰা উচিত।

(১২) কর্মচাৰীৰ মাজত থকা ব্যৱধান নাইকিয়া কৰা উচিত আৰু তেওঁলোকৰ ব্যক্তিগত কর্মদক্ষতাক লৈ থকা গর্ব কৰাৰ অধিকাৰ আঁতৰোৱা উচিত।

(১৩) শিক্ষা আৰু পুনৰ প্রশিক্ষণ কার্যসূচীবোৰ নিয়মীয়াকৈ পতাৰ দিহা কৰা উচিত।

(১৪) শীর্ষস্তৰৰ ব্যৱস্থাপনা বিষয়াসকলে এই কিটিপবোৰ গ্রহণ আৰু কার্যক্ষেত্রত প্রয়োগ কৰা উচিত।



অগ্রগতি নিৰীক্ষণ

বিকল্প উত্তৰৰ প্রশ্ন ঃ

প্রশ্ন নং ১ ঃ TQMৰ মৌলিক দিশটো হ'ল ঃ

(ক) অবিৰত উন্নতি

(খ) গ্রাহকৰ সন্তুষ্টি

(গ) সকলো কর্মচাৰীৰ অংশগ্রহণ

(ঘ) (ক) আৰু (খ)

(ঙ) (ক), (খ) আৰু (গ)

প্রশ্ন নং ২ ঃ TQM কার্যৰূপায়ণৰ সময়ত ঃ

(ক) সকলো কর্মচাৰীৰ সমান দায়িত্ব থাকে


(খ) সকলোৰে দায়িত্ব থাকে কিন্তু কর্মচাৰীসকলৰ দায়িত্ব বেছি

(গ) সকলোৰে দায়িত্ব থাকে কিন্তু শীর্ষস্তৰৰ ব্যৱস্থাপনা বিষয়াসকলৰ দায়িত্ব বেছি

১৪.৭ সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনাৰ উপাদানসমূহ

TQMৰ তিনিটা প্রধান উপাদান আছে। উপাদানকেইটা হ'ল—

- এটা লিখিত উৎকর্ষমান ব্যৱস্থাপনা পদ্ধতি
- পৰিসাংখ্যিক প্রক্রিয়া নিয়ন্ত্রণ পদ্ধতি
- উৎকর্ষমানৰ উন্নতিৰ বাবে দলীয়ভাৱে কৰা কার্য



চিত্র ১ ঃ TQM

কোনো এক অনুষ্ঠান-প্রতিষ্ঠানৰ সামর্থ উন্নত কৰাৰ লগতে বজাৰ শ্বেয়াৰৰ মূল্য বৃদ্ধি কৰাত এটা প্রণালীবদ্ধ আৰু সংৰচনাত্ম পন্থাৰে উৎকর্ষমান উন্নতকৰণ প্রক্রিয়া আৰম্ভ কৰিলে সুফল পোৱা যাব। এই প্রক্রিয়াত এটা উৎকর্ষমান ব্যৱস্থাৰ সমতাপূর্ণ পৰিচয়, পৰিসাংখ্যিক প্রক্রিয়া নিয়ন্ত্রণ ব্যৱস্থা আৰু দলীয় কার্যই শক্তিশালী ভূমিকা ল'ব পাৰে। কিন্তু পৰিসাংখ্যিক প্রক্রিয়া নিয়ন্ত্রণ ব্যৱস্থা প্রয়োগৰ গুৰুত্ব আৰু উৎকর্ষমান ব্যৱস্থাপনা পদ্ধতি উন্নতকৰণত মাত্রাধিক জোৰ দিব পৰা নাযায়। উদ্যোগবোৰত যন্ত্র-পাতিৰ ব্যৱহাৰ বৃদ্ধি হোৱাৰ লগতে নমনীয় সামগ্রী নির্মাণকাৰী ব্যৱস্থা (Flexible Manufacturing Systems/FMS), সর্বাধিক ফলপ্রসূ উৎপাদন প্রযুক্তি (Optimized Production Technology/OPT)ৰ ব্যৱহাৰ তথা 'জাষ্ট্ ইন টাইম' (JIT) ব্যৱস্থাৰ প্রচলন আৰম্ভ হোৱালৈ চাই সর্বমুঠ উৎকর্ষমান ব্যৱস্থাপনা পদ্ধতি গ্রহণ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে।

এইবোৰৰ উপৰি প্রতিটো অনুষ্ঠান-প্রতিষ্ঠানতেই আন কিছুমান উপাদানৰ তদাৰক কৰিবলগীয়া হয়। এই উপাদানবোৰে কোনো এক প্রণালীৰ TQM লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্রত মুখ্য কাৰকৰ ভূমিকা লয়। TQMৰ সফল প্রয়োগৰ বাবে এটা অনুষ্ঠান প্রতিষ্ঠানে তলত উল্লেখ কৰা আঠটা উপাদান নিজ নিজ ব্যৱস্থাত সংলগ্ন কৰিব লাগে—

- নৈতিকতা (Ethics)
- সংহতি (Integrity)

- আস্থা (Trust)
- প্ৰশিক্ষণ (Training)
- দলীয় কাৰ্য (Team work)
- নেতৃত্ব (Leadership)
- স্বীকৃতি (Recognition)


আৰু

- সংযোগ (Communication)

নেতৃত্ব, আৰ্হি, পৰিকল্পনা আৰু উন্নতি সাধনৰ উদ্যোগবোৰৰ পাচতেই উৎকৰ্ষ সাধনক অনুষ্ঠান/প্ৰতিষ্ঠানৰ আন এক চালিকা শক্তি কৰি তোলা এক দৰ্শনৰ কথা বুজাবলৈ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা (TQM)ৰ ধাৰণাটোৰ বিকাশ ঘটিছে। নিজ লক্ষ্যত উপনীত হ'বলৈ TQMক ওপৰত উল্লেখ কৰা আঠটা উপাদানৰ সহায় লাগে। উপাদানকেইটাক কাৰ্য অনুসৰি চাৰিটা গোটত ভগাই ল'ব পৰা যায়। গোটকেইটা হ'ল—

- ভেটি— নৈতিকতা, সংহতি, আস্থা
- ইটা— প্ৰশিক্ষণ, দলীয় কাৰ্য, নেতৃত্ব
- চুকী— সংযোগ
- মূধচ— স্বীকৃতি

TQMৰ উপাদানবোৰৰ সংৰচনাটো চিত্ৰ ২ত দেখুওৱা হৈছে ঃ



চিত্ৰ ২ ঃ TQMৰ উপাদানবোৰৰ সংৰচনা

উৎস ঃ Source: https://www.isixsigma.com/methodology/total-quality-management-tqm/eight-elements-tqm

I. ভেটি (Foundation) ঃ

নৈতিকতা, সংহতি আৰু আস্থাক 'ভেটি' গোটটোত ৰখা হৈছে। কাৰণ TQM পদ্ধতিটো এই তিনিটা উপাদানৰ আধাৰতে গঢ় লৈ উঠে। এইভেটিটোৱে মুকলি মন, ন্যায়-পৰায়ণতা আৰু নিষ্ঠাৰ পোষকতা কৰে। ই সকলোৰে অংশগ্ৰহণ সম্ভৱ কৰি তোলে।

(১) **নৈতিকতা** ঃ নৈতিকতা হ'ল এক শৃংখলাৱদ্ধতা। যিকোনো পৰিস্থিতিতে নৈতিকতাৰ প্ৰয়োজন। ইয়াৰ দ্বিমুখী বৈশিষ্ট্য আছে। এবিধে অনুষ্ঠান/প্ৰতিষ্ঠানগত নৈতিকতা আৰু আনবিধে ব্যক্তিগত নৈতিকতাৰ কথা বুজায়। সাংগঠনিক নৈতিকতাই একোটা ব্যৱসায়কেন্দ্ৰিক নৈতিক সংহিতা প্ৰতিষ্ঠা কৰে। সকলো কৰ্মচাৰীয়ে নিজ নিজ কৰ্মত পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ সময়ত এই সংহিতাবোৰক নিৰ্দেশনা হিচাপে গ্ৰহণ কৰিব লাগে। ব্যক্তিগত নৈতিকতাই মানুহক ভুল-শুদ্ধ সম্পৰ্কে নিজাকৈ সিদ্ধান্ত লোৱাত সহায় কৰে।

(২) **সংহতি** ঃ সংহতিত সততা, ন্যায়নিষ্ঠতা, প্ৰমূল্য, ন্যায়পৰায়ণতা, যথাৰ্থতা মানি চলা আৰু নিষ্ঠা আদিৰ দৰে গুণবোৰ নিহিত থাকে। এই বৈশিষ্ট্যবোৰ গ্ৰাহক (আভ্যন্তৰীণ আৰু বহিঃ)এ আশা কৰে অথবা তেওঁলোকে লাভ কৰা উচিত। সংহতিৰ বিপৰীতাৰ্থক ধাৰণাটো হ'ল মিথ্যাচাৰ (duplicity)। TQMএ মিথ্যাচাৰৰ অনুশীলন চলা পৰিৱেশত কোনো সুফল প্ৰদৰ্শন কৰিব নোৱাৰে।

(৩) **আস্থা** ঃ আস্থা হ'ল সংহতি আৰু নৈতিক আচৰণৰ সহঃ উপজ। আস্থা অবিহনে TQMৰ জঁকাটো নিৰ্মাণ কৰিব নোৱাৰি। আস্থাই কোনো এক অনুষ্ঠান/প্ৰতিষ্ঠানৰ সকলো সদস্যৰ পূৰ্ণ অংশগ্ৰহণৰ পোষকতা কৰে। ই সবলীকৰণ প্ৰক্ৰিয়াটো সুচল কৰি তোলে। ইয়াৰ ফলত অনুষ্ঠান/প্ৰতিষ্ঠান এটাত গৰ্বিত মালিকীস্বত্বৰ পৰিৱেশ এটা গঢ়ি উঠে আৰু সদস্যসকলৰ দায়বদ্ধতাৰ মাত্ৰ বৃদ্ধি পায়। গ্ৰাহকৰ সন্তুষ্টি নিশ্চিত কৰাৰ বাবে আস্থা অতি প্ৰয়োজনীয়। অৰ্থাৎ, আস্থাই TQMৰ বাবে প্ৰয়োজনীয় সহযোগিতামূলক পৰিৱেশ সৃষ্টিত সহায় কৰে।

II. ইটা (Building Bricks) ঃ

আস্থা, নৈতিকতা আৰু সংহতিৰ সবল ভেটিৰ ওপৰত ইটা গাঠি স্বীকৃতিৰ মূধচ স্পৰ্শ কৰিব পাৰি। ইটা অংশত অন্তৰ্ভুক্ত কৰা উপাদানকেইটা হ'ল—

(৪) **প্ৰশিক্ষণ** ঃ কৰ্মচাৰীবোৰক অতি উৎপাদনশীল কৰি তুলিবলৈ প্ৰশিক্ষণ বিশেষভাৱে গুৰুত্বপূৰ্ণ। TQM প্ৰয়োগৰ সম্পূৰ্ণ দায়িত্ব তত্ত্বাৱধায়কসকলৰ হাতত ন্যস্ত থাকে। আন্তৰ্ব্যক্তিক দক্ষতাৰ বিকাশ, দলৱদ্ধভাৱে কাম কৰাৰ সামৰ্থ বৃদ্ধি, সমস্যা সমাধান, সিদ্ধান্ত গ্ৰহণ, বৃত্তি ব্যৱস্থাপনা, পাৰদৰ্শিতা বিশ্লেষণ তথা উন্নতকৰণ, ব্যৱসায়ভিত্তিক অৰ্থনীতিৰ আকলন আৰু কাৰিকৰী দক্ষতা বৃদ্ধিৰ বাবে কৰ্মচাৰীক প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন হয়। TQM সৃষ্টি আৰু বিকাশৰ সময়ত কৰ্মচাৰীসকলক প্ৰশিক্ষণ দি তেওঁলোকক কোম্পানী অথবা অনুষ্ঠান/প্ৰতিষ্ঠান এটাৰ বাবে লাভজনক কৰি গঢ়ি তোলা হয়।

(৫) **দলীয় কার্য ঃ** ব্যৱসায় আৰু অন্য সহযোগিতামূলক কার্যকলাপৰ লগতে শিকণৰ সময়ত দলীয় কার্য সফল হোৱা উচিত। দলীয় প্রয়াসৰ জৰিয়তে কোনো ব্যৱসায়ত দেখা দিয়া সমস্যাৰ দ্রুত আৰু উন্নততৰ সমাধান উলিয়াব পৰা যায়। দলে প্রক্রিয়াবোৰ আগবঢ়াই নিয়া আৰু কার্য অভিযানৰ অধিক স্থায়ীবিধৰ উন্নতি সাধিব পাৰে। দলৰ ভিতৰত সদস্যসকলে সহজে নানা সমস্যা উল্লেখ কৰিব পাৰে। এনে সমস্যাবোৰ দলৰ অন্য কর্মীৰ সহায়ত সমাধান কৰিব পৰা যায়।

(৬) **নেতৃত্ব ঃ** এটা অনুষ্ঠান/প্রতিষ্ঠানৰ সর্বত্র নেতৃত্বৰ প্রভাৱ দেখা যায়। TQMৰ নেতৃত্ব দিয়া পৰিচালকগৰাকীৰ এটা অনুপ্রাণিত কৰিব পৰা ভৱিষ্যৎ দর্শন থাকিব লাগে। তেওঁ বিভিন্ন ধৰণৰ কৌশলগত সিদ্ধান্ত ল'ব লাগে আৰু তেওঁক প্রতিগৰাকী কর্মচাৰীয়ে মানি চলিব লাগে। কোনো এটা অনুষ্ঠান/প্রতিষ্ঠানত TQM সফল কৰি তুলিবলৈ তত্ত্বাৱধায়কসকলে নিজৰ কর্মচাৰীবোৰক নেতৃত্ব দিবলৈ দায়বদ্ধতা প্রকট কৰা উচিত। তত্ত্বাৱধায়কে লক্ষ্য ৰাখিব লাগে যে অনুষ্ঠান/প্রতিষ্ঠানটোৰ প্রতিগৰাকী কর্মচাৰীয়েই সকলো কার্যকৌশল, অনুসৰণ কৰা দর্শন, প্রমূল্য আৰু লক্ষ্যৰ বিষয়ে জানে। তেতিয়াহে কর্মচাৰীয়ে কামত মনোনিৱেশ কৰিব পাৰিব, তেওঁলোকৰ ধাৰণাবোৰ স্পষ্ট হ'ব আৰু কার্যদিশৰ উমান পাব। TQMৰ এটা বিশেষত্ব হ'ল ইয়াক ব্যৱস্থাপনা বিভাগৰ শীর্ষস্তৰৰ বিষয়াসকলে এই ব্যৱস্থাটোৰ পাতনি মেলিব আৰু নেতৃত্ব দিব লাগে। কোনো কোম্পানী অথবা অনুষ্ঠান/প্রতিষ্ঠানৰ উদ্দেশ্যৰ সৈতে সামঞ্জস্য থকা স্পষ্ট উৎকর্ষমান প্রমূল্য আৰু স্থিৰ লক্ষ্য নির্ধাৰণ কৰিবলৈ ব্যৱস্থাপনা বিভাগৰ শীর্ষ বিষয়াসকলে দায়বদ্ধতা আৰু ব্যক্তিগত অংশগ্রহণৰ আগ্রহ প্রদর্শন কৰিব লাগে। তেতিয়াহে উৎকর্ষমানৰ চৰম লক্ষ্যত উপনীত হ'ব পৰাকৈ একোটা সুসংজ্ঞাবদ্ধ ব্যৱস্থা, পদ্ধতি আৰু পাৰদর্শিতা জোখাৰ উপায় সৃষ্টি আৰু প্রচলন কৰিব পৰা যাব।

III. চুৰ্কী (Building Mortar) ঃ

(৭) **সংযোগ ঃ** সংযোগে আন সকলোবোৰ উপাদানকে একেলগে বান্ধি ৰাখিব পাৰে। TQM গৃহৰ ভেটিৰপৰা মূধচলৈকে সংযোগৰ শক্তিশালী চুৰ্কীয়ে সকলো উপাদান নিকপকপীয়াকৈ গাঠি যায়। ই TQMৰ সকলো উপাদানৰ মাজত এক গুৰুত্বপূর্ণ যোগসূত্রৰ কাম কৰে। সংযোগ মানে হ'ল প্রেৰক আৰু গ্রাহকৰ মাজত ঘটা ধাৰণাৰ আদান-প্রদানৰ এক সাধাৰণ আকলন। TQMৰ সফলতা সংযোগৰ ওপৰত নির্ভৰশীল। এটা অনুষ্ঠান/প্রতিষ্ঠানৰ সকলো সদস্য, যোগনিয়াৰ আৰু গ্রাহকৰ মাজত সংযোগ স্থাপিত হোৱা উচিত। তত্ত্বাৱধায়কসকলে সংযোগ স্থাপনৰ বিভিন্ন পথ মুকলি কৰা উচিত। কর্মচাৰীসকলে এনে সুযোগৰ সদ্ব্যৱহাৰ কৰি TQM প্রক্রিয়া সম্পর্কীয় তথ্য প্রেৰণা আৰু গ্রহণ কৰিব পাৰে। উপযুক্ত সংযোগ স্থাপন কৰিবলৈ প্রেৰিত বার্তাবোৰ যথাসম্ভৱ স্পষ্ট হোৱা উচিত। তেতিয়াহে প্রেৰকে কি ক'ব বিচাৰিছে সেয়া গ্রাহকে বুজি পাব।

Iv. মূধচ (Roof) ঃ

(৮) **স্বীকৃতি ঃ** সমগ্ৰ ব্যৱস্থাটোৰ অন্তিম উপাদানটো হৈছে স্বীকৃতি। এটা দল অথবা এগৰাকী ব্যক্তিক পৰামৰ্শ আৰু সফলতা উভয়ৰে বাবে প্ৰাপ্য স্বীকৃতি প্ৰদান কৰা উচিত। কৰ্মচাৰীয়ে সদায় নিজৰ কামৰ অথবা যিটো দলৰ হৈ কাম কৰে সেই দলটোৰ বাবে স্বীকৃতি আদায় কৰিব বিচাৰে। এগৰাকী তত্ত্বাৱধায়কৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল ইতিবাচক অৱিহণা আগবঢ়াওতাসকলক চিনাক্ত কৰি উলিয়াই স্বীকৃতি প্ৰদান কৰা। কামৰ স্বীকৃতি লাভ কৰা মানুহৰ আত্মপ্ৰত্যয়ৰ লগতে উৎপাদনশীলতা আৰু উৎকৰ্ষ বাঢ়ে। এনে লোকে হাতত থকা কামটো ভালদৰে শেষ কৰিবলৈ অধিক প্ৰয়াস চলায়। এগৰাকী কৰ্মচাৰীয়ে কোনো প্ৰশংসনীয় কাম কৰি উঠাৰ লগে লগে স্বীকৃতি দিব পাৰিলে ভাল। বিভিন্ন ধৰণে, বিভিন্ন স্থানত আৰু বিভিন্ন সময়ত স্বীকৃতি দিব পৰা যায়। যেনে—

- **স্বীকৃতিৰ ধৰণ ঃ** ব্যৱস্থাপনা বিভাগৰ শীৰ্ষ বিষয়াই লিখা ব্যক্তিগত পত্ৰ, বঁটা, ফুলৰ তোৰা, প্ৰশস্তি ফলক, ট্ৰফী ইত্যাদি।
- **স্বীকৃতিৰ স্থান ঃ** কোনো এটা বিভাগৰ সকলো সদস্যৰ আগত এক উৎকৃষ্ট পাৰদৰ্শিতাক স্বীকৃতি প্ৰদান কৰিব পৰা যায়, নাইবা পাৰদৰ্শিতা ফলিত এনে স্বীকৃতি লিখিব পৰা যায়, নাইবা ব্যৱস্থাপনা বিভাগৰ শীৰ্ষ বিষয়াৰ সন্মুখত এনে স্বীকৃতি জনাব পৰা যায়।
- **স্বীকৃতিৰ সময় ঃ** কৰ্মচাৰীসকলৰ বৈঠক, বাৰ্ষিক বঁটা বিতৰণী সভা আদিত কৰ্মচাৰীক ভাল কামৰ বাবে স্বীকৃতি প্ৰদান কৰিব পাৰি।

শেষত, কোনো এক অনুষ্ঠান/প্ৰতিষ্ঠানত TQMৰ সফলতা নিশ্চিত কৰাত তত্ত্বাৱধায়কে সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা লয়। তেওঁ/তেওঁলোকে এই প্ৰধান উপাদানবোৰ যথোপযুক্তভাৱে বিকশিত কৰি এক ফলপ্ৰসূ ব্যৱস্থাপনাৰ প্ৰচলন ঘটাব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

৩। TQM মানে কি বুজে?

.....

.....

৪। TQMৰ প্ৰধান উপাদানবোৰ কি কি?

.....

.....



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা (TQM) হ'ল এটা ব্যৱস্থাপনা কৌশল। ইয়াৰ লক্ষ্য হ'ল সকলো সাংগঠনিক প্ৰক্ৰিয়াত উৎকৰ্ষ সাধনৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰা। নিৰ্মাণ উদ্যোগ, শিক্ষা, কল চেণ্টাৰ, চৰকাৰ আৰু সেৱা উদ্যোগ সকলোতে TQM বহুলভাৱে ব্যৱহাৰ কৰা হয়। TQMৰ ফলপ্ৰসূ প্ৰয়োগে কোনো এটা অনুষ্ঠান/প্ৰতিষ্ঠানৰ সামগ্ৰিক উৎকৰ্ষমান ব্যৱস্থাপনা পদ্ধতিটো সমৃদ্ধ কৰি তোলে।

- সামগ্ৰিকভাৱে আনুষ্ঠানিক ফলপ্ৰসূতা বৰ্তাই ৰাখিবলৈ আৰু বৃদ্ধি কৰিবলৈ প্ৰস্তুত কৰি লোৱা উন্নয়ন ব্যৱস্থা এটাকে উৎকৰ্ষ নিশ্চিতি বোলে। কোনো এটা শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমভিত্তিক দিশ, শিক্ষণ-শিকন প্ৰক্ৰিয়া, গৱেষণা, পৰামৰ্শ আৰু শিক্ষা, স্বাস্থ্যযত্নৰ অনুশীলন, শিক্ষাৰ্থী সমৰ্থন সেৱা, বিস্তৃত প্ৰকাশন তথা সহঃপাঠ্যক্ৰমমূলক কাৰ্যকলাপৰ দৰে গুৰুত্বপূৰ্ণ মাত্ৰাবোৰ অধিক সমৃদ্ধ কৰি তুলিবলৈ উৎকৰ্ষৰ দিশটো উন্নত কৰি তোলাটো অতি প্ৰয়োজনীয়।

- TQM হ'ল এটা ব্যৱস্থাপনা আৰ্হি। ই নেতৃত্ব, কৌশল, দলীয় কাৰ্য, অনমনীয় বিশ্লেষণ আদিত জোৰ দিয়ে। ই স্ব-মূল্যায়ণৰ পথো সুচল কৰি তোলে। TQM প্ৰত্যাশাবোৰ পূৰণ কৰিবলৈ ইয়াত সকলো কৰ্মচাৰীৰ স্বেচ্ছিক অংশগ্ৰহণ অতি প্ৰয়োজনীয়।

- TQM নামেৰে জনাজাত হোৱা ব্যৱস্থাপনা পন্থাটোৰ উত্থান ঘটিছিল ১৯৫০ৰ দশকত। ১৯৮০ৰ দশকৰ আৰম্ভণিৰপৰা লাহে লাহে পন্থাটোৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল। সৰ্বমুঠ উৎকৰ্ষমান () হ'ল এটা বৰ্ণনা। ইয়াৰ দ্বাৰা উপভোক্তাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ বিভিন্ন ধৰণৰ সামগ্ৰী আৰু সেৱা আগবঢ়োৱাৰ চেষ্টা চলাই থকা কোনো কোম্পানী নাইবা অনুষ্ঠান-প্ৰতিষ্ঠানৰ কৰ্ম-সংস্কৃতি, মনোভাৱ আৰু সাংগঠনিক বৈশিষ্ট্যৰ উমান পোৱা যায়। সংস্কৃতি বোলোতে কোম্পানী নাইবা অনুষ্ঠান-প্ৰতিষ্ঠান একোটাৰ কাৰ্য অভিযান, প্ৰক্ৰিয়া, কোনো ব্যৱস্থাৰপৰা লাভ কৰা ফলাফল আদিৰ দৰে সকলো দিশতে প্ৰয়োজন হোৱা উৎকৰ্ষমানৰ কথা বুজোৱা হয়।

- TQMৰ তিনিটা প্ৰধান উপাদান আছে। উপাদানকেইটা হ'ল—

  ১। এটা লিখিত উৎকৰ্ষমান ব্যৱস্থাপনা পদ্ধতি, ২। পৰিসাংখ্যিক প্ৰক্ৰিয়া নিয়ন্ত্ৰণ পদ্ধতি, ৩। উৎকৰ্ষমানৰ উন্নতিৰ বাবে দলীয়ভাৱে কৰা কাৰ্য।

- TQMৰ সফল প্ৰয়োগৰ বাবে এটা অনুষ্ঠান/প্ৰতিষ্ঠানে তলত উল্লেখ কৰা আঠটা উপাদান নিজ নিজ ব্যৱস্থাত সংলগ্ন কৰিব লাগে—

  নৈতিকতা (Ethics), সংহতি, আস্থা, প্ৰশিক্ষণ, দলীয় কাৰ্য, নেতৃত্ব, স্বীকৃতি আৰু সংযোগ।



14.9 FURTHER READING

1) Kumar S. Anil & Suresh, N. (2008). *Production and Operations Management.* New Age International publication.

১৪.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ [ঙ] ক, খ আৰু গ

২নং প্ৰশ্নৰ উত্তৰ ঃ [গ]

৩নং প্ৰশ্নৰ উত্তৰ ঃ TQMৰ অসমীয়া সমাৰ্থক হ'ল সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা। ই হ'ল সকলো ধৰণৰ অনুষ্ঠান/প্ৰতিষ্ঠানত উৎকৃষ্ট পাৰদৰ্শিতাৰ লক্ষ্যত উপনীত হ'বলৈ ব্যৱহাৰ কৰা এক ব্যৱস্থাপনা কলা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ নেতৃত্ব, আৰ্হি, পৰিকল্পনা আৰু উন্নতি সাধনৰ উদ্যোগবোৰৰ পাচতেই উৎকৰ্ষ সাধনক অনুষ্ঠান/প্ৰতিষ্ঠানৰ আন এক চালিকা শক্তি কৰি তোলা এক দৰ্শনৰ কথা বুজাবলৈ সৰ্বমুঠ উৎকৰ্ষমান ব্যৱস্থাপনা (TQM)ৰ ধাৰণাটোৰ বিকাশ ঘটিছে। নিজ লক্ষ্যত উপনীত হ'বলৈ TQMক ওপৰত উল্লেখ কৰা আঠটা উপাদানৰ সহায় লাগে। উপাদানকেইটাক কাৰ্য অনুসৰি চাৰিটা গোটত ভগাই ল'ব পৰা যায়। গোটকেইটা হ'ল— ১। ভেটি-নৈতিকতা, সংহতি আস্থা, ২। ইটা-প্ৰশিক্ষণ, দলীয় কাৰ্য, নেতৃত্ব, ৩। চুকী-নেতৃত্ব, ৪। মূধচ-স্বীকৃতি



১৪.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ TQM অভিধাটোৰে কি বুজোৱা হয়?

প্ৰশ্ন ২ ঃ TQM সংস্কৃতিৰ বাবে প্ৰয়োজনীয় উপাদানবোৰ কি কি?

প্ৰশ্ন ৩ ঃ TQM প্ৰয়োগত মানৱ সম্পদ ব্যৱস্থাপনাৰ গুৰুত্ব বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ TQMৰ সুফলবোৰ কি কি?

প্ৰশ্ন ৫ ঃ TQM দৰ্শনলৈ ড° এডৱাৰ্ড ডেমিঙৰ অৱদান বৰ্ণনা কৰক।

প্ৰশ্ন ৬ ঃ TQMৰ প্ৰধান উপাদানবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ TQM সংস্কৃতিয়ে এখন শিক্ষানুষ্ঠানক কেনেদৰে সহায় কৰিব পাৰে।

*** ***** ***



প্ৰসঙ্গ পুথি

১ বৰুৱা, যতীন- শিক্ষা প্ৰযুক্তি বিজ্ঞানৰ অধ্যয়ণ, অশোক বুক ষ্টল, গুৱাহাটী।

২ গোস্বামী, ৰজনীকান্ত- শিক্ষাদানৰ পদ্ধতি, কৌশল আৰু ভাৰতীয় শিক্ষাৰ নৱ পৰিক্ৰমা, বনলতা, গুৱাহাটী-১

৩ নাথ, পাৰুল আৰু দেৱী, বিজয়া - শিকোৱাৰ পদ্ধতিআৰু অনুশীলন, লয়ার্ছ বুক ষ্টল

৪ Agarwal JC : Principles, Methods & Technique of Teaching Vikash Publishing House Pvt. Ltd. 1966.

৫ Bhatia Dr. RH & Ahuza BN : School Organization and Management, Surzeet publication Delhi, 2005.

৬ Dr. S S Bhatnagar & Dr. P K Gupta : Educational Management Surya Publication, Meerut, 2003

৭ L. M. Prasad : Principle and Practice of Management Sultan Chand and Sons

৮ Mishra RC : Classroom Behaviour A PH Publishing corporation, New Delhi 2007.

৯ Panda BN & Tewari AP : Teacher Education, APH Publishing Corporation New Delhi, 2009.

১০ S. Venkataiah : Management and Quality Education Anmol Publications Pvt. Ltd.

১১ Saxena NR, Mishra BK, Mahanty RK : Teacher Education, R Lall Book Depot Meenut - 2006

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

প্ৰিয় শিক্ষার্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৰৱণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তর্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে? [ ] [ ] [ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৰৱণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৰৱণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসম্মতো নহয়	অসম্মত	দৃঢ়ভাৱে অসম্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কার্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পর্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পর্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকর্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱর্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।